মেক্সিম গৰ্কিৰ শ্ৰেষ্ঠগল্প

অনুবাদক
ৰত্নেশ্বৰ মেধি

সমন্বয় গ্ৰন্থালয়
পি, এন, চি, পথ
নলবাৰী—৭৮১৩৩৫

ভিন্নদেশী গল্প—৬

Maxim Gorkir Shrestha Galpa— a collection of short stories by Maxim Gorky and translated into Assamese by Ratneswar Medhi

Price:-Rupees Thirty Five only

প্ৰথম প্ৰকাশ : ফেব্ৰুৱাৰী ১৯৯০ চন ।
(৫ম বাৰ্ষিক সন্মিলন, নতুন সাহিত্য পৰিষদ)
(অসম সাহিত্য সভা, চাৰিআলি অধিবেশন)

প্ৰকাশক : শ্ৰীজিতেন ডেকা
সমন্বয় গ্ৰন্থালয়
নলবাৰী-৭৮১৩৩৫

প্ৰচ্ছদ শিল্পী : দেবেন দেৱান

মূল্য :— ৩৫·০০ টকা

মুদ্ৰক : পৱন প্ৰিণ্ট হাউচ
ষ্টেচন ৰোড,
নলবাৰী-৭৮১৩৩৫

পিতৃদেৱ সৰ্গীয়
গোবিন্দ মেধিৰ পাদ-পদ্মত

অনুবাদ প্ৰসংগত

মেক্সিম গৰ্কিৰ বিষয়ে সকলে পৰা সাধুকথাৰ দৰে বহু কথা শুনি আহিছোঁ। তেওঁ সৰুতে পিতৃহীন আৰু মাতৃ-পৰিত্যক্ত হৈ ধৰ্মপ্ৰাণা আইতাকৰ সৈতে থাকি জীৱন নিৰ্বাহৰ বাবে ভিক্ষাবৃত্তি লব লগা হৈছিল। তেওঁৰ কৈশোৰ আৰু যৌৱন পাৰ হৈছিল আহাৰ আৰু বাসস্থানৰ সন্ধানত দৈহিক শ্ৰমৰ মাজেৰে। তেওঁ জীয়াই থাকিবলৈ সকলো প্ৰকাৰৰ শ্ৰমেই কৰিব লগা হৈছিল। সেয়েহে তেওঁ দুখৰ স্বৰূপৰ সৈতে সুন্দৰ ভাৱে পৰিচিত আছিল। ৰুছ জনগণৰ দুখ মোচনৰ উপায় হিচাপে তেওঁ বিপ্লৱক স্বাগতম জনাইছিল আৰু নিজেও বলছেভিক দলৰ সদস্যপদ গ্ৰহণ কৰিছিল। এই ক্ষেত্ৰত গৰ্কি আছিল বাস্তৱ-আদৰ্শবাদী। এটি আদৰ্শৰ কথা কৈ সেই দিশত একো নকৰি তেওঁ চুপ-চাপ বহি থকা নাছিল। কিন্তু তথাপিও তাত্বিকসকলৰ সৈতে, কিতাপী কমিউনিষ্টসকলৰ সৈতে, তেওঁৰ অনেক ক্ষেত্ৰত মতবিৰোধ ঘটিছিল। তেওঁৰ উদাৰ আৰু গভীৰ মানবীয় দৃষ্টি-ভংগীৰ বাবে দলৰপৰা অনেক সময়ত ভৎসনা পাইছিল। কিন্তু সুখৰ কথা, মহান লেনিন সঁচাকৈয়ে মহান আছিল। পাৰ্টিৰপৰা গৰ্কিৰ বিৰুদ্ধে শৃংখলাভংগৰ অভিযোগ উত্থাপিত হলেই লেনিনে কমৰেডসকলক কৈছিল: "পাহৰি নাযাব, তেওঁ গৰ্কি।" লেনিনে বুজিছিল যে যিজন মানুহে নিজৰ হাতেৰে জীৱন গঢ়ি তুলিছে, যিজনে নিজেই নিজক শিক্ষিত কৰি তুলিছে, মানুহ সম্পৰ্কে নিজৰ নিচিনাকৈয়ে সকলোকে ভাবিবলৈ শিকিছে, সেইজন মানুহক তত্বৰ বেৰাবে আবদ্ধ কৰি ৰাখিব পৰা নাযায়; অথচ এই মানুহজনৰ জীৱনৰ দীপশিখাটো জ্বলাই ৰখাৰ প্ৰয়োজন আছে, সদ্য প্ৰস্ফুটিত প্ৰলেটাৰীয় সংস্কৃতিৰ এই ফুলপাহি কীটদংশনৰ পৰা ৰক্ষা কৰাৰ প্ৰয়োজন আছে। লেনিনৰ ভৱিষ্যৎদৃষ্টি নিৰ্ভুল আছিল। এই গৰ্কিয়ে পিছৰ দিনত বিশ্ববৰেণ্য সাহিত্যিক হ'ল; সমাজতান্ত্ৰিক বাস্তৱবাদৰ পিতৃ হিচাপে মৰ্যদা লাভ কৰিলে।

সুন্দৰৰ প্ৰতি মানুহৰ দুৰ্বলতা এটা সহজাত প্ৰবৃত্তি। বোধহয় এই প্ৰবৃত্তি-য়েই গৰ্কিৰ লেখনি পঢ়াৰ পিছত মনৰ ভিতৰত গোপনে এটা লোভৰ জন্ম দিলে। আৰু সেই লোভৰেই বৈধ সন্তান এই অনুবাদ গ্ৰন্থ। অসমীয়া ভাষালৈ গৰ্কিৰ লেখনি যথেষ্ট পৰিমাণে অনূদিত হোৱা নাই। গল্প খুব কমেইহে হৈছে। সংকলন

হিচাপে এইখনেই প্ৰথম স্থানৰ মৰ্যদা দাবি কৰিব পাৰে।

"শ্ৰেষ্ঠত্ব"লৈ চিৰদিন স্বাভাৱিকভাৱেই মতানৈক্য থাকিব। বিশেষকৈ সাহিত্য শিল্প-কলা বিষয়ক বিচাৰৰ ক্ষেত্ৰত। মেক্সিম গৰ্কিৰ শ্ৰেষ্ঠ গল্প সম্পৰ্কেও অনুবাদকৰ লৈতে কাৰোবাৰ মতৰ অমিল হোৱাটো অস্বাভাৱিক নহ'ব পাৰে। গল্প নিৰ্বাচনৰ সময়ত অনুবাদকৰ বিবেচনাই মুখ্য ভূমিকা লৈছে; যদিও আন পাঠক বা সমালোচকৰ মতামতকো নিৰ্দেশক হিচাপে শ্ৰদ্ধাৰে গ্ৰহণ নকৰাকৈ থকা নাই।

গৰ্কিৰ সাহিত্যকীৰ্ত্তিক সাধাৰণতে তিনিটা পৰ্যায়ত বিভক্ত কৰা হৈছে। গল্পও এই বিভাজনৰ ভিতৰুৱা। প্ৰথম পৰ্যায়ৰ লেখনিত শ্ৰমিক শ্ৰেণীৰ শোষণ-বঞ্চনা সুন্দৰভাৱে চিত্ৰিত হলেও শ্ৰেণী হিচাপে শ্ৰমিকৰ দক্ষতা আৰু ভৱিষ্যৎ পৃথিৱীৰ নিয়ন্ত্ৰক হিচাপে, জনগণৰ বিবেকৰ প্ৰহৰী হিচাপে, শ্ৰমিকসকলৰ লুকায়িত শক্তিৰ সন্ধান দিব পৰা নাই। ইয়াত আছে কচিয়াৰ জনগণৰ এক বৃহৎ অংশৰ দুখ-যন্ত্ৰণা, বঞ্চনা, হতাশা আৰু শোষণৰ ছবি; আৰু আছে মালিক, ব্যৱসায়ী আদি ধনবানসকলৰ লোভ আৰু সৰ্বগ্ৰাসী লুণ্ঠন আৰু ক্ষমতাৰ চিত্ৰ। My travelling Companion, Twenty Six Men and a Girl, Konovalov, Kolusha, Poet, Reader আদি প্ৰথম পৰ্যাযৰ গল্প। দ্বিতীয় পৰ্যায়ত গৰ্কিয়ে সাধাৰণ মানৱীয়তাৰ পৰা শ্ৰেণী মানৱীয়তালৈ উত্তীৰ্ণ হয়। এই শ্ৰেণী-মানৱতাবাদেই পৰৱৰ্ত্তীকালত সমাজতান্ত্ৰিক মানৱতাবাদৰ জন্ম দিযে। এই পৰ্যায়ৰ গল্পৰ ভিতৰত A Man is Born, The Creepy Crawlies, First Love আদি উল্লেখযোগ্য। তৃতীয় পৰ্যায়ৰ লেখনিবোৰ হ'ল বিপ্লৱোত্তৰ কালৰ। বিপ্লৱৰ পিছত স্বাস্থ্য ভাগি পৰা বাবে লেনিনৰ পৰামৰ্শ অনুসৰি ১৯২১ চনত গৰ্কি বিশ্ৰামৰ বাবে ইটালিলৈ যাব লগা হয়। তাতেই তেওঁ লিখে Tales of Italy।

এই সংকলনত তিনিওটা পৰ্যায়ৰে গল্প সন্নিবিষ্ট কৰা হৈছে। কলেবৰ বৃহৎ হোৱাৰ ভয়ত মাত্ৰ ছয়টা। ইয়াৰে কনোভ্লালোভ (Konovalov), ছাব্বিছজন পুৰুষ আৰু এজনী ছোৱালী (Twenty Six Men and a Girl) আৰু মানুহৰ জন্ম (A Man is Born) অনুবাদ কৰা হৈছে মস্কোৰ Progress Publishers ৰ দ্বাৰা প্ৰকাশিত Maxim Gorky, Collected Works, Volume I ৰ পৰা; কলুছা (Kolusha) আৰু কবি (Poet) অনুবাদ কৰা হৈছে কলিকতাৰ নৱ-সাহিত্য-প্ৰকাশনীৰ দ্বাৰা প্ৰকাশিত (১৯৮২) আৰু সমৰ ঘোষৰ দ্বাৰা বঙালী ভাষালৈ অনূদিত "মাক্সিম গোৰ্কিৰ শ্ৰেষ্ঠ গল্প"ৰ পৰা আৰু বেইমানৰ মাতৃ অনুবাদ কৰা হৈছে মস্কোৰ প্ৰগতি প্ৰকাশনৰদ্বাৰা প্ৰকাশিত "ইতালিৰ ৰূপকথা"ৰ

পৰা। অনুবাদকে এই ছেগতে প্ৰকাশন প্ৰতিষ্ঠানসমূহলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছে।

পাঠকৰ সুবিধাৰ বাবে সংকলনটোত অন্তৰ্ভুক্ত কৰা হৈছে প্ৰগতিশীল সমালোচক অধ্যাপক শশী শৰ্মাৰ এটা প্ৰবন্ধ, "গৰ্কিৰ গল্পৰ বৈশিষ্ট্য"। অধ্যাপক শৰ্মাচাৰৰ আলোচনাটোৱে অনুবাদকৰ পৰিশ্ৰম বহু পৰিমাণে লাঘৱ কৰাৰ উপৰিও সংকলনটোৰ সৌষ্ঠৱো বহু পৰিমাণে বঢ়াইছে। কিন্তু তেখেতৰ মৈতে অনুবাদকৰ দুই এটা সাধাৰণ বিৰোধো পাঠকৰ চকুত পৰিব পাৰে। অনুবাদকে বহুজন-গৃহিত মতকে গ্ৰহণ কৰিছে। শ্ৰদ্ধেয় শৰ্মাচাৰক কোৱাৰ লগে লগে আনন্দেৰে প্ৰবন্ধটো দি মোক তেখেতৰ ওচৰত আৰু বহু পৰিমাণে ঋণী কৰি পেলালে। শিক্ষাগুৰুৰ ঋণ কৃতজ্ঞতাৰে শোধ কৰিব পাৰি জানো?

শেষত আচল কথালৈ আহোঁ। "মেক্সিম গৰ্কিৰ শ্ৰেষ্ঠ গল্প" অসমীয়ালৈ অনুবাদ কৰাৰ গুড়িতে আছে নলবাৰীৰ সমন্বয় গ্ৰন্থালয়ৰ স্বত্বাধিকাৰী শ্ৰীজিতেন ডেকাৰ অপৰিসীম আগ্ৰহ। তেওঁ অকল প্ৰকাশ কৰিয়ে নহয় বিভিন্ন কিতাপ যুগুতাই দি খেছখেছাই নথকাহেঁতেন মোৰ দ্বাৰা হয়তো এই কাম কোনো দিনে সমাধা নহ'লহেঁতেন। শ্ৰীডেকা অকল মোৰেই নহয়, অসমীয়া পাঠকৰো ধন্যবাদ পোৱাৰ যোগ্য।

মোৰ সকলো লেখাৰে প্ৰথম শ্ৰোতা হ'ল ধন, জান আৰু বুলি। পংকজে নিজে নিজে পঢ়ে। পত্নী অধ্যাপিকা সৰোজিনী মেধিয়ে উভয় অত্যাচাৰকে সহ্য কৰিব লগা হয়। আটাইকিটাৰে শলাগ লৈছোঁ।

পাঠকে কিবা অলপ পালেহে অনুবাদক কৃতাৰ্থ হ'ব।

২০ চেপ্তেম্বৰ, ১৯৮৭,

গোবিন্দশ্ৰী কুঁটিৰ, **ৰত্নেশ্বৰ মেধি**

শান্তিপুৰ, নলবাৰী

গর্কীৰ গল্পৰ বৈশিষ্ট্য

শশী শৰ্মা

মেক্সিম গৰ্কী জগতৰ ভিতৰত সৰ্বপ্ৰথম আৰু লগতে সৰ্বশ্ৰেষ্ঠ সৰ্বহাৰাৰ সাহিত্যিক। তেওঁ গল্প লেখিবলৈ লোৱাৰ পৰাই আছিল যথাৰ্থ সৰ্বহাৰা। মাত-মাউৰা ল'ৰা পেচক'ভ মেক্সিমোভিচ (এইটোৱে গৰ্কীৰ পিতৃ-মাতৃয়ে দিয়া নাম আছিল) এ দহ বছৰ বয়সতে নিজৰ আৰু ককাক আইতা-কৰ জীৱিকাৰ কাৰণে জোতাৰ দোকানত চাকৰ থাকিবলৈ বাধ্য হৈছিল। এই দহবছৰৰ পৰা চৌবিশ বছৰলৈ পুৰা চৈধ্য বছৰ কাল গৰ্কীয়ে নানা ঠাইত চাকৰ আৰু লগুৱা থাকি প্ৰায় যাযাবৰী জিপ্‌চিৰ জীৱন নিৰ্বাহ কৰিছিল আৰু লগতে জগত আৰু জীৱন বিষয়ে লাভ কৰিছিল তিতা আৰু কেঁহা অভিজ্ঞতা। ৰুচ ভাষাত গৰ্কী শব্দৰ অৰ্থ তিতা। সমাজৰ কুৎচ-কদাকাৰ দুৰ্ব্যৱহাৰে তেওঁৰ জীৱন তিতা কৰি তুলিছিল। সেই কাৰণেই তেওঁ যেতিয়া পোণ প্ৰথমে 'মকৰচুদ্ৰ' গল্পটোৰে লেখক ৰূপে সাহিত্যিক জীৱনৰ পাতনি মেলিলে, তেতিয়া তেওঁ নামৰ পিছত উপাধি ললে 'গৰ্কী'।

আত্মজীৱনীৰ পৰাই জনা যায় যে পুথি-পত্ৰ পঢ়িও তেওঁ জীৱন আৰু জগত বিষয়ক বিপুল অভিজ্ঞতা লাভ কৰিছিল। জাহাজৰ থালাচীৰ বান্ধনি স্মাৰিয়ে কোৱা কথা—"জীৱনত যিহকেই বিচৰা, তাকেই কিতাপত পাবা" বা "এখন ভাল কিতাপ এটা নিয়মীয়া বন্ধৰ দিন"। আদি তেওঁ সমগ্ৰ জীৱন যুৰি মনত ৰখা কথায়ো প্ৰমাণ কৰে যে পুথি অধ্যয়নৰ প্ৰতি তেওঁৰ গভীৰ অনুৰাগ আছিল। হয়তো এই ব্যাপক অধ্যয়নৰ ফলতে তেওঁ পুথিৰ কাহিনীবোৰ মনোগ্ৰাহীকৈ কোৱা দক্ষতাও লাভ কৰিছিল। তেওঁৰে দৰে গছৰতল-বাঁহতল, নদীৰঘাট, জাহাজঘাট, ৰেলৰ প্লেটফৰ্ম, বিস্কুটৰ বেকাৰী আদিত কাম কৰা সহকৰ্মী বা সমধৰ্মী বন্ধুসকলৰ আগতে তেওঁ এই কাহিনীবোৰ ক'বলৈ লৈছিল আৰু এই যাযাবৰী জীৱনতে ১৮৯২ চনত টিফ্‌লিচৰ এটা মাৰ্ক্সবাদী অধ্যয়ন চক্ৰত লগ

পোৱা বন্ধু এ, এম, কালুখনিৰ অনুৰোধত লেখিছিল 'মকৰচুন্ত্র' গল্পটো, যিটো পোনপ্রথম প্রকাশ হৈছিল টিফ্লিচৰ পৰা প্রকাশিত আলোচনী 'কাৱকাজ'ত।

'মকৰচুন্ত্র' গল্পটো প্রকৃততে ৰোমাণ্টিক প্রেমৰ গল্প। হয়তো এই গল্পটো কওঁতে গৰ্কীৰ মগ্নচৈতন্যত শেক্সপিয়েৰৰ 'ৰোমিঅ' জুলিয়েট'ৰ কাহিনীয়ে ক্রিয়া-প্রতিক্রিয়া কৰি আছিল। গল্পটোৰ নায়ক সুগায়ক জিপ্চি যুৱক লোইকো যোবৰ আৰু নায়িকা সুগায়িকা জিপ্চি গাভৰু ৰাডডাৰ প্রণয় কাহিনী আৰু তেওঁলোকৰ আকস্মিক আত্মাহুতিৰ কাহিনীৰ ৰোমিঅ'—জুলিয়েটৰ কাহিনীৰ লগত বহুখিনি সাদৃশ্য আছে। কিন্তু তথাপি এই গল্পটোৰ মৌলিকতা আছে। ইয়াৰ মাজেদি জিপচি জীৱনৰ স্বাধীনতাবোধ বঢ়িয়াকৈ অনুভৱ কৰিব পৰা যায়,—জিপ্চিয়ে যেন বান্ধোনহীন অবাধ-মুক্ত জীৱনহে কামনা কৰে। জ্ঞানৰ ৰাজ্যত মুক্ত বিচৰণৰ সলনি পৰাধীনতাৰ বান্ধোনতকৈ যেন মৃত্যুয়ে শ্রেয়। আৰু ইয়ে যাযাবৰী জিপ্চি গৰ্কীৰো জীৱন দৰ্শন আছিল যেন অনুমান হয়।

বুঢ়ী ইজাৰগিল, শেনচৰাইৰ গান, পেট্রেল চৰাইৰ গান আদিও গৰ্কীয়ে ৰচনা কৰা ৰোমাণ্টিক ভাবাদৰ্শৰ গল্পই। কিন্তু ইবোৰৰ মাজেদিও গৰ্কীৰ জীৱন দৰ্শনকে অনুভৱ কৰিবলৈ পোৱা যায়। প্রসঙ্গক্রমে উল্লেখ কৰি থোৱা উচিত হ'ব যে গৰ্কীৰ আটাইতকৈ সুশ্রাব্য, তত্বগধুৰ আৰু মধুৰ গল্পবোৰ ৰূপকধৰ্মী; এইবোৰ গল্পৰ ভাষাতো আছে কাব্যিকতা। সেয়ে গৰ্কীৰ ভালেমান গল্পকে কথা কবিতা-ধৰ্মী বুলিব পাৰি। তেওঁৰ পোন প্রথম গল্প মকৰচুন্ত্রও ৰূপকধৰ্মী; ওপৰত উল্লেখ কৰা এই গল্প তিনিটাও ৰূপকধৰ্মী।

এই তিনিওটা গল্পৰ মাজেদি সংগ্রামীলেখক গৰ্কীৰ জীৱন দৰ্শন আৰু বিপুল ব্যাপ্তিৰ সুবিকাশ ঘটা দেখা যায়। কোৱা হয় যে ১৯১৭ চনৰ অক্টোবৰ বিপ্লৱলৈকে তেতিয়াৰ ৰুচিয়াত যিবোৰ বিপ্লৱ সংঘটিত হৈছিল, সেইবোৰ বিপ্লৱ গঢ়াত বিপুল ইন্ধন যোগাইছিল গৰ্কীৰ এই গল্পবোৰে। 'বুঢ়ী ইজাৰগিল'ত তিনিটা কাহিনী আছে, তিনিওটাই ৰূপক ধৰ্মী। প্রথম কাহিনীটোৰ মাজেদি প্রকৃততে আদিম সাম্যবাদী সমাজৰ পৰা সামন্তযুগীয়া শ্রেণী সমাজলৈ সামাজিক বিৱৰ্তনৰ কাহিনী কৈছে; দ্বিতীয় কাহিনীটোত শ্রেণী সমাজত শ্রমকাৰী মানুহৰ আৰু বিশেষকৈ নাৰীৰ জীৱনৰ দুখ-দুৰ্গতি, শোষণ নিৰ্যাতনৰ স্বৰূপ চিত্রিত কৰিছে। তৃতীয় কাহিনীটোৰ মাজেদি সাহসী নেতৃত্বৰ অধীনত সংগ্রামৰত হলে মানুহে শ্রেণীসমাজৰ অত্যাচাৰ নিপীড়ণৰ অৱসান ঘটাই কিদৰে মুক্তিৰ সন্ধেদ পাব পাৰে তাক ৰূপকৰ সহায়ত চিত্রিত কৰিছে। জীৱনৰ অভিজ্ঞতাৰ পোহ-ৰতে গৰ্কীয়ে বুঢ়ী ইজাৰগিলৰ মুখেদি জ্ঞান বিতৰণ কৰি কোৱাইছে,—"মানুহে

জীৱন নির্বাহ কৰাতকৈ প্ৰকৃতিতেই কটাই সৰহ কাল। অবাবত কাল কটাই শেষত দোষাৰোপ কৰে ভাগ্যক। কিন্তু ভাগ্যই কি কৰিব? প্ৰতিজন লোক তেওঁৰ নিজৰ ভাগ্য।" তৃতীয়টো কাহিনীৰ বিপ্লৱী নায়ক ডাংকোৰ মুখেদি কোৱাইছে,—"অবাবত তর্ক আৰু চিন্তা কৰি কাল হৰণ কৰাতকৈ প্ৰতিকূলতাৰ পৰা উদ্ধাৰ হোৱাৰ চেষ্টাহে কৰিব লাগে"।

'শেনচৰাইৰ গান' আৰু 'পেট্ৰেল চৰাইৰ গান বোলা এই ৰূপকধর্মী গল্প দুটাই গৰ্কীৰ বিৰাট বিপ্লৱী মনীষাৰ স্বৰূপ ফুটাই তুলিছে। ছোভিয়েটবাসীয়ে গৰ্কীকেই বিপ্লৱৰ পেট্ৰেল চৰাই বুলি অভিহিত কৰিছে। দুয়োটা চৰাইৰ মাজেদি প্ৰকৃত বিপ্লৱীৰ স্বৰূপ ফুটাই তুলিছে, প্ৰকৃত বিপ্লৱীৰ মানত জীৱনৰ অন্য নাম সংগ্ৰাম। গৰ্কীৰ জগত বৰেণ্য সৃষ্টি 'মাদাৰ' উপন্যাসৰ নায়ক পেভেল ভাচভ হেনো বাস্তৱৰ শ্ৰমিক নেতা পি, এ, জালোমোভ। এইজন পি, এ, জালো-মোভে কৈছিল, "শ্নেনচৰাইৰ গান আমাৰ কাৰণে এডজন ঘোষণা পত্ৰতকৈও অধিক মূল্যবান।" একে প্ৰসঙ্গতে বুঢ়ী ইজাৰগিলে কোৱা বীৰ ডাংকোৰ কাহি-নীৰ কথা উল্লেখ কৰি জোলোমোভে কৈছিল, "আমি প্ৰতি জনেই অনুভৱ কৰোঁ এই কাহিনীয়ে আমাৰ প্ৰতিজনক সমাজতান্ত্ৰিক বিপ্লৱৰ কাৰণে উত্তেজিত কৰি তোলে। ডাংকোৰ সংগ্ৰাম আমাৰ বিপ্লৱ সফল কৰি তোলাৰ কাৰণে যথেষ্ট তাৎপর্যপূর্ণ আৰু একমাত্ৰ কাৰণ।" (গৰ্কী: নিৰ্বাচিত চুটি গল্প: পাতনি: মস্কো)।

গৰ্কীৰ গল্প মানে প্ৰাকবিপ্লৱ যুগৰ ৰুচিয়া আৰু অক্টোবৰ বিপ্লৱৰ পিছৰ ছোভিয়েট দেশৰ শ্ৰমকাৰী জনগণৰ সচ্ছল আৰু জীৱন্ত চিত্ৰ। এই গল্পবোৰত কেৱল বাস্তৱৰ স্বাভাৱিক ৰূপটোই চিত্ৰিত হোৱা নাই, ভৱিষ্যতে মানুহ আৰু সমাজ কেনে হোৱা উচিত তাৰো সন্ধেদ সার্থক ৰূপেই দিব পাৰিছে। বাস্তৱক লৈ তেওঁ কেতিয়াও তুষ্ট নাছিল, তেওঁ আছিল এক বিৰাট অসন্তুষ্ট তথা বিদ্ৰোহী আত্মা। বিশিষ্ট ইংৰাজ সাহিত্যিক সমালোচক মেথ্যু আৰ্নোল্ডে যে কৈছিল "কোনো সংস্কৃতি সম্পন্ন লোকেই যি আছিল তাক লৈ তুষ্ট থাকিব নোৱাৰে, সংস্কৃতি সম্পন্নলোক মাত্ৰেই যি হোৱা উচিত আছিল তাক আয়ত্ত কৰিবলৈহে নিয়ত যত্নপৰ হয়, সর্বাত্মক সামাজিক উন্নতি আৰু মনুষ্যত্ববোধৰ উৎকৰ্ষ সাধনেই হ'ল প্ৰকৃততে সাংস্কৃতিক বিকাশৰ স্বৰূপ।" (কালচাৰ এণ্ড এনাৰ্কি) গৰ্কীএ অন্যান্য ৰচনাৰ দৰে জানিবা গল্পবোৰতো পুৰাকৈ এই আদর্শৰে অনুশীলন কৰিছে। গৰ্কীৰ সমকালীন ৰুচিয়াৰ শ্ৰমকাৰী নৰ-নাৰী আছিল ঠিক ডাংকোৰ কাহিনীত বৰ্ণোৱা নৰনাৰীৰ সদৃশ নিবন্ধৰ নিৰস. সোৰোপা এলেহুৱা। কিন্তু তেওঁ

কাহিনীৰ মাজেদি এনে পৰিৱেশ পৰিস্থিতিৰ সৃষ্টি কৰিছিল যে নতুন পৰিৱেশত পূৰ্বৰ সেই এলেহুৱা সোৰোপাৰ মাজৰ পৰাই ওলাই আহিছিল বিপ্লৱৰ পেট্ৰল বা শেনচৰাইৰ সদৃশ সংগ্ৰামী নায়ক-নায়িকা। গৰ্কীৰ গল্পৰ ই অন্যতম প্ৰধান বৈশিষ্ট্য।

শতিকাৰ পিছত শতিকা যোৰা শোষণ নিষ্পেষণে জাৰতন্ত্ৰৰ অধীন কৃষক শ্ৰমিকক মানৱীয় চিন্তা চৈতন্যহীন বৰ্বৰ সদৃশ কৰি তুলিছিল। লিঅ' টলষ্টয়ে এইসকল মানুহক বুলিছিল 'আন্ধাৰৰ জীৱ'। গৰ্কীয়েও এই বৰ্বৰ সদৃশ জীৱ বিলাকক চিত্ৰিত কৰিছে। কিন্তু চিন্তা-চেতনা লাভ কৰিবলৈ অসমৰ্থ বিলাকক 'লোণৰ খাতলৈ' বা 'নদীৰ জাহাজত' চিত্ৰিত কৰাৰ দৰে জিঘাংসু বৰ্বৰ ৰূপতে চিত্ৰিত কৰিছে। 'লোণৰ খাতলৈ' বোলা গল্পটোত স্পষ্টকৈ চিত্ৰিত কৰি দেখুৱাইছে যে পুৰণা শ্ৰমিকবিলাকে সমাজত নকৈ গঢ় লৈ উঠা মানৱীয় আৰু বৈপ্লৱিক আদৰ্শৰ গোন্ধ-ভাপেই সহিব নোৱাৰে, নতুন আদৰ্শৰে অনুপ্ৰাণিত শ্ৰমিকক শত্ৰুৰ দৰে আচৰণ কৰিবলৈও কুণ্ঠাবোধ নকৰে। তেনেকৈ 'নদীৰ জাহাজত, চোৰ-ডকাইত, গুণ্ডা বদমাচ, খুন-জখম, হাই-কাজিয়াৰ যি ছবি চিত্ৰিত কৰিছে, সি যেন তেতিয়াৰ ৰুচিয়াৰ বাস্তৱৰ ছবি ভিন্ন আন একো নহয়। জাৰতন্ত্ৰৰ অধীন ৰুচিয়াৰ জনগণৰ এই বৰ্বৰোচিত ৰূপৰ ছবি চিত্ৰিত কৰি তাৰ প্ৰতি ঘৃণাৰ উদ্ৰেকেৰে বৈপ্লৱিক পৰিৱেশ সৃষ্টি কৰাই আছিল গৰ্কীৰ লক্ষ্য। নকলেও হ'ব যে তেওঁ সফলো হৈছিল।

এটা বিশিষ্ট জীৱনবোধ তথা জীৱন-দৰ্শনৰ অধিকাৰী আছিল গৰ্কী। আনকি তেওঁ শিশুক লৈ ৰচনা কৰা গল্পবোৰৰ মাজেদিও এই জীৱন-দৰ্শন ফুটাই তুলিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাছিল। এই ক্ষেত্ৰত তেওঁৰ 'কোলুচা' আৰু 'খৃষ্টমাচৰ এটা সাধু' বোলা গল্প দুটালৈ মন কৰিলেও হয়। দাৰিদ্ৰ্য আৰু নিৰ্যাতনে কোলুচাক কৰিলে মগনীয়া। সেসে নহয়, বিকলাংগ হলেহে অধিক অনুকম্পা আকৰ্ষণৰ আকাঙ্ক্ষাত কোলুচা ঘোঁৰাৰ মাজত বাগৰি পৰিবলৈও নেৰিলে। আৰু তেনেদৰে ক্ষত-বিক্ষত হৈ সি অকালতে আৰু প্ৰায় আকস্মিক ভাবে মৃত্যুও বৰণ কৰিলে। খৃষ্টমাচৰ এটা সাধুতে তেওঁ দুটি নিঃসহায় ভিক্ষাৰী শিশুৰ কৰুণ জীৱনেই চিত্ৰিত কৰিছে; কিন্তু অন্য ৰূপত। তেওঁ অন্যান্য মানুহৰ জীৱনলৈ লক্ষ্য কৰি শিশু দুটিক উপলব্ধি কৰিব দিছে যে মগনীয়া বৃত্তিৰে নহয়, কঠোৰ শ্ৰমেৰেহে জীৱিকা আৰ্জিব লাগে। অথচ গল্পটো উপদেশ মূলকহে। ইও গৰ্কীৰ গল্পৰ এটা অসামান্য ৰূপ।

গৰ্কীৰ অভিজ্ঞতা আছিল ব্যাপক, বিপুল আৰু বৈচিত্ৰ্যপূৰ্ণও। বৈচিত্ৰ্যপূৰ্ণ অভিজ্ঞতাৰ পোহৰত ৰচনা কৰা তেওঁৰ সাহিত্যৰ চৰিত্ৰ আদিও সেইকাৰণে

বৈচিত্ৰপূৰ্ণ চৰিত্ৰ সম্পন্ন, টাইপ চৰিত্ৰ তেওঁৰ ৰচনাত নাই। কিন্তু তেওঁৰ ভঙ্গি বিজ্ঞান সম্মত। 'নীলাচকুৰে মানুহজনী', 'শৰতৰ এক সন্ধিয়া'; 'এজনী তিৰোতা' 'প্ৰচাৰক', 'বোলেগ্নভ' প্ৰভৃতি গল্পত ঘাইকৈ নাৰী চৰিত্ৰ আৰু নাৰী অন্তৰৰ স্বৰূপ চিত্ৰিত কৰিছে; দুখ-যন্ত্ৰণাৰ মাজেদি ভিন ভিন পৰিবেশত ভিন ভিন ৰূপত নাৰী চিত্ত চিত্ৰিত কৰাই জানিবা তেওঁৰ লক্ষ্য। মন কৰিবলগা কথা এয়ে যে নাৰী-সত্তাৰ অৱমাননা তেওঁ কতো কৰা নাই। 'বোলেগ্নভ'ত কুৰূপা যুৱতী 'টেৰেচা' ৰ প্ৰেমময়ী নাৰীসত্তা যি গভীৰ সহানুভূতিৰে চিত্ৰিত কৰিছে, অকল সিয়েই নাৰীৰ প্ৰতি থকা গৰ্কীৰ মানৱীয় অনুভূতিৰ স্পষ্ট পৰিচয় পোৱা যায়। তেওঁৰ গল্পত বেশ্যা জীৱনো চিত্ৰিত হৈছে, কিন্তু বেশ্যাসমূহ যে সমাজৰে সৃষ্টি তাক তেওঁ স্পষ্টৰূপে চিত্ৰিত কৰি বেশ্যাক কলংকৰ পৰা মুক্ত কৰিবলৈ যত্ন-পৰ নোহোৱাকৈ থকা নাই। নাৰীৰ মাতৃত্ব ৰূপ গৰ্কীৰ ৰচনাত আৰু সমুজ্জল। উপন্যাস 'মাদাৰ'ত হে যে পেলেগীৰ দৰে অসামান্যা মাতৃজনীক চিত্ৰিত কৰি গৰ্কী জগত বৰেণ্য হৈছে তেনে নহয়, 'মাতৃ', 'বিকলাঙ্গ', 'বিশ্বাস ঘাতকৰ মাতৃ' আদি গল্পতো তেওঁ অসামান্যা মাতৃৰূপ চিত্ৰিত কৰিব পাৰিছে। প্ৰথমটো গল্প ঐতিহাসিক পটভূমিত চিত্ৰিত কৰিছে। মধ্যযুগৰ পৃথিৱী বিজেতা বীৰ-পুৰুষ টাইমুৰ এজনী ফটা-ছিটা বেশৰ দুখুনী মাতৃৰ ওচৰত পৰাভূত হৈছে। মাতৃৰ মানত সন্তানৰ সুৰূপ-কুৰূপৰ মাজত পাৰ্থক্য নাই, বৰং কুৰূপ বা বিক-লাঙ্গৰ প্ৰতি মাতৃৰ মৰম-স্নেহ বেচিহে; এই তত্ত্ব অনুভৱ কৰা যায় 'বিকলাঙ্গ' বোলা গল্পটোত। 'বিশ্বাসঘাতকৰ মাতৃ (বেইমানৰ মাতৃ) আন এটা মহৎ গল্প। মাতৃ সৃষ্টিৰ আদি শক্তি দেৱী স্বৰূপা, মাতৃৰ মনত ধ্বংসৰ স্থান নাই, বিচাৰে কেৱল সৃষ্টি। অথচ এনে এগৰাকী মাতৃৰ পুত্ৰ হল দেশদ্ৰোহী, বিশ্বাসঘাতক। সি নিজেও বিয়া কৰাই সতি-সন্ততি ওপজাব নিবিচাৰে আৰু সি যুদ্ধ সজ্জাৰে নিৰ্মম ভাবে আক্ৰমণ কৰি আনৰ সৃষ্টিকো কৰে ধ্বংস। জন্মদাতৃ মাতৃয়ে এইজন পুত্ৰক সহ্য কৰিব নোৱাৰিলে, সৃষ্টিৰ বিৰোধী ধ্বংসাত্মক পুত্ৰক তেওঁ নিজহাতে হত্যা কৰি সৃষ্টিক স্বদেশক ৰক্ষা কৰিলে। আৰু যিহেতু তেওঁ আছিল এগৰাকী বৃদ্ধা মাতৃহে, সন্তান জন্ম দিয়াৰ ক্ষমতা তেওঁ হেৰুৱাই পেলাইছে, গতিকে তেওঁ আৰু জীয়াই থকাৰ আৱশ্যকতা অনুভৱ নকৰিলে, নিজেও আত্মহত্যাৰে মৃত্যুক আকোৱালি ললে।

গৰ্কীৰ গল্পৰ বৈশিষ্ট্য এয়ে যে তেওঁ যিহকেই নকওক বা যাকেই চিত্ৰিত নকৰক, কিবা নহয় কিবা এটা আদৰণীয় বা আকৰ্ষণীয় ৰূপদান কৰিহে এৰিব। 'ছেলকাচ' বা 'চাব্বিশজন মানুহ আৰু এজনী ছোৱালী' বোলা গল্প দুটালৈ লক্ষ্য

কৰিলেও এই কথা অনুভৱ কৰিব'পাৰি। 'ছেলকাচ' চোৰ-ডকাইত। সত্তৰ তেওঁ কাজানত ভল্গা নদীৰ পাৰত সঘনাই লগ পোৱা কুখ্যাত চোৰ বাচকিনক এই গল্পটোত ছেলকাচ নামেৰে ৰূপায়িত কৰিছে। সি চোৰ, কিন্তু সহানুভূতি-শীল। সি চোৰ কৰে ধনী-আঢ্যৱন্তৰ ঘৰত আৰু তেনেকৈ পোৱা ধন-সম্পদ আনি বিতৰণ কৰে দুখী-দৰিদ্ৰৰ মাজত। 'চাব্বিশজন মানুহ আৰু এজনী ছোৱালী' বোলা গল্পটোত তেওঁ প্ৰকৃততে শ্ৰমকাৰী মানুহৰ প্ৰেমৰ পবিত্ৰতাকেই চিত্ৰিত কৰিছে। এই চাব্বিশজন মানুহ বিস্কুটৰ কাৰখানাত কঠোৰ শ্ৰম কৰা শ্ৰমিক; আটায়ে মৰম কৰে ওচৰৰে আন এটা কাৰখানাত কাম কৰা ষোল্লবছৰীয়া গাভৰু ছোৱালী টানিয়াক। এই মৰম আছিল নিষ্কলুষ আৰু নিস্বাৰ্থ। টানিয়া জানিবা সিহঁতৰ উমৈহতীয়া উপাসনাৰ দেৱীহে। এই টানিয়া যেতিয়া ওচৰৰ আন এটা বিস্কুটৰ কাৰখানাৰ কাৰিগৰ জনৰ উপভোগৰ সামগ্ৰীত পৰিণত হ'ল, সিহঁত আটায়ে জ্বলিপকি উঠিল, টানিয়াক ঘিণাবলৈ আৰম্ভ কৰিলে। এই গল্পটোত গৰ্কীয়ে বিশিষ্ট তত্ত্বকে চিত্ৰিত কৰিব বিচাৰিছে। প্ৰথমে ক'ব বিচাৰিছে যে যৌন প্ৰবৃত্তিৰ তাড়নাৰ প্ৰভাৱৰ পৰা মানুহ মুক্ত নহয়, টানিয়াও নহয়, সেয়ে টানিয়াই কাৰিগৰ জনৰ ওচৰত যৌন প্ৰবৃত্তি চৰিতাৰ্থৰ অৰ্থে আত্ম সমৰ্পণ কৰিবলৈ বাধ্য হ'ল। আন হাতে এই চাব্বিশজন শ্ৰমিকো যৌন প্ৰবৃত্তিৰ তাড়-নাৰ পৰা মুক্ত নাছিল। তেওঁলোকৰ মগ্ন চৈতন্যত টানিয়াৰ প্ৰতি গভীৰ আকৰ্ষণ আছিল। সৈনিক কাৰিগৰ জনে টানিয়াক উপভোগ কৰিবলৈ সমৰ্থ হোৱাত তেওঁলোকৰ প্ৰতিহিংসা মূৰ্ত্তমান হৈ উঠে আৰু টানিয়াৰ প্ৰতি সমদলে ঘৃণা প্ৰকাশ কৰিহে যেন প্ৰতিহিংসা পাতলাবলৈ চেষ্টা কৰে। গল্পটোৰ মাজেদি ফ্ৰয়দীয় মনস্তত্ত্ব যে ৰূপায়িত কৰিছে সেই বিষয়ে সন্দেহৰ থল নাই।

গৰ্কী কোনোৰো প্ৰতি অন্ধভাবে মুগ্ধ নহয়। তেওঁ নিজে সৰ্বহাৰাই আছিল, কিন্তু চেষ্টা-যত্নেৰে গঢ়ি তুলিছিল নিজক নিজে সৰ্বহাৰাৰ বুদ্ধজীৱী ৰূপে আৰু শেষত বিপ্লৱী বুদ্ধিজীৱীৰূপেও। তেওঁ দেখিছিল, শুনিছিল আৰু অনুভৱো কৰিছিল যে একাংশ বুদ্ধিজীৱীয়েহে নতুন আৰু প্ৰগতিশীল সমাজ গঢ়াত নেতৃত্ব বহন কৰি নানা ভাবে নিৰ্যাতিত আৰু নিষ্পেষিতও হৈছে, কিন্তু এক গৰিষ্ঠ সংখ্যক বুদ্ধিজীৱীক তেওঁ আদৰ্শৰ বাজহাড়বিহীন সুবিধাবাদী ৰূপেও দেখা পাইছিল। তেওঁ যথাৰ্থত্যাগী আৰু বিপ্লৱীকো চিত্ৰিত কৰিছে আৰু সুবিধাবাদী বুদ্ধিজীৱী শ্ৰেণীকো চিত্ৰিত কৰিছে, প্ৰত্যেককে নিজৰ নিজৰ বৈশিষ্ট্যপূৰ্ণ স্বাভাবিকৰূপত। 'এজনী ছোৱালীৰ অৱদান' গল্পটোত আদৰ্শবাদী বুদ্ধিজীৱী ছোৱালী এজনীক যি গভীৰ সহানুভূতিৰে চিত্ৰিত কৰিছে ঠিক তাৰ বিপৰীতে ঘৃণাৰে চিত্ৰিত কৰিছে

-অনিষ্টকাৰী', 'বুদ্ধিজীৱী', 'কবি' আদি গল্পত সংকীৰ্ণমনা তথাকথিত বুদ্ধিজীৱী বিলাকক। গাভৰু ছোৱালী চুৰাৰ দৃষ্টিৰে ভণ্ডবুদ্ধিজীৱী কবি 'ক্রিমৃভি'ৰ মুখাখন কম সাহসেৰে গুচাই দিয়া নাই।

গৰ্কীৰ গল্পবোৰক তেওঁৰ যাযাবৰী জীৱনৰ চলন্ত টীকা-টিপ্পনীও বুলিব পাৰি। তেওঁ জাৰতন্ত্ৰৰ অধীন সমগ্ৰ ৰুচিয়া ঘূৰি ফুৰিছিল, তুন্দ্ৰা-ষ্টেপভূমি একোৱেই তেওঁৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ বাজত থাকিব পৰা নাছিল। আৰু অভিজ্ঞতালব্ধ কোনো অনুভূতিতেই তেওঁ তেওঁৰ বহল তুলিকাৰে ৰূপ দান নকৰাকৈও থকা নাছিল। এনে অভিজ্ঞতাৰ পোহৰত সিক্ত গৰ্কীৰ দুটা বিশিষ্ট গল্প হ'ল— 'এজন মানুহৰ জন্ম' আৰু কালোভালোভ। এই দুয়োটা গল্পই তেওঁৰ জীৱন-অভিজ্ঞতাৰ দুখিলা বিশিষ্ট পাত। শ্ৰমকাৰী মাতৃয়ে আজিও শ্ৰমত লিপ্ত থাকোঁতে পথে-প্ৰান্তৰেও সন্তান জন্ম দিয়ে। এনে এজনী নিঃসহায়া মাতৃয়ে নিৰ্জন সাগৰ প্ৰান্তত কিদৰে এটি সন্তানক জন্ম দিলে তাৰ প্ৰত্যক্ষ অথচ জীৱন্ত ছবি চিত্ৰিত কৰিছে 'এজন মানুহৰ জন্ম বোলা গল্পটোত। গল্পটোৰ সামৰণি পেলাইছে এটা সবল আৰু সুস্থ মানৱীয় আশাৰে— "কিমান সুন্দৰ এই শিশু! কিমান সুন্দৰ! মই তয়াৰ লগত, মোৰ এই কণমানি শিশুটিৰ লগত এনেকৈ পৃথিৱীৰ শেষ প্ৰান্ত পযন্ত যাব পাৰোঁ,— সি, মোৰ কণমানি ল'ৰাটিয়ে, তাৰ মাকৰ বুকুৰ মাজত ডাঙৰ-দীঘল হ'ব, আৰু ডাঙৰ হ'ব · · ·"। এই সবল মানৱীয় আশাবাদ এই গল্পটোৰ ঘাই আকৰ্ষণ। কালোভালোভ গৰ্কীৰ আন এটা আত্মজীৱনীমূলক গল্প। কালোভালোভ জাৰতন্ত্ৰৰ অধীন ৰুচিয়াৰ এজন নিৰক্ষৰ কিন্তু সৎ শ্ৰমকাৰী মানুহ। জীৱনৰ নানা ঘাত-প্ৰতিঘাতে কালোভালোভক অভিজ্ঞ কৰি তুলিছে; নিৰক্ষৰ সত্বেও বহল আৰু ব্যাপক সমাজৰ সম্পৰ্কলৈ অহা কাৰণে অভিজ্ঞতাই তেওঁক ধীৰ-স্থিৰো কৰি তুলিছে। নিৰক্ষৰ যাযাবৰী শ্ৰমিক কালো-ভালোভে জীৱনবোধ আৰু পবিত্ৰ আনন্দৰ সম্ভেদ দিব পাৰে। অৱশ্যে গল্পটোৰ অন্তত কৰা দাৰ্শনিকতা— "আমি প্ৰত্যেকেই এই জুই কুৰাৰ নিচিনা, মাথোঁ কিছুসময়ৰ কাৰণে উজলি উঠিবৰ কাৰণেই আমাৰ জীৱন··· ···" গৰ্কীৰ স্বাভাৱিক সবল আশাবাদৰ নিদৰ্শন নহয়। কিন্তু এই গল্পটোৰ মাজেদি গৰ্কীয়ে অতি কৌশলেৰে জাৰতন্ত্ৰ- অধীন ৰুচিয়াৰ শ্ৰমকাৰী নৰ-নাৰীৰ জীৱনৰ যন্ত্ৰণা শোষণ, নিষ্পেষণ, সবলতা, দুৰ্বলতা সকলো দিশকে উপলব্ধি পূৰ্ণকৈ চিত্ৰিত কৰিবলৈ সমৰ্থ হোৱাৰ দৰে ৰুচিয়াৰ প্ৰাকৃতিকো উপভোগ্য কৰি তুলিব পাৰিছে। লগতে মানুহ আৰু প্ৰকৃতিৰ মাজত থকা নিবিড় সম্পৰ্কও অভিজ্ঞতাৰ পোহৰত উদ্দীপ্ত কৰি তুলিব পাৰিছে। গৰ্কীৰ কালোভালোভ বোলা এই গল্পটোৰ অৱয়ব আৰু বাহ্যিৰ সাদৃশ্য আছে ছেখভৰ 'ছয় নম্বৰ ৱাড' ৰ লগত। অৱশ্যে দুয়োটা গল্পৰ ধ্যান-ধাৰণা সম্পূৰ্ণ ৰূপে স্বতন্ত্ৰ।

অকল সংখ্যাগত ভাবেই নহয়, গুণগত ভাবেও গৰ্কীৰ জাৰতন্ত্ৰৰ অধীন সমগ্ৰ ৰুচিয়াখনক তাৰ নৰ-নাৰী, পৰ্বত-পাহাৰ, আকাশ-বতাহৰ সৈতে জীৱন্ত ৰূপত চিত্ৰিত হোৱা উপলব্ধি কৰিব পাৰোঁ, তাৰ জনগণৰ শোষণ-নিষ্পেষণৰ পৰা উদয় হোৱা তীব্ৰ অসন্তুষ্টিৰ আভাসো গৰ্কীৰ গল্পত পাওঁ আৰু পৰম সন্তুষ্টি লাভৰ অৰ্থে যি সমাজতান্ত্ৰিক বিপ্লৱ সংগঠিত কৰিছিল তাৰো স্বৰূপ উপলব্ধি কৰাত গৰ্কীৰ গল্পই সহায় কৰে। গৰ্কীৰ গল্প যথাৰ্থ প্ৰগতিকামী মানুহ মাত্ৰৰে অৱশ্য পঠনীয়। □

মেক্সিম গর্কিৰ শ্ৰেষ্ঠগল্প

১৩-১৭ * কলুছা

১৮-৪০ * ছাব্বিছজন পুৰুষ আৰু এজনী ছোৱালী

৪১-৫২ * কবি

৫৩-১৩৬ * কনোভালোভ

১৩৭-১৫৩ * এজন মানুহৰ জন্ম

১৫৪-১৬৩ * বেইমানৰ মাতৃ

কলুহা

প্ৰখৰ ৰ'দত ঘামি-জামি জীৰ্ণপ্ৰায়, গছ-লতাৰে আবৃত কবৰ-খানাৰ হতভগীয়াসকলক কবৰ দিয়া এই অংশত, বাৰ্চগছৰ শীতল ছাঁত আদবয়সীয়া এগৰাকী নাৰী অকলে বহি আছিল। পিন্ধনত সাধাৰণ পোছাক আৰু এখন ফটা-ছিৰা ক'লা শাৰীৰে গা-মূৰ ঢাকি লোৱা। বিশৃঙ্খল কেঁচা-পকা চুলি কিছুমান তেওঁৰ সোঁতোৰা পৰা গালত ভুলি আছে; ওঁঠ দুটা ডাঠ আৰু তলপিনে সামান্য নামি যোৱা। কিবা এক মৰ্মন্তুদ বেদনাৰে তেওঁ মৌন। চকুৰ পতাবোৰ ফুলি উঠা আৰু গধুৰ; গোপনে চকুলো টোকা আৰু নিদ্ৰাহীনভাৱে নিশা কটোৱাৰ এয়া স্পষ্ট চিন।

কিছু দূৰত মই যে থিয় হৈ আছোঁ তালৈ তেওঁৰ ভ্ৰূক্ষেপেই নাছিল। আনকি মই যেতিয়া তেওঁৰ কাষ চাপি আহিলোঁ তেতিয়াও অনুজ্জ্বল চকু দুটা তুলি অকণমান মোৰ পিনে চাই তেওঁ আকৌ মূৰ নত কৰিলে; মোৰ প্ৰতি কৌতূহল, অসন্তোষ বা এই ধৰণৰ কোনো অনুভূতি দেখা নগ'ল।

ভদ্ৰভাৱে ময়েই কথা আৰম্ভ কৰিলোঁ আৰু সন্মুখৰ কবৰটোত কোন শুই আছে তেওঁক সুধিলোঁ।

"মোৰ ল'ৰা", তেওঁ উদাসভাৱে উত্তৰ দিলে।

"বয়সীয়াল ?"

"বাৰ বছৰ বয়স।"

"কেতিয়া মৰিল ?"

"চাৰি বছৰ আগতে।"

দীঘলকৈ হুমুনিয়াহ টানি তেওঁ ভাজি মৰা স্কাৰ্টটোৰ কিছু অংশ পিঠিৰ ফালে গুচাই দিলে। খুব গৰম পৰিছে; জ্বলন্ত সূৰ্যই এই নিৰ্জন কবৰথলিত নিৰ্মমভাৱে জুই ছটিয়াইছে। কবৰৰ ওপৰৰ ঘাঁহ-বোৰ ধূলি আৰু সূৰ্যৰ উত্তাপত বিৱৰ্ণ হৈছে। উৰ্দ্ধমুখী ক্ৰুছবোৰৰ ওচৰে-পাজৰে থকা গছ-গছনিবোৰ যেন নিস্পন্দ প্ৰাণহীন। ল'ৰাটোৰ কবৰৰ পিনে হাজি মই সুধিলোঁ, "এই কণমানি বয়সতে কেনেকৈ মৰিল ?"

"যোঁৱাই গছকি মাহ ডলা দিছিল"—চুটিকৈ উত্তৰটো দি ঠৰ ঠৰকৈ কঁপা শুকান হাতখনেৰে তেওঁ কবৰৰ ঢাপটো স্পৰ্শ কৰিলে।

"যোৱাই ? ... কেনেকৈ ?"

বুজিলোঁ, কৌতূহলবশতঃ সৌজন্যবোধৰ সীমা ছেৰাই গৈছোঁ, কিন্তু নাৰী গৰাকীৰ অদ্ভুত নিস্পৃহতাত ক্ষুণ্ণ হৈ কুটিল, অৱৰ্ণনীয় এক মনৰ জেদত তেওঁৰ চকুপানী চাবলৈ মোৰ ইচ্ছা হ'ল। তেওঁৰ এই নিস্পৃহতাৰ এটা বিশেষত্ব আছিল, সেইকাৰণে মোৰ প্ৰশ্নত কোনো পৰিবৰ্তন পৰিলক্ষিত নহ'ল। মাত্ৰ মূৰ তুলি নীৰৱে মোৰ ভৰিৰ পৰা মূৰলৈকে এবাৰ চাই উদাসভাৱে তেওঁ কাহিনীটো কবলৈ আৰম্ভ কৰিলে। আৰম্ভ কৰাৰ আগতে আকৌ মই তেওঁৰ গভীৰ হুমুনিয়াহ শুনিবলৈ পালোঁ।

"এনেকৈ মৰিছিল। টকা চুৰি কৰাৰ অপৰাধত যেতিয়া তাৰ দেউতাকৰ ডেৰ বছৰ জেল হ'ল, আমি আমাৰ সামান্য সাঁচি-ৰখাখিনি খাই শেষ কৰিলোঁ। উপায়হীন হৈ অৱশেষত খৰি হিচাপে গছ-গছনি বিক্ৰি কৰিবলৈ আৰম্ভ কৰিলোঁ। মোৰ পৰিচিত এটা কামলাই এক গাড়ী পঁচা কাঠ যোগাৰ কৰি দিছিল। সেইবোৰত গোবৰ লেপি শুকাই বিক্ৰি কৰিছিলোঁ; কিন্তু তাৰপৰা খুব ধোঁৱা ওলাইছিল; আনকি বন্ধা বস্তুতো তাৰ গোন্ধ পোৱা গৈছিল। কলু-ছাই তেতিয়া স্কুললৈ অহা-যোৱা কৰিছিল। সি খুব ছটফটিয়া আৰু হিছাপী। সি মোৰ দুখৰ কথা বুজি পাইছিল। বাটে-পথে সি

কুটা এগছি পালেও ঘৰলৈ লৈ আহিছিল ।

তেতিয়া বসন্তকাল । বৰফ গলিবলৈ আৰম্ভ কৰিছিল । সাধাৰণ ফেল্ট-বুট এযোৰাৰ বাহিৰে তাৰ আৰু একো নাছিল । ঘৰলৈ আহি যেতিয়া জোতাযোৰ খুলিছিল ঠাণ্ডাতে তাৰ ভৰি দুখন শেঁতা পৰিছিল ।

সেই অৱৰ্ণনীয় অৱস্থাতে এদিনাখন জেল কৰ্তৃপক্ষই মটৰেৰে আনি তাৰ দেউতাকক ঘৰত দি গ'ল । সাংঘাতিক হৃদৰোগত তেখেত অতিশয় দুৰ্বল হৈ পৰিছে । জীৰ্ণ বিছনাখনত শুই তেখেতে ক্ৰূৰ অবুজ হাঁহিৰে মোৰ পিনে ভেবা লাগি চাই ৰ'ল ; ময়ো তেখেতৰ পিনে এনেকুৱা এটা দৃষ্টিৰে চালোঁ। যিটোৰ অৰ্থ হ'ব পাৰে— "আপোনাৰ বাবেই আমাৰ এই দুৰৱস্থা, এতিয়া কেনেকৈ মই কি কৰিম ; যেনেকৈ মৰে মৰক, মোৰ উপায় ক'ত ?" কিন্তু দেউতাকক দেখি কলুছা আতংকিত হ'ল ; ভয়তে তাৰ মুখখন শেঁতা পৰিল । চকুপানী মচি সি সুধিলে : দেউতাৰ কি হৈছে মা ? কলোঁ : দিন শেষ হৈ আহিছে । তাৰ পিছৰপৰা আমাৰ অৱস্থাৰ আৰু অৱনতি ঘটিবলৈ ধৰিলে ।

কাম কৰোঁতে কৰোঁতে মোৰ দেহা ক্ষয় যাবলৈ ধৰিলে । তথাপিও দৈনিক, খুব বেছি ভাল হলেও, বিশ কোপেকতকৈ অধিক উপাৰ্জন কৰিব পৰা নাই । ইয়াতকৈ মৃত্যুৱে ভাল । মাজে সময়ে দেহৰ জ্বালা-যন্ত্ৰণা শেষ কৰি দিয়াৰ কথা মই চিন্তা কৰিছিলোঁ। বোধহয় কলুছাই মোৰ মানসিক অৱস্থাটো বুজিব পাৰিছিল আৰু সেইকাৰণে বিমৰ্ষ হৈ গোমোঠা মুখেৰে সি ঘৰৰ পৰা ওলাই গৈছিল । অসহ্য যন্ত্ৰণাত অস্থিৰ হৈ কেতিয়াবা মই হতাশভাৱে চিঞৰি উঠিছিলোঁ : হায় ! এই পশুৰ জীৱন কি মোৰ ভাগ্যতে লেখা আছিল ! ভগৱান, তাতকৈ মোক মাৰি নিনিয়া কিয় ?.... আৰু তইঁতৰ, তইঁতৰ কোনোবা এটা মৰিলেও মোৰ বুকু জুৰ পৰে । ইংগিতটো বাপেক-পুতেকৰ প্ৰতি । কগ্ন বাপেকে কথাখিনি শুনি ধীৰে ধীৰে মুৰ

হুপিয়াইছিল, যেন কব খুজিছিল "অভিশাপৰ দৰকাৰ নাই; অপেক্ষা কৰ, মোৰ দিন চমু চাপি আহিছে।" কলুছাই কিছুপৰ মোৰ মুখৰ পিনে স্থিৰ দৃষ্টিৰে চাই ধীৰে ধীৰে ঘৰৰপৰা ওলাই গৈছিল। যোৱাৰ লগে লগে মোৰ মনটোৱে হাঁহাকাৰ কৰি উঠিল: ছিঃ ছিঃ কি কৰিলোঁ মই!" কিন্তু তেতিয়া পলম হৈ গৈছে, বহুত পলম। এক ঘণ্টা সময়ো বোধহয় পাৰ হোৱা নাই, ঘৰৰ সন্মুখত পুলিচৰ ধোঁৱাৰ গাড়ী উপস্থিত। "এইটো চিচেনিনাৰ ঘৰ হয় নে?" গহীন মাত শুনি মোৰ অন্তৰখন মচ্‌কৈ উঠিল। মুখ মেলিব খোজোঁতেই তেওঁলোকে ক'লে: এবাৰ হস্পিতাললৈ যাব লাগে।.... তোৰ ল'ৰা ব্যৱসায়ী এ্যানোখিনৰ ধোঁৱাৰ গাড়ীত চেপা গৈছে।" দৌৰা-দৌৰিকৈ হস্পিতাললৈ গলোঁ। গাড়ীৰ ভিতৰত যেতিয়া বহি গৈছিলোঁ ধাৰণা হৈছিল কোনোবাই যেন মোৰ গালৈ ৰাশি ৰাশি জ্বলন্ত কয়লা দলিয়াইছিল। মনে মনে নিজকে ধিক্কাৰ দিছিলোঁ: হতভাগিনী, এয়া তই কি কৰিলি!"

গৈয়েই দেখিলোঁ, সমগ্ৰ শৰীৰ ব্যাণ্ডেজ কৰা অৱস্থাত এখন জীৰ্ণ খাটিয়াৰ ওপৰত কলুছা পৰি আছে। মোক দেখাৰ লগে লগে সি এটা ম্লান হাঁহি মাৰিলে। তাৰ দুই চকুৰে লোটক বাগৰিল। বিৰ্ বিৰ্ কৈ সি মোক কলে, "মোক ক্ষমা কৰ মা। পুলিচে মোৰ পইচাবোৰ কাঢ়ি নিছে।" "কি পইচাৰ কথা কৈছ সোণ?"

"এ্যানোখিন আক বাটৰুৱাবোৰে যি দিছিল।" মই ব্যাকুল হৈ তাক সুধিলোঁ, "কিয়, কিয় দিছিল তেওঁলোকে?"

"মই—মই—" যন্ত্ৰণাত সি চিঞৰিবলৈ ধৰিলে। তাৰ যেন চকু দুটা বাহিৰ ওলাই আহিব।

"কলুছা, সোণ মোৰ! ধোঁৱাবোৰ তই আগতে দেখা নাছিলি জানো?" কলুছাই লাহে লাহে ক'লে, "দেখিছিলোঁ মা। কিন্তু ৰাস্তাৰ পৰা আঁতৰি যাবলৈ মই ইচ্ছা নকৰিলোঁ। ভাবিলোঁ, মোৰ দেহৰ ওপৰেদি গাড়ীখন গুচি গলে বাটৰ মানুহবোৰে হয়তো সহানুভূতিত

মোক বেছিকৈ পইচা দিব।....দিছিলোঁ।।"

ঘটনাটো মোৰ ওচৰত স্পষ্ট হোৱাৰ লগে লগে মই কান্দি কান্দি কলোঁ, "এয়া তই কিয় কৰিবলৈ গলি সোণ?" কিন্তু চকুপানী মছিবলৈয়ো তেতিয়া আৰু সময় নাছিল।

পিছদিনা ৰাতিপুৱা সি মৰিল। মৃত্যুৰ আগমুহূৰ্ত্তলৈ তাৰ জ্ঞান সম্পূৰ্ণ লোপ পোৱা নাছিল, অনবৰত বিৰ্‌বিৰ্‌কৈ সি কৈ আছিল, "দেউতা, ইটো-সিটো কিনা। তোমাৰ নিজৰ যি ভাল লাগে এই পইচাৰে তাকে কিনা। যেন সি প্ৰচুৰ পৰিমাণৰ টকা-পইচা ঘৰত মজুত কৰিছিল। অথচ তাৰ হাতৰ মুঠিত আছিল মাত্ৰ সাতচল্লিশ কোপেক।

মই ব্যৱসায়ী এ্যানোখিনৰ ওচৰলৈ যাওঁতে পাঁচটা কবল মোৰ পিনে দলিয়াই দি গমগমাই উঠিল, "ল'ৰাই ইচ্ছা কৰিয়ে গাড়ীৰ তলত সোমাই পৰিছিল। ৰাস্তাৰ সকলোৱে দেখিছে। তই আৰু কিহৰ আশাত আহিলি?" মই আৰু সেই মুৱা কোনো দিনে হোৱা নাই। এয়াই হ'ল মোৰ বাছাৰ জীৱনৰ পৰিণতি, শুনিলা তো?"

নাৰী গৰাকী নীৰৱ হ'ল আৰু আগৰ দৰে পুনৰ নিৰুত্তাপ আৰু উদাস হৈ পৰিল।

কবৰখানাটো মৃত্যুৰ দৰেই নীৰৱ, নিঃসঙ্গ। ক্ৰুচ, প্ৰাচীন বৃক্ষ, মাটিৰ ঢাপ আৰু সন্মুখত বহি থকা নাৰী গৰাকীৰ বিষণ্ণ দীৰ্ঘশ্বাসে মৃত্যু আৰু মানুহৰ দুখ-কষ্ট সম্বন্ধে মোক চিন্তিত কৰি তুলিলে। ইফালে ডাৱৰহীন আকাশৰপৰা মাটিৰ বুকুত জুই পৰিছে।

জেপৰ পৰা কেইটামান কোপেক উলিয়াই ভাগ্যৰ নিৰ্মম হাতত নিগৃহিত হৈও এই পৃথিৱীত বাচি থকা নাৰী গৰাকীৰ পিনে আগবঢ়াই দিলোঁ। তেওঁ মৃদুভাৱে মূৰটো জোকাৰি ক'লে, "নিজৰ অভাৱ আৰু বঢ়াব খুজিছা কিয় বোপা? আজিৰ বাবে মোৰ ঘৰত কিবা অলপ আছে। মোৰ আৰু বেছিৰ দৰকাৰ নাই।....এই পৃথিৱীত এতিয়া মই অকলশৰীয়া।"

দীঘলকৈ হুমুনিয়াহ টানি বেদনাক্লিষ্ট মুখত ওঁঠ দুটা তেওঁ আকৌ দৃঢ় কৰি ললে। ☐

ছাৰিছজন পুৰুষ আৰু এজনী ছোৱালী

আমি ছাৰিছজন মানুহ যেন ছাৰিছটা জীৱন্ত মেচিন। এটা প্ৰকাণ্ড অট্টালিকাৰ নিম্নতম মহলাৰ কোঠা এটাত আমাক ঠাহ খুৱাই ৰখা হৈছে। তাতেই ৰাতিপুৱাৰ পৰা সন্ধিয়ালৈ ময়দা মৰা আৰু কটি-বিস্কুট আদি তৈয়াৰ কৰা আমাৰ কাম। আমাৰ তলা-টোৰ প্ৰত্যেকখন খিৰিকীৰ বাহিৰত একোটা ইটাৰে গাঁথা গাঁত আছে। গাঁতবোৰ শেলুৱৈ ধৰা বাবে সেউজীয়া দেখা গৈছে। তদুপৰি খিৰিকীবোৰ বাহিৰৰ পৰা লোহাৰ চালনিৰে সুৰক্ষিত আৰু আয়না-বোৰত কিবা এবিধ ধাতুৰ প্ৰলেপ থকা বাবে সেইবোৰ ভেদ কৰি কোঠাটোৰ ভিতৰলৈ সূৰ্যৰ পোহৰ কোনো প্ৰকাৰে আহিব নোৱাৰে। মালিকে খিৰিকীবোৰ এনেকৈ সুসজ্জিত কৰি ৰাখিছে যাতে ভিতৰৰ পৰা কটি বা বিস্কুট গৈ কোনো ভিখাৰী বা আমাৰেই কোনো কৰ্মহীন খাবলৈ নোপোৱা বন্ধুৰ হাতত পৰিব নোৱাৰে। মালিকে আমাক "চোৰৰ দল" আখ্যা দিছে আৰু খাদ্য হিচাপে মাংসৰ পৰিবৰ্তে পচা নাড়ি-ভুঁড়ি আমাক খাবলৈ দিয়ে।

এলান্ধু আৰু মকৰা জালেৰে ভৰা অত্যন্ত চাপৰ চিলিং থকা এই অন্ধঘোপৰ মাজত আমাৰ জীৱন অতীষ্ঠ। লেতেৰা দাগ আৰু শেলুৱৈ ধৰা ডাঠ দেৱালৰ মাজত বাচি থকা অতি কষ্টকৰ আৰু ক্লান্তিময়। ৰাতিপুৱা পাঁচ বজাতে উঠিব লাগে। উপযুক্ত পৰিমাণৰ টোপনি নোহোৱা বাবে মূৰ বেয়া লাগি থাকে। আৰু ছয় বজাৰ লগে লগে এখন মেজৰ কাষত সেই গধুৰ মূৰ আৰু অৱসন্ন দেহাৰে কটি-বিস্কুট আদি তৈয়াৰ কৰিবলৈ বহি যাওঁ। আমি শুই থাকোঁতেই আমাৰ কিছু সহকৰ্মীয়ে ময়দা মাৰি থয়। ৰাতিপুৱাৰ পৰা ৰাতি

দহটালৈ গোটেই দিনটো সেই মেজৰ কাষত বহি আমাৰ কিছুমানে মাৰি থোৱা ময়দাৰ লডাৰ পৰা বিস্কুট বনাওঁ আৰু হালি-জালি শৰীৰৰ জড়তা ভাঙো। বাকীবোৰে ময়দা আৰু পানী সানে। আৰু গোটেই দিনটো নিমকি-বিস্কুটৰ ময়দা সিজোৱা কেৰাহীটোৰ উতলা পানীৰ এটা সেঁ। সেঁ। শব্দ উঠে,—শব্দটো একেবাৰে অদ্ভুত, বিষণ্ণ। কাৰিকৰে হেঁতাৰে ময়দা সিজোৱা লডাবোৰ খণ্ডেৰে আৰু দৌৰা-দৌৰিকৈ গৰম ইটাৰ ওপৰত থওঁতেও ঠুং ঠাংকৈ শব্দ হয়। পুৱাৰ পৰা ৰাতিলৈ চৌকাত কাঠ জ্বলে। জুইৰ বক্তিম শিখাই যেন নীৰৱে আমাক বিদ্রূপ কৰি কাৰখানাৰ দেৱালৰ ওপৰত চিটিকি পৰে। প্ৰকাণ্ড চৌকাটো দেখিলে ধাৰণা হয় ভয়ংকৰ ৰাক্ষসৰ এইটো যেন এটা মূৰ, মজিয়াৰ মাটি ফুটি চিলিঙলৈ গতি কৰিছে। তাৰ মেলা মুখত অনবৰত জুই জ্বলি আছে আৰু আমাৰ গাত লাগিছে তাৰ তপত নিশ্বাস চৌকাটোৰ ওপৰফালে ধোঁৱা ওলোৱা যি দুটা বিন্ধা আছে সেই দুটা যেন সেই ৰাক্ষসৰ চকু আৰু সেই চকুৰেই সি আমাৰ বিৰামহীন পৰিশ্ৰমৰ চকিদাৰী কৰিছে। চৌকাৰ সেই বিন্ধা দুটা দেখিলে সঁচাকৈ ধাৰণা হয় সেই দুটা যেন ৰাক্ষসৰ চকুৰ দৰেই নিৰ্মম আৰু নিৰ্বিকাৰ। যেন আমাৰ দৰে গোলামবোৰক অশুভ দৃষ্টিৰে চাই চাই সিহঁত ক্লান্ত। এই গোলামবোৰৰ পৰা মানৱীয় একোকে আশা কৰিব নোৱাৰি। সেই চকু দুটাই যেন অধিকতৰ জ্ঞানৰ নিৰ্বিকাৰ অৱজ্ঞাৰে আমাৰ প্ৰতি ঘৃণা বৰ্ষণ কৰি আছে।

এই উত্তপ্ত শ্বাসৰুদ্ধকাৰী ঘৰৰ ভিতৰত ময়দাৰ গুড়ি আৰু চোতালৰ পৰা ভৰিত লাগি অহা তুঁহ-ভুঁছি আদিৰ মাজত আমি দিনৰ পিছত দিন ময়দা মাৰোঁ আৰু কটি-বিস্কুট বনাওঁ। কটি-বিস্কুটৰ ওপৰত আমাৰ দেহৰ ঘাম টোপাটোপে পৰে। এই কামক আমি ঘিণ কৰোঁ। আমি কোনো দিন নিজে বনোৱা কটি-বিস্কুট মুখত নিদিওঁ। তাতকৈ বাহিৰত বনোৱা ক'লা কটিকে খাওঁ। এখন

দীঘল মেজৰ দুয়োকাষে নজনকৈ বহি ঘণ্টাৰ পিছত ঘণ্টা অত্যন্ত যান্ত্রিকভাৱে আমি আমাৰ হাত আৰু আঙুলিৰে কাম কৰি যাওঁ। আমি এনেকৈ অভ্যস্ত হৈ গৈছোঁ যে হাত আৰু আঙুলিৰ প্রতি দৃষ্টি নিদিলেও চলে। আৰু আমি ইজনে সিজনক ইমান সুন্দৰকৈ চিনিছোঁ যে প্রত্যেকজন সহকর্মীৰে মুখৰ ভাঁজ পর্যন্ত আমি জানো। কথা পাতিবলৈ আমাৰ কোনো বিষয়ে নাই। সেইকাৰণে অনবৰত নীৰৱে থাকোঁ। এইটোও আমাৰ অভ্যাসত পৰিণত হৈ গৈছে। অৱশ্যে কেতিয়াবা আমি ইটোৱে সিটোক গালি-গালাজ কৰোঁ, কাৰণ যি কোনো সময়তে সহকর্মীক গালি-গালাজ কৰিবলৈ কিবা নহয় কিবা এটা চেলু ওলাবই। সেইটো বুলি আমি কাচিৎহে সেইটো কৰোঁ। কোনোবা অর্ধমৃত হলে, শিলৰ মূৰ্ত্তিৰ দৰে জড়-পদাৰ্থত পৰিণত হলে, হাড়ভঙা শ্ৰমৰ হেঁচাত কাৰোবাৰ অনুভূতি-বোৰ ভোটা হৈ গলে তেওঁক জানো দোষ দিব পাৰি? যিসকলে কব লগা আটাইখিনি কৈ পেলাইছে তেওঁলোকৰ বাবেহে নীৰৱতা বেদনাদায়ক আৰু অস্বস্তিকৰ; কিন্তু যিসকলৰ কব লগা খিনি কোনো দিনে কব পৰা নাই তেওঁলোকৰ বাবে নীৰৱতা স্বাভাৱিক আৰু সহজ। কেতিয়াবা আমি গান গাওঁ; কিন্তু সেই গান আৰম্ভ হয় এনেদৰে: কাম কৰি কৰি কোনোবা এজনে হঠাৎ ক্লান্ত বোবাৰ দৰে দীঘল দীঘলকৈ উশাহ লবলৈ ধৰে আৰু তেতিয়াই তেওঁ গুণগুণকৈ একতালি সুৰত আৰম্ভ কৰে সেই গান যি গানৰ করুণ সুৰে গায়কৰ হৃদয়ৰ গধুৰ বোজা পাতলাই দিয়ে। কোনোবা এজনে সেই গান গায় আৰু আমি বাকীবোৰে নীৰৱে শুনি যাওঁ। আৰু তেমন্তৰ কুঁৱলীভৰা ৰাতি স্তেপভূমিৰ ওপৰত ধূসৰ আকাশে যেতিয়া আয়নাৰ ঢাকনিৰ দৰে পৃথিৱীখনক ঢাকি ধৰে তেতিয়া প্ৰজ্বলিত জুইশিখা যিদৰে ধীৰে ধীৰে ক্ষীণ হৈ আহে ঠিক সেইদৰে আমাৰ গায়কৰ গানটোও পীড়াদায়ক অন্ধকাৰ কোঠাৰ অনুচ্চ ছালৰ তলত ধীৰে ধীৰে নাইকীয়া হৈ আহে। তাৰ পিছত আন এজনে প্ৰথম

গায়কৰ সুৰত সুৰ মিলায় আৰু তেওঁলোকৰ সেই মিলিত কণ্ঠস্বৰ আমাৰ শ্বাসৰুদ্ধকাৰী গৰম কোঠাৰ ভিতৰত করুণ আৰু কোমল-ভাৱে ভাহি ফুৰে। তাৰ পিছত হঠাতে আন কেবাজনেও গাবলৈ ধৰে সেই গান। লগে লগে সেই গানৰ সুৰ ঢৌৰ দৰেই সশব্দে আচাৰ খাই পৰে আমাৰ কোঠাটোৰ দেৱালে দেৱালে। ক্রমে ক্রমে তীব্রৰ পৰা তীব্রতৰ হয় সেই সুৰ। ধাৰণা হয় সেই সুৰ তৰংগই যেন আমাৰ বন্দীশালৰ লেতেৰা ডাঠ দেৱালবোৰ ভাঙি-ছিঙি চূৰমাৰ কৰিব।

অৱশেষত ছাব্বিছজনেই গাবলৈ আৰম্ভ কৰোঁ। বহুত দিনৰ অভ্যা-সেৰে কোনো ৰকম মিলাই লোৱা আমাৰ কৰ্কশ আৰু বেসুৰা কণ্ঠস্বৰ গোটেই ঘৰটোতে বিয়পি পৰে, ই প্ৰকাশ কৰে আমাৰ মুক্তিৰ বেদনা; পাথৰৰ দেৱালত ই মূৰ আচাৰে, কেঁকায়, কান্দে আৰু হৃদয়ত সৃষ্টি কৰে কোমল সূক্ষ্ম অনুভূতি, উন্মুক্ত কৰে পুৰণা বেদনাৰ ক্ষতমুখ আৰু জগাই তোলে বুকুৰ ভিতৰৰ পুঞ্জীভূত ক্ষোভ। গান গাই গাই গায়কহঁতে গভীৰ নিশ্বাস পেলায়। কেতিয়াবা কোনোবা এজনে হঠাতে গাবলৈ এৰি বাকীবোৰে গোৱা বহুপৰলৈ শুনি থাকে, তাৰ পিছত আকৌ সিও সেই সমবেত সংগীতত যোগ দিয়ে। আন কোনোবা এজনে চকু মুদি গাই গাই হতাশাৰে চিঞৰি উঠে, "আহ!" সি হয়তো শব্দৰ এই প্ৰশস্ত তৰংগকে ধৰি লৈছে এটা সুদীৰ্ঘ পথ বুলি, যি পথ সূৰ্যৰ পোহৰত উজ্জ্বল আৰু যি পথেৰে সি নিজেও আগবাঢ়িছে....... ।

চৌকাৰ ভিতৰত জুই শিখা নাচি থাকে, ভাজোঁতাজনৰ ইটাৰ ওপৰত হেঁতাৰ শব্দ হৈ থাকে, কেৰাহীত ভকভকৈ পানী উতলি থাকে, দেৱালত জুইৰ পোহৰে নিশব্দে কঁপি থাকে। আৰু এই অৱস্থাতে আমি গান গাই থাকোঁ। যি গানৰ বাণী আমাৰ নিজৰ নহয়, সেই গানৰ মাজেৰেই আমি আমাৰ স্থুল বেদনা, সূৰ্যৰ পোহৰৰ পৰা বঞ্চিত জীৱন্ত মানুহৰ হৃদয় বিদাৰক বেদনা, গোলামৰ বেদনা

প্ৰকাশ কৰোঁ আৰু এনেকৈয়ে আমি জীয়াই আছোঁ, আমি ছাব্বিছজন মানুহ প্ৰকাণ্ড অট্টালিকা এটাৰ মাটিৰ তলাৰ অন্ধকাৰ কোঠা এটাত জীয়াই আছোঁ আৰু ইয়াত জীৱনৰ বোজা ইমান গধুৰ যে এই তিনি মহলীয়া অট্টালিকাটো আমাৰ কান্ধৰ ওপৰত থকা যেন আমি অনুভৱ কৰোঁ।

গানৰ বাহিৰেও আন এটা আমাৰ আকাংক্ষিত আৰু প্ৰিয় বস্তু আছে। আমাৰ জীৱনত সূৰ্যৰ পোহৰৰ অভাৱ সম্ভৱতঃ এই বস্তুটোৱে পূৰণ কৰিছে। আমাৰ অট্টালিকাটোৰ প্ৰথম মহলাত এটা সোণ এমব্ৰয়ডাৰী কৰা কাৰখানা আছে। তাত বহুত ছোৱালীয়ে কাম কৰে আৰু তেওঁলোকৰ লগত টানিয়া বুলি এজনী ষোল্ল বছৰীয়া ছোৱালী আছে। তাই ছোৱালীকেইজনীৰ পৰিচাৰিকা। প্ৰত্যেক ৰাতিপুৱা আমাৰ কাৰখানাৰ দুৱাৰত কাটি লোৱা অকণমান খিৰিকীখনৰ আয়নাত ভাহি উঠে আনন্দৰ আভা ফুটি উঠা দুটি চকুৰে এখন গোলাপী মুখ আৰু আমি শুনিবলৈ পাওঁ মিঠা মাতেৰে আমাক কোৱা :

"হেৰা কয়দীহঁত ! মোক অলপ বিস্কুট-তিস্কুট দিয়াছোন !"

আমি সকলোৱে সেই উচ্ছল কণ্ঠস্বৰত সচকিত হওঁ আৰু আমাক উদ্দেশ্য কৰি ইমান মধুৰ হাঁহি মৰা সেই নিষ্পাপ কুমাৰী মুখৰ পিনে কোমল আৰু আনন্দৰ দৃষ্টিৰে চাওঁ। আয়নাত হেঁচা লাগি থকা নাক আৰু হাঁহি থকা গোলাপী ওঁঠৰ ফাঁকেৰে বাহিৰ ওলোৱা সৰু সৰু বগা বগা দাঁতবোৰ দেখি আমাৰ খুব ভাল লাগে। ইটোৱে সিটোৱে ঠেলা-ঠেলি লগাই আমি দুৱাৰ খুলিবলৈ দৌৰ মাৰোঁ, তাই দুৱাৰৰ কাষতে থিয় হৈ থাকে। দুৱাৰ খুলিয়েই দেখা পাওঁ—হাস্যময়ী আৰু মন ভুলোৱা ৰূপত এ্যাপ্ৰনটো দুই হাতেৰে তুলি ধৰি ঘাৰখন সামান্য হেলনীয়াকৈ টানিয়া আমাৰ সম্মুখত থিয় হৈ ৰৈ আছে। তাইৰ বাদামী চুলিৰ শকত বেণী এডাল কান্ধৰ ওপৰেদি আহি বুকুৰ ওপৰত ওলমি আছে। আমি

বিষণ্ণ, রুক্ষ চেহেৰাৰ কুৎচিৎ জীৱ আটাইকেইজনে তাইৰ পিনে চাওঁ। দুৱাৰৰ চৌকাঠটো চাবিটা চিৰীৰ ওপৰত কাৰণে মূৰ দাঙি আমি তাইক চাওঁ আৰু সুপ্ৰভাত জনাওঁ। তাইক সম্ভাষণ জনোৱা আমাৰ ভাষাটোও বিশেষ ধৰণৰ। একমাত্ৰ তাইৰ ক্ষেত্ৰতহে আমি এই ভাষা ব্যৱহাৰ কৰোঁ। তাইৰ সৈতে কথা কোৱা সময়ত আমাৰ মাতবোৰ কোমল হৈ ওলায় আৰু তামচা-ফূৰ্তিও মাৰ্জিত হয়। তাইৰ বাবে আমি যি কৰোঁ সকলোবোৰেই বিশেষ ধৰণৰ। কাৰিকৰে কেৰাহীৰ পৰা হেঁতা ভৰাই উলিয়াই আনে মচ্‌মচ্ কৰে বাদামী ৰঙৰ ভজা বিস্কুট আৰু অতি সাৱধানে টানিয়াৰ এ্যাপ্ৰনৰ কোছত সেইবোৰ তেওঁ ঢালি দিয়ে।

"চাবা, মালিকে নেদেখে যাতে" আমি তাইক সাৱধান কৰি দিওঁ। তাই খিল্‌খিলকৈ হাঁহি আনন্দত কৈ উঠে:

"বাই বাই কয়দীহঁত!" তাৰপিছত কণমানি নিগনি এটাৰ দৰে চকুৰ পচাৰতে তাই অদৃশ্য হয়।

আৰু এনেকৈয়ে আমাৰ দিনবোৰ গৈ আছে। তাই গুচি যোৱাৰ পিছতো বহুত পৰলৈ আমি তাইৰ কথা পাতি থাকোঁ। যোৱাকালি বা পৰহি দিনা যি কথা আলোচনা কৰিছিলোঁ ঠিক সেই কথাকে আজিও আলোচনা কৰোঁ। কাৰণ টানিয়া আৰু আমি আৰু আমাৰ পাৰিপাৰ্শ্বিকতা যোৱাকালি যি আছিল, পৰহি দিনা যি আছিল, আজিও ঠিক সেয়ে আছে। পাৰিপাৰ্শ্বিকতাৰ পৰিৱৰ্তন নঘটিলে মানুহৰ জীৱন ধাৰণ কৰাটো দুৰুহ আৰু পীড়াদায়ক হৈ পৰে। ইয়াৰ ফলত যদি তাৰ আত্মাৰ মৃত্যু নঘটে তেনেহলে যিমান বেছি দিন সি জীয়াই থাকিব সিমানেই পৰিবৰ্তনহীন পাৰিপাৰ্শ্বিকতা তাৰ বাবে পীড়াদায়ক হৈ পৰিব। আমি ছোৱালীৰ বিষয়ে সদায় এনেকৈ কথা পাতোঁ যে কেতিয়াবা আমাৰ নিজৰ ওপৰতে, আমাৰ স্থূল নিৰ্লজ্জ আলোচনাৰ ওপৰতে, বিৰক্ত হৈ পৰোঁ। ইয়াত অৱশ্যে আচৰিত হৱ লগা একো নাই, কাৰণ যিবোৰ ছোৱালীক আমি

জানো গিইঁতৰ বিষয়ে আন ধৰণে কথাও পাতিব নোৱাৰি। কিন্তু টানিয়া সম্পৰ্কে আমি কোনো দিন বেয়া কথা আলোচনা নকৰোঁ। আমাৰ কোনোৱে কোনো দিন তাইৰ হাতত ধৰিবলৈ সাহস কৰা নাই আৰু কোনো ধৰণৰ অশ্লীল ইংগিত আমাৰ পৰা তাই কোনো দিনে পোৱাও নাই। সম্ভৱত ইয়াৰ কাৰণ হৈছে, তাই কেতিয়াও বেছি সময় নাথাকে— আকাশৰ পৰা খহি পৰা তৰাৰ দৰে আমাৰ দৃষ্টিপটত ধৰা দিয়েই তাই নাইকীয়া হয়। নাইবা এইটোও হ'ব পাৰে যে তাই খুব সৰু আৰু অত্যন্ত ধুনীয়া। আৰু যি ধুনীয়া সিয়ে মানুহৰ আনকি লম্পটসকলৰো শ্ৰদ্ধা জাগৃত কৰে। তদুপৰি, যদিও গোলামি খাটেঁাতে খাটেঁাতে আমি মূক বলধৰ দৰে হৈ পৰিছোঁ তথাপিও আমিও মানুহ, আৰু মানুহৰ দৰে, আমিও আৰাধ্য বস্তু অবিহনে জীয়াই থাকিব নোৱাৰোঁ। অট্টালিকাটোত বহুতো মানুহ আছে, কিন্তু আমাৰ বাবে টানিয়াতকৈ কোনো এটাই বেছি সুন্দৰ নহয় আৰু মাটিৰ এই অন্ধকাৰ গুহাত কাম কৰা আমাৰ পিনে কোনেও ফিৰিও নাচায়। সৰ্বোপৰি, আৰু সম্ভৱতঃ এইটোৱে মূল কাৰণ যে আমি ভাবোঁ টানিয়া আমাৰেই, তাই বাচি আছে আমি তৈয়াৰ কৰা ৰুটি-বিস্কুটৰ ওপৰত নিৰ্ভৰশীল হৈ। তাইক গৰম বিস্কুট দিয়াটো আমাৰ কৰ্ত্তব্য হিচাপে ধৰি লৈছোঁ। সেই দেৱী প্ৰতিমাৰ ওচৰত এইটো আমাৰ নিত্য নৈবেদ্য, প্ৰায় পৱিত্ৰ এটা ধৰ্মাচাৰ। আৰু এইটোৱে তাইক আমাৰ বেছি ওচৰ চপাই আনিছে। ৰুটি-বিস্কুটৰ উপৰিও টানিয়াক আমি হৰেক ৰকমৰ উপদেশ দিওঁ। তাইক আমি গৰম কাপোৰ পিন্ধিবলৈ, দৌৰা-দৌৰিকৈ চিৰীৰে উঠা-নমা নকৰিবলৈ আৰু কাঠৰ গধূৰ বোজা নকঢ়িয়াবলৈ উপদেশ দিওঁ। তাই হাঁহি হাঁহি আমাৰ উপদেশ শুনে, আৰু হাঁহি হাঁহি উৰাই দিয়ে। কেতিয়াও তাই সেই উপদেশ নামানে। আমি সেইবাবে তাইক খং নকৰোঁ, আমি তাইৰ হিতাকাংক্ষী এইটো জনাব পৰাটোতে আমাৰ আনন্দ।

প্ৰায়ে আমাক তাই তাইৰ কাম কৰিবলৈ দিয়ে। উদাহৰণ

স্বৰূপে, তাই আমাক গুদামৰ দুৱাৰ খুলিবলৈ বা খৰি ফালিবলৈ কয় আৰু এনেকৈ হুঁশাহি মাৰি তাই যি কৰিবলৈ কয় কৃতাৰ্থবোধেৰে আমি তাকেই কৰি দিওঁ।

কিন্তু আমাৰ এজনে যেতিয়া এদিনাখন তাৰ একমাত্ৰ ছোলাটোৰ ফটাখিনি চিলাই কৰি দিবলৈ অনুৰোধ কৰিলে তেতিয়া তাই ঘৃণাৰে নাক কোছাই কৈ উঠিল, "বুদ্ধি চোৰা! নোৱাৰো।"

বূৰ্বক হৈ যোৱা বন্ধুটোক কেন্দ্ৰ কৰি আমি খুব ধেমালি কৰিলোঁ আৰু তাৰপিছত কোনো দিন আমি টানিয়াক একো কৰিবলৈ কোৱা নাই। আমি তাইক ভালপাওঁ আৰু এইটোৱে আমাৰ আচল কথা। মানুহে চিৰদিন ভালপোৱাৰ পাত্ৰ বিচাৰি ঘূৰি ফুৰে, যদিও প্ৰায় ক্ষেত্ৰতে ই পীড়াদায়ক হৈ উঠে। কেতিয়াবা হয়তো ই লক্ষ্যভ্ৰষ্ট হয়, আনকি জীৱনো হৈ পৰে অতীষ্ঠ, কাৰণ ভালপোৱাৰ সময়ত মানুহে ভালপোৱাৰ পাত্ৰক শ্ৰদ্ধা নকৰে। টানিয়াক আমি ভাল পাবই লাগিব, কাৰণ তাইৰ বাহিৰে আমাৰ ভাল পাবলৈ আৰু কোনো নাই।

কেতিয়াবা আমাৰ কোনোবাজনে হঠাতে তৰ্ক আৰম্ভ কৰে; এনেকুৱা এজনী কণমানি ছোৱালীক লৈ আমাৰ ইমান অত্যুৎসাহ কিয়? তাইৰ নো আশ্চৰ্যজনক কি আছে?"

এনেকুৱা কথা কওঁতাজনক আমি কঠোৰ ভাষাৰে বুজাই থওঁ— আমি ভালপাবলৈ কিবা এটা পাবই লাগিব; আমি সেয়া পাইছোঁ, ভালো পাইছোঁ সেইটোক, আৰু আমি ছাব্বিছজনে যিটোক ভাল পাইছোঁ সেইটো আমাৰ প্ৰত্যেকৰে অতি পবিত্ৰ বস্তু। আৰু যিজন এই ক্ষেত্ৰত আমাৰ বিৰুদ্ধে যায় সি আমাৰ শত্ৰু। আমি যি ভাল পাইছোঁ সেয়া হয়তো ভাল নহব পাৰে, কিন্তু আমি যিহেতু ছাব্বিছ-জনেই সেইটোৰ লৈতে জড়িত, আমি বিচাৰোঁ আনেও আমাৰ প্ৰিয় বস্তুটোক পবিত্ৰভাৱেই ৰাখিব।

আমাৰ ভালপোৱা ঘৃণাতকৈ কম কষ্টদায়ক নহয় আৰু সেই

কাৰণেই কিজানি কিছুমান জেদী লোকে দাবী কৰে যে আমাৰ ঘৃণা ভাল পোৱাতকৈ বেছি তোষামোদপূৰ্ণ। কিন্তু সেইটোৱে যদি হয় সিহঁতে আমাক এৰি চলা নাই কিয় ?

বিস্কুটৰ উপৰিও আমাৰ মালিকৰ বানৰুটি তৈয়াৰ কৰা কাৰখানা এটাও আছে। সেইটোও এই অট্টালিকাতে। এখন মাত্ৰ দেৱালে আমাৰ অন্ধকাৰ গুহাটোক সেইটোৰপৰা পৃথক কৰিছে। আৰু সংখ্যাত চাৰিজন হ'লেও বানৰুটিৰ কাৰিকৰহঁতে নিজকে আমাৰ পৰা আঁতৰত ৰাখে। তেওঁলোকে ভাবে, আমাতকৈ তেওঁলোকে ভাল কাম কৰে আৰু সেই কাৰণে তেওঁলোক আমাতকৈ উন্নত। তেওঁলোক আমাৰ কাৰখানালৈ কেতিয়াও নাহে আৰু কেতিয়াবা হঠাতে চোতালত আমাৰ সৈতে মুখামুখি হ'লে তেওঁলোকে আমাৰ প্ৰতি বিদ্ৰুপাত্মক ঘৃণা প্ৰকাশ কৰে। আমিও তেওঁলোকৰ কাৰখানালৈ যোৱা নাই। আমি বানৰুটি চুৰি কৰিম বুলি মালিকে আমাক তালৈ যোৱাটো বন্ধ কৰি দিছে। সেই কাৰিকৰহঁতক আমিও ঘিণ কৰোঁ, কাৰণ আমি তেওঁলোকৰ প্ৰতি ঈৰ্ষান্বিত। আমাতকৈ তেওঁলোকৰ কাম সহজ অথচ তেওঁলোকে দৰমহা বেছি পায়, ভালকৈ খাবলৈ পায়, তেওঁলোকৰ কাৰখানা আহল-বহল আৰু তেওঁলোকৰ আটাইকেইজন পৰিষ্কাৰ-পৰিচ্ছন্ন আৰু স্বাস্থ্যবান। সেই কাৰণে তেওঁলোক ইমান ঘৃণনীয়। আনহাতে আমি আটাইকেইজন শেঁতাপৰা আৰু বিবৰ্ণ। আমাৰ মাজৰ তিনিজনৰ চিফিলিচ্ ৰোগ আছে। কিছুমানৰ আছে খজুৱতি। এজন বাত ৰোগত বিকলাংগ। বন্ধৰ দিনা বা ৰবিবাৰে তেওঁলোকে লংপেণ্ট ছাৰ্ট আৰু কিচ্ কিচ্ কৰে ক'লা জোতা পিন্ধি পাৰ্কৰ পিনে ফুৰিবলৈ যায়। তেওঁলোকৰ দুজনৰ এ্যাকৰডিয়ান আছে। আৰু আমি লেতেৰা পাইজামা ছাৰ্ট পিন্ধো, ভৰিত থাকে ফটা-ছিটা কাপোৰৰ জোতা আৰু পুলিচেও আমাক পাৰ্কৰ ভিতৰত সোমাবলৈ নিদিয়ে; — এনে অৱস্থাত সেই বানৰুটি বনোৱা কাৰিকৰহঁতক আমি ভাল পাব পাৰো নে ?

এদিনাখন শুনিলোঁ যে তেওঁলোকৰ প্ৰধান কাৰিকৰজনে মদ খাই মাতলামি কৰিছে আৰু মালিকে খুব গালি গালাজ কৰি তাৰ ঠাইত বেলেগ এজনক নিযুক্তি দিছে। সেই নতুন কাৰিকৰটো আগতে সৈনিক আছিল। তেওঁ চাটিনৰ ওৱেষ্ট কোট পিন্ধে আৰু সোণৰ চেইন থকা তেওঁৰ এটা ঘড়ী আছে। এই হেন ভদ্ৰলোক জনক চাবলৈ আমাৰ খুব ইচ্ছা হ'ল। তেওঁক দেখাৰ আশাত আমি এজন এজনকৈ চোতাল-ঘৰ লগাবলৈ ধৰিলোঁ।

কিন্তু তেওঁ নিজেই এদিন আমাৰ কাৰখানাত আহি হাজিৰ হ'ল। গোৰ মাৰি দুৱাৰখন খুলি দুৱাৰমুখত থিয় হৈ হাঁহি হাঁহি আমাক ক'লে : "কি হে, ভাল নে তোমালোকৰ ?"

ধোৱাঁ বৰণীয়া মেঘৰ দৰে কুৱঁলীভৰা বতাহ এছাটিয়ে তেওৰ ভৰিৰ কাষত কুণ্ডলি পকাবলৈ ধৰিলে আৰু তেওঁ আমাৰ পিনে চাই থিয় হৈ ৰ'ল। তেওঁৰ গৰ্বোদ্ধত গোঁফৰ তলেৰে বৰ বৰ হালধীয়া ৰঙৰ দাঁতবোৰ ওলাই পৰিল। ওৱেষ্টকোটটো সঁচায়ে ধুনীয়া—নীলা, ওপৰৰ এ্যামব্ৰয়ডাৰী কৰা ফুলবোৰ উজ্জ্বল আৰু বুটামবোৰ এবিধ ৰঙা পাথৰৰ। চেইনডালো আছে।

সৈনিকটো দেখাত সঁচাকৈয়ে ধুনীয়া— ওখ, বলিষ্ঠ। গাল দুখন টিক্ টিক্ কৰে ৰঙা। ছাই ৰঙী চকুৰ দৃষ্টি স্বচ্ছ, স্নেহভৰা। মূৰত মাড় দিয়া এটা বগা টুপী আৰু নিভাজ এ্যাপ্ৰনৰ তলত চিক্ চিক্ কৰে পালিছ কৰা এযোৰ জোতা জোতা।

আমাৰ প্ৰধান কাৰিকৰে বিনয়েৰে তেওঁক দুৱাৰখন বন্ধ কৰিবলৈ কলে। ধীৰে ধীৰে দুৱাৰখন বন্ধ কৰি তেওঁ আমাক মালিকৰ কথা সুধিবলৈ ধৰিলে। আমি ইটোৰ ওপৰতে সিটোৱে মাত দি কবলৈ ধৰিলোঁ যে আমাৰ মালিকজন অত্যন্ত কৃপণ, চোৰ, বদমাচ আৰু অত্যাচাৰী। তেওঁৰ বিষয়ে কোৱা কথাবোৰ ইয়াত লিখা সম্ভৱ নহয়। সৈনিকজনে গোঁফত তাও দি আমাৰ ফালে ভদ্ৰভাৱে চাই চাই আমাৰ কথা শুনি গ'ল।

কথাৰ মাজতে তেওঁ কৈ পেলালে : "তোমালোকৰ ইয়াত দেখোন বহুত ছোৱালী আছে হে !"

শালীনতা লজাই ৰাখি আমাৰ কোনোৱে কোনোৱে হাঁহি দিলে, কোনোৱে কৈ দিলে যে ইয়াত অলেখ টাট্‌কা সুন্দৰী গাভৰু আছে।

"ব্যৱহাৰ কৰিছা ?" সৈনিকটোৱে চকুৰ টিপনি দি সুধিলে ।

আমি আকৌ হাঁহি দিলোঁ । এইবাৰ অৱশ্যে কিছু নৰম সুৰত, বিব্ৰত ভংগীত । আমাৰ মাজৰ কেবাজনৰো সৈনিকটোক বুজাবলৈ ইচ্ছা আছিল যে তেওঁৰ দৰে আমিও স্ফূৰ্তিবাজ, কিন্তু তেওঁলোকে বুজাব নোৱাৰিলে । আমি কোনেও নোৱাৰিলোঁ । শান্তভাৱে আমাৰ কোনোবা এজনে স্বীকাৰ কৰিলে :

"তেওঁলোক আমাৰ বাবে নহয়·· ···"

সৈনিকটোৱে আমাৰ ফালে ঘোপাকৈ চাই আত্মপ্ৰত্যয়েৰে কলে : "নহয় । তোমালোক তেওঁলোকৰ পৰা বহুত দূৰত থাকা । তোমালোক কোনো কামৰ মানুহ নহয়······· ··· । তোমালোকৰ ভিতৰত একোৱে নাই······· । আচল কথা কি জানা ? চকুৰ চাৱনি । এই চাৱনিৰ বাবেই তিৰোতাই পুৰুষক পচন্দ কৰে । নিয়মিত ভাৱে সিহঁতক তুমি লগ দিয়া·······, ইয়াৰ মাজত যি লাগে তাকে কৰা । অৱশ্যে সিহঁতে কিছু আটিল শৰীৰ বিচাৰে, বাহুৰ দৰে বাহু বিচাৰে —ঠিক এনেকুৱা ।"

সৈনিকটোৱে জেপৰ পৰা হাতখন উলিয়াই কিলাকুটিলৈ ছোলাটো কোচাই দিলে আৰু আমাক দেখুৱাবলৈ বাহুখন দাঙি ধৰিলে । বাহুখন শকত আৰু বগা । সোণালী নোমেৰে আবৃত ।

"ভৰি, বুকু— পুৰুষৰ সকলোবোৰ মজবুত হব লাগিব । পোছাক পাতিও ফিট-ফাট হ'ব লাগিব । মোৰ ফালে চোৱা— তিৰোতাবোৰ মোৰ ওপৰত উবুৰি হৈ পৰে । সেইটো বুলি নাভাবিবা যে মই সিহঁতৰ পিছে পিছে ঘূৰোঁ বা সিহঁতক মই ফুচুলাওঁ । এনেয়ে সিহঁতে একেলগে পাঁচজনী পৰ্যন্ত মোৰ গলত ওলমি পৰে ।"

ময়দাৰ এটা বস্তাৰ ওপৰত তেওঁ বহি ললে আৰু তিৰোতাই তেওঁক কিদৰে ভাল পায় আৰু তেওঁ তিৰোতাবোৰক কি তৎপৰতাৰে ব্যৱহাৰ কৰে সেইবোৰ পুংখানুপুংখৰূপে কবলৈ ধৰিলে। এইবোৰ কোৱা হওঁতে তেওঁ গ'ল। যাওঁতে পিছফালে দুৱাৰখন সশব্দে বন্ধ হ'ল। তেওঁ যোৱাৰ পিছত বহুত পৰলৈ আমি তেওঁ আৰু তেওঁ কোৱা কথাবোৰৰ বিষয়ে নীৰৱে ভাবিলোঁ। তাৰ পিছত হঠাতে আমি আটায়ে একেলগে কথা কবলৈ আৰম্ভ কৰিলোঁ। আলোচনাত প্ৰকাশ পালে যে আমি সকলোৱে সৈনিকটোক ভাল পাইছোঁ। কি সুন্দৰ, সবল এজন মানুহ, কেনেকৈ ভিতৰ সোমাই আহিল, বহিল আৰু আলাপ-আলোচনা কৰিলে— এইবোৰ কথা আমি আলোচনা কৰিলোঁ। ইয়াৰ আগতে কোনো মানুহে আমাক দেখা কৰিবলৈ অহা নাছিল, কোনো মানুহে আমাৰ সৈতে এনেকৈ বন্ধুৰ নিচিনাকৈ কথা পতা নাছিল। আমি তেওঁক জড়িত কৰি সেই দৰ্জিৰ কাম কৰা ছোৱালীবোৰৰ বিষয়ে আলোচনা আৰম্ভ কৰি দিলোঁ যিবোৰ ছোৱালীয়ে চোতালত আমাৰ মুখামুখি হলে ভেঙুচালি কৰি সাত হাত আঁতৰি যায় বা আমাৰ আগেদি তলমূৱাহৈ আমাৰ উপস্থিতিক উপেক্ষা কৰি গুছি যায়। আমাৰ বিশ্বাস হ'ল যে এই মানুহজনে সেই ছোৱালীবোৰক জয় কৰিব। যেতিয়া শীতকালত সেই ছোৱালীহঁতে ধুনীয়া ধুনীয়া সৰু সৰু টুপি আৰু নোমাল কোট পিন্ধি আৰু গ্ৰীষ্ম কালত মূৰত ফুলাম টুপি আৰু হাতত ৰঙীন ছাটি লৈ আমাক চোতালত অতিক্ৰম কৰে বা আমাৰ খিৰিকীৰ কাষেৰে পাৰ হৈ যায় আমি তেতিয়া সিহঁতক প্ৰশংসাকে কৰোঁ। অৱশ্যে আমাৰ মাজত সিহঁতক লৈ এনেকুৱা আলোচনাও চলে যে সিহঁতে শুনিলে লাজ আৰু ঘৃণাত পাগলী হৈ যাব।

"আশাকৰোঁ আমাৰ টানিয়াৰ ওপৰত তেওঁৰ নজৰ নপৰিব।" আমাৰ প্ৰধান কাৰিকৰে হঠাতে উদ্বিগ্ন হৈ কৈ পেলালে।

এই কথাত আমি আটাইকেইজন হতবাক হলোঁ। টানিয়াৰ

কথা পাহৰিয়ে গৈছিলোঁ— সৈনিকটোৱে যেন তেওঁৰ বিশাল সুন্দৰ চেহেৰাৰে আমাৰ মনৰ পৰা টানিয়াৰ কথা মুছি পেলাইছিল। আমাৰ মাজত তর্ক আৰম্ভ হৈ গ'ল। কোনোৱে কোনোৱে ক'লে যে সৈনিক-টোৱে টানিয়াক একোৰে টলাব নোৱাৰিব, কোনোৱে কোনোৱে ক'লে,— টানিয়াই তেওঁৰ আকর্ষণ ওফৰাব নোৱাৰিব আৰু বাকী বোৰে প্রস্তাৱ কৰিলে,— যদি সৈনিকটোৱে টানিয়াৰ ফালে আগুৱাব খোজে তেনেহলে তেওঁৰ হাড় গুৰি কৰা হ'ব। অৱশেষত সকলোৱে সৈনিকটো আৰু টানিয়াৰ ওপৰত নজৰ ৰাখিবলৈ আৰু এই বিষয়ে টানিয়াক সাৱধান কৰি দিবলৈ সিদ্ধান্ত কৰিলোঁ। ইয়াতেই তর্কৰ ওৰ পৰিল।

প্রায় এমাহ পাৰ হ'ল। সৈনিকটোৱে ৰুটি ভাজে, দর্জি ছোৱালী কেইজনীৰ লগত ফুৰিবলৈ যায়, প্রায়ে আমাৰ সৈতে দেখা কৰিবলৈ আহে; কিন্তু কোনো দিন তেওঁৰ অধিকাৰ সম্পর্কে কোনো কথা নকয় - কেৱল গোঁফত পাক দিয়ে আৰু ওঁঠ চেলেকে।

টানিয়াই প্রতি ৰাতিপুৱা বিস্কুট নিবলৈ আহে আৰু আগৰ দৰেই তাই আনন্দোচ্ছল, নম্র আৰু ভদ্র হৈ আছে। আমি তাইক সৈনিকটোৰ কথা কব খোজোঁ,— তাই তেওঁক "তেলেকা চকুৱা পুতলা" আৰু বহুত পেংলাই ধৰ্মী নাম দিয়ে আৰু এইটোৱে আমাক ক্ষান্ত কৰি ৰাখে। দর্জি ছোৱালী কেইজনীয়ে সৈনিকটোৰ সৈতে এঠাৰ দৰে লাগি থকা দেখি আমি আমাৰ সৰু ছোৱালীজনীক লৈ গর্ববোধ কৰোঁ। মানুহজনৰ প্রতি টানিয়াৰ বিৰূপ মনোভাৱে আমাক উৎফুল্লিত কৰি তোলে, তাইৰ প্রভাৱত আমি সৈনিকটোক ঘৃণাৰ চকুৰে চাবলৈ আৰম্ভ কৰিলোঁ। আমি টানিয়াক আগতকৈয়ো বেছিকৈ ভাল পাবলৈ আৰম্ভ কৰিলোঁ আৰু প্রতি ৰাতিপুৱা তাইক আনন্দোচ্ছাস আৰু মৰমেৰে সম্ভাষণ জনাওঁ।

এদিনাখন সৈনিকটো মদৰ ৰাগীত ঢলং পলংকৈ আমাক দেখা কৰিবলৈ আহিল। বহিয়ে তেওঁ হাঁহিবলৈ আৰম্ভ কৰিলে। আৰু

কিয় হাঁহিছে আমি যেতিয়া তেওঁক সুধিলোঁ তেওঁ ক'লে :

"সিহঁতৰ মাজৰ লিডা আৰু গ্ৰুছাই মোক লৈ মাৰামাৰি কৰিছে। নিজেই নিজৰ সৈতে কাজিয়া কৰিছে! উঃ, কি যে চিঞৰ বাখৰ! এজনীয়ে আনজনীক চুলিত ধৰি মাটিত বগৰাই চোঁচৰাই গলিটোলৈ লৈ গ'ল, তাৰপিছত বুকুৰ ওপৰত বহিল। হাঃ হাঃ হাঃ! এজনীয়ে আনজনীৰ মুখ আঁচুৰিছে, কানি-কাপোৰ ছিৰিছে। সেয়েহে হাঁহিছোঁ! এইবোৰ ছোৱালীয়ে চিধাচিধি কাজিয়া কৰিব নোৱাৰে কিয়? আঁচোৰা-কামোৰা কৰে কিয়?"

তেওঁ বেঞ্চৰ ওপৰত বহিছিল। মুখত অবিৰত হাঁহি। একেবাৰে সুন্দৰ, স্বাস্থ্যবান আৰু আনন্দিত দেখা গৈছে। আমি একো নকলোঁ। কিবা কাৰণত এইবাৰ তেওঁক দেখি আমাৰ ঘিণ লাগিছে।

"ছোৱালীৰ ক্ষেত্ৰত মই ইমান ভাগ্যবান কিয়? কি যে চিঞৰ বাখৰ! কিয়? মই এবাৰ মাথো চকু টিপো আৰু লগে লগে কাম হাচিল!"

উজ্জ্বল নোমেৰে ঢকা হাতখন দাঙি সৈনিকটোৱে আঁঠুৰ ওপৰত এটা চাপৰ মাৰিলে। আমাৰ পিনে এবাৰ আনন্দভৰা বিস্ময়েৰে চালে, যেন ছোৱালীৰ ক্ষেত্ৰত নিজৰ সৌভাগ্য দেখি নিজেই বিস্ময়াভিভূত। এটা নিৰ্মল আনন্দত তেওঁৰ ৰঙা পুষ্ট মুখখন উজ্জ্বল হৈ উঠিল আৰু তেওঁ ওঁঠ চেলেকিবলৈ ধৰিলে।

আমাৰ প্ৰধান কাৰিকৰজনে খঙতে হেঁতাখন চৌকাৰ ভিতৰলৈ সোমাই দি ব্যংগসুৰত হঠাতে কৈ পেলালে :

"সাধাৰণ ফাৰ গছ উভালোঁতে আনন্দ নাই— পাইন গছৰ সৈতে কি কৰা তাকেহে চাবলৈ মোৰ ইচ্ছা হৈছে।"

"কি কৈছা? মোক কিবা কৈছা?" সৈনিকটোৱে সুধিলে।

"তোমাকে কৈছোঁ।"

"কি কৈছিলা?"

"হ'ব হ'ব······ বাদ দিয়া।"

"ৰ'বা। তুমি কি কৈছিলা কোৱাছোন। কি পাইন গছৰ কথা কৈছাহে ?"

আমাৰ কাৰিকৰে উত্তৰ নিদিলে। সিজোৰা বিস্কুটবোৰ হেঁতাৰে কেৰাহিকৈ বহাই দিলে আৰু ভঙা বিস্কুটবোৰ মজিয়াত ঢালি থলে। সূতা লৈ বহি থকাসকলে সেইবোৰ গাঁঠিব ধৰিলে। কাৰিকৰে যেন সৈনিকটোৰ কথা পাহৰি গৈছে। কিন্তু সৈনিকটো হঠাৎ উঠিল আৰু চিধাচিধি চৌকাৰ ইমান কাষত গৈ থিয় হ'ল যে যি কোনো মুহূৰ্ততে হেঁতাৰ নালটো তেওঁৰ বুকুত লাগি বিপদ ঘটি যাব পাৰে, কাৰণ হেঁতাপাট তেতিয়া শূণ্যত এনেয়ে ঘূৰি আছে।

"শুনা, তুমি কি কব খুজিছা ? সেয়া মোৰ প্ৰতি অপমান। কাৰণ, এনেকুৱা কোনো ছোৱালী নাই যিয়ে মোৰ হাতৰ পৰা সৰকি যাব পাৰে। নাই ডাঙৰীয়া, কোনো নাই, আৰু তুমি মোক সেই কথা কৈয়ে টিপ্পনি কাটিছা ?"

ধাৰণা হ'ল, তেওঁ সঁচাকৈয়ে আহত হৈছে। আচলতে তেওঁৰ আত্মসন্মানৰ মূল উৎস হৈছে ছোৱালী চিকাৰ কৰাৰ ক্ষমতা; সম্ভৱতঃ এইটো মাত্ৰ মানৱীয় গুণক লৈয়ে তেওঁ অহংকাৰ কৰিব পাৰে আৰু মাত্ৰ এইটোৰ বাবেই তেওঁ নিজকে পুৰুষ বুলি ভাবে।

এনেকুৱা কিছু মানুহ আছে যাঁৰ জীৱনৰ আচল বিষয় হ'ল দেহ বা মনৰ বিকৃতি। ইয়াৰেই জীৱন পূৰ্ণ আৰু ইয়াক লৈয়ে তেওঁলোক জীয়াই থাকে। এই বিকৃতিৰ বাবে কষ্ট ভোগ কৰিলেও ইয়াৰ দ্বাৰাই তেওঁলোকে তৃপ্তি আহৰণ কৰে। এই বিষয়ে তেওঁলোকে মানুহৰ ওচৰত অভিযোগ কৰে, এই ধৰণেই তেওঁলোকৰ মনযোগ আকৰ্ষণ কৰে, বলপূৰ্বক সহানুভূতি আদায় কৰে আৰু এই কামেই হৈ পৰে তেওঁলোকৰ জীৱনৰ সৰ্বস্ব। এই বিকাৰৰ পৰা তেওঁলোকক বঞ্চিত কৰিলে, নিৰাময় কৰিলে, তেওঁলোকৰ জীৱন হৈ পৰিব একান্তভাৱে অসহনীয়, কাৰণ জীৱনৰ মূল বস্তুখিনি হেৰুৱাই তেওঁলোক যেন খোলাত পৰিণত হৈছে। কেতিয়াবা

মানুহৰ জীৱন ইমান হৃতভগীয়া হৈ পৰে যে মানুহ পাপকাৰ্যত লিপ্ত হৱলৈ বাধ্য হয় আৰু তাকেই সাৰটি বাচি থাকে। কোনোৱাই হয়তো কব পাৰে, প্ৰচণ্ড একঘেঁয়েমিৰ ফলতেই মানুহ পাপকৰ্মত লিপ্ত হয়।

সৈনিকটোৰ মৰ্মস্থলত আঘাত লাগিল। খঙেৰে তেওঁ আমাৰ প্ৰধান কাৰিকৰৰ ওচৰত গম্‌গমাই কৱলৈ ধৰিলে :

"নহয়, তুমি কবই লাগিব— কোন সেই পাইন গছ ?"

"কবই লাগিব—" হঠাত কাৰিকৰে তেওঁৰ পিনে ঘূৰি সুধিলে।

"অঁ !"

"টানিয়াক জানা নে ?"

"টানিয়াক ?"

"অঁ, তাইৰ কথাকে কৈছোঁ। তাইক তুমি কি কৰিব পাৰা চাব খোজোঁ।"

"মই ?"

'অঁ, অঁ, তুমি।"

"তাইক ? অতি সহজে !"

"আমি চাব খোজোঁ !"

"চাব খোজা ? হাঃ হাঃ !"

"কিয়, তাই কিন্তু—"

"এক মাহ সময়ো নালাগিব !"

"তুমি খুব অহংকাৰী, নহয় নে সৈনিক ?"

"ঠিক আছে, মাত্ৰ পোন্ধৰ দিন ! তোমালোকক মই দেখুৱাই দিম। কাৰ কথা কৈছিলা ? টানিয়া ? ফুঃ !"

"হ'ব হ'ব, তুমি এতিয়া যোৱা। কামত লাগি পৰা !"

"মাত্ৰ পোন্ধৰ দিন, তাৰপিছতে দেখিবা খেলা খতম্ ! বুজিছা ?"

"বাহিৰ ওলোৱা !"

হঠাতে খং উঠি কাৰিকৰে হৈতাপাট দাঙি ধৰিলে। বিস্ময়ত

সৈনিকটো পিছুৱাই গ'ল, তাৰপিছত নীৰৱে কিছুপৰ আমাৰ পিনে চাই উঠি দাঁত কৰছি কৈ উঠিল, "ঠিক আছে !" আৰু লগে লগে তেওঁ ওলাই গ'ল ।

আমি গভীৰ আগ্ৰহ আৰু নীৰৱতাৰে এই কাজিয়া শুনি আছিলোঁ । কিন্তু সৈনিকটো যোৱাৰ লগে লগে আমি সকলোৱে চিঞৰি চিঞৰি উত্তেজিতভাৱে তৰ্কাতৰ্কি আৰম্ভ কৰিলোঁ ।

কোনোবা এজনে চিঞৰ মাৰি কাৰিকৰক ক'লে :

"পাভেল, তুমি এটা জঘন্য ঘটনা আৰম্ভ কৰিলা !"

"নিজৰ কাম কৰি যোৱা ।" কাৰিকৰে ধমক দি কলে ।

আমি বুজি পালোঁ যে সৈনিকটোৰ অহমিকাত আঘাত পৰিছে আৰু টানিয়া বিপদৰ সন্মুখীন । আৰু এয়া জনা সত্বেও আমি সকলোৱে ইয়াৰ শেষ পৰিণতি জানিবলৈ এক আনন্দদায়ক কৌতূহলৰ বশৱৰ্তী হৈ পৰিলোঁ । টানিয়াই সৈনিকটোৰ পৰা নিজকে ৰক্ষা কৰিব পাৰিবনে ? আমি প্ৰায় বিনা প্ৰতিবাদে এই প্ৰত্যয় প্ৰকাশ কৰিলোঁ :

"টানিয়া ? নিশ্চয় তাই নিজৰ মাটি এৰি নিদিব ! তাইক সিমান সহজ নহ'ব, নিশ্চয় নহ'ব !"

আমাৰ আৰাধ্য দেৱীক এনেকৈ পৰীক্ষাৰ সন্মুখীন কৰি পেলোৱা বাবে আমি সাংঘাটিক ধৰণে উদ্বিগ্ন হৈ পৰিলোঁ । আমি পৰস্পৰক বুজাবলৈ চেষ্টা কৰিলোঁ যে আমাৰ দেৱী অত্যন্ত বিশ্বস্ত আৰু তাই পৰীক্ষাত উত্তীৰ্ণ হ'বই । আনফালে আমি সৈনিকটোক যথেষ্টভাৱে উত্তেজিত কৰিব পাৰিছোঁ নে নাই তাকো আলোচনা কৰিলোঁ আৰু যদি পৰা নাই তেনেহলে আমি নতুনকৈ তেওঁৰ অহংকাৰত আঘাত হানাৰ সিদ্ধান্ত কৰিলোঁ । কাৰণ, নহলে তেওঁ হয়তো এই বাজিৰ কথা পাহৰি যাব । এতিয়াৰ পৰা আমাৰ জীৱনত এটা নতুন উত্তে-জনাপূৰ্ণ উৎসাহ সংযোজিত হ'ল, এইটো এনেকুৱা এটা বিষয় যিটোৰ তৃপ্তি আগতে আমি কোনোদিন অনুভৱ কৰা নাছিলোঁ । কিছুদিন

আমি আমাৰ মাজত তৰ্কাতৰ্কি কৰি থাকিলোঁ ; ধাৰণা হ'ল আমি যেন খুব বুধিয়ক হৈ পৰিছোঁ, আমি ভাল ভাল কথা কবলৈ আৰম্ভ কৰিলোঁ। আমি যেন দুস্মনৰ সৈতে খেলত নামিছোঁ, আমাৰ সম্বল হ'ল টানিয়া। যেতিয়া আমি বানৰুটিৰ কাৰিকৰসকলৰ পৰা জানিব পাৰিলোঁ যে সিহঁতৰ সৈনিকটোৱে "টানিয়াৰ বাবে মৰণ যাত্ৰা আৰম্ভ কৰিছে" তেতিয়া আমাৰ উত্তেজনা শীৰ্ষ বিন্দুত, উত্তেজনাময় অভিজ্ঞতাৰে জীৱন এনেকৈ ভৰি উঠিল যে আমি লক্ষ্যই নকৰিলোঁ মালিকে এই সুযোগতে আমাৰ দ্বাৰা প্ৰতিদিন অতিৰিক্ত চৈধ্য লডা ময়দাৰ কাম কৰি লৈছে। আমি এতিয়া কাম কৰি ভাগৰি নপৰোঁ। গোটেই দিন আমাৰ মুখত টানিয়াৰ নাম। এক অদ্ভুত অধৈৰ্যৰে আমি ৰাতিপুৱা তাইৰ বাবে অপেক্ষা কৰোঁ। মাজে মাজে ধাৰণা হয় তাই যেন আন এক টানিয়া হৈ আমাৰ কাষলৈ আহিছে, সেই আগৰ টানিয়া নহয় যাক আমি সদায় জানিছিলোঁ।

অৱশ্যে আমাৰ সেই বাজি সম্পৰ্কে তাইক একো কোৱা হোৱা নাই।

তাইক কোনোদিন আমি একো সোধা নাই বৰং স্নেহেৰে ভাল ব্যৱহাৰহে কৰিছোঁ। কিন্তু আমাৰ মনোভাবৰ মাজত নতুন কিবা এটাই প্ৰবেশ কৰিছে যিটো টানিয়া সম্পৰ্কে আমাৰ আগৰ ধাৰণা-তকৈ সম্পূৰ্ণ বেলেগ আৰু সেই নতুন উপাদানটো হৈছে এটা অদম্য কৌতূহল যিটো কৌতূহল ষ্টীলৰ ব্লেডৰ দৰে তীক্ষ্ণ আৰু শীতল।

"ল'বাহঁত ! আজিয়ে শেষ দিন !" এদিনাখন ৰাতিপুৱা কাম আৰম্ভ কৰোঁতে কাৰিকৰে ক'লে।

মনত পেলাই নিদিলেও সেই সম্পৰ্কে আমি সম্পূৰ্ণ সজাগ। তথাপিও আমি আটাইকেইজন চকি উঠিলোঁ।

"তোমালোকে টানিয়াক নজৰ কৰিবা। তাই এতিয়াই আহিব," কাৰিকৰে পৰামৰ্শ দিলে। কোনে যেন অনুতাপ কৰি কৈ উঠিল :

"কিন্তু এয়া চকুৰ নজৰত ধৰা নপৰে।"

আৰু এটা হৈ-চৈ তৰ্কাতৰ্কি আৰম্ভ হ'ল। আজি, অৱশেষত আমি জানিব পাৰিম যিটো বস্তুক আমি আমাৰ অন্তৰৰ সৰ্বোৎকৃষ্ট বস্তু হিচাপে বিশ্বাস কৰি আছিলোঁ সেইটো কিমান পবিত্ৰ, নিষ্কলুষ। এই প্ৰথম এটা ৰাতিপুৱা আমাৰফালে আহি আছে যেতিয়া আমি সৰ্বোচ্চ পণ দি জুৱা খেলি আছোঁ, যিটো ৰাতিপুৱাত আমাৰ আৰাধ্য দেৱীৰ পৰীক্ষাই আমাৰ সকলো ভাঙি-ছিঙি চুৰমাৰ কৰি দিব পাৰে। অতদিন শুনি আহিছোঁ যে সৈনিকটোৱে টানিয়াক পৰাভূত কৰিবলৈ প্ৰাণ-পণ চেষ্টা কৰি আছে; কিন্তু যি কোনো কাৰণতে হওক আমি তাইক এই বিষয়ে একো সোধা নাই। তাই প্ৰতিদিনে বিস্কুট নিবলৈ নিয়মিতভাৱে আমাৰ তালৈ আহি আছে আৰু প্ৰতিদিনেই তাই তাই হৈয়ে আছিছে।

সিদিনাও আমি তাইৰ মাত শুনিবলৈ পালোঁ:

"কয়দীহঁত! মই আহিছোঁ·······"

দৌৰাদৌৰিকৈ আমি তাইক ভিতৰ সোমাবলৈ দিলোঁ আৰু যেতিয়া তাই ভিতৰ সোমাল আনদিনাৰ বিপৰীতে আমি তাইক নীৰৱে সম্ভাষণ জনালোঁ। আমি তাইৰ পিনে কঠোৰ দৃষ্টিৰে চালোঁ আৰু কি কম, কি সুধিম একো ঠিৰাং কৰিব নোৱাৰিলোঁ। তাইৰ সন্মুখত আমি এদল নিৰ্বাক গোমোঠা মুখৰ মানুহ থিয় হৈ ৰলোঁ। এই অস্বাভাৱিক পৰিস্থিতিত তাই অবাক হৈছে আৰু হঠাতে দেখিলোঁ তাই শেঁতা পৰিছে, অস্থিৰ হৈছে। কোনোৰকম সেপ ঢুকি তাই সুধিলে:

"তোমালোক সকলোবোৰ আজি ইমান·······অদ্ভুত কিয়?"

"তোমাৰ খবৰ কি?" কাৰিকৰে তাইৰ মুখৰ ওপৰত দৃষ্টি নিবদ্ধ ৰাখি গম্ভীৰ মাতেৰে সুধিলে।

"মোৰ খবৰ?"

"একো নাই।"

"ঠিক আছে, বিস্কুট দিয়া, সোনকালে।"

আগতে কোনোদিন তাই তৎপৰতা দেখুওৱা নাছিল।

"ঢেৰ সময় আছে," কাৰ্বিকৰে স্থিৰ দৃষ্টিৰে উত্তৰ দিলে।

হঠাতে তাই ঘূৰি বাহিৰ ওলাই গুছি গ'ল।

কাৰ্বিকৰে হেঁতাখন দাঙি চৌকাৰ পিনে ঘূৰি লৈ ক'লে:

"তাই ধৰা দিছে। সৈনিকটো, চয়তানটোৱে জয়ী হৈছে।"

আমি ভেড়াৰ পালৰ দৰে পৰস্পৰক লঠিয়াই লঠিয়াই মেজৰ কাষলৈ উলটি গৈ নীৰৱে উদাসভাৱে আকৌ কামত হাত দিলোঁ। কোনোবাই তেনেতে মাত লগালে:

"তাই ধৰা নিদিবও····"

"মনে মনে থাকা। যথেষ্ট হৈছে।" কাৰ্বিকৰে চিঞৰি উঠিল।

আটায়ে জানো যে তেওঁ বুদ্ধিমান, আমাৰ সকলোতকৈ বুদ্ধিমান। তেওঁৰ চিঞৰে আমাক বুজাই দিলে যে সৈনিকটোৰ বিজয় সম্পৰ্কে তেওঁ নিশ্চিত। আমি বিষণ্ণ আৰু বিহ্বল হৈ পৰিলোঁ।

দুপৰীয়া বাৰটা বজাত— আহাৰৰ সময়ত—সৈনিকটো সোমাই আহিল। তেওঁ আনদিনাৰ দৰেই পৰিষ্কাৰ-পৰিচ্ছন্ন, ফিটফাট আৰু আগৰদৰেই চিধা-চিধি আমাৰ মুখৰ পিনে চালে। তেওঁৰ পিনে চাবলৈ আমি অস্বস্তিবোধ কৰিছোঁ।

"কি হে ডাঙৰীয়াহঁত, এজন সৈনিকে কি কৰিব পাৰে চাব খোজা নেকি?" গৰ্বেৰে সৈনিকটোৱে ক'লে। "আটাইকেইজন ৰাস্তাটোলৈ যোৱা আৰু দেৱালৰ ফাঁকেৰে নজৰ কৰা। বুজিছা নে মোৰ কথা?"

আমি দল বান্ধি ৰাস্তাত গৈ থিয় হলোঁ আৰু ইটোৱে সিটোৱে ঠেলা-হেঁচাকৈ কাঠৰ বেৰৰ এটা ফাঁকেৰে আমি চোতালৰ পিনে চাই ৰলোঁ। বেছিপৰ অপেক্ষা কৰিব নালাগিল। দেখিলোঁ, টানিয়াই বেগাবেগীকৈ খুব উদ্বিগ্নতাৰে গলা বৰফ আৰু বোকা-ভৰ্তি গাঁতবোৰ জপিয়াই জপিয়াই চোতালখন পাৰ হৈ গ'ল।

তাই গুদাম ঘৰৰ দুৱাৰেৰে ভিতৰ সোমাই অদৃশ্য হ'ল। কিছুপৰ পিছত সৈনিকটোও সুহুৰিয়াই সুহুৰিয়াই ধীৰে ধীৰে সেই দুৱাৰেদি ভিতৰ সোমাল। তেওঁৰ হাত দুখন জেপৰ ভিতৰত আৰু গোঁফ কোছা নৃত্যৰত।

বৰষুণ পৰিছে। আমি দেখিবলৈ পাইছোঁ গাঁতৰ ভিতৰত বৰষুণৰ টোপাল পৰি বুৰবুৰণি উঠিছে। দিনটো সেমেকা, ধূসৰ, অত্যন্ত বিষণ্ণ। ছালৰ ওপৰত বৰফ এতিয়াও আছে। মাটি বোকাময়। ছালৰ ওপৰৰ বৰফো কজলা ৰঙৰ ধূলিৰ এটা তৰপেৰে আবৃত। এই ঠাণ্ডাত ৰাস্তাত থিয় হৈ অপেক্ষা কৰাটো অতিশয় অস্বস্তিকৰ।

সৈনিকটোৱেই প্ৰথমতে গুদাম ঘৰৰ পৰা বাহিৰ ওলাল। জেপত হাত ভৰাই গোঁফকোছা নচুৱাই নচুৱাই তেওঁৰ অভ্যাসমতেই অলসভাৱে চোতালখন পাৰ হৈ গ'ল।

তাৰপিছত ওলাই আহিল টানিয়া। তাইৰ চকু দুটা···তাইৰ চকু দুটা আনন্দ আৰু খুচিত উজ্বল আৰু ওঁঠ দুটাই হাঁহি আছে। তাই যেন সপোনৰ আবেসত খোজ কাঢ়িছে, অসংলগ্ন পদচালনাৰে, দুলি দুলি·······

আমাৰ সহ্যৰ সীমা পাৰ হৈ গ'ল। হঠাতে ঠেলা-হেঁচাকৈ আমি আটাই-কেইজন চোতাললৈ উভতি আহিলোঁ আৰু ভয়ংকৰ, প্ৰচণ্ড, আদিম গৰ্জনেৰে আমি তাইৰ ফালে চিঞৰিবলৈ ধৰিলোঁ।

আমাক দেখিয়ে তাই চকি উঠিল আৰু স্থিৰ হৈ থিয় হ'ল। এটা লেতেৰা গাঁতৰ ভিতৰত তাইৰ ভৰি সোমাই পৰিছে। তাইক আগুৰি ধৰি লেতেৰা আৰু অশ্লীল বিদ্ৰূপ বৰ্ষণ কৰি আমি এক ধৰণৰ বীভৎস উল্লাসত তাইক অভিশাপ দিবলৈ ধৰিলোঁ।

যেতিয়া আমি বুজিলোঁ যে তাই আমাৰ বেহু ভেদ কৰি ওলাই যাব নোৱাৰে আৰু আমিও হেপাহ পলুৱাই তাইক বিদ্ৰূপ কৰিব পাৰিম তেতিয়া আমি আৰু দৌৰা দৌৰি নকৰি নিম্ন স্বৰত সেইবোৰ কৰিবলৈ ধৰিলোঁ। আচৰিত কথা, আমি তাইক আঘাত কৰিব

পৰা নাই। তাই আমাৰ মাজত থিয় হৈ ইফালে সিফালে মুখ ঘূৰাই সমস্ত অপমান সহ্য কৰি গৈছে আৰু আমিও আগতকৈ বেছি ক্ৰুদ্ধভাৱে আমাৰ ক্ৰোধৰ বিষ আৰু বিষ্ঠা তাইৰ ওপৰত ঢালিবলৈ ধৰিলোঁ।

তাইৰ মুখখন নিষ্প্ৰাণ হৈ গ'ল। সেই নীলা চকুযুৰি, কিছুপৰ আগলৈ যি আনন্দেৰে ভৰা আছিল, সম্পূৰ্ণ ঘোলা হৈ গ'ল। তাই ফোঁপাই ফোঁপাই উশাহ লবলৈ ধৰিলে। ওঁঠ দুটা কঁপি উঠিল।

আৰু আমি তাইক চাৰিওফালৰ পৰা আগুৰি ধৰি তাইৰ প্ৰতি আমাৰ প্ৰতিহিংসা চৰিতাৰ্থ কৰিবলৈ ধৰিলোঁ— কাৰণ তাই আমাক একেবাৰে নিঃস্ব কৰি দিয়া নাই নে? তাই আমাৰ আছিল, তাইৰ বাবেই আমাৰ হৃদয়ৰ শ্ৰেষ্ঠ অনুভূতিবোৰ হেৰুৱাইছোঁ, আৰু যদিও সেই শ্ৰেষ্ঠ অনুভূতি নিতান্তই এজন ভিখাৰীৰ সম্পদ, তথাপি আমি ছাব্বিছজন আৰু তাই অকলে, আৰু তাইৰ অপৰাধৰ তুলনাত তাইক আমি তেনেকৈ আঘাত দিব পৰা নাই। আমি কিমান যে তাইক অপমান নকৰিলোঁ! তাই এটি শব্দও উচ্চাৰণ নকৰিলে; কিন্তু প্ৰচণ্ড ভয়ত কঁপিবলৈ ধৰিলে আৰু ভেবা লাগি আমাৰ ফালে চাই ৰ'ল।

আমি কিৰিলি পাৰি হাঁহিলোঁ, ধমকনি দিলোঁ, দাঁত মুখ কৰচি উঠিলোঁ। আন মানুহো আহি উপস্থিত হ'ল। আমাৰ এজনে টানিয়াৰ ব্লাউজৰ হাতত ধৰি টানিলে।

হঠাতে তাইৰ চকু দুটা জ্বলি উঠিল। ধীৰে ধীৰে হাত তুলি তাই চুলিকোছা ঠিক কৰি ললে আৰু শান্ত গভীৰ স্বৰত আমাৰ মুখৰ পিনে কৈ উঠিল:

"উহ, জঘন্য কয়দীবোৰ!"

আৰু আমি যেন তাত নাই, তাইৰ পথ আগুৰি থিয় হৈ থকা নাই, ঠিক এই ভাবেৰে তাই পোনচাটে আমাৰ মাজৰ পৰা ওলাই গ'ল। ঠিকেই, সঁচাকৈয়ে আমাৰ কোনো তাইৰ পথত

থিয় হৈ থকা নাই। বেষ্টনিৰ পৰা যেতিয়া তাই সম্পূর্ণ ওলাই গৈছে, আমাৰ পিনে নোচোৱাকৈয়ে ঘৃণা আৰু গর্বভৰা কণ্ঠেৰে একেধৰণে চিঞৰি চিঞৰি কৈছে :

"গাহৰিৰ দল। পশুৰ দল।" আৰু তাই গুছি গ'ল—পোনছাটে, সুন্দৰ আৰু গর্বিতভাৱে।

চোতালৰ বোকাৰ মাজত আমি থিয় হৈ ৰলোঁ, মূৰৰ ওপৰত ৰৰমুণ আৰু ধূসৰ আকাশ, য'ত সূর্য অনুপস্থিত।

তাৰপিছত আকৌ আমাৰ সেমেকা কোঠাৰ কাৰাগাৰৰ ভিতৰলৈ উভতি গলোঁ। আগৰ দৰেই, সূর্যই কেতিয়াও আমাৰ খিৰিকীৰে ভুমুকি নামাৰে। আৰু টানিয়াও নাহে। □

জিমনাষ্টিক ক্লাবৰ পৰা আহিয়ে চুৰাই কানি-কাপোৰ সলাই পোনছাটে খোৱাঘৰলৈ গ'ল। মাকে তাইক দেখি মুখ টিপি হাঁহিছে। কথাটো কিছু অস্বাভাৱিক। এনে পৰিস্থিতিত চুৰাৰ কৌতুহল বাঢ়ে। কিন্তু এতিয়া তাই আৰু কণমানি ছোৱালীজনী হৈ থকা নাই, মিছাকে প্ৰশ্ন সুধি কৌতূহল প্ৰকাশ কৰাটো তাইৰ বাবে অপমানজনক। মাকৰ কপালত চুমা এটা খাই আয়নাত নিজৰ চেহেৰাটো এবাৰ চাই লৈ চকীখনত বহি পৰিল। ইয়াতো আনদিনাৰ তুলনাত কিছু অস্বাভাৱিকতা আছে। মেজখন সুসজ্জিত আৰু পাঁচজনৰ বাবে আসনৰ ব্যৱস্থা কৰা হৈছে। তেনেহলে আন কথা নহয়, খাবলৈ কাৰোবাক নিমন্ত্ৰণ কৰা হৈছে। সামান্যভাৱে হতাশ হৈ চুৰাই দীঘলকৈ হুমুনিয়াহ কাঢ়িলে। মাক দেউতাক আৰু আইতাকৰো গোটেই বন্ধু-বান্ধৱী তাইৰ পৰিচিত। তেওঁলোকৰ মাজত এজনো নাই যিজন চুৰাৰ বাবে সুন্দৰ আৰু ভাললগা মানুহ। উস্ ভগৱান! কি ধৰণৰ বিৰক্তি লগা মানুহ! কেনেকৈ যে তেওঁলোকে পৰিস্থিতিটো অস্বস্তিকৰ কৰি তোলে! উদাসভাৱে অতিৰিক্ত চকীখনৰ পিনে আঙুলিয়াই মাকক সুধিলে, "কাৰ বাবে?" কোনো উত্তৰ নিদিয়াকৈ মাকে হাতঘড়ী আৰু দেৱালঘড়ীৰ সময় মিলাই খিৰিকীৰ ফালে কাণ থিয় কৰি কিবা আন্দাজ কৰিলে। তাৰপিছত চুৰাৰ ফালে মুখ ঘূৰাই হাঁহি মাৰি ক'লে, "ধাৰণা কৰ ছোন।"

"ইচ্ ধেমালি কৰিছা কিয়?" কথাখিনি কৈ চুৰাই বুজি পালে যে তাই খুব কৌতুহলী হৈ পৰিছে। তাইৰ মনত পৰিল, ঘৰ সোমোৱাৰ

সময়ত মাহীয়েক ল্যুবাই ড্ৰয়াৰ খুলি দি অস্বাভাৱিক ধৰণে কৈ উঠিছিল, "আহিছা ? খুব ভাল হ'ল।"

চুৰা ঘৰ সোমোৱাৰ লগে লগে ল্যুবা আনন্দিত হোৱা বিৰল ঘটনা, তাতে আকৌ খোলা-খুলি ভাৱে প্ৰকাশ ! চুৰাই ভালকৈ জানে যে একঘেঁয়া গাৰ্হস্থ্য জীৱনৰ ধৰা-বন্ধা ৰুটিনৰ অকণমান হেৰ-ফেৰ হলেই অন্তৰ্দৃষ্টিত ধৰা পৰি যায়, কাৰণ বৈচিত্ৰ্যৰ বাবে তাইৰ অন্তৰ চিৰচঞ্চল ।

"অঁ, খুব মজা হ'ব। মই ভাবি উলিয়াবলৈ চেষ্টা কৰছোন।" মাকে আগৰ দৰেই ৰহস্য কৰি ক'লে।

মাহীয়েকৰ কথা কোৱাৰ ধৰণ-কৰণ দেখিয়ে কিবা এটা আশ্চৰ্য-জনক ঘটিব বুলি চুৰাৰ সন্দেহ হৈছিল ; কিন্তু উপযাচি সোধাৰ তাইৰ ইচ্ছা নহ'ল ।

"কিভাল হ'ব ! কোনোবা হয়তো আহিব !" চুৰাই কৌতূহল দমাই ৰাখিলে ।

"সেয়াতো ঠিকেই," মাকে মৰ লৰাই সুধিলে, "কিন্তু কোন আহিব ?"

"জেনিয়া খুড়া'—আন্দাজতে কৈ দিয়াৰ লগে লগে তাইৰ গাল দুখন ৰঙা পৰিল ।

'উ—হুঁ:, কোনো আত্মীয় নহয় । এনেকুৱা এজন আহিব যাৰ বাবে তই পাগলী ।" চুৰাৰ চকু থৰ হ'ল। হঠাতে মাকৰ গলত সাৱটি ধৰি উৎসাহেৰে চিঞৰি উঠিল, "সঁচাই কৈছা নে মা ?"

"এৰি দে, এৰি দে"—হাঁহি হাঁহি মাকে জীয়েকক ঠেলি দিলে। "একেবাৰে দুষ্ট হৈছ ! গুছ, নহলে তেওঁক চব কথা কৈ দিম।"

"ক্ৰিমাস্কি ! আহিছে ? দেউতাই আনিবলৈ গৈছে ? জিনা খুড়ী ? যি কোনো মুহূৰ্ততে তেওঁলোক আহি পাব... মা, মা, মই ছাই ৰঙৰ কাপোৰ যোৰা পিন্ধিম ! উহ, তেওঁলোক আহিল !

ইয়ালৈয়ে আহিছে !" উত্তেজিত আৰু উল্লাসিত হৈ মাকৰ চকীখনৰ চাৰিওফালে চূৰাই জপিয়াবলৈ আৰম্ভ কৰিলে। তাৰপিছত দৌৰ মাৰিলে আৰ্চিৰ সন্মুখলৈ। তৎক্ষণাৎ কাপোৰ সলাব লাগিব বুলি ভবাৰ লগে লগে তাই শুনিবলৈ পালে মূল দুৱাৰখন বন্ধ কৰা শব্দ। লাহেকৈ চকিত বহি তাই চুলিৰ মাজত আঙুলি বুলাই চকু দুটা মুদি দিলে আৰু উত্তেজনাৰ প্ৰশমণ ঘটাবলৈ চেষ্টা কৰিলে। চকুমেলি তাই ক্ৰিমস্কিক দেখিবলৈ পাব ঘৰৰ ভিতৰত, ওচৰতে চকীত বহি থকা অৱস্থাত ! যি কবিৰ কবিতা পঢ়ি পঢ়ি তাই পাগল, যিজনক জিমনাষ্টিক ক্লাবৰ সকলোৱে ভাবে আধুনিক যুগৰ শ্ৰেষ্ঠ কবি বুলি ! কি শান্ত, ধ্বনিব্যঞ্জক, স্নেহময়, মধুৰ কবিতা ! হাই ভগৱান ! এই মুহূৰ্ততে তেখেত সশৰীৰে উপস্থিত হ'ব, তাইৰ কাষতে বহিব আৰু পাঠ কৰিব অতি সাম্প্ৰতিকে লিখা কবিতাৰ শাৰী। জিমনাষ্টিক ক্লাবৰ কোনো ছোৱালীৰে সেয়া শুনাৰ সুযোগ ঘটা নাই। কাইলৈ তাই গৰ্বেৰে সিহঁতক ক'ব, "ক্ৰিমস্কিয়ে যি লিখিছে তোমালোকে পঢ়া উচিত।"

"কোনবোৰ ?" সিহঁতে সোধাৰ লগে লগে তাই আজিৰ কবিতাবোৰ আবৃত্তি কৰি শুনাব। যেতিয়া সিহঁতে জানিবলৈ খুজিব তাই এইবোৰ ক'ত পালে, চূৰাই বুকু ফিন্দাই তেতিয়া ক'ব যে এইবোৰ এতিয়াও ক'তো ছপা হোৱা নাই, যোৱাকালি ক্ৰিম-স্কিয়ে নিজে সিহঁতৰ ঘৰৰ খোৱা মেজত চূৰাৰ কাষত বহি আবৃত্তি কৰিছিল। কিমান যে আচৰিত হ'ব সিহঁত ! হিংসাত একেবাৰে জ্বলি-পুৰি মৰিব ! সিহঁতক বুজাই দিয়া হ'ব ভনীয়েকক শিকাবলৈ অহা কোনো গায়িকাতকৈ কোনো এক কবিৰ সৈতে পৰিচয় থকাটো কিমান গৌৰৱৰ। সিহতে ক'ব, "চূৰা, আমাৰ সৈতে পৰিচয় কৰি দিবিনা ভাই !" আৰু আচ্ছা, তেখেত যদি সেই মুহূৰ্ততে সিহঁতৰ প্ৰেমত পৰে ? এইটো অসম্ভৱ নহয়, কাৰণ তেখেত কবি। কবিসকল সচৰাচৰ প্ৰেমৰ ক্ষেত্ৰত খুব দুৰ্বল।

আচ্ছা, তেখেতে বাৰু কেনে ধৰণৰ গোঁফ ৰাখিছে? আৰু চকুযোৰা? নিশ্চয় বৈ পৰা আৰু বিষণ্ণ। পটাত টোপনি ক্ষতিৰ ক'লা দাগ। নাকটোও নিশ্চয় জোঙা। গোঁফ কোছা ক'লা তেখেতৰ পিনে হাত আগবঢ়াই দিলেই আঁঠুকাঢ়ি তেখেতে ক'ব, "চ্‌ৰা! তোমাক দেখামাত্রে উদয় হ'ল জীৱনৰ নতুন উষাৰ, হৃদয়ত কঁপনি তোলে আশাৰ পোহৰে।.. তুমিয়েই আছিলা মাথো, তুমিয়ে আছিলা। শপত খাইছোঁ, হৃদয়ে চিনিছে তোমাক সঠিকভাবেই ছিঃ এই শাৰী কেইটা দেখোন ইতিমধ্যে তেখেতে কবিতাত লিখিছেই। তেনেহ'লে''''।

''দম বন্ধ হোৱা ধূলি, তদুপৰি এটা বিভৎস গোন্ধ—গোটেই নিশা টোপনি অহা নাই''—কথা-বাৰ্তাৰ শব্দত চুৰাই সম্বিত ঘূৰাই পালে। স্বপ্নলোকৰ পৰা মুহূৰ্ততে বাস্তৱলৈ ঘূৰি আহিল। মাতত যদিও ডাঙৰ মানুহৰ কঠোৰতা আৰু স্বেচ্ছাচাৰিতাৰ সুৰ আছিল, চ্‌ৰাৰ কাণত কোমল আৰু আকৰ্ষণীয় ছিচাপেই বাজিল। চকু মেলি থিয় হৈয়েই চ্‌ৰাই দেখিবলৈ পালে তাইৰ সন্মুখত থিয় হৈ থকা ক'লা ভেলভেটৰ জ্যাকেট আৰু ছাই ৰঙৰ লংপেণ্ট পিন্ধা দীৰ্ঘকায় পুৰুষজন।

"শুভদিন, মহিলাসকল! মোক পাহৰিয়েই গৈছে, নহয় জানো?"

"মই!"—চ্‌ৰাই দ্বিধাগ্ৰস্তভাৱে ক'লে "আপোনাৰ কবিতা মই সদায় পঢ়োঁ, অৱশ্যে শেষবাৰ যেতিয়া এই ঘৰলৈ আহিছিল মই তেতিয়া কণমানি আছিলোঁ।" "এতিয়াতো বেছ ডাঙৰ যেনেই লাগিছে" তীক্ষ্ণ দৃষ্টিৰে এবাৰ চ্‌ৰাৰ পিনে চাই হাঁহি হাঁহি কৰিয়ে ক'লে। আৰু কিবা কব খুজি নিজকে তেওঁ সংযত কৰি ললে।

বয়সীয়াল মানুহবোৰে কৰাৰ নিচিনাকৈ চকীত দেহাটো আওজাই দি চ্‌ৰাৰ দেউতাকক উদ্দেশ্য কৰি তেওঁ ক'লে, "তোমাৰ ঘৰটো বেছ আহল-বহল হে মিখাইল, অতি আৰামদায়ক।"

তলমূৰকৈ নখ কামুৰি থাকোঁতে চিকচিকা প্লেটৰ ওপৰত চুৰাই

দেখিবলৈ পালে কবিৰ হাঁহি থকা মুখৰ প্ৰতিফলন। তেওঁৰ ছাই ৰঙৰ পেণ্ট, চুটি চুলিৰে মূৰটো আৰু সৰু কণমানি ৰঙা গোঁফকোছা চূৰাৰ পছন্দ নহ'ল। ছিঃ, কি কুৎসিত! ছন্দহীন! আনকি ডাড়ি খুৰোৱা নীলা গাল, থুঁতৰি আৰু ওঁঠ লৰোৱা ভংগি পৰ্যন্ত! চকু দুটা অত্যন্ত সাধাৰণ, যি কোনোৱে প্ৰাণহীন বুলি কব, পটাবোৰৰ যেন স্থূলকি পৰা অৱস্থা। কপালখন বলিৰেখাৰে ভৰ্তি। কবলৈ গলে চূৰাই দেখা বিভিন্ন ডাকঘৰৰ কেৰাণীৰ দৰেই লাগিছে তেওঁক। তেওঁৰ ভাব-ভংগি চেহেৰা-পাতি ক'তো অকণো কবিসুলভ চিন নাই। আৰু হাতদুখন? চূৰাই গোপনে চাই ললে। ধাৰণা হয় বাত ৰোগত ভোগা মানুহৰ হাতৰ দৰে সেই দুখন যেন স্থূল, আঙুলিবোৰো মোটা মোটা। এটা আঙুলিত আকৌ দামী পাথৰৰ এটা আঙঠি! বিষাদত চূৰাই হুমুনিয়াহ কাঢ়িলে।

"তুমি তেনেহলে মোৰ কবিতাৰ পাঠিকা?"

কবিয়ে চূৰাক উদ্দেশ্য কৰি ক'লে। ইতিবাচক মূৰ জোকাৰণিৰে চূৰা ৰঙা হৈ পৰিল।

"বৰ ভাল পাওঁ। কথা হৈছে, তোমাৰ কি ভাল লাগে?'

"কবলৈ গলে, আপোনাৰ কবিতাৰ বাবে ইহঁত একেবাৰে পাগল"— মাকে উত্তৰ দিলে।

"নাই, আপুনি বেছি কৈছে।"

"মুঠেও নহয়, মিছা কথা!"— চূৰাই মাকৰ কথাৰ প্ৰতিবাদ কৰিলে; কিন্তু কবিৰ কথাৰ পিছত হোৱা বাবে অৰ্থটো বিপৰীত হৈ গ'ল।

চূৰাৰ খুব লাজ লাগিল। এই পৰিবেশত নিজকে বুৰ্বক যেন অনুমান কৰিলে। মাক, দেউতাক, খুড়াক আৰু কবি আটায়ে হাঁহি দিছে। কিবা এটা কাৰণত কবিয়ে মুখখন দাঙিলে; কিন্তু কি আচৰিত, গোটেই মুখমণ্ডলতে যেন ছলনাৰ এখন বিৰাট ঢাকনি। তেওঁ বাক এনেকৈ ভ্ৰুযুগল দাঙিলে কিয়? সকলোৰে

সৈতে এনেকৈ তামচা-ফুৰ্তিৰে বা কি দৰকাৰ। তেওঁতো এজন কবি, অত্যন্ত অনুভূতিশীল আৰু বুদ্ধিদীপ্ত হোৱা উচিত। চুৰাই লজ্জিত হোৱা বাবে তেও আনন্দ পাইছে নেকি? আনে যেনেকৈ পায়? তেৱেঁা কি দহজনৰ দৰেই অতি সাধাৰণ? প্ৰথম অৱস্থাত অৱশ্যে আটাইৰে সৈতে খাপ খাবলৈ চেষ্টা কৰিব পাৰে, শেষলৈ তেওৰ ব্যৱহাৰত নিশ্চয় স্বকীয়তা ফুটি উঠিব।

"কোন শ্ৰেণীত পঢ়া, চুৰা?"

"ষষ্ঠ শ্ৰেণীত।"

এই কথা তেওঁ কিয় জানিবলৈ খুজিলে? চুৰা নাম ধৰিয়ে বা কিয় মাতিলে? "কোন শিক্ষকক তোমাৰ বেছি ভাল লাগে? ছবি শিকাওতাজনক?"

"নহয়, সাহিত্যৰ জনক।"

"আচ্ছা, আচ্ছা, সাহিত্যৰ শিক্ষক,"— মুখ টিপা হাঁহিৰ ৰোল উঠিল। ধাৰণা হ'ল, চুৰা যেন সাংঘাটিক ধৰণে ক্ষত-বিক্ষত কোনোবাই যেন তাইৰ দেহত হাজাৰ হাজাৰ আলপিন মাৰি দিছে। তৎক্ষনাৎ সেই ঠাই ত্যাগ কৰি তাইৰ নিস্কৃতি লভিবলৈ ইচ্ছা হ'ল। তাই খুব নিৰাষক্ত হৈ পৰিছে, অচিৰেই যেন তাইৰ চকুৰে হো হোকৈ চকুপানী নামি আহিব। এনেকৈ তাই আত্ম প্ৰকাশ কৰিলে কিয়? আত্মাভিমানত কঁপি কঁপি তাই কবিৰ ফালে চালে। চকুত ক্ৰোধ আৰু চঞ্চলতাৰ এক অদ্ভুত মিশ্ৰন। ভয় হ'ল, অন্তৰৰ কথাবোৰ কোৱাৰ আগতেই তাই যেন সাহস হেৰুৱাই পেলাব; সেইকাৰণে মেজখনত খামুছি ধৰি একে উশাহতে তাই কলে, "উত্তৰটো ল'ৰা-মতীয়া যেন লাগিল নেকি? পিছে একেবাৰে সঁচা। শ্ৰেষ্ঠ শিক্ষক বুলি আমি তেখেতকে ভাল পাওঁ, শ্ৰদ্ধা কৰোঁ। তেখেতে খুব সুন্দৰকৈ বুজাব পাৰে, যি কোনো কিতাপেই আমাক তেখেতে পঢ়ি শুনায়, সাহিত্যৰ নতুন নতুন দিশবোৰ আমাৰ সন্মুখত দাঙি ধৰে। মুঠতে, তেখেত

অতিশয় ভাল মানুহ। আপুনি আমাৰ শ্ৰেণীৰ বা আমাৰ ওপৰৰ শ্ৰেণীৰ যাকে ইচ্ছা সুধিব পাৰে সকলোৱে একে কথাকে ক'ব। আপোনাৰ হাঁহিৰ কাৰণটো কি জানিব পাৰো নে? অৱশ্যে, মই...."

"চ্ৰা! কি হৈছে তোৰ?" দেউতাই গম্ভীৰভাৱে সুধিলে।

"আমি কণমানি মহিলা গৰাকীক আঘাত দিছোঁ," লাহেকৈ ক্ৰিমস্কিয়ে কলে, "ক্ষমা খুজিছোঁ।"

তেওঁৰ ক্ষমা খোজা ধৰণটো চ্ৰাৰ কাণত কৰ্কশভাৱে বাজিল। বুজা গ'ল যে কথাবোৰৰ মাজত কোনো আন্তৰিকতা নাই আৰু চ্ৰাৰ মনত কেনে ধৰণৰ প্ৰতিক্ৰিয়া হব পাৰে সেই বিষয়ে তেওঁৰ কোনো ভ্ৰূক্ষেপেই নাই। তদুপৰি, এই পৰিস্থিতিত চ্ৰাই নিজকে অনাহুত বুলি ধৰি লৈছে, কোনেও যেন তাইৰ উপস্থিতিত গুৰুত্ব দিয়া নাই। আত্মগ্লানিত তাই মেজৰ কাষত বহি ৰ'ল। করুণ বেদনাত হৃদয় ভাৰাক্ৰান্ত।

"এইজনেই তেখেত! সেই কবি! আন যি কোনো মানুহৰ দৰেই একে"—খোৱাৰ পিছত নিজৰ কোঠাৰ খিৰিকীৰ কাষত বহি চ্ৰাই ভাবিবলৈ ধৰিলে। খিৰিকীৰ সিকাষে তাইৰ প্ৰিয় লাই-লাকৰ জোপোহা, বাগিছা। তাই এনেকুৱা স্থিৰ দৃষ্টিৰে চাই ৰ'ল যেন পোন প্ৰথমবাৰৰ বাবে জীৱনত তাই দৰ্শন-মুগ্ধ হৈ পৰিছে।

"যি কোনো সাধাৰণ মানুহৰ দৰে! কিন্তু কিয়, তেনেহলে দেউতায়ো কবিতা নিলিখে কিয়? তেখেত কবিতকৈ কিহত নিকৃষ্ট?" কবিৰ কেইটামান কবিতাৰ শাৰী তাইৰ মনলৈ আহিল। কি ঐকান্তিক! কি উদ্দীপনাময়! কি বেদনাগধুৰ কোমল ছন্দ! খোৱা সময়ত এবাৰো তেখেতে সেই ভাষাত কথা নকলে। অকল কলমেৰে লিখাতহে অভ্যস্ত, যেনেকৈ চোনিয়া, চাজাকোভাই যন্ত্ৰৰ দৰে কাগজৰ ফুল বনাবলৈ অভ্যস্ত হৈ গৈছে। সাধাৰণ মানুহে তেখেতৰ এই ক্ষমতাক ঈৰ্ষা কৰে; কিন্তু তেখেতে হাঁহি মাৰি কয়, "এয়া আৰু কি কাম! অতি সহজ।"

বাগিছাৰ পিনৰ পৰা কথা-বতৰাৰ শব্দ ভাহি আহিল। দেউতা আৰু ক্রিমস্কি তাত আছে। লাইলাকজোপাৰ ঠিক কাষৰ বেঞ্চখনত তেওঁলোকে বহিলে তাই তেওঁলোকৰ সকলো কথা শুনিবলৈ পাব। মূৰটো বেঁকা কৰি তেওঁলোক ক'ত বহে তাই চাই ৰ'ল।

"নতুন কিতাপখনৰ বিক্রি কেনেকুৱা?" দেউতাই সুধিলে।

"বেয়া নহয়। দ্বিতীয় সংস্কৰণৰ কথা ভাবিছোঁ। কিন্তু মানুহ-বোৰে যিমান কৌতূহলেৰে কিনিছে সিমান তেওঁলোকে কবিতা ভাল নাপায়। কিতাপখন প্রকাশ হোৱাৰ লগে লগে সমালোচকসকলে অপসংস্কৃতি বুলি চিঞৰিবলৈ আৰম্ভ কৰিলে। আৰু মানুহৰ মাজতো ফুচ ফুচনি আৰম্ভ হ'ল, অপসংস্কৃতি নো কি? শব্দটোক কেন্দ্র কৰি অনেক তর্ক-বিতর্ক চলিল যাৰ কোনো অর্থ নাই। অৱশেষ শেষত গৈ মোৰেই লাভ হ'ল। কিতাপখন তামাম বিক্রি হ'ল।"

ক্রিমস্কিৰ মাতত দুশ্চিন্তাৰ ছাপ স্পষ্ট, তথাপি প্রত্যেকটো শব্দত ফুটি উঠিছে ক্রোধ। খিৰিকীৰ কাষত বহা চুৰাৰ অন্তৰত সেইবোৰে প্রতিধ্বনি তুলিলে।

"ঠিকেই," দেউতাকে ক'লে, "সমালোচসকল লেখকৰ ওপৰত খড়্গহস্ত।"

"তেওঁলোকৰ ধাৰণা হ'ল, কবিসকলে সাধাৰণ মানুহৰ ক্রোধ আৰু আর্তনাদৰ কাব্যিক ৰূপ দিব। নিজৰ কোঠাৰ ভিতৰত বহি তেওঁলোকে ভাবে যে মানুহৰ অকল ক্রোধ আৰু আর্তনাদেই আছে। অসম্ভৱ! এনেকুৱা মানুহ মই জীৱনত দেখা নাই। সাধাৰণ মানুহৰ মাজত কিছু মূর্খ আৰু কিছু আত্মসুখীৰ বাহিৰে আৰু কি আছে? এই কথাটো আমাৰ সমালোচকসকলৰ মগজুৰে ঢুকি নাপায়। তেওঁ-লোক মাথো কিতাপৰ ধূলিতে লেতেৰা হয়, জীৱনৰ সৈতে তেওঁলোকৰ কোনো সম্পর্ক নাই। কোনো ঐতিহ্য বা নতুন চিন্তা তেওঁলোকৰ কল্পনাৰ বাহিৰত। 'আৰু যুৱকসকল? যুৱকসকল আজিকালি অকাল বৃদ্ধ হৈয়ে জন্মে, বন্ধু'— কোনে যেন কৈছিল! একেবাৰে

সঁচা। কাব্য-তাব্য তেওঁলোকে বুজিব লগা বিষয় নহয়। আনকি আত্মাৰ শুদ্ধিৰ বাবেও সেইবোৰ অস্পৃস্য। বাক, এই বিষয়টো বাদ দিয়া,·······তোমাৰ ছোৱালজনী কিন্তু খুব ধুনীয়া।"

"তাইতো জন্মৰ পৰাই কবি! বোধহয় লক্ষ্য কৰিছা?"

"বহুত ধন্যবাদ!" চুৰা আনন্দত পুলকিত হ'ল। এই কথা-বতৰা শুনি তাই ভাবিলে যে অকাৰণত তাই তেওঁৰ বিৰুদ্ধে মনে মনে অভিযোগ কৰিছিল একো নুবুজাকৈয়ে। আকৌ তাইৰ কল্পনাত তেওঁ এজন যথাৰ্থ কবি হৈ দেখা দিলে। তেতিয়াই বাগিছাৰ ফালৰ পৰা ভাহি আহিল—

"বৰ ভাল পালোঁ। ক্ষমা কৰিবা, তোমাৰ সেই·······"

"মোৰ সেই তিৰোতাজনীৰ খবৰ? ক'ত আছে নাজানো। দুই বছৰ আগতে ককেচাচ অঞ্চলৰ কিবা স্কুলত মাষ্টৰি কৰা বুলি শুনিছিলোঁ। উঃ, তাইৰ কথা ভাবিলেই গা শিহৰি উঠে। এই পৃথিৱীত এনেকুৱা কিছু তিৰোতা আছে যাৰ গুণ বা মূৰ্খামিত উদ্দীপ্ত হোৱা দূৰৰ কথা, সমগ্ৰ শৰীৰ কঁপি উঠে। তাইৰ সান্নিধ্যত মোৰ এনে লাগিছিল মই যেন একেবাৰে ভীৰু, যেন এজন মহাপাপী। তাইৰ প্ৰকৃত স্বৰূপ ওলাই পৰাৰ পিছত মোৰ বাবে মই এনে অনুকম্পা বোধ কৰা নাই। ধাৰণা হৈছিল অকাৰণতে এক খ্ৰীষ্টিয়ানৰ আত্মাই কষ্ট পাইছে। বিৰক্তিকৰ একঘেঁয়েমি! বাৰু যাবলৈ দিয়া সেইবোৰ। চাহ কেতিয়া আহিব?"

"সোনকালেই আহিব। কিন্তু মই জানিব খুজিছোঁ— তুমি আকৌ বিয়া কৰিছা নে অবিবাহিত হৈ আছা?"

"অবিবাহিত, সেই মে মাহৰ পৰা। শীতকালটো এজনী সুন্দৰীৰ সৈতে কটালোঁ। এইটোও এটা মৰ্মান্তিক কাহিনী। ছোৱালীজনী মোৰ গুণমুগ্ধা; দেখাত একেবাৰে এটা জুইশিখাৰ দৰে, শিক্ষা-দীক্ষাও আছে, তথাপিও একেবাৰে জড়বুদ্ধিৰ। আমাৰ পৰস্পৰৰ পৰিচয়টোও এটা দুৰ্ঘটনা— অন্ততঃ মোৰ ফালৰ পৰা কোনো

পৰিকল্পনা নাছিল। এটা পিক্‌নিকৰ সময়ত ঘটনাটো ঘটিছিল। কিছু খাই মই টং হৈ আছিলোঁ। চয়তানে জানে তাই কেনেকৈ মোৰ ফ্ল্যাটলৈ আহিছিল। ৰাতিপুৱা টোপনিৰ পৰা উঠি চকু মুছি মুছি ভাবিলোঁ, আৰে! মই বিবাহিত। নিজকে ধন্যবাদ দি কানি-কাপোৰ পিন্ধি পৰৱৰ্তী ঘটনাৰ বাবে অপেক্ষা কৰিবলৈ ধৰিলোঁ।"

দেউতাকে হাঃ হাঃ কৈ হাঁহি দিলে। চুৰাব ধাৰণা হ'ল হাঁহিটোৱে যেন তাইৰ অন্তৰখন ভাঙি-ছিঙি চুৰ্ণ-বিচূৰ্ণ কৰি থৈ গ'ল। তাই খুব আঘাত পালে।

"কবলৈ খুজিছা সাক্ষাৎ বিষধৰ? তাৰপিছত?"

"তাই টোপনিৰ পৰা উঠিল। দেখিলোঁ তাইৰ চকুত পানী: তাৰপিছত সচৰাচৰ যি হয়, চুম্বনৰ বন্যা তুলি তাইৰ ওচৰত হাজাৰটা শপত খালোঁ। সম্পূৰ্ণ এক সপ্তাহ এনেকৈ থকাৰ পিছত মোৰ অবসাদ আহিল।

"ছোৱালীজনীৰ মাক-দেউতাক নাছিল?"

"তেওঁলোকৰ কথা সম্পূৰ্ণ তল পৰি গৈছিল। তাৰপিছত যেতিয়া লাহে লাহে স্বাভাৱিক জীৱন আৰম্ভ হবলৈ ধৰিছিল তেতিয়াই আৰম্ভ হৈছিল জঞ্জাল। চয়তানেহে জানে কিয়। প্ৰথমে তাই প্ৰমাণ কৰিবলৈ খুজিলে যে মোৰ সুন্দৰ, কোমল ছন্দ-লালিত কবিতাৰ সৈতে মোৰ ড্ৰেচিং গাউনটোৰ কোনো মিল নাই। তোমাক কি কম, যাঠি কবলেৰে সেইটো কিনিছিলোঁ। প্ৰতিবাদ কৰি তাই ফ্যান ফ্যানকৈ কান্দিবলৈ আৰম্ভ কৰিলে। কি সাংঘাতিক দৃশ্য! দ্বিতীয়তে, তাইৰ ধ্যান ধাৰণাৰ কবি হ'ল এনেকুৱা এক স্বৰ্গীয় সৃষ্টি যাৰ ঘৰত কোনো আড্ডা থকা উচিত নহয়। আনৰ কথা এৰিলোঁ, মনৰ ফালৰ পৰা বিচাৰ কৰিলে কবিৰ কাষলৈ আন কবি নিশ্চয় আহিব। উঃ কোন চয়তানে যে আমাৰ ছোৱালীবোৰৰ মগজুত এনে উদ্ভট চিন্তাবোৰ সোমাই দিছে! ইয়াৰ পিছত কাজিয়া, কন্দাকটা, সন্তান জন্ম দি গৃহিনী হোৱাৰ বাবে

ঘেন্ ঘেননি,— ইটো-সিটো বিচাৰি দাবি আৰু দাবি। শেষত পলাই আহি এখন চিঠিত লিখিলোঁ, "এই সকলোবোৰতকৈ কোনো কবিৰ বাবে বেছি দৰকাৰী হ'ল স্বাধীনতা'।"

"বেছ, তাৰপিছত ?"

"মাহে মাহে ছাব্বিছ ৰুবলকৈ পঠিয়াই দিওঁ।"

চুৰাৰ অনুভূতি শীতল স্নায়ুবোৰ কঁপিছে; উদাস দৃষ্টিৰে তাই খিৰিকীৰে চাই ৰ'ল।

"সেয়েহে তোমাৰ লেখাবোৰ এতিয়া নৈৰাশ্যৰে ভৰা !'

"তুমি জানো মোৰ এই কিতাপখন পঢ়িছা, 'বহুৰঙী স্মৃতিৰ পোছাক ৰাতিৰ অন্ধকাৰত ছিন্নভিন্ন হয়' ?"

"আ-হ্ !"

"এই কিতাপত মই সেই কুৎসিত কাহিনীৰ স্মৃতি বৰ্ণনা কৰিছোঁ।"

"সুন্দৰ বৰ্ণনা," দেউতাকৰ দীৰ্ঘশ্বাস শুনা গ'ল, "তুমি বৰ্ণনাত সদায় পাকৈত। সেই যে শাৰীটো, 'আবেগৰ অস্পষ্ট নক্সাৰ মালা' !"

"দেখিছোঁ খুব মনযোগেৰেই তুমি মোৰ কিতাপ পঢ়া !'

"ঠিকেই। তোমাক তোষামোদ কৰা নাই, সঁচাকৈয়ে তোমাৰ কবিতাই আনন্দ দিয়ে।"

"ধন্যবাদ। এনে প্ৰশংসা বেছি শুনিবলৈ নাপাওঁ, যদিও সঁচা কব লাগিলে, এই প্ৰশংসাৰ বাবে মই যোগ্য।"

"নিশ্চয়, নিশ্চয়। ব'লা, চাহ খাওঁগৈ।"

"আধুনিক কবি আৰু কবিতাৰ ওপৰত অলপ নজৰ দিয়া; মানুহবোৰতো কবি নহয়, একো একোটা শগুণ। তেওঁলোকে ভাষাক ধৰ্ষণ কৰিছে, একেবাৰে পচাই গলাই পেলাইছে। মই বৰং যত্নসহ চেষ্টা কৰিছোঁ........"

চুৰাই লক্ষ্য কৰিলে যে দেউতাক আৰু কবিয়ে পৰস্পৰৰ কোমৰত ধৰি বাগিছাখন পাৰ হবলৈ ধৰিছে। লাহে লাহে তেওঁলোকৰ কথা বতৰাবোৰ অস্পষ্ট হৈ আহিল।

চ্ৰা থিয় হ'ল। তাইৰ ধাৰণা হ'ল কিবা এটাই যেন তাইক হেচি ধৰিছে, লৰ-চৰ কৰিবলৈ নিদিয়ে।

"চ্ৰা, আহ, চাহ হৈছে" - মাকৰ মাত শুনা গ'ল। তাই দুৱাৰৰ পিনে আগবাঢ়িল। আৰ্চিত চকু পৰাৰ লগে লগে দেখিলে, তাইৰ মুখখন শেঁতা, দীঘল আৰু ভীত হৈছে। অশ্ৰুকণাৰে চকুহুটা চলচলীয়া। খোৱাঘৰ পোৱাৰ লগে লগে ধাৰণা হ'ল পৰিচিত মুখবোৰ যেন অবয়হীন, অস্পষ্ট বগা বগা কিছুমান বিন্দু।

"আশাকৰোঁ কণমানি মহিলাজনীয়ে মোক আৰু খং কৰি থকা নাই" – কবিৰ মাত শুনা গ'ল।

চ্ৰাই একো নকলে। কবিৰ ভপা মুৰটোৰ পিনে চাই তাই মনত পেলাবলৈ চেষ্টা কৰিলে, যেতিয়া কবিৰ সৈতে প্ৰত্যক্ষ পৰিচয় ঘটা নাছিল তেতিয়া অকল কবিতা পঢ়ি মানুহজন সম্পৰ্কে কল্পনাৰ যি এক স্বৰ্গৰাজ্য তাই তৈয়াৰ কৰিছিল, সেই কথা।

"চ্ৰা, কথাৰ উত্তৰ দিয়া নাই কিয় ? এয়া সাঘাটিক অভদ্ৰামি !" দেউতাকে চিঞৰি উঠিল। চ্ৰাৰ ধৈৰ্য্যৰ বান্ধ ভাঙি গ'ল। চীৎকাৰ কৰি কৈ উঠিল, "কি বিচাৰিছা, কি বিচাৰিছা তোমালোকে মোৰ পৰা ? মোক অকলে থাকিবলৈ দিয়া। ভণ্ড ক'ৰবাৰ !" ফোঁপাই ফোঁপাই তাই দৌৰ মাৰি ওলাই গ'ল। যাওঁতে আকৌ তাই প্ৰলাপ বকাৰ দৰে কৈ গ'ল, "ভণ্ড ! ভণ্ড !'

বহুত পৰলৈ চাৰিটা ব্যক্তি বিস্ময়ত হতবাক হৈ ইটোৱে সিটোলৈ চাই ৰ'ল। অৱশেষত মাক আৰু খুড়ীয়েক নীৰৱে তাৰ পৰা আঁতৰি গ'ল। দেউতাকে কবিক সুধিলে, "বাগিছাৰ কথাবোৰ তাই শুনিলে নেকি ?

"বাদ দিয়া হে !" দ্বিতীয়জনে অস্থিৰভাৱে চকীখন লৰাই ভেকাহি মাৰি উঠিল।

মাক উভতি আহিল।

দুয়োজনৰ জিজ্ঞাসু দৃষ্টিৰ সম্মুখত কান্ধখন সামান্য বেকা কৰি কলে, "তাই কান্দিছে !" □

বাতৰি কাগজখনত চকু ফুৰাওঁতে কনোভালোভৰ নামটো চকুত পৰিল। তৎক্ষণাৎ ই মোৰ মনোযোগ আকৰ্ষণ কৰিলে। লিখাখিনি এনে ধৰণৰ :

"যোৱা ৰাতি স্থানীয় জেলৰ ৩নং চেলত মুৰমৰ ৪০ বছৰীয়া আলেকজেণ্ডাৰ আইভানোভিচ কনোভালোভ নামৰ মানুহ এজনে চিমনিৰ দুৱাৰৰ অৰ্গলত ফাঁচ দি আত্মহত্যা কৰিছে। আত্মহত্যাকাৰী এই মানুহজনক পস্কোভত ভিক্ষাবৃত্তিৰ অপৰাধত গ্ৰেপ্তাৰ কৰা হৈছিল। জেল কৰ্তৃপক্ষৰ ধাৰণা আছিল যে মানুহজন শান্ত, শান্তি-প্ৰিয় আৰু ভাবুক ধৰণৰ আছিল। জেল চিকিৎসকৰ বিবৃতি মতে মানুহজনে 'মানসিক বিষাদ ৰোগৰ' বাবেই আত্মহত্যা কৰিছে।"

চমু এই বাতৰিটো পঢ়াৰ পিছত মোৰ ধাৰণা হ'ল যে এই শান্ত আৰু ভাবুক প্ৰকৃতিৰ মানুহজনে কিয় আত্মহত্যা কৰি জীৱন শেষ কৰিলে এই বিষয়ে মই বেছি আলোকপাত কৰিব পাৰোঁ। মই তেওঁক জানিছিলোঁ। সেই কাৰণে বোধহয় মোৰ মুখ খোলাটো উচিত হ'ব : তেওঁ সঁচাকৈয়ে চমৎকাৰ চৰিত্ৰৰ মানুহ আছিল আৰু এই পৃথিৱীত এনেকুৱা মানুহ কমেইহে পোৱা যায়।

....কনোভালোভৰ সৈতে পৰিচয় হোৱা সময়ত মোৰ বয়স ওঠৰ বছৰ। মই তেতিয়া বেকাৰীত কাৰিকৰৰ সহকাৰী হিচাপে কাম কৰিছিলোঁ। কাৰিকৰজন আছিল সামৰিক বিভাগৰ এজন প্ৰাক্তন ব্যাণ্ডবাদক। তেওঁ খুব মাতাল আছিল আৰু ময়দাৰ লডা প্ৰায়ে নষ্ট কৰিছিল। মাতাল অৱস্থাত সুৰ টানি তেওঁ গান

গাইছিল আৰু হাতেৰে যি ঢুকি পাইছিল তাৰ ওপৰতে আঙুলিৰে তাল ধৰিছিল। ময়দা নষ্ট কৰা বাবে নতুবা ৰাতিপুৱাই কটি নোহোৱা বাবে কাৰখানাৰ মালিকে বকাবকি কৰিলে তেওঁ ভধেমধে গালি পাৰি মালিকক সোঁৱৰাই দিছিল যে তেওঁ এজন সংগীতজ্ঞ আৰু তেওঁৰ লগত ঠিক এনেকৈয়ে কথা-বতৰা পাতিব লাগিব।

"ময়দা নষ্ট হ'ল!" ৰঙা ৰঙৰ প্ৰকাণ্ড গোঁফকোছা থিয় কৰি আৰু পাতল ওঁঠ দুটিৰে পুল্ পুল্কৈ তেওঁ চিঞৰি উঠে, "পুৰি গৈছে! বোকা হৈছে! হিংসুক হায়না ক'ৰবাৰ, জহান্নামে যোৱা! তুমি ভাবিছা নেকি যে মোৰ এই কামৰ বাবে জন্ম হৈছে? তুমি গোল্লাই যোৱা, তোমাৰ চাকৰিও গোল্লাই যাওক। মই এজন সংগীতজ্ঞ, কথাটো তোমাক ভালকৈ বুজাই দিব লাগিব। তুমি জানানে, আমাৰ বাহিনীটোৰ বেহেলা বজোৱাজন মদ খাই টং হৈ থকা অৱস্থাত ময়েই বজাইছিলোঁ, ওবো বজোৱাজন জেলত সোমালে ময়েই ওবো বজাইছিলোঁ আৰু কৰ্ণেট বজোৱাজন চিকিৎসালয়ত পৰি থাকিলে ময়েই কৰ্ণেট বজাইছিলোঁ? টাম-টাৰ্ৰা-টাম! মই যাওঁ তেনেহলে!"

মালিকৰ চেহেৰাটো গোল আৰু লোদোৰ-পোদোৰ। ভৰি দুখন মোটা আৰু মুখখন তিৰোতাৰ মুখৰ দৰে। চকুত বহু ৰঙৰ প্ৰাচুৰ্য। পেটটো নচুৱাই মাটিত গোৰ মাৰি তেওঁ চিঞৰি উঠে:

"ছালা চোৰ! জহ্লাদ! যিশুখৃষ্টক বিক্ৰি কৰা জুদদাচ!" আৰু তাৰ পিছত গাঁঠলু আঙুলিকেইটা ফাঁক কৰি দুয়োখন হাত মূৰৰ ওপৰত তুলি আগতকৈও বেছি জোৰেৰে চিঞৰি উঠে, "আৰু বিদ্ৰোহী বুলি যদি এতিয়া পুলিচৰ হাতত তুলি দিওঁ, তেতিয়া?"

একে চিঞৰত কাৰিকৰেও কয়, "কি কলা? জাৰ আৰু দেশৰ সেৱক মোক তুমি পুলিচত গটাই দিবা?' কথাখিনি কৈ কৈ তেওঁ মুষ্টিবদ্ধ হাত দুখন দাঙি মালিকৰ ফালে লাহে লাহে আগবাঢ়ি যায়। মালিকেও খঙতে ফোচ্‌ফোচাই আৰু ঘৃণাত থু থু কৰি পিছুৱাই যায়; ইয়াৰ বাহিৰে তেওঁৰ কৰিব পৰা একো নাই,—কাৰণ গ্ৰীষ্ম-

কালত ভলগা অঞ্চলত রুটি বনোৱা ভাল কাৰিকৰ পোৱা নাযায়।

এনে ধৰণৰ দৃশ্যৰ অৱতাৰণা প্ৰায় প্ৰতিদিনেই হৈছিল। সৈনিকটোৱে সদায় মদ খাইছিল, ময়দা নষ্ট কৰিছিল আৰু মুখেৰে কুচকাৱাজৰ গান গাইছিল। কেতিয়াবা কেতিয়াবা তেওঁ ৱালজ নাচৰ সুৰো বজাইছিল। সংখ্যাৰে তেওঁ সেই সুৰবোৰৰ নাম ৰাখিছিল। মালিকে খণ্ডত দাঁত কৰচিছিল। ফলস্বৰূপে মই অকলে দুয়োজনৰ কামখিনি কৰিব লগা হৈছিলোঁ।

আৰু সেইকাৰণে এনে ধৰণৰ এটা দৃশ্যত মই খুব আনন্দিত হৈছিলোঁ। দৃশ্যটো মালিক আৰু কাৰিকৰৰ মাজতে সংঘটিত হৈছিল।

মালিক কাৰখানালৈ আহিল। মুখখন তেওঁৰ উজ্জ্বল, চকুত বিজয়ৰ দৃষ্টি। আহিয়ে কাৰিকৰক উদ্দেশ্য কৰি কলে, "আচ্ছা সৈনিক, ওঁঠ দুটা পকাই এটা মাৰ্চ-সংগীত গোৱাচোন।"

"কি কৈছা ?" কাৰিকৰ মাতাল হৈ ময়দা মৰা বিনৰ ওপৰত শুই আছিল আৰু তাৰ পৰাই গহীনভাৱে সুধিলে।

আনন্দত আত্মহাৰা হৈ মালিকে কলে, "মাৰ্চত যাত্ৰা কৰিবৰ বাবে সাজু হোৱা।"

ক'ৰবাত কিবা গোলমাল হোৱা বুলি কাৰিকৰে বুজি পালে আৰু ভৰি দুখন বেঞ্চৰ পৰা ওলোমাই দি সুধিলে- "কলৈ যাব লাগিব ?"

"যলৈ তোমাৰ ইচ্ছা।"

'তাৰমানে ?" সৈনিকটোৱে চিঞৰি উঠিল।

"তাৰ মানে তোমাক আৰু মোৰ দৰকাৰ নাই। দৰমহাখিনি লোৱা আৰু কুইক মাৰ্চ কৰি সন্মুখলৈ আগবাঢ়া। পৃথিৱীৰ চাৰিটা কোণৰ যিফালে ইচ্ছা সিফালে যোৱা।"

কাৰিকৰৰ ধাৰণা আছিল যে মালিকক অত্যাচাৰ কৰিলেও মালিকে তেওঁ নোহোৱাকৈ চলিব নোৱাৰিব। সেইকাৰণে মালিকৰ এই ঘোষণাত তেওঁ কিছু বিব্ৰত হ'ল। তেওঁ খুব ভালকৈ জানিছিল যে

কটি তৈয়াৰ কৰা সামান্য বিদ্যাৰে আন ঠাইত চাকৰি লোৱাটো সহজ নহ'ব।

থৰক্-বৰক্কৈ কোনো ৰকম থিয় হবলৈ চেষ্টা কৰি খুব উদ্বিগ্ন হৈ তেওঁ কলে, "এয়া কি কৈছা? তুমি মোক বুৰ্বক বনাব খুজিছা!"

"ওলোৱা, ওলোৱা।"

"ওলোৱা?"

"চিৰদিনৰ বাবে ওলোৱা।"

তিক্তভাৱে মুৰটো জোকাৰি কাৰিকৰে কলে, "তাৰ মানে মোৰ চাকৰি খতম? কিন্তু তুমি মোৰ তেজ চুহি খাইছা, মোক একেবাৰে শেষ কৰি দিছা আৰু এতিয়া খেদি দিবলৈ ওলাইছা! মকৰাৰ জাত ক'ৰবাৰ!"

"কি, মোক মকৰা বুলিছা?" মালিকে অগ্নিশৰ্মা হৈ কৈ উঠিল।

"অঁ', তুমি তেজপিয়া মকৰা!" সৈনিকটোৱে দৃঢ়ভাৱে কলে আৰু থৰক-বৰককৈ দুৱাৰৰ পিনে আগবাঢ়িল।

সৈনিকটোৱে এনেকৈ খোজ কঢ়া দেখি মালিকে এবাৰ জঘন্য ভাবে হাঁহি দিলে। তেওঁৰ চকুত আনন্দৰ আভাই তিৰবিৰাই উঠিল।

"এইবাৰ কোনে তোমাক চাকৰি দিয়ে চাওঁ যোৱাছোন। সকলোকে তোমাৰ গুণৰ কথা কৈ দিছোঁ। কোনোৱে বিনা পইচাতো নাৰাখে। কোনোৱে।"

"আপুনি নতুন কাৰিকৰ পাইছে নেকি?" মই সুধিলোঁ।

"যিজন নতুনকৈ পাইছোঁ সিও পুৰণা। এসময়ত সি ইয়াত সহায়কৰ কাম কৰিছিল। সুন্দৰ কামৰ মানুহ! সোণেৰে জুখিহে তাৰ মূল্য কৰ পাৰি। কিন্তু সিও মাতাল; খুব বেছি মাতাল। অৱশ্যে উৎসৱ-পাৰ্বনতহে সি মদ খায়। একেলগে তিনি-চাৰি মাহলৈ সি বলধৰ দৰে কাম কৰে; মুখুৱে, নিজিবায়; আনকি দৰমহাৰ

বাবেও খোছামোদ কৰি নাথাকে। অকল কাম কৰে আৰু গান গায়। আৰু সি যি গায় সি একেবাৰে তোমাৰ হৃদয়লৈ সোমাই যাব। যেতিয়া গান গাই গাই সি ভাগৰি পৰে তেতিয়াই সি মদৰ দোকানলৈ যায়।"

মালিকে হুমুনিয়াহ কাঢ়ি হাতখন হতাশভাৱে এবাৰ দাঙি দিলে।

"এবাৰ খাবলৈ আৰম্ভ কৰিলে বনৰ ঘোঁৰায়ো তাক বন্ধ কৰিব নোৱাৰে। যেতিয়ালৈ সি নাঙঠ হৈ বাগৰি নপৰে তেতিয়ালৈ পি থাকে। আৰু পিছত হয়তো সি লাজ পায়। ধূনাৰ গোন্ধত দুষ্ট আত্মা অদৃশ্য হোৱাৰ দৰে সি অদৃশ্য হয়। হেই আ, আছিলেই সি। কি চাচা, চিৰদিনৰ বাবে আহিছা নে ?"

"হয়, চিৰদিনৰ বাবে" দুৱাৰ-ডলিৰ পৰা কোৱা শুনা গ'ল।

চৌকাঠত আউজি ওখ বহল কান্ধৰ ত্ৰিশ বছৰীয়া মানুহ এজনক থিয় হৈ থকা দেখা গ'ল। মানুহজনৰ কানি-কাপোৰ সাইলাথ ঘূৰি ফুৰা ফটুৱা এজনৰ কানি-কাপোৰৰ দৰে, মুখৰ ঠগটো শ্লাভ-জাতীয় মানুহৰ মুখৰ দৰে। পিন্ধা ছোলাটো ইমান ফটা-ছিৰা আৰু লেতেৰা যে তাক ভাষাৰে বৰ্ণাব নোৱাৰি। তাৰ পেণ্টটো সোলোক-ঢোলোক আৰু ডাঠ কাপোৰৰ। এখন ভৰিত ৰবৰৰ জীৰ্ণ জোতা এপাট আৰু আনখনত ফটা-ছিৰা চামৰাৰ এপাট। মূৰৰ চুলিবোৰ জধলা, তদুপৰি তাৰ ওপৰত কিছুমান খেৰ-কুটা আছে। বুকুৰ ওপৰত এখন বিচনীৰ দৰে পৰি থকা দাড়িকোছাৰ ওপৰতো খেৰ-কুটা লাগি আছে। তাৰ শেঁতা, শীৰ্ণ, দীঘল মুখখনৰ মাজত আছে দুটা উজ্বল নীলা চকু য'ত প্ৰতিভাত হৈছে নিমাখিত দৃষ্টি। হাঁহিলে বাদামি ৰঙৰ গোঁফৰ মাজেৰে ওলাই পৰে তাৰ ওঁঠ দুটা। তাৰ হাঁহিটো দেখিলে ধাৰণা হয়, সি যেন বিনীতভাৱে কব খুজিছে :

"মোক যেনেকুৱা দেখিছা ঠিক তেনেকুৱাই। মোৰ ওপৰত খুব বেছি খং-ৰাগ নকৰিবা।"

মজবুত স্বাস্থ্যৰ নবনিযুক্ত কাৰিকৰজনৰ পিনে মালিকে এবাৰ

প্ৰশংসাৰ দৃষ্টিৰে চাই হাতদুখন মোহাৰি মোহাৰি কলে : "ভিতৰলৈ আহা ; এওঁ তোমাৰ সহকাৰী ।" মানুহজনে নীৰৱে আগুৱাই আহি মোৰ ফালে তেওঁৰ প্ৰকাণ্ড হাত এখন আগবঢ়াই দিলে । আমি পৰস্পৰে সম্ভাষণ বিনিময় কৰিলোঁ । এখন বেঞ্চৰ ওপৰত তেওঁ বহিল, ভৰি দুখন সন্মুখলৈ মেলি দিলে, তাৰপিছত ভৰিৰ পিনে চাই চাই মালিকক কলে :

"ভাচিলি চেমিওনোভিচ, মোক দুটা ছোলা, এযোৰ জোতা আৰু এটা টুপিৰ বাবে অলপ লিনেন কাপোৰ দৰকাৰ ।"

"চিন্তা নকৰিবা, সকলো পাবা । টুপি ঢেৰ আছে । ছোলা আৰু পেণ্ট সন্ধিয়াৰ ভিতৰতে আনি দিম । ইতিমধ্যে তুমি কামত লাগি যোৱা । তুমি কিমান ভাল মানুহ মই জানো, সেইকাৰণে মোৰ ফালৰ পৰাও তুমি আপত্তি কৰিবলগীয়া একো নাথাকিব । কনোভালোভৰ সৈতে কোনেও বেয়া ব্যৱহাৰ কৰিব নোৱাৰিব, কাৰণ সিও কাৰো সৈতে বেয়া ব্যৱহাৰ নকৰে । মই মালিক হলেও মোৰো এখন অন্তৰ আছে । এনেকুৱা দিন মোৰো পাৰ হৈছে যেতিয়া ময়ো নিজ হাতে সকলো কাম কৰিব লাগিছিল । সেইবাবে বেয়া ব্যৱহাৰত মানুহে কিমান আঘাত পাই মই জানো । আচ্ছা, এতিয়া মই আহিলোঁ ।"

আমাক অকলে এৰি মালিক গুচি গ'ল ।

হাঁহি হাঁহি ইফালে-সিফালে চাই কনোভালোভ বহি ৰ'ল ।

কাৰখানাটো আছিল মাটিৰ মহলাৰ এটা কুঠৰিত । ইয়াৰ খিৰিকী তিনিখন ৰাস্তাতকৈয়ো তলত আছিল । পোহৰ আৰু বতাহ বুলি তাত একোৱেই নাছিল ; কিন্তু যথেষ্ট পৰিমাণৰ লেতেৰা আৱৰ্জনা, সেমেকা অৱস্থা আৰু আটাৰ গুড়িৰে ই ভৰি আছিল । দেৱালৰ সৈতে ময়দা মলা তিনিটা পাত্ৰ সংযুক্ত আছিল । তাৰে এটা খালি, আন এটাত মলা ময়দা আৰু তৃতীয়টোত মলিবৰ বাবে ময়দা প্ৰস্তুত কৰি ৰখা হয় । তিনিওটা পাত্ৰতে খিৰিকীৰে আহি ম্লান পোহৰ

পৰে। চৌকাৰ কাষত মজিয়াতে ময়দাৰ বস্তাবোৰ ৰখা হৈছিল। মজিয়াখনৰ তিনিভাগৰ এক অংশতে এইবোৰ ঠাই খাই আছিল। চৌকাৰ ভিতৰত দাউ দাউকৈ খৰি জ্বলিছিল। সেই জুইৰ পোহৰ ধূসৰ দেৱালৰ ওপৰত পৰি এনেকৈ কঁপি আছিল যে সেই ফালে চালে ধাৰণা হৈছিল জুইশিখাবোৰে যেন নিজৰ ভিতৰত নিঃশব্দে কিবা আলোচনা কৰিছিল।

অৰ্ধবৃত্তাকাৰ আৰু এলান্ধুৰে ভৰা চিলিংখনৰ পিনে চালেই আমাৰ মনবোৰ হতাশ হয়। দিনৰ পোহৰৰ সৈতে চৌকাৰ পোহৰৰ যি এক অদ্ভুত মিশ্রন হয় সিও আমাৰ চকুক ক্লান্ত কৰি তোলে। খোলা খিৰিকীৰে অনবৰত বাহিৰৰ পৰা হৈ-হাল্লাৰ শব্দ আৰু ধূলি-মাকতি বোৰ আহি থাকে। কনোভালোভে বহুত পৰলৈ এই আটাইবোৰ লক্ষ্য কৰিলে আৰু তাৰপিছত দীঘলকৈ হুমুনিয়াহ এটা ছাৰি আবেগ-শূণ্যভাৱে কলে :

"বহুত দিন ইয়াত কাম কৰিছা নেকি ?"

মই মোৰ কথা কলোঁ। তাৰপিছত দুয়ো নীৰৱে ভ্রু কোছাই ইজনে সিজনক চাবলৈ ধৰিলোঁ।

তেওঁ কলে : "সাইলাথ জেলখানা। ব'লা, বাহিৰলৈ গৈ অলপ বেঞ্চত বহোঁ ; কি কোৱা তুমি ?"

আমি বাহিৰত গৈ বহিলোঁ।

"বাপ্‌ৰে, ইয়াতহে মই উশাহ লব পাৰিছোঁ ! সেই অন্ধকূপত উশাহ লবলৈ কিছুদিন মই অভ্যস্ত হ'ব লাগিব। মই সাগৰৰ পাৰৰ পৰা আহিছোঁ, তুমিয়ে কথাটো ভাবি চোৱাচোন। কাস্পিয়ান অঞ্চলত কাম কৰিছিলোঁ। আৰু হঠাতে এই গাওঁৰ ভিতৰত যেন তোমাকেই বিচাৰি মই পিচলি পৰিলোঁ !"

মোৰ পিনে এবাৰ করুণ দৃষ্টিৰে চাই কনোভালোভ নীৰৱ হ'ল। খিৰিকীৰে বাহিৰত খোজকাঢ়ি বা ঘোঁড়াত উঠি যোৱা মানুহবোৰলৈ তেওঁ ঠৰ লাগি চাই ৰ'ল। তেওঁৰ পৰিষ্কাৰ নীলা চকুযুৰিত স্পষ্ট

হৈ উঠিল বিষণ্ণতাৰ ছাপ। সন্ধিয়া লাগিছে। ৰাস্তাত এতিয়াও কোলাহল, মানুহৰ ভীৰ আৰু ধূলিৰ ধুমুহা বিদ্যমান। ঘৰৰ ছাঁবোৰ ৰাস্তাত ধীৰে ধীৰে দীঘল হৈ আহিছে। দেৱালত আউজি হাত দুখন বুকুত সাৱটি লৈ আঙুলিৰে ৰেচমসদৃশ দাড়িকোছাৰ সৈতে তেওঁ খেলা-খেলিবলৈ ধৰিলে। তেওঁৰ গোলাকাৰ বিবৰ্ণ মুখখনৰ পিনে এবাৰ কেৰাহিকৈ চাই মই ভাবিবলৈ ধৰিলোঁ: মানুহজন কেনে ধৰণৰ? কিন্তু মোৰ ওপৰৱালাৰ বাবে তেওঁক মই কথাটো সুধিব নোৱাৰিলোঁ। তদুপৰি মানুহজনক দেখাৰ লগে লগে মোৰ ভিতৰত তেওঁৰ প্ৰতি এটা শ্ৰদ্ধাৰ ভাবো জন্মি গৈছে।

কনোভালোভৰ কপালত তিনিটা সূক্ষ্ম ৰেখা ওপৰা-ওপৰিকৈ চিহ্নিত হৈছে। মাজে সময়ে সেইবোৰ অদৃশ্য হয়। মানুহজনে ইমান গভীৰভাৱে কি ভাবিছে জানিবলৈ মোৰ ইচ্ছা হ'ল।

"ব'লা, এতিয়া কামত লাগোঁ। তুমি দুই নম্বৰ ডাবাটোত ময়দা মলা আৰু মই তিনি নম্বৰটোত সাজু কৰি ৰাখোঁ।"

দলি থোৱা ময়দা কিছু ওজন কৰি আৰু আন কিছুমান মলি উঠি আমি দুয়ো চাহ একো কাপ খাওঁ বুলি বহিলোঁ। ছোলাৰ জেপত হাত ভৰাই কনোভালোভে মোক সুধিলে:

"পঢ়িবলৈ জানা নে? চাওঁ, এইখন পঢ়াচোন," তেওঁ ভাঙি-ছিঙি সোঁতোৰ-মোতোৰ হোৱা কাগজ এখিলা মোৰ পিনে আগবঢ়াই দিলে।

মই পঢ়িবলৈ আৰম্ভ কৰিলোঁ:

"প্ৰিয় চাছা,

মোৰ সম্ভাষণ আৰু এটি চুমা চিঠিৰেই যাচিছোঁ। মই খুব অকলশৰীয়া। তোমাৰ সৈতে বাস কৰিবলৈ মই বেছি দিন অপেক্ষা কৰিব নোৱাৰা হৈছোঁ। মনটো নষ্ট হৈ গৈছে। যদিও এটা সময়ত এই জীৱন ধাৰাকে ভাল পাইছিলোঁ এতিয়া ই মোৰ বাবে ক্লান্তি-কৰ হৈ পৰিছে। মই খুব অতীষ্ঠ। এনেকুৱা কিয় হ'ল তুমি জানা। তোমাক লগ পোৱাৰ পিছৰ পৰা ময়ো জানিবলৈ আৰম্ভ কৰিছোঁ।

অনুগ্ৰহ কৰি সোনকালে উত্তৰ দিবা। তোমাৰ চিঠিৰ বাবে মই অধীৰ আগ্ৰহেৰে অপেক্ষা কৰিছোঁ। আজিলৈ বিদায়, কিন্তু হে মোৰ হৃদয়ৰ দাড়িৱালা প্ৰিয়তম, এয়া চিৰ বিদায় নহয়। তোমাৰ সেই গাহৰিৰ দৰে মূৰ্তি দেখি যদিও মই হতাশ হওঁ তথাপিও তোমাক মই দোষিব নোৱাৰো। মোৰ পৰা বিদায় নোলোৱাকৈয়ে তুমি গুছি গৈছা। তথাপিও তোমাক কেন্দ্ৰ কৰি মোৰ সুখৰ অন্ত নাই। তোমাৰ স্মৃতি মই কোনো দিনে মোৰ মনৰ পৰা মছিব নোৱাৰিম। আৰু আন পুৰুষৰ কথা মই কল্পনাকে কৰিব নোৱাৰো। চাছা, মোক ইয়াৰপৰা লৈ যাবলৈ তুমি চেষ্টা কৰিব নোৱাৰা নে? ইয়াৰ ছোৱালী-বোৰে তোমাক লগাইছে—বেশ্যাৰ তালিকাৰ পৰা তুমি মোৰ নামটো কাটিলেই মই হেনো তোমাক দূৰলৈ ঠেলি দিম কিন্তু এইবোৰ অৰ্থহীন কথা; সম্পূৰ্ণ মিছা। মোক বেশ্যালয়ৰ পৰা নিয়াৰ পিছত তুমি মোৰ প্ৰতি ভাল ব্যৱহাৰ কৰিলে মই চিৰদিন তোমাৰ ওচৰত পোহনীয় কুকুৰৰ দৰে বিশ্বস্ত হৈ থাকিম। মোক তুমি পাহৰি যোৱাটো সহজ; কিন্তু মই তোমাক পাহৰাটো কঠিন। যিদিনা তুমি মোক দেখা কৰিবলৈ আহিছিলা সিদিনা বিচ্ছেদ যন্ত্ৰণা সহিব লগাৰ ভয়তে মই কান্দিছিলোঁ। তোমাক অৱশ্যে কাৰণটো কোৱা নহ'ল।

"বিদায়,

কাপিতোলিনা"

মোৰ হাতৰপৰা চিঠিখন নি কনোভালোভে এখন হাতেৰে অন্য মনস্কভাৱে লাৰি-চাৰি চাবলৈ ধৰিলে আৰু আনখন হাতেৰে দাড়ি-কোছা পকাবলৈ ধৰিলে।

"তুমি লিখিবলৈ জানা নে?"

"জানো।"

"কলম চিয়াহি আছে নে?"

"আছে।"

"তেনেহলে তাইৰ কাৰণে এখন চিঠি লিখা, লিখিবা নে? তাই হয়তো ভাবিছে মই এজন ফটুৱা মানুহ, তাইক একেবাৰে পাহৰি গৈছোঁ। লিখি দিয়াছোন।

"লিখিম; কিন্তু ছোৱালীজনী কোন?

"এজনী বেশ্যা। চোৱা, বেশ্যাৰ তালিকাৰ পৰা তাইৰ নামটো কাটিবলৈ তাই মোক কলে। তাৰ মানে মই বিয়া কৰিম বুলি শপত খাই পুলিচৰ আগত কব লাগিব। তেতিয়া পুলিছে তাইৰ বেশ্যা বৃত্তিৰ কাৰ্ডখন ওভোটাই লৈ তাইক এখন পাচপোৰ্ট দিব আৰু তেতিয়াই তাই মুক্ত হৈ পৰিব; বুজিলা?"

আধা ঘণ্টাৰ ভিতৰতে এখন মৰ্মস্পৰ্শী চিঠি লিখা হৈ গ'ল। অধৈৰ্য হৈ কনোভালোভে কলে, "বাৰু, এবাৰ পঢ়াছোন, কেনে হ'ল শুনো।"

ঠিক এনেকুৱা শুনা গ'ল:

"প্ৰিয়তমা কাপা,

তোমাক পাহৰিব পৰাকৈ মই নীচমনা বুলি তুমি মোক নাভাবিবা। মই পাহৰা নাই, কিন্তু এটা মদৰ আড্ডালৈ মই গৈছিলোঁ আৰু তাতে মোৰ শেষ পইচাটো পৰ্যন্ত দি মদ খাইছিলোঁ। অৱশ্যে আকৌ মই কামত যোগ দিছোঁ। কাইলৈয়ে মালিকৰপৰা কিছু আগধন লৈ ফিলিপলৈ পঠিয়াই দিম আৰু সি সেই টকাৰে তোমাৰ নাম কটাৰ ব্যৱস্থা কৰিব। ইয়ালৈকে তুমি আহিব পৰা ভাড়াও পঠিয়াই দিম। আজিলৈ ইয়াতে সামৰিলোঁ। ইতি—

তোমাৰ

আলেকজেণ্ডাৰ"

"উহুঁ," মূৰটো খজুৱাই কনোভালোভে কলে, "তুমি এতিয়াও লেখক হৈ উঠা নাই। তোমাৰ লেখাৰ মাজত কোনো আবেগ নাই, বেদনা নাই। তদুপৰি, খুব কঢ়া ভাষাত মোৰ কথাখিনি তোমাক লিখিবলৈ কলোঁ, তুমি লিখা নাই।"

"তেনেকৈ কিয় লিখিম ?

"এইকাৰণেই লিখিব লাগিব যে তাই বুজিব লাগিব মই খুব লজ্জিত আৰু তাইৰ সৈতে যিবোৰ কৰিছিলোঁ সেইবোৰৰ স্মৃতিত মই এতিয়া নিমজ্জিত। তোমাৰ এই চিঠিখন শুকান মটৰ মাছৰ দৰে লগা হৈছে। কিছু আবেগ ঢালি দিয়া।"

কিছু আবেগ সংযোগ কৰাত অসুবিধা নাছিল। কৌশলেৰে সেই চিঠিখনতে তাকে কৰি পেলালো। কনোভালোভ এইবাৰ সন্তুষ্ট হ'ল। মোৰ পিঠিত চপৰিয়াই কিছু উৎসাহেৰে কলে:

"এইবাৰ ধুনীয়া হৈছে। তোমাক ধন্যবাদ। মই বুজিছোঁ, তুমি কামৰ মানুহ। আমি দুয়ো মিলিব পাৰিম।"

সেই বিষয়ে মোৰ কোনো সন্দেহ নাছিল। কাপিতোলিনাৰ বিষয়ে সবিশেষ জনাবলৈ মই তেওঁক অনুৰোধ কৰিলোঁ।

"কাপিতোলিনা ? একেবাৰে সৰু ছোৱালী। ভিয়েৎকা প্ৰদেশৰ এজন ব্যৱসায়ী লোকৰ বেটী। তাই একেবাৰে চিধা-চিধি এই পথলৈ গুচি আহিছে। দিনে দিনে এই পথেৰে তাই আগবাঢ়িছে আৰু ক্ৰমে ক্ৰমে অধঃপতিত হৈছে। আৰু অৱশেষত উপস্থিত হৈছেগৈ একেবাৰে এটা বেশ্যালয়ত। যিদিনাখন মই তাইক প্ৰথম দেখিলোঁ, ভাবিলোঁ, হে ভগবান; এয়া কেনেকৈ হব পাৰে ? ছোৱালীজনী দেখোন একেবাৰে ভেটকোনা! যি হওঁক মই ভাল ব্যৱহাৰ কৰিব লাগিব। তাই কান্দিবলৈ আৰম্ভ কৰিলে। মই কলোঁ, 'নাকান্দিবা, ধৈৰ্য ধৰা, কিছু অপেক্ষা কৰা, মই তোমাক ইয়াৰ পৰা লৈ যাম।' আৰু টকা-পইচা সকলো মই সাজু কৰি ৰাখিছিলোঁ; কিন্তু হঠাতে আস্ত্ৰাখানৰ এখন মদৰ দোকানলৈ মই গুচি গলোঁ। আৰু তাৰপৰা ইয়ালৈ গুচি আহিলোঁ। কাপাক নিশ্চয় কোনোবাই মোৰ ঠিকনা জনাইছে আৰু সেয়েহে তাই মোলৈ লিখিছে।"

মই সুধিলোঁ, "কি কৰোঁ বুলি ভাবিছা ? বিয়া কৰিবা নেকি ?"

"মই বিয়া কৰিম ? মাতালে কেনেকৈ বিয়া কৰিব হে ? নাই

নাই, মই মাত্ৰ ৰেজ্যাৰ তালিকাৰ পৰা তাইৰ নামটো মচি দিম, তাৰপিছত তাইৰ য'লৈ ইচ্ছা তালৈ গুচি যাওক। নিজৰ ইচ্ছামতে তাই থকা ঠাই বিচাৰি লওক। আৰু এনেকৈয়ে এদিনাখন তাই এদিন ভদ্ৰমহিলা হৈ যাব।

"তাই তোমাৰ লগতে থাকিব খোজে।"

"তিৰোতাবোৰৰ কথা-বাৰ্তাবোৰ এনেকুৱাই। তেওঁলোকক মই হাড়ে-হিমজুৱে চিনো। জীৱনত যে কত তিৰোতা দেখিলোঁ! এবাৰতো এজন সদাগৰৰ ঘৈণীয়েকে একেবাৰে যমে ধৰা দিছিল। তেতিয়া মই এটা চাৰ্কাছ দলৰ ঘোঁৰা চহীচ হিচাপে কাম কৰিছিলোঁ। মহিলা গৰাকীৰ মোৰ ওপৰত চকু পৰিল। তেওঁ কলে, "ব'লা, মোৰ গাড়ীচালক হ'বা।" চাৰ্কাছৰ কামটো মোৰ ভাল লগা নাছিল। সেইবাবে মই সন্মত হৈ গলোঁ। তাৰপিছত নিজে নিজে এটাৰ পিছত আন এটা ঘটনা ঘটি যাবলৈ ধৰিলে। ৰজাৰ দৰে মই দিন কটাবলৈ ধৰিলোঁ। মহিলাগৰাকীৰ গিৰিয়েকজন আমাৰ এই মালিকৰ দৰেই চুটি-চাপৰ আৰু পেটুলা আছিল। কিন্তু মহিলা গৰাকী আছিল মেকুৰীৰ দৰে ক্ষীণ আৰু কোমল আৰু কণমানি টোপোলাৰ দৰে উত্তপ্ত। জোৰে সাৱটি ধৰি তেওঁ মোক চুমা খাইছিল। চুমাবোৰ আছিল গৰম কয়লাৰ দৰে। তাই চুমা খালে তুমি ঠৰ্‌ঠৰ্‌কৈ কঁপিবা, প্ৰাণটো তোমাৰ দেহৰ পৰা ওলাই যোৱা যেন পাবা। চুমা খাই খাই তেওঁ উচুপি উচুপি ইমান জোৰেৰে কান্দিবলৈ ধৰিছিল যে তেওঁৰ কান্দনুখনৰ জোকাৰণি উঠিছিল। মই সুধিছিলোঁ, "কিয় কান্দিছা ভেৰা?" তেওঁ কৈছিল, "তুমি একেবাৰে ছলিৰ দৰে হৈ আছা, চাছা, একো বুজি নোপোৱা।" তেওঁ আছিল মিঠা মুখৰ সক তিৰোতা এজনী আৰু তেওঁ যি কৈছিল সেয়া সঁচা কথাকে কৈছিল। কাৰণ, মই সঁচাকৈ একো বুজা নাছিলোঁ। মই যে এজন অৰ্ধামূৰ্খ এতিয়াহে বুজি পাইছোঁ। তেতিয়া কি কৰিছিলোঁ আৰু কিয় কৰিছিলোঁ একো বুজা নাছিলোঁ। দিন কেনেকৈ পাৰ হৈছিল

তাকো তেতিয়া ভাবি চোৱা নাছিলোঁ।”

কথা বন্ধ কৰি মোৰফালে এবাৰ অপলক দৃষ্টিৰে চাওঁতে মই দেখিবলৈ পালোঁ। কনোভালোভৰ চাৱনিত প্ৰতিভাত হৈছে আধা ভয় আৰু আধা বিস্ময়ৰ এক মিশ্ৰিত অভিব্যক্তি। এই ভয়ৰ চেতনাই যেন তেওঁৰ সুন্দৰ মুখখনক আৰু সকৰুণ কৰি তুলিছে, আৰু সুন্দৰ কৰি তুলিছে।

“আৰু সদাগৰৰ পত্নীৰ সৈতে থকা তোমাৰ সম্পৰ্কৰ সমাপ্তি ঘটিল কেনেকৈ?” মই সুধিলোঁ।

“প্ৰতিবাৰতে মোৰ নিজকে ইমান হতভগীয়া বুলি ধাৰণা হৈছিল যে বাচি থাকিবলৈ আৰু ইচ্ছা নোহোৱা হৈছিল। ধাৰণা হৈছিল, এই প্ৰকাণ্ড পৃথিৱীখনত একমাত্ৰ মইহে যেন বাচি আছোঁ। মোৰ বাহিৰে যেন আন কোনো প্ৰাণী নাই। এই মুহূৰ্তবোৰত মই সকলোকে ঘিণ কৰিছিলোঁ। আনকি নিজকো। সেইসময়ত সকলো মৰি গলেও মই দুখ নকৰিলোঁহেঁতেন। এইটো নিশ্চয় একধৰণৰ মোৰ বেমাৰ। আৰু ইয়ে মোক মদ খাবলৈ বাধ্য কৰিলে। মই তেওঁৰ ওচৰলৈ গৈ কলোঁ, “ভেৰা মিখাইলোভনা, মোক যাবলৈ দিয়া। এইবোৰ মই আৰু সহিব নোৱাৰা হৈছোঁ।” এটা অশ্লীল হাঁহি মাৰি তিৰোতাজনীয়ে কলে, “কিয়? মোক আমুৰালে নেকি?” মই কলোঁ, “তোমাক নহয়, মোকহে আমুৰাইছে।” মোৰ কথাখিনি তেওঁ প্ৰথমতে বুজি নাপালে। চিঞৰি চিঞৰি তেওঁ মোক যা-তা কবলৈ আৰম্ভ কৰিলে। কিন্তু যেতিয়া বুজি পালে তেতিয়া মুৰ নত কৰি কলে, “যোৱা তেনেহলে।” তাৰপিছতে তেওঁ কান্দিবলৈ ধৰিলে। তেওঁৰ চকু দুটা আছিল ক'লা আৰু চুলিবোৰো ক'লা আৰু কেঁকোৰা আছিল। তেওঁৰ বাবে মোৰ দুখ লাগিছিল আৰু নিজৰ ওপৰত ঘিণ জাগিছিল। অৱশ্যে ময়ো বুজিছিলোঁ যে এনে ধৰণৰ স্বামীৰ সৈতে সংসাৰ কৰাত তেওঁৰ খুব কষ্ট হৈছিল। স্বামীটো আছিল ময়দাৰ বস্তা সদৃশ। তেওঁ বহুত পৰলৈ কান্দিলে। এইখিনি

সময়ত মোক বুজায়ো আছিল। ময়ো তেওঁৰ সৈতে ভাল ব্যৱহাৰেই কৰিছিলোঁ। কেতিয়াবা দুই হাতেৰে দাড়ি কেচুৱাক কৰাৰ নিচিনাকৈ দোলন দিছিলোঁ। তেওঁৰ কেতিয়াবা টোপনি আহিছিল। মই ওচৰতে বহি তেওঁৰ পিনে চাই আছিলোঁ। টোপনিত তেওঁক খুব ধুনীয়া দেখা গৈছিল, খুব সুন্দৰী—খুব সৰল। অকল উশাহ লোৱা আৰু মুখৰ হাঁহিটো—আন একোৱে নাই। গ্ৰীষ্মকালত গাওঁৰ ঘৰত থকা সময়ত মাজে-সময়ে আমি গাড়ীৰে ফুৰিবলৈ গৈছিলোঁ। ধুমুহাৰ বেগত গাড়ী চলাই তেওঁ খুব ভাল পাইছিল। কোনো হাবিয়নিৰ কাষ পালে ঘোঁড়া বান্ধি আমি গছৰ তলত শুই পৰিছিলোঁ। তেওঁৰ কোলাত মূৰ থৈ মোক শুবলৈ কৈছিল আৰু তেওঁ মোক কিতাপ পঢ়ি শুনাইছিল। শুনি শুনি মই টোপনি গৈছিলোঁ। তেওঁ খুব সুন্দৰ গল্প পঢ়িছিল, খুব সুন্দৰ। 'বাবা জেৰাচিম আৰু তাৰ কুকুৰৰ কাহিনীটো জীৱনত মই কোনো দিনে পাহৰিব নোৱাৰিম। জেৰাচিম সমাজৰ বহিৰ্ভূত লোক আছিল। সকলোৱে তাৰ কুকুৰটোকহে ভাল পাইছিল; তাক কিন্তু কোনেও চকু পাৰি দেখিব নোৱাৰিছিল। মানুহে তাক ঠাট্টা-মস্কৰা কৰিলে সি কুকুৰটোৰ ওচৰলৈ গৈ শান্তনা বিচাৰিছিল। সেয়া খুব করুণ কাহিনী। জেৰাচিম আছিল জমিদাৰৰ মজুৰ। এদিন জমিদাৰে তাক কলে, "তোৰ কুকুৰটোৱে দিন-ৰাতি ভুকি থাকে, তাক পানীত বুৰাই মাৰি থৈ আহ, যা।" সি গ'ল। এখন নাওত কুকুৰটো ভৰাই লৈ সি নাও চলালে। তাই যেতিয়া এইখিনি কথা পঢ়িবলৈ ধৰিছিল মোৰ বুকুখন তেতিয়া দুৰু দুৰুকৈ কঁপিছিল। হায় ভগবান; জীৱনত যিটো প্ৰাণী আছিল আনন্দৰ একমাত্ৰ উৎস সেইটোকে মাৰি পেলাবলৈ আদেশ! এইকাম কেনেকৈ কৰা যায়? সঁচা জীৱনক লৈ লিখা এয়া এক অদ্ভুদ গল্প আৰু সেইবাবেই ইমান সুন্দৰ। পৃথিবীত এনেকুৱা মানুহো আছে যাৰ বাবে এটা মাত্ৰ বস্তুৱেই তেওঁৰ বাবে প্ৰাণ সদৃশ হৈ পৰে। এই কুকুৰটোৱে

এটা উৎকৃষ্ট উদাহৰণ। কুকুৰটো কিয় এনে হ'ল ? কুকুৰটো জেবাচিমৰ প্ৰাণ সদৃশ আছিল এইবাৰেই যে জেবাচিমক কুকুৰটোৰ বাহিৰে এই পৃথিবীৰ কোনেও ভাল নাপাইছিল। কাৰোপৰা ভালপোৱা নাপালে মানুহ বাচি থাকিব পাৰে নে ? মানুহৰ হৃদয়খন তেনেহলে সৃষ্টি হৈছে কিহৰ বাবে ? সি যি কি নহওঁক, সদাগৰৰ পত্নীয়ে মোক এনেধৰণৰ গল্প শুনাইছিল। বৰ মিঠা মুখী আছিল তেওঁ। তেওঁৰ বাবে আজিও মোৰ দুখ লাগে। মোৰ জন্মই হৈছিল কুক্ষণত। নহলে মোক খেদি নিদিয়া পৰ্যন্ত অথবা তেওঁৰ স্বামীয়ে আমাক ধৰা নেপেলোৱা পৰ্যন্ত মই কোনো পধ্যে তেওঁক নেৰিলোঁহেঁতেন। আচল কথা হ'ল; মানুহজনীয়ে ভাল পাব জানিছিল। ভাল পাই মোক বহুত উপহাৰো দিছিল। কিন্তু উপহাৰ বৰ দৰকাৰী বস্তু নহয়; তেওঁৰ হৃদয়খন ভালপোৱাৰে পূৰ্ণ আছিল। আন যি কোনো তিৰোতাৰ দৰে তেওঁ মোক অকল চুমা খোৱাই নহয় তেও তেওঁৰ সকলোবোৰ মোক ঢালি-বাকি দিছিল। কিন্তু তথাপিও মাজে-সময়ে তেওঁ নিশ্চুপ হৈ পৰিছিল। তেতিয়া তেওঁক অদ্ভুত যেন লাগিছিল। তেওঁৰ সৰল দৃষ্টিয়ে যেন মোৰ বুকু ভেদ কৰি হৃদয় পৰ্যন্ত সোমাব খুজিছিল। তেতিয়া তেওঁ মোৰ সৈতে মাতৃৰ লেখিয়াকৈ কথা পাতিছিল। আৰু মোৰো নিজকে এটা পাঁচ বছৰীয়া ল'ৰা যেন লাগিছিল। তথাপিও মই তেওঁক এৰি আহিলোঁ। আৰম্ভ হ'ল দুখৰ জীৱন। দুখতেই মই ঘূৰি ফুৰিলোঁ লক্ষ্যহীন ভাৱে। মই তেওঁক কৈছিলোঁ, -'ভেৰা মিখাইলোভনা, বিদায় ! মোক তুমি ক্ষমা কৰিবা।" তেন্তোঁ কৈছিল, "বিদায় চাছা।" কিন্তু তাৰপিছতে সেই পাগলীজনীয়ে কি কৰিছিল জানা ? মোৰ কামিজৰ হাত কোছাই মোৰ হাতখনত কামুৰি ধৰিছিল। মই চিঞৰি উঠিছিলোঁ। কিন্তু ইতিমধ্যে তেওঁ মোৰ হাতৰ পৰা এক ডোখৰ মঙহ দাঁতেৰে কামুৰি নিছিল। সেই ঘা শুকাওঁতে লাগিল প্ৰায় তিনি সপ্তাহ। তাৰ দাগ এতিয়াও মোৰ হাতত আছে।"

কনোভালোভে তেওঁৰ বগা, সুগঠিত আৰু পেশীবহুল হাতখন মোৰ ভালে মেলি ধৰিলে। তেওঁৰ ওঁঠত ফুটি উঠিল এটা বিষণ্ণ স্নিগ্ধ হাঁহি। কিলাকুটিৰ ভাঁজটোত সেই ক্ষতচিহ্নটো স্পষ্ট দেখা গ'ল—দুটা অৰ্ধবৃত্তাকাৰ দাগ দুই ফালৰ পৰা আহি পৰস্পৰে মিলি গৈছে। মৃদু হাঁহিৰে মূৰটো দুপিয়াই দুপিয়াই কনোভালোভে দাগটো চাবলৈ ধৰিলে।

"পাগলীজনী! মই যাতে তাইক মনত ৰাখো তাৰ বাবেই এয়া দি দিছে।"

এনেকুৱা ঘটনা আগতে মই বহুত শুনিছিলোঁ। ঘূৰি ফুৰা মানুহৰ পৰা প্ৰায়ে শুনিবলৈ পোৱা যায় এই ধৰণৰ কোনোবা "সদাগৰ-পত্নী" বা "ভদ্ৰমহিলা"ৰ কথা যাৰ সৈতে প্ৰেমত বান্ধ খাই পৰিব লগা হৈছিল। এই সমস্ত সদাগৰ-পত্নী বা ভদ্ৰমহিলা সম্পৰ্কে নানা জনৰ মুখত যিবোৰ অসংখ্য কাহিনী শুনিবলৈ পোৱা যায় সেইবোৰৰ ভিতৰত সেই প্ৰেমিকাজনী আছিল অবিশ্বাস্য ব্যক্তিত্বৰ অধিকাৰিণী আৰু বিচিত্ৰ ৰূপৰ। দেহ আৰু মনত সেই নাৰী সম্পূৰ্ণ স্ববিৰোধী আছিল। আজি যদি তেওঁ হাস্যময়ী, অধীৰা আৰু নীলনয়না অহা সপ্তাহত হৈ পৰিব দয়ালু, আবেগিক আৰু কৃষ্ণনয়না। সাধাৰণতে গল্পবোৰ ক্ষোভেৰেই কোৱা হয়, মাত্ৰ বিশেষ নাৰীগৰাকীক হেয় প্ৰতিপন্ন কৰাৰ বাবে সেইবোৰ অতিৰঞ্জিত কৰা হয়।

কিন্তু কনোভালোভৰ কাহিনীৰ মাজত মই সঁচা সুৰ শুনিবলৈ পালোঁ। ইয়াৰ মাজত মই এনেকুৱা কিছুমান তথ্যৰ সন্ধান পালোঁ যিবোৰ আগতে পোৱা নাছিলোঁ। উদাহৰণ হিচাপে, সেই কিতাপ পঢ়া কথা, নিজৰ সৈতে নাৰীগৰাকীৰ তুলনা, বলীষ্ঠ আৰু শক্তিশালী মানুহ শিশুৰ দৰে হৈ পৰা আদি কথাবোৰ আগতে মই কোনো কাহিনীতে শুনা নাছিলোঁ।

মই কল্পনা কৰিলোঁ, সেই আটিল চেহেৰাৰ নাৰীগৰাকী কনো-

ভালোভৰ বাহুৰ মাজত টোপনি গৈছে— তেওঁৰ মূৰটো ৰাখিছে কনোভালোভৰ বহল বুকুত। দৃশ্যটোৰ মাজত সৌন্দৰ্য আছে আৰু এইকাৰণেই মোৰ ওচৰত ই বিশ্বাসযোগ্য হৈ উঠিল। কনোভালোভৰ শেষৰ কথাখিনিৰ মাজতো এনেকুৱা এটা বিষণ্ণ মধুৰ সুৰ আছে যিটো বিশেষত্বপূৰ্ণ। এই সুৰেই মোৰ মানসপটলৈ লৈ আহিল এজনী "সদাগৰ-পত্নী"ৰ প্ৰতিচ্ছবি। কোনো ঘূৰি ফুৰা মানুহকে নাৰী বা আন যি কোনো সম্পৰ্কে এই সুৰত কথা কোৱা মই শুনা নাই। বৰং তেওঁলোকৰ মুখত ইয়াৰ বিপৰীতটোহে শুনিছোঁ, তেওঁলোকে হেনো এই পৃথিৱীৰ কাকো খাটিৰ নকৰে।

উদ্বিগ্ন হৈ কনোভালোভে মোক সুধিলে, "কি হে, একো নোকোৱা দেখোন? মোৰ কথাবোৰ মিছা বুলি ভাবিছা নেকি?" এহাতেৰে চাহৰ গিলাচটো লৈ তেওঁ ময়দাৰ বস্তা এটাৰ ওপৰত বহিল আৰু আনহাতেৰে ধীৰে ধীৰে দাড়ি পকাবলৈ ধৰিলে। চকু দুটা মোৰ ফালে প্ৰশ্নাতুৰ ভাৱে নিবদ্ধ হ'ল। কপালৰ ৰেখাবোৰ খুব স্পষ্ট হৈ পৰিল।

"আটাইবোৰ সঁচা। মিছা কথা কিয় কম? অৱশ্যে হয়, আমি ৰাফিয়ানবোৰে মিছাৰ জাল গুঠিবলৈ ভাল পাওঁ। কিয় নাপাম? যিয়ে জীৱনত কোনো প্ৰমূল্যৰ সৈতে পৰিচিত নহয় তেওঁতো কল্পনাৰ কুঁৱৰীৰ কথা কবই আৰু ইয়াকেই সঁচা বুলি জাহিৰ কৰি ফুৰিবই। ইয়ে কাৰো একো ক্ষতি নকৰে। কৈ কৈ সেই মিছা কাহিনীকে সিও সঁচা বুলি বিশ্বাস কৰি পেলায়, যেন ঘটনাটো সঁচাকৈয়ে ঘটিছিল। এনেকৈ সি ভাবে আৰু ভাবি ভাল পায়। হাজাৰ হাজাৰ মানুহে ইয়াকে কৰি আছে। ইয়াৰ বাহিৰে তেওঁলোকৰ আন উপায়ো নাই। কিন্তু তোমাক মই যি কলোঁ সেয়া সম্পূৰ্ণ সত্য—যি ঘটিছিল ঠিক তাকেই কৈছোঁ। ইয়াত কিবা আশ্চৰ্যজনক আছে নে? তিৰোতাজনীয়ে জীৱনত আনন্দ বোলা একো পোৱা নাছিল। মই গাৰোৱান হলোঁ কি হ'ল? নাৰীৰ

ওচৰত ইয়াৰ কোনো প্ৰভেদ নাই। গাৰোৱান, ভদ্ৰলোক, বিষয়া— তেওঁলোকৰ বাবে একেই। পুৰুষ মানুহ। আৰু তেওঁলোকৰ দৃষ্টিত আমি একেই গাহৰি পোৱালি, একে উদ্দেশ্যত আমি তেওঁ-লোকৰ পিছে পিছে, প্ৰত্যেকেই যেনেকৈয়ে হওক কাম হাচিল কৰাত মত্ত। পুৰুষ এজন যিমানে সহজ-সৰল হয় সিমানে তেওঁ বিবেচক হয়। আৰু মই হলেঁ। সহজৰ ভিতৰতে আটাইতকৈ সহজ। তিৰোতাবোৰে মোৰ ভিতৰত সেইটোকে দেখে। তেওঁলোকে বুজে যে মই তেওঁলোকৰ ক্ষতি নকৰিম আৰু কেতিয়াও তেওঁলোকক উপলুঙা নকৰিম। তিৰোতা যেতিয়া পাপত লিপ্ত হয় তেতিয়া তেওঁলোকে উপলুঙাকে আটাইতকৈ বেছি ভয় কৰে। মানুহৰ মুখৰোচক গল্পৰ খোৰাক হবলৈ তেওঁলোকে নিবিচাৰে। আমাতকৈ তিৰোতাবোৰৰ লজ্জাবোধ বেছি। আমি হাটে-বজাৰে আমাৰ কীৰ্ত্তিবোৰ গাই ফুৰি ভাল পাওঁ, সেইবোৰক লৈ তামচা-স্ফুৰ্তি কৰোঁ; যোৱা নিশা মই কাৰ সৈতে কি কৰিছিলোঁ সেইটো তুমি জনা উচিত বুলি তোমাৰ আগত বেকত কৰোঁ। তিৰোতাবোৰে কিন্তু সেইটো কেতিয়াও নকৰে। তেওঁলোক যে পাপকৰ্মত লিপ্ত হব পাৰে এয়া কাৰো ধাৰণাই নহয়। আটাইকৈ নীচ ঘৰৰ তিৰোতা-জনীও আনকি পুৰুষতকৈ বেছি লাজুকী।"

কনোভালোভৰ কথা শুনি শুনি মই ভাবিলোঁ: এওঁৰ দৰে ঘূৰি ফুৰা মানুহ এজনৰ মুখৰ কথাবোৰ অদ্ভুত যেন লাগিছে; সঁচাকৈ এইবোৰ তেওঁৰ মনৰ কথা নে?

শিশুৰ দৰে স্বচ্ছ দৃষ্টিৰে তেওঁ যেতিয়া মোৰ ফালে চাই কৈ যাবলৈ ধৰিলে মই আৰু আচৰিত নোহোৱাকৈ ৰ'ব নোৱাৰিলোঁ।

চৌকাৰ ভিতৰৰ খৰিবোৰ পুৰি শেষ হৈছে। এতিয়া মাথো এঙাৰবোৰ জ্বলি আছে। তাৰ আভা চিটিকি গৈ দেৱালত পৰিছে।

খিৰিকীখনত চাৰিকোণীয়া আকাশ এখন ওলমি আছে। তাতেই দৃশ্যমান হৈছে দুটি তৰাৰ অস্তিত্ব। তাৰে এটা খুব ডাঙৰ

সেইটো মুকুতাৰ দৰে উজ্বল দেখা গৈছে। আনটো ইটোৰ নিচেই কাষত থাকিলেও খুব নিস্প্ৰভ দেখা গৈছে।

এসপ্তাহৰ ভিতৰতে কনোভালোভ আৰু মই অন্তৰঙ্গ বন্ধু হৈ গলোঁ।

তেওঁৰ প্ৰকাণ্ড হাতখনেৰে মোৰ পিঠিত চাপৰ মাৰি হাঁহি হাঁহি তেওঁ মোক কলে, "তুমি বৰ সহজ সৰল আৰু মই এনেকুৱা ল'ৰাক ভাল পাওঁ।"

নিজৰ কামত কনোভালোভ সঁচাকৈয়ে এজন শিল্পী আছিল। সাত পুড্ ওজনৰ ময়দাৰ লডা এটা মাৰোঁতে দস্তুৰমত তেওঁ নাচিবলৈ আৰম্ভ কৰে অথবা ময়দাত মলম দিয়া সময়ত তেওঁ একেবাৰে ডাবাৰ ভিতৰত সোমাই পৰে। নৰম ময়দাৰ ভিতৰত কিলাকুটি পৰ্যন্ত সোমাই দি তেওঁ যেতিয়া ইস্পাতৰ দৰে তেওঁৰ আঙুলিৰে ছাপ দিবসৈ ধৰে তেতিয়া ছপ্‌ছপ্‌কৈ মিহি সুৰীয়া শব্দ এটা শুনিবলৈ পোৱা যায়।

দীঘল নাল থকা ট্ৰেৰ ওপৰৰ পৰা সেঁকা ৰুটিখিনি নি আন কিছুমান দিবলৈ মই সময়ে নাপাওঁ, তেওঁ ইতিমধ্যে চৌকাত তুলি দিয়ে। প্ৰথম অৱস্থাত মই ভয় খাইছিলোঁ। এইটো দেখি যে কনোভালোভে সেঁকা ৰুটিবোৰ যধে মধে একেলগে ঢালি দিয়ে। কিন্তু যেতিয়া দেখিলোঁ যে দমকৈ ৰখা সত্বেও তিনিবাৰত সেঁকা একশ কুৰিখন ৰুটিৰ এখনো চেপেটা লাগি যোৱা নাই আৰু প্ৰত্যেকখন ৰুটিয়ে বাদামী ৰঙৰ হৈ পৰিছে আৰু প্ৰত্যেকখনেই চৰাইৰ পাখিৰ দৰে নৰম হৈছে তেতিয়া মই বুজি পালোঁ যে কনোভালোভ সঁচাই এজন পাৰ্গত কাৰিকৰ। কাম তেওঁ ভাল পাইছিল, কামৰ প্ৰতি তেওঁ মন-প্ৰাণ ঢালি দিছিল। চৌকাটো ঠিক মতে গৰম নহলে বা ৰুটিবোৰ ধীৰে ধীৰে ফুলি উঠিলে তেওঁৰ খং উঠিছিল। কেতিয়াবা কম দামী ময়দা কিনিলে মালিকক তেওঁ বকিছিল। আৰু যেতিয়া ৰুটিবোৰ একেবাৰতে নিটোল আৰু নৰম হৈছিল তেতিয়া তেওঁৰ

মুখত শিশুৰ দৰে আনন্দ আৰু তৃপ্তিৰ হাঁহি ফুটি উঠিছিল। কেতিয়াবা ট্ৰেৰ ওপৰৰ পৰা গৰম আৰু আটাইতকৈ ভাল ৰুটিখন তুলি লৈ দুই হাতেৰে লোফালুফি কৰি হাঁহি হাঁহি কৈছিল:

"চোৱা হে চোৱা, তুমি আৰু মই কি সুন্দৰ বস্তু বনাইছোঁ!"

বালসুলভ এই বয়সীয়াল মানুহজনৰ কামৰ প্ৰতি থকা উৎসাহ আৰু উদ্দীপনা দেখি মোৰ আনন্দ লাগে। যিয়ে যি কাম নকৰক প্ৰত্যেকেই কনোভালোভৰ এই কৰ্মোৎসাহৰ পৰা প্ৰেৰণা পোৱা উচিত।

এদিনাখন মই তেওঁক কলোঁ:

"চাছা, তুমি বোলে গান গাব জানা!"

"জানো। কিন্তু কোনোবাই কলেই মই গান নাগাওঁ। মোৰ খুছিতহে মই গান গাওঁ। বিশেষকৈ মোৰ মনটো গধুৰ হলে মই গান গাওঁ। নতুবা মই গান গালেই মোৰ মনটো গধুৰ হবলৈ আৰম্ভ কৰে। কিন্তু গানৰ কথা মোক নকবা; মোক বিৰক্ত নকৰিবা। তোমাৰ খবৰ কি? তুমি জানানে? অঁ' নিশ্চয় জানা। কিন্তু মোৰ ইচ্ছা নোহোৱা পৰ্যন্ত তুমিও নাগাবা। তেতিয়া দুয়ো একেলগে গাব পাৰিম, কেনে হ'ব?

মই অপেক্ষা কৰিবলৈ সন্মত হলোঁ। বন্দোবস্ত হ'ল, মোৰ গান গাবলৈ ইচ্ছা হলে মই যেন সুহুৰিয়াবলৈ আৰম্ভ কৰোঁ। কিন্তু ময়দা মাৰি থাকোঁতে বা লেচিকাটি থাকোঁতে কেতিয়াবা মই সুহুৰিয়াবলৈ পাহৰি যাওঁ। গুণগুণকৈ গান গাবলৈ আৰম্ভ কৰোঁ। কনোভালোভে কাণ থিয় কৰি শুনে আৰু মোৰ প্ৰতিশ্ৰুতিৰ কথা মনত পেলাই দিয়ে। কেতিয়াবা আকৌ কঠোৰভাৱে ধমক দি কৈ উঠে:

"চুপ! ঘেনঘেননি বন্ধ কৰা!"

এদিনাখন মোৰ বাকচৰ পৰা কিতাপ এখন উলিয়াই খিৰিকীৰ কাষত বহি মই পঢ়ি আছিলোঁ।

কনোভালোভে তেতিয়া ময়দাৰ ভাৰাত বহি টোপনিয়াই আছিল।

কিতাপৰ পাত উল্টাওঁতে হোৱা খছ্‌মছনি শব্দত তেওঁ চকু মেলিলে।

"কি কিতাপ ?"

কিতাপখনৰ নাম আছিল—দ্য পড্‌ লিপোভাইটচ।

কনোভালোভে কলে, "মোক পঢ়ি শুনাবা নে ?"

তাতেই বহি বহি মই ডাঙৰকৈ পঢ়িবলৈ ধৰিলোঁ। কনোভালোভে মোৰ আঁঠুৰ ওপৰত মূৰ থৈ শুনিবলৈ ধৰিলে। মাজে মাজে তেওঁ কিতাপৰ পাতৰ পিনে আৰু চকুৰে চাওঁতে মোৰ দৃষ্টিত ধৰা পৰোঁতে তেওঁৰ যি অৱস্থা হৈছিল সেয়া মোৰ মানস পটত আজিও অম্লান হৈ আছে। আজিও তেওঁৰ উদ্বিগ্ন আৰু নিবিষ্ট চকুৰ পূৰ্ণ দৃষ্টি মোৰ ওচৰত স্পষ্ট। মুখখন সম্পূৰ্ণ মেল খাই আছে আৰু স্পষ্টভাবে দৃশ্যমান হৈছে তেওঁৰ বগা দুপাৰী দাঁত। তেওঁৰ কুঞ্চিত ভ্ৰূ-যুগল, ওখ কপালৰ একা-বেকা ৰেখাবোৰ, আঁঠু সাৱটি থকা হাত দুখন, সমগ্ৰ দেহাটো ইমান স্থিৰ আৰু উদ্বিগ্ন হৈ থাকে যে তাৰপৰা মই প্ৰেৰণা লাভ কৰিছিলোঁ। পিলা আৰু চিচোইকাৰ সেই করুণ কাহিনী তেওঁক শুনাবলৈ মই সম্পূৰ্ণ আবেক আৰু ব্যঞ্জনাৰে পঢ়ি যাবলৈ ধৰিলোঁ।

এটা সময়ত মোৰ ভাগৰ লগা বাবে কিতাপখন জপালোঁ।

"শেষ হ'ল নেকি ?" কনোভালোভে লাহেকৈ সুধিলে।

"আধাৰ কম।

"গোটেইখিনি মোক পঢ়ি শুনাবা নে ?

"যদি তুমি বিচৰা।

"আহ !" দুহাতেৰে মূৰটো হেচি ধৰি ইফালে সিফালে লৰাই কনোভালোভে কলে। তেওঁ যেন আৰু কিবা কব খুজিছিল, কিন্তু মুখখন মেলিয়ে কমাৰশালৰ ভাতিৰ দৰে আকৌ ধপকৈ বন্ধ কৰি চকু দুটা মুদি দিলে। মোৰ পঢ়াই তেওঁৰ মনত এনেকুৱা প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব বুলি মই ভবা নাছিলোঁ আৰু তেওঁ কি কবলৈ বিচাৰিছিল তাকো ধৰিব পৰা নাছিলোঁ।

"সেয়া তুমি কেনেকৈ পঢ়া ?" কনোভালোভে লাহেকৈ সুধিলে। তুমি পঢ়াবোৰ শুনি ধাৰণা হয় গল্পৰ মানুহবোৰে যেন নিজে নিজে কথা কৈছে, সেইবোৰ যেন জীৱন্ত মানুহ। সেই আপ্রোস্কা আৰু পিলাও। কি যে সিহঁত মূৰ্খ আছিল! সিহঁতৰ কথা-বাৰ্তা শুনিলেই হাঁহি উঠে। তাৰপিছত কি হ'ব হে? সিহঁত কলৈ যাব। হে যিশু, এয়া একেবাৰে সঁচা ঘটনা, সিহঁতো সঁচা. একেবাৰে সঁচা মাত কথাৰে জমিদাৰৰ জমি খোৱা লোক। মেক্সিন, চৌকাত নতুনকৈ ৰুটি তুলি দি আকৌ কিছু পঢ়োঁ আহা।"

চৌকাত ৰুটি তুলি দি আন এটা খলাৰ বাবে লেচিবোৰ ঠিক কৰি ৰাখিলোঁ। তাৰপিছত আকৌ দেৰ ঘণ্টাৰ বাবে পঢ়িবলৈ আৰম্ভ কৰিলোঁ। ৰুটিবোৰ সেঁকা হোৱাৰ পিছত চৌকাৰ পৰা নমাই সাজু কৰি থোৱা লেচিবোৰ বহাই দিলোঁ। তাৰপিছত আকৌ ময়দা মাৰি ইষ্টৰ মলম সানিলোঁ। এই গোটেইখিনি কাম আমি খুব তাৰাতাৰিকৈ আৰু প্ৰায় নীৰৱে কৰি পেলালোঁ। মাজে মাজে অৱশ্যে কনোভালোভে মোৰপিনে ভ্ৰুকু কোছাই দুই এটা নিৰ্দেশ দি নিজৰ কামখিনি দৌৰাদৌৰিকৈ শেষ কৰিবলৈ চেষ্টা কৰিলে।

কিতাপখন পঢ়ি যেতিয়া শেষ কৰিলে। তেতিয়া প্ৰায় ৰাতি পুৱাইছে। মোৰ জিভাখন শুকাই ডাঠ হৈ গৈছে।

ময়দাৰ বস্তা এটাৰ ওপৰত বহি কনোভালোভে মোৰ পিনে নিৰ্বাক হৈ চাই ৰ'ল। তেওঁৰ চকুৰ মাজত দেখা গ'ল এক অদ্ভুত দৃষ্টি। হাতদুখনেৰে তেওঁ আঠু দুটা সাৱটি ধৰিছে।

"কেনে লাগিল ?" মই সুধিলোঁ।

চকু মুদি তেওঁ এবাৰ মূৰ দুপিয়ালে। তাৰপিছত আকৌ ফুচফুচাই কলে, "গল্পটো কোনে লিখিছে ?"

তেওঁৰ চকুত তেতিয়া এক অবৰ্ণনীয় বিস্ময় ফুটি উঠিছে। হঠাতে যেন এক সুতীব্ৰ আবেগত তেওঁৰ মুখখন উদ্ভাসিত হৈ উঠিছে।

লেখকজনৰ নামটো মই তেওঁক কলোঁ।

"কি আচৰিত মানুহ ! একেবাৰে সঠিকভাবেই ধৰি পেলাইছে ঘটনাটো, নহয় নে ? শুনি শুনি ভয়ত গা কঁপি উঠে। আৰু সেই কঁপনি শিৰা-উপশিৰাৰে সমগ্ৰ দেহত উঠা-নমা কৰে। মানুহৰ জীৱনত সঁচাকৈয়ে তো এনেকুৱাই ঘটে। বাৰু, লেখকজনৰ খবৰ কি— তেওঁ লিখাৰ বাবে কি পাইছিল ?"

"মানে········ ?"

"মানে এই কিতাপৰ বাবে তেওঁক পুৰস্কাৰ-তুৰস্কাৰ কিবা দিয়া হৈছে নে ?"

"পুৰস্কাৰ কিয় দিব ?" মই সুধিলোঁ।

"দিব লাগে, কাৰণ কিতাপখন একেবাৰে পুলিচৰ হুকুমনামাৰ দৰে হৈছে। মানুহে পঢ়ি নিজৰ ভিতৰত আলোচনা আৰম্ভ কৰিব। পিলা আৰু চিচোইকাৰ কথা মানুহে আলোচনা কৰিব। তেওঁলোকৰ বাবে কোনো মানুহ দুঃখিত নোহোৱাকৈ থাকিব নোৱাৰে। সেই অন্ধকাৰৰ মাজত জীৱন কটোৱা মানে কুকুৰৰ দৰে জীয়াই থকা আৰু সেইবাবে··· ···"

"আৰু সেইবাবে কি ?"

কনোভালোভে মোৰ পিনে জিজ্ঞাসাৰ দৃষ্টিৰে চালে।

"কিবা এটা কৰা উচিত আছিল," তেওঁ নম্ৰভাৱে কলে। "তেওঁলোকোতো মানুহ ! কোনোবা নহয় কোনোবা তেওঁলোকৰ সাহায্যৰ বাবে আগুৱাই আহিব পাৰিলেহেঁতেন।

কনোভালোভৰ কথাৰ উত্তৰত মই এটা সুদীৰ্ঘ বক্তৃতা দি পেলালোঁ। কিন্তু সকলো অথলে গ'ল। মোৰ বক্তৃতাই আশা কৰা মতে প্ৰভাৱ পেলাব নোৱাৰিলে।

কনোভালোভ চিন্তিত হৈ পৰিল, মূৰটো তলমূৰা কৰিলে আৰু হুমুনিয়াহ ছাৰি গাটোৰ টেলেঙনি দিবলৈ ধৰিলে, কিন্তু মোৰ বক্তৃতাত এবাৰ বাধাও নিদিলে। শেষত ক্লান্ত হৈ মই এৰি পেলালোঁ।

তেওঁ মূৰটো দাঙি মোৰ ফালে বিষণ্ণভাৱে চালে।

"তেনেহলে একেবাৰে দিয়া নহ'ল ?" তেওঁ সুধিলে ।

লেখকৰ কথা সম্পূৰ্ণ পাহৰি যোৱা বাবে মই সুধিলোঁ, "কাক ?"

"সেই লেখকজনক ।"

বিৰক্তিতে মই কোনো উত্তৰ নিদিলোঁ। কাৰণ মই সুন্দৰ-ভাৱে বুজি পালোঁ যে কানাভালোভৰ দাৰ্শনিক তত্ত্ব বুজিব পৰা বোধশক্তি নাই ।

কিতাপখন হাতত লৈ কনোভালোভে সশঙ্কভাৱে ঘূৰাই-পকাই চাই এবাৰ খুলিলে, তাৰ পিছত আকৌ বন্ধ কৰি এটা হুমুনিয়াহেৰে থৈ দিলে।

"কি মজাৰ বস্তু! তেওঁ খুব সৰু মাতেৰে কলে, "এজন মানুহে কিতাপ লিখিছে...... ....কিন্তু কাগজৰ ওপৰত আঁক-বাঁক চিন কেইটা মানৰ বাহিৰে একো নাই..........তথাপিও তাতেই এটা কাহিনী কোৱা হৈছে... ....আচ্ছা, লেখকজন মৰিছে নেকি ?"

"মৰিছে।" মই কলোঁ।

"লেখকজন মৰি গৈছে, অথচ কিতাপখন এতিয়াও আছে আৰু মানুহে পঢ়িছে। মানুহে স্বচক্ষুৰে ইয়াক দেখিছে আৰু বিভিন্ন শব্দ-বোৰ উচ্চাৰণ কৰিছে আৰু আন মানুহে সেয়া শুনিছে আৰু জানিছে যে এই পৃথিবীত পিলা, চিচোইকা আৰু আপ্রোস্কা নামৰ কেইজন মান মানুহ আছিল। সেই মানুহবোৰ যদিও পাঠকসকলৰ কোনো সম্পৰ্কিত নাছিল বা তেওঁলোৰ কোনেও সেই মানুহবোৰক চকুৰেও দেখা নাছিল তথাপিও তেওঁলোকৰ বাবে সকলোৰে দুখ লাগে। তেওঁলোকৰ নিচিনা কত মানুহ আমি বাটে-পথে লগ পাওঁ, কিয়েই বা জানিছোঁ আমি তেওঁলোকৰ বিষয়ে। ভাবোঁ তেওঁলোক তো আমাৰ দৰেই মানুহ— পাৰ্থক্য কি আছে— সেয়েহে আমি দেখিও তেওঁলোকক নেদেখোঁ। কিন্তু সেই মানুহবোৰকে যেতিয়া আমি কিতাপৰ পাতত দেখোঁ তেতিয়া আমাৰ বুকু চিৰিংকৈ উঠে, মন

গলি যায়। এনেকুৱা কিয় হয় তুমি কব পাৰা নে ?·······তেনেহলে লেখকজন পুৰস্কাৰ তুৰস্কাৰ নোপাৱাকৈয়ে মৰিল, হয় নে ? একেবাৰে একো নোপোৱাকৈ ?”

মোৰ খং উঠিল আৰু তেওঁক বুজাই দিলোঁ। লেখকসকল কিদৰে পুৰস্কৃত হৈ থাকে।

কনোভালোভে এবাৰ ভয় ভয়কৈ মোৰ ফালে চালে আৰু জিভাৰে টিচ কৈ এটা শব্দ কৰি লেখকসকলৰ প্ৰতি সহানুভূতি প্ৰকাশ কৰিলে।

তলমূৰ কৰি কনোভালোভে দীঘলকৈ এটা উশাহ টানিলে আৰু তাৰ পিছত বাওঁফালৰ গোঁফকোছা মুখত সোমাই দি চোবাই চোবাই কলে, “সুন্দৰ ব্যৱস্থা দেখিছোঁ!”

কছ লেখকৰ জীৱনত মদৰ আড্ডাৰ ভূমিকা যে কিমান মাৰাত্মক সেই বিষয়ে মই কনোভালোভক বুজাবলৈ আৰম্ভ কৰিলোঁ। সঁচাসঁচি মহৎ আৰু প্ৰতিভাশালী কত লেখকৰ জীৱন যে এই ভদ্‌কাৰ বাবেই শেষ হৈ গৈছে সেই কথা মই তেওঁক কলোঁ। দুঃখময় জীৱনৰ যন্ত্ৰণা পাহৰিবলৈ এই লেখকসকলে ভদ্‌কাৰ পাত্ৰকে মুখত তুলি লৈছিল।

প্ৰচণ্ড বিস্ময়ত কনোভালোভৰ কণ্ঠৰোধ হ'ল। সেপ ঢুকি তেওঁ সুধিলে, “এই মানুহবোৰেও মদ খায় ?” মোৰ কথাবোৰ যে তেওঁ সম্পূৰ্ণ অবিশ্বাস কৰিছে তেওঁৰ চকু দেখিয়ে মই বুজিব পাৰিলোঁ। বৰং লেখকসকলৰ প্ৰতি সহানুভূতিৰ ভাবহে ফুটি উঠিল তেওঁৰ চকুৰ দৃষ্টিত। তেওঁ আকৌ সুধিলে, “সঁচাকৈ তেওঁলোকে মদ খাই নে ? মই ভাবোঁ কিতাপ লিখা হোৱাৰ পিছত তেওঁলোকে অলপ-অচৰপ খায়, নহয় নে ?”

উত্তৰৰ বাবে একো নাপাই প্ৰশ্নটো উপেক্ষা কৰিলোঁ।

“সি যি কি নহওক,” কিবা এটা যেন সিদ্ধান্তত উপনীত হৈছে এনেভাৱে কনোভালোভে কলে, “এই মনুহবোৰে কিন্তু শাঁজৰ দৰে মানুহৰ দুখবোৰ শুহি লয়। এই বিষয়ত তেওঁলোকৰ এক বিশেষ

নজৰ আছে। অৱশ্যে তাৰ লগত হৃদয়ো আছে। মানুহৰ জীৱনলৈ সুদীৰ্ঘ সময়ৰ বাবে দৃষ্টি দিওঁতে তেওঁলোকৰ হৃদয় মন বেদনাৰে ভৰি উঠে। তাৰপিছত সেই বেদনা তেওঁলোকে ঢালি দিয়ে কিতাপৰ পৃষ্ঠাই পৃষ্ঠাই। কিন্তু বেদনাৰ জ্বালা তেতিয়াও নকমে, কাৰণ সেই বেদনাই তেওঁলোকৰ হৃদয়ত আঘাত হানিছে। ফলত এবাৰ হৃদয়ত বেদনাৰ জুই জ্বলিলে তাক নিৰ্বাপিত কৰাটো টান। তেতিয়া এটাই মাত্ৰ পথ খোলা থাকে— ভদ্‌কাৰ মাজত ডুব যোৱা। সেইকাৰণেই তেওঁলোকে মদ খায়। মই সঁচা কৈছোঁ নে?"

মই সঁচা কোৱা বুলি কলোঁ আৰু ইয়ে কনোভালোভক উৎসাহিত কৰিলে।

"কিন্তু ন্যায় বিচাৰৰ কথা কব লাগিলে," লেখকৰ মনস্তত্ত্বৰ আৰু গভীৰলৈ যাবলৈ চেষ্টা কৰি কনোভালোভে কৈ গ'ল, "তেওঁ-লোকক পুৰস্কাৰ দিয়া উচিত আছিল। কাৰণ লেখকসকলে আন মানুহতকৈ বেছি বুজে আৰু তেওঁলোকেই জীৱনৰ ভুলবোৰ আঙুলিয়াই দিয়ে। মোৰ কথাকে ধৰাছোন, মই কি? চাৰিও-ফালে পদূলি গুড়ি ফুৰা এটা অপদাৰ্থ, মাতাল, নিৰ্কৰ্মা। পৃথিৱীত মোৰ দৰে মানুহ বাচি থকাৰ অৰ্থ নাই। কোনে মোক বিচাৰে? পত্নী নাই, ল'ৰা-ছোৱালী নাই, নিজৰ বুলিবলৈ ঘৰ-বাৰী নাই আৰু সেইবোৰৰ বাবে মোৰ নিজৰো কোনো খেদ নাই। নিজৰ দুখ নিজৰ ভিতৰতে ৰাখি মই জীয়াই আছোঁ। কিয় জীয়াই আছোঁ তাকো কোনেও নাজানে। কোন পথেৰে আগুৱাম তাক কবলৈও মোৰ ভিতৰত কোনো হুঁচ নাই। মোৰ মনৰ কথা মই কেনেকৈ কম? মোৰ ভিতৰত শিখা নাই, হয়তো মানসিক শক্তিও নাই। এই অভাৱক তুমি যি নামে নিদিয়া, আচলতে সেইটো মোৰ নাই। কথা সেইটোৱে। এনেকৈয়ে মই জীয়াই আছোঁ, কিবা যেন এটা বিচাৰি ফুৰিছোঁ আৰু তাক পাম পাম বুলি অপেক্ষা কৰিছোঁ। কিন্তু সেইটো কি তাক মই নাজানো।"

হাতৰ ওপৰত মূৰটো থৈ কনোভালোভে এবাৰ মোৰ পিনে চালে। তেওঁৰ মুখত এটা প্ৰচেষ্টাৰ ছাপ প্ৰতিফলিত হৈছে। নিজৰ চিন্তাবোৰক তেওঁ মনৰ মাজত গুটিয়াই লবলৈ চেষ্টা কৰিছে।

"তাৰপিছত ?" মই আগ্ৰহ প্ৰকাশ কৰিলোঁ।

"তাৰপিছত সেয়া কেনেকৈ কব লাগে মই নাজানো। কিন্তু মই ভাবোঁ সেই লেখকসকলৰ কোনোবা আগুৱাই আহি যদি মোক নজৰ কৰে, তেনেহলে তেঁৱেই কিজানি মোৰ জীৱনটো আচলতে কি ভালকৈ বুজাই দিব পাৰিব, নোৱাৰিব নে ? তুমি কি ভাবা ?"

মোৰ ধাৰণা হ'ল, এই কাম ময়েই কৰিব পাৰোঁ। সেইকাৰণে তৎক্ষনাৎ মই কামত লাগি গলোঁ। অত্যন্ত সহজ আৰু সৰল ব্যাখ্যা বুলি যিটো মোৰ ধাৰণা হ'ল সেইটোৰেই কাম আৰম্ভ কৰিলোঁ। অৱস্থা, পাৰিপাৰ্শ্বিকতা আৰু সামাজিক অসাম্যৰ বাবে যিসকলে জীৱনত ভোগবিলাসত ডুব গৈ আছে আৰু যিসকলে জীৱনত একো পোৱা নাই— এইবোৰক লৈয়ে মই কবলৈ আৰম্ভ কৰিলোঁ।

কনোভালোভে খুব মনযোগেৰে মোৰ কথাবোৰ শুনি যাবলৈ ধৰিলে। মোৰ বিপৰীতফালে গালত হাত দি তেওঁ বহি আছে। লাহে লাহে মোৰ ধাৰণা হ'ল চিন্তাত বিভোৰ মানুহজনৰ বিস্ফাৰিত আৰু প্ৰকাণ্ড নীলা চকুযুৰিলৈ ক্ৰমে ক্ৰমে এখন পৰ্দা নামি আহিছে। কপালৰ ৰেখাবোৰো ক্ৰমে ক্ৰমে গভীৰ হৈ আহিছে। মোৰ কথাবোৰ বুজিবলৈ তেওঁ ৰুদ্ধশ্বাসেৰে চেষ্টা কৰিছে।

তেওঁৰ দুৰাৱস্থা দেখি মই কিছু গৰ্ব অনুভৱ কৰিলোঁ। পৰম উৎসাহেৰে মই তেওঁৰ জীৱনৰ ঘটনাবোৰ বিশ্লেষণ কৰিবলৈ ধৰিলোঁ আৰু তেওঁক মই বুজাই দিলোঁ যে জীৱনৰ এই পৰিণতিৰ বাবে তেওঁৰ নিজৰ কোনো দোষ নাই। তেওঁ পৰিস্থিতিৰ চিকাৰ। প্ৰকৃতিগতভাৱে তেওঁ আনৰ সমতুল্য। কিন্তু ইতিহাস বিস্তৃত সামাজিক দুষ্টচক্ৰ এটাই তেওঁক আজি সমাজত নগণ্য কৰি তুলিছে। মই শেষ কৰিলোঁ এইখিনি কৈ :

"নিজক দুষিবলৈ তোমাৰ একো নাই। তোমাক প্ৰতাৰণা কৰা হৈছে।"

কনোভালোভে একো নকলে। মোৰ ফালে মাত্ৰ ভেবা লাগি চাই ৰ'ল। লক্ষ্য কৰিলোঁ, এটা ব্যঙ্গ হাঁহি তেওঁৰ ওঁঠত আহি হাজিৰ হৈছে। এইবাৰ তেওঁ যি কব সেয়া শুনিবলৈ অধীৰ আগ্ৰহেৰে মই অপেক্ষা কৰিলোঁ।

লাহেকৈ হাঁহি মাৰি তেওঁ মোৰ পিনে হালি আহিল আৰু ছোৱালীৰ ভংগিমাৰে মোৰ কান্ধৰ ওপৰত হাত এখন থলে।

"তুমি বৰ সহজভাৱে কলা। ইমানবোৰ কথা তুমি ক'ত শিকিলা? কিতাপ পঢ়ি? নিশ্চয় বহুত কিতাপ পঢ়িছা। ময়ো যদি ইমান পঢ়িব পাৰিলোঁহেঁতেন! তোমাৰ পিছে প্ৰকৃত লাভ এইটোৱে হৈছে যে তুমি মানুহৰ দুখ বুজিব পাৰিছা। কাকো মই এনেকৈ কথা কোৱা শুনা নাই। আচৰিত হৈছোঁ এই কথা শুনি যে দুখ-কষ্টৰ বাবে তুমি সমগ্ৰ জীৱনকে দায়ী কৰিছা, দায়ী কৰিছা সমাজব্যৱস্থাক। আন সকলোৱে কিন্তু ইজনে সিজনৰ ওপৰত দোষ জাপি দিয়ে। তোমাৰ মতে কিবা দোষৰ বাবে ব্যক্তিগত মানুহ জগৰীয়া নহয়। যদি কোনোবা এজন যাযাবৰ হবৰ বাবে জন্মে, তেওঁ যাযাবৰ হবই। চোৰৰ বিষয়ে তুমি যিবোৰ কৈছা সেইবোৰো অদ্ভুত; তেওঁলোকৰ কাম নাই বাবেই তেওঁলোকে চুৰি কৰে, যেনেকৈয়ে হওক ভাত মুঠিৰ যোগাৰ কৰিবই লাগিব। যি দেখিছোঁ তুমি খুব দয়ালু। তোমাৰ অন্তৰখন খুব নৰম।"

মই কলোঁ, "ৰ'বা। আগতে কোৱা মোৰ লগত একমত হয় নে নহয়। মোৰ কথাবোৰ শুদ্ধ নে অশুদ্ধ বুলি ভাবা?"

"শুদ্ধ অশুদ্ধৰ কথা মোতকৈ তুমিয়ে ভালকৈ জানা? তুমি লেখা-পঢ়াও জানা। আন মানুহৰ কথা ধৰিলে মোৰ ধাৰনা হয় তোমাৰ কথাই ঠিক; কিন্তু মোৰ কথা যদি ধৰা............"

"তেতিয়া?"

"মোৰ কথাই বেলেগ। একেবাৰে বিশেষ ধৰণৰ। মই যে মদ খাওঁ, তাৰ বাবে দোষী কাক কৰিম? মোৰ ভাই প্যাভেলে তো মদ নাখায়। পাৰ্ম চহৰত তাৰ নিজৰে কটিৰ কাৰখানা আছে। কাৰিকৰ হিচাপে মই তাতকৈ বহুত ওপৰৰ। তথাপিও চোৱা, মই এটা টলো টলোকৈ ঘূৰি ফুৰা মানুহ, মাতাল। মোৰ সপক্ষে কবলগীয়া একোৱেই নাই। অথচ আমি দুয়ো একে মাতৃৰে সন্তান। মোতকৈ সি বয়সতো সৰু। গতিকে বুজিব পাৰিছা, মোৰ কিবা দোষ আছে। সেইটো নিশ্চয় মোৰ জন্মৰে দোষ। তুমি কোৱা, সকলো মানুহ সমান। কিন্তু মোৰ কথা কিছু বেলেগ। অকল মই কিয়—মোৰ নিচিনা অলেখ মানুহ আছে যাক কোনো সূত্ৰেৰে গাঁঠিব নোৱাৰি। আমাৰ নিচিনা মানুহৰ বিচাৰো সেইকাৰণে বিশেষ ধৰণে কৰিব লাগিব। আমাৰ বাবে দৰকাৰ অন্যৰকম আইন—খুব কঠোৰ, যাতে এই পৃথিবীৰ পৰা আমাক বিতাৰণ কৰিব পৰা যায়, কাৰণ আমি তো কাৰো একো উপকাৰ কৰিব পৰা নাই। আমি মাথো ঠাই আগুৰি আছোঁ, আন মানুহৰ পথ বন্ধ কৰিছোঁ। ইয়াৰ বাবে কাক দোষ দিয়া যাব? আমি আমাক নিজকেই দোষ দিব লাগিব। কাৰণ আমি জীৱনক ভাল পাব পৰা নাই, আমি আমাক নিজকে ভাল পাব পৰা নাই।"

শিশুৰ চকুৰ দৰে চকু আৰু থ্লথলীয়া দেহৰ এই মানুহজনে অন্তৰ ভেদি যোৱা এটা হাঁহিৰে নিজক ইমান সহজে অপদাৰ্থ বুলি কৈ এই পৃথিবীৰ পৰা তেওঁক আনে বিতাৰণ কৰা উচিত বুলি কলে যে মই একেবাৰে হতবাক হলোঁ। নিষ্কৰ্মা হৈ ঘূৰি ফুৰা মানুহৰ মুখত এই ধৰণৰ আত্মঅবমাননা আগতে মই কোনো দিনে শুনা নাছিলোঁ। এই মানুহবোৰৰ প্ৰায় বোৰেই স্বভাৱৰ দোষত আশপাশৰ সকলোৰে পৰা বিচ্ছিন্ন হৈ থাকে আৰু সকলোৰে ওপৰত বিদ্বেষভাবাপন্ন হয়। সুবিধা পালেই সিহঁতে যাকে তাকে

ঠাট্টা-বিদ্রূপ কৰে। এতিয়ালৈ মই যিমানবোৰ দেখিছোঁ সিহঁতৰ প্ৰায় সকলোৱে আনক দোষ দিয়ে, আনৰ বিৰুদ্ধে কয় আৰু নিজৰ নিৰ্দোষিতা প্ৰমাণ কৰিবলৈ অকাট্য যুক্তি থাকিলেও মনে মনে থাকে। জীৱনৰ ব্যৰ্থতাৰ বাবে সিহঁতে হয় ভাগ্যক দোষ দিয়ে নহয় আনৰ নিষ্ঠুৰতাক। কনোভালোভে কিন্তু ভাগ্যক দোষ নিদিলে, আনক দোষাৰোপ নকৰিলে। বৰং তেওঁৰ জীৱনটো অথলে যোৱাৰ মূলতে তেওঁৰ নিজৰ দোষ বুলি স্বীকাৰ কৰিলে। মই যিমান সততাৰে তেওঁক বুজাবলৈ চেষ্টা কৰোঁ। তেওঁ সামাজিক ব্যৱস্থা আৰু পাৰিপাৰ্শ্বিকতাৰ চিকাৰ বুলি তেওঁ সিমান সততাৰে কয় যে তেওঁৰ দুৰৱস্থাৰ বাবে তেওঁ নিজে দায়ী। কনোভালোভৰ এই স্বীকাৰোক্তিৰ মাজত নতুনত্ব আছে; মই কিন্তু খুব বিৰক্ত হৈ পৰিলোঁ। এই আত্মধিক্কাৰৰ মাজত তেওঁ এক আনন্দ বিচাৰি পাইছে। এই আনন্দতে উজ্জ্বল হৈ উঠিল তেওঁৰ দৃষ্টি, যেতিয়া তেওঁ দৃঢ়কণ্ঠে কলে:

"প্ৰত্যেকজন মানুহ তেওঁৰ নিজৰ মালিক। তেওঁ যদি কিবা বান্দৰামি কৰে তাৰ বাবে আন কাকো দোষ দিব নোৱাৰি।"

কথাখিনি কোনোবা শিক্ষিত মানুহৰ মুখত শুনা হলে মই আচৰিত নহলোঁহেঁতেন, কাৰণ "বুদ্ধিজীৱি" হিচাপে পৰিচিত এই শিক্ষিত লোকক সকলো বেমাৰে আক্ৰমণ কৰিব পাৰে। কিন্তু হব লগা হলোঁ এই অশিক্ষিত মানুহজনৰ মুখত শুনি। ধাৰণা হ'ল, এই মানুহজন আমাৰ চহৰবোৰৰ লেতেৰা বস্তিবোৰত বাস কৰা অগণন প্ৰতাৰিত, ভোকাতুৰ, আৰু খঙাল আধা-মানুহ আধা-পশুহঁতৰ মাজৰ এজন বুদ্ধিজীৱি। কনোভালোভ "বিশেষ ধাতুৰে গঢ়া" বুলি সিদ্ধান্ত লোৱাৰ বাহিৰে গত্যন্তৰ নাই, মই কিন্তু ইচ্ছা নকৰিলোঁ।

বাহ্যিকভাৱে কনোভালোভো অইন যাযাবোৰৰ দৰেই লাগিছিল; কিন্তু যিমানেই মই তেওঁক জানি আহিলোঁ সিমানেই মোৰ ওচৰত

পৰিষ্কাৰ হৈ আহিল যে তেওঁ এই ক্ষেত্ৰত ব্যতিক্ৰম। যাযাবৰ সকল নিজেই এটা শ্ৰেণীৰ ভিতৰত পৰে। অসাধাৰণ শক্তি সম্পন্ন, ছুৰাচাৰ আৰু সন্দেহাতীতভাৱে নিৰ্বোধ।

আমাৰ তৰ্কা-তৰ্কি ক্ৰমে ক্ৰমে উত্তপ্ত হৈ আহিল।

"শুনা," মই চিঞৰি উঠিলোঁ, "যেতিয়া চাৰিওফালৰ জঘন্য শক্তিবোৰে এজন মানুহক তললৈ হেঁচি থাকে তেওঁ স্থিৰ হৈ থাকিব কেনেকৈ ?"

কনোভালোভে তীক্ষ্ণ দৃষ্টিৰে মোৰফালে চাই কলে, "তেওঁ দৃঢ়ভাৱে ধৰি থাকিব লাগিব।"

"কিহত ?"

"কিবা বিচাৰি তেওঁ তাতেই ধৰি থাকিব লাগিব।"

"তুমি কিয় থকা নাই ?"

"আৰে বোপা ! মোৰ বাবে মোকেই দুষিব লাগিব বুলি তোমাক নকৈছিলোঁ ? মই ধৰি থাকিবলৈ একোকে বিচাৰি পোৱা নাই। মই বিচাৰি আছোঁ আৰু পাম পাম বুলি আশা পালি আছোঁ; কিন্তু পোৱা নাই।'

ইতিমধ্যে কটিবোৰ চৌকাৰপৰা নমোৱাৰ সময় হ'ল। দুয়ো কামত লাগি গলোঁ। কিন্তু কামৰ মাজতো নিজৰ মতেই যে ঠিক সেই লৈ তৰ্ক কৰি গলোঁ। অৱশেষে ফল হ'ল শূণ্য। কোনোজনে নিজৰ মতবাদ প্ৰতিষ্ঠা কৰিব নোৱাৰিলোঁ। অতিমাত্ৰা কায়িক আৰু মানসিক শক্তি ক্ষয় কৰি ভাগৰত আমি শুই পৰিলোঁ।

মজিয়াৰ ওপৰতে কনোভালোভৰ লগে লগে টোপনি আহিল। কেইখনমান বস্তা পাৰি ময়ো শুলোঁ। তাৰপৰাই মই এই দঢ়িয়া মানুহজনৰ প্ৰকাণ্ড দেহাটো দেখি থাকিলোঁ। কোঠাটোত গৰম কটি আৰু পোৱা খৰিৰ গোন্ধ বিয়পি পৰিছে। লাহে লাহে কোঠাটো পোহৰ হৈ আহিল আৰু ময়দা পৰি থকা আয়নাৰ খিৰিকীৰে আকাশখন দেখা গ'ল। কেৰ্‌ কেৰ্‌ শব্দ কৰি গাড়ী এখন পাৰ হৈ

গ'ল আৰু কোনোবা গৰখীয়াই গৰুবোৰ একগোট কৰিবলৈ চিঞৰি উঠিল।

কনোভালোভে নাক বজাই শুই থাকিল। তেওঁৰ প্ৰকাণ্ড বুকুখন উঠা-নমা কৰা চাই চাই তেওঁক মোৰ জাতলৈ উন্নীত কৰাৰ উপায় বিচাৰি থাকোঁতেই মোৰ টোপনি আহিল।

ৰাতিপুৱা টোপনিৰ পৰা উঠি আমি ময়দা মাৰিলোঁ, মাৰা ময়দাৰ লৈতে ঈষ্ট মিহলালোঁ আৰু তাৰ পিছত মুখ-হাত ধই চাহ খাওঁ বুলি এখন বেঞ্চত বহিলোঁ।

"তোমাৰ আৰু বেলেগ কিতাপ আছে নে?" কনোভালোভে সুধিলে।

"আছে।"

"মোক পঢ়ি শুনাবা নে?"

"নিশ্চয়।"

"ভাল কথা। চোৱা, মই এমাহ কাম কৰি দৰমহা লৈয়ে তোমাক আধা দিম।"

"কিয়?"

"কিতাপ কিনিবৰ বাবে। তোমাৰ যি ভাল লাগে সেই কিতাপে কিনা আৰু মোৰ বাবেও দুখন। মুজিকসকলৰ বিষয়ে লিখা। পিলা আৰু চিচোইকাৰ দৰে মানুহৰ বিষয়ে লিখা। কিন্তু চাবা যাতে ভাল কিতাপ হয়— আবেগেৰে লিখাঃ নিকত্তাপ নহয়। কিছুমান কিতাপ সাইলাখ পচা কাগজৰ টোপোলাৰ দৰে। বেটুপাতত ধুনীয়া ছবি থাকিলেও জাবৰৰ দ'ম। আৰু সাধুকথাৰ কিতাপ-বোৰো মই ভাল নাপাওঁ। তুমি যে পঢ়িলা এনেকুৱা কিতাপ আছে বুলি মই জনাই নাছিলোঁ।"

"স্তেনকা ৰেজিনৰ কাহিনীটো শুনিবা নেকি?

"স্তেনকা? ভাল নেকি?"

"খুব ভাল।"

"তেনেহলে পঢ়া।"

কন্তোমাৰভে লিখা "স্তেনকা ৰেজিনৰ উত্থান" গল্পটো মই পঢ়িবলৈ আৰম্ভ কৰিলোঁ। প্ৰথম অৱস্থাত মহাকাব্যধৰ্মী আৰু এটা মাত্ৰ চৰিত্ৰক কেন্দ্ৰ কৰি লিখা কিতাপখন কনোভালোভৰ ভাল নালাগিল।

কিতাপখনৰ পিনে এবাৰ চাই তেওঁ মোক সুধিলে, 'কিহে কথোপকথন নাই নেকি?" মই তেওঁক বুজাব ধৰোঁতে তেওঁ এটা হাঁমি হেচি ধৰিবলৈ চেষ্টা কৰিলে। এইটোৱে তেওঁক লজ্জিত কৰিলে আৰু দোষী দোষী ভাবেৰে ক'লে :

"পঢ়ি যোৱা, পঢ়ি যোৱা। বেয়া নাপাবা।"

কিন্তু লেখকে শিল্পীৰ দক্ষতাৰে যেতিয়া ভলগা অঞ্চলৰ স্বাধীনতাপ্ৰিয় মানুহৰ নেতা হিচাপে সেই স্তেপান ৰেজিনৰ ভাবমূৰ্তি ক্ৰমে ক্ৰমে প্ৰস্ফুটিত কৰিবলৈ ধৰিলে, কিতাপৰ পৃষ্ঠাই পৃষ্ঠাই যেতিয়া সেই চৰিত্ৰ জীৱন্ত হৈ উঠিল তেতিয়া কনোভালোভৰ মনোভাবো পৰিবৰ্তন হৈ আহিল। এতিয়ালৈ তেওঁ উদাসীন ভাৱে টোপনিয়াই আছিল। হঠাতে তেওঁৰ পিনে চাওঁতে এক বিস্ময়কৰ আৰু অভিনব দৃশ্য দেখিলোঁ। দুহাতেৰে আঁঠু দুটা সাৱটি আৰু থুতুৰিটো আঁঠুৰ ওপৰত ৰাখি তেওঁ বহি আছে, দাড়িকোছা ওলমি আছে ভৰিৰ পিনে আৰু ঘন ভ্ৰূযুগলৰ তলেৰে দুটা জ্বলন্ত চকুৰে তেওঁ যেন মোক দাহন কৰিছে। এই ভংগিমা পিছে তেওঁৰ সেই শিশুসুলভ সৰলতা নহয়। তেওঁৰ কোমল আৰু নীলা চকু দুটাত যি নাৰীসুলভ কমনিয়তা প্ৰতি মুহূৰ্ততে বৰ্তমান তেওঁৰ এই ভংগিমাত সেয়া মই নেদেখিলোঁ। তাৰ ঠাইত দেখিলোঁ এক অদ্ভুত পৰিবৰ্তন। তেওঁৰ সমগ্ৰ দেহৰ পৰা যেন জুই শিখা বাহিৰ হৈছে, সমগ্ৰ দেহ যেন মহাকাব্যৰ সুৰত বান্ধ খাই হৈছে। এডোখৰ সুকঠিন মাংশপেশীৰ বাহিৰে আন কিবা বুলি মই তেওঁক ভাবিব নোৱাৰিলোঁ। মই পঢ়াটো বন্ধ কৰিলোঁ।

শান্ত অথচ দৃঢ়ভাৱে তেওঁ ক'লে: "পঢ়ি যোৱা।"

"তোমাৰ কি হৈছে?"

কুৰ্ক আক বিৰক্ত হৈ তেওঁ আকৌ কলে, "পঢ়ি যোৱা।"

মই আকৌ পঢ়িবলৈ আৰম্ভ কৰিলোঁ। মাজে সময়ে তেওঁৰ পিনে চাই দেখিলোঁ। তেওঁ ক্ৰমে ক্ৰমে উত্তেজিত হৈ যাব ধৰিছে। তেওঁৰ ভিতৰৰ পৰা কিবা এটা বিচ্ছুৰিত হৈছে। সেয়া তেওঁৰ দেহৰ পৰা নিৰ্গত গৰম বাষ্প। সেই বাষ্পৰ পৰশত ময়ো উজ্জীৱিত হৈ উঠিলোঁ, আনকি উন্মত্ত হৈ উঠিলোঁ। অৱশেষত স্তেনকাক বন্দী কৰা সেই কথাখিনি মই পঢ়িবলৈ ধৰিলোঁ।

প্ৰায় চিঞৰ মাৰি কনোভালোভে কলে, "সিহঁতে তেওঁক ধৰিলে!"

তেওঁৰ সেই চিঞৰত প্ৰকাশ পালে বেদনা, ক্ৰোধ আৰু ক্ষোভ।

কনোভালোভৰ কপালত বিন্দু বিন্দু ঘাম দেখা গ'ল। চকুত দৃশ্যমান হ'ল আশ্চৰ্য্যজনক তিৰ্‌বিৰণি। তেওঁ ময়দাৰ ডাবাৰ পৰা জাপ মাৰি নামিল আৰু মোৰ সন্মুখত থিয় হৈ উত্তেজনাত ঠক্‌ ঠক্‌ কৈ কঁপিবলৈ ধৰিলে।

মোৰ কান্ধত হাত থৈ তেওঁ কলে, "ৰ'বা, পঢ়া বন্ধ কৰা। আগতে কোৱা তাৰ পিছত কি হ'ল। সিহঁতে তেওঁক মাৰি পেলাব নেকি? পঢ়া, মেক্সিম, তাৰাতাৰি।"

দেখিলে ধাৰণা হয় যেন স্তেনকা নহয় কনোভালোভহে বেজিনৰ ভায়েক। ধাৰণা হয় যেন তিনি শ বছৰৰ আগৰ সেই স্তেনকা বেজিনৰ সৈতে আজিৰ এই যাযাবৰ কনোভালোভৰ তেজৰ সম্পৰ্ক বিদ্যমান। সবল সুঠাম দেহৰ সমগ্ৰ শক্তিৰে, "কিবা এটাত ধৰিবলৈ" থকা আশাময় দৃঢ়তাৰে তেওঁ সেই তিনি শ বছৰ আগতে স্বাধীনতাৰ বাবে যুঁজি অৱৰুদ্ধ হোৱা বিদ্ৰোহীজনৰ বেদনা আৰু ক্ষোভ অনুভৱ কৰিবলৈ ধৰিলে।

"যিশুৰ দোহাই, পঢ়ি যোৱা!"

পঢ়ি পঢ়ি ময়ো ক্ৰমে ক্ৰমে উত্তেজিত হৈ আহিলোঁ। নিজৰ

হৃদয়ৰ স্পন্দন মই যেন শুনিবলৈ পালোঁ। কনোভালোভৰ লগত তেনেকাৰ দুখ-বেদনাৰ অংশীদাৰ হৈ পড়ি যাবলৈ ধৰিলোঁ। তাৰ পিছত তেনেকাৰ অত্যাচাৰৰ বৰ্ণনা দিয়া সেই ঠাইখিনি আহি আমি পালোঁহি।

কনোভালোভে ওঁঠ দুটা কামুৰি ধৰিলে। তেওঁৰ চকুৰে জুই ওলাল। মোৰ কান্ধত হাত ৰাখি কিতাপখনৰ পাতটোলৈ হাউলি পৰি গভীৰভাৱে চাবলৈ ধৰিলে। তেওঁৰ উশাহ লোৱা শব্দ মোৰ কাণত প্ৰচণ্ডভাৱে লাগিল আৰু উশাহে মোৰ চুলি একোছা আনি চকু দুটাত পেলাই দিলে। চুলিকোছা আঁতৰাই দিলোঁ। ইয়াকে দেখি তেওঁ মোৰ মূৰৰ ওপৰত তেওঁৰ প্ৰকাণ্ড হাত এখন থৈ দিলে।

"তাৰপিছত ৰেজিনে ইমান সজোৰে দাঁত চেপি ধৰিলে যে তেওঁৰ দাঁতবোৰ সৰি গ'ল আৰু তেওঁ সেইবোৰ তেজৰ সৈতে মজিয়াত থুৱাই পেলালে...."

"বন্ধ কৰা! এইবোৰ নৰকৰ বৰ্ণনা আৰু নপঢ়িবা!"—কনোভালোভে চিঞৰি কলে আৰু টান মাৰি মোৰ হাতৰ পৰা কিতাপ খন কাঢ়ি নি মজিয়াত দলিয়াই পেলালে। তাৰপিছত তেওঁ নিজেই তাৰ কাষত বহি পৰিল।

কন্দাটো এটা লাজৰ কথা। সেইকাৰণে যিমান দূৰ সম্ভৱ সেয়া গোপন কৰিবলৈ চেষ্টা কৰি তেওঁ কোঁপাবলৈ ধৰিলে। দুই আঁঠুৰ মাজত মূৰটো গুজি লৈ উচুপি উচুপি তেওঁ লেতেৰা পাইজামাটোৰে চকুপানী মছিলে।

কোনো প্ৰকাৰৰ তেওঁক শান্তনা দিব নোৱাৰি মই তেওঁৰ সন্মুখত বেঞ্চ এখনৰ ওপৰত বহিলোঁ।

কনোভালোভে কলে, "মেক্সিম! কথাবোৰ এনেকৈ ভাবি চোৱা! তুমি পিলাৰ কথা কলা, চিচোইকাৰ কথাও শুনালা,....আৰু এইবাৰ তেনেকাৰ কাহিনী পঢ়িছা। কি যে পৰিণতি! তোমাৰ নিজৰ দাঁতবোৰ থুৱাই পেলাই দিয়া কথা এবাৰ ভাবি চোৱাছোন!'

কনোভালোভৰ সমগ্ৰ শৰীৰত এটা কঁপনি উঠিল।

স্তেনকাৰ বজ্ৰপাত হোৱা আৰু দাঁত সৰি যোৱা অৱস্থাত তেওঁ বিশেষ ভাৱে আহত হৈছে। বাৰে বাৰে তেওঁ সেই কথাকে কবলৈ ধৰিলে আৰু যেতিয়াই তেওঁ সেই কথা কয় তেতিয়াই তেওঁৰ কান্ধ দুখন ঠৰ্ ঠৰকৈ কঁপি উঠে।

মানুহৰ প্ৰতি মানুহৰ পাশৱিক অত্যাচাৰৰ এই বৰ্ণনাত আমি দুয়োজনেই মানসিক ভাৰসাম্য হেৰুৱাই পেলালোঁ।

কিতাপখন বুটলি আনি তেওঁ মোৰ হাতত দি কলে, "আকৌ পঢ়ি শুনোৱা, শুনাবা নে? চাওঁ, কোনখিনি ঠাইত দাঁতৰ কথাখিনি লিখা আছে মোক দেখুৱাছোন।"

পৃষ্ঠাটোৰ সেই ঠাইখিনি মই দেখুৱাই দিলোঁ। আৰু তেওঁ তাৰ আখৰবোৰৰ পিনে এক ধিয়ানে চাই ৰ'ল।

"সঁচাকৈয়ে স্তেনকাই তেজৰ সৈতে দাঁতবোৰ থুৱাই পেলাইছিল নে? কিন্তু ইয়াৰ আটাইবোৰ আখৰ দেখোন একেই দেখিছোঁ! ভগৱান? তেওঁ যে কিমান কষ্ট নাপাইছিল! আনকি দাঁতবোৰো! আৰু তাৰপিছত কি হ'ল? সিহঁতে তেওঁক মাৰি পেলালে নেকি? ভগৱানক এইখিনিতে ধন্যবাদ যে সিহঁতে অৱশেষত তেওঁক মাৰি পেলাব!"

গভীৰ অনুভূতিৰে তেওঁ এটা স্বস্তিৰ নিশ্বাস পেলালে। তেওঁৰ চকু মুখত ফুটি উঠিল এক পৰম শান্তিৰ ছাপ। অত্যাচাৰিত স্তেনকাৰ বাবে এনেকৈ আকুলভাৱে মৃত্যু কামনা কৰা দেখি মই নিজেও এবাৰ শিহৰিত হৈ উঠিলোঁ।

দিনটোৰ বাকীখিনি সময়ো আমি এনেকৈয়ে কটালোঁ। মাত্ৰ স্তেনকাৰ কথা, তেওঁৰ জীৱনৰ কথা, তেওঁক লৈ যিবোৰ গীত ৰচিত হৈছে সেইবোৰৰ কথা আৰু তেওঁৰ ওপৰত চলা অত্যাচাৰ নিপীড়নৰ সমস্ত কথা আলোচনা কৰিয়ে আমি দিনটো কটাবলৈ ধৰিলোঁ। কনোভালাভে দুইবাৰ গভীৰ কণ্ঠেৰে সেই গান গাবলৈ আৰম্ভ

কৰিলে ; কিন্তু ছুয়োৰাৰতে তেওঁ আধকন্নাকৈ বন্ধ কৰিলে।

সিদিনাৰ পৰা আমি দুয়ো আৰু বেছি ঘনিষ্ঠ হৈ পৰিলোঁ।

মই “স্তেনকা ৰেজিনৰ উত্থান”, “তাৰাচ বুলবা” আৰু “গৰীব মানুহৰ কথা” কিতাপ কেইখন কনোভালোভক বহুবাৰ পঢ়ি শুনালোঁ। “তাৰাচ বুলুবা”ৰ কাহিনী শুনিও তেওঁৰ ভাল লাগিছিল ; কিন্তু কস্তোমাৰভে লিখা ৰেজিনৰ উত্থানে তেওঁক এনেকৈ প্ৰভাৱান্বিত কৰিছিল যে সি একেবাৰে অম্লান। মাকাৰ দেভুছকিন আৰু ভাৰিয়াৰ লেখা তেওঁ বুজি নাপায়। মাকাৰৰ লেখনি তেওঁ হাস্যকৰ বুলি ভাৱে আৰু ভাৰিয়াৰ প্ৰতি সদায় তেওঁ সন্দেহী আছিল।

“তোমাৰ লেখিকাৰ কথাটো চোৱাছোন। বুঢ়া মানুহটোৰ কি দশাই যে নকৰিছে ! শেষ পৰ্যন্ত তেওঁক এটা কাউৰী খেদা যন্ত্ৰত পৰিণত কৰিলে। এই বাজে লেখাবোৰ পঢ়ি সময় নষ্ট নকৰিবা। কি আছে এইবোৰত ? এজন পুৰুষে ছোৱালীলৈ লিখিছে আৰু এজনী ছোৱালীয়ে পুৰুষলৈ লিখিছে—কাগজ নষ্ট কৰাৰ বাহিৰে আন একো নহয়। গোল্লাই যাওঁক সেই লেখনি। ইয়াৰ মাজত কোনো ভাল লগা বা কোনো বেয়া লগা কথা নাই। এইবোৰ তেওঁলোকে কিয় লিখিছে ?

এই লেখাবোৰৰ ৰচনাশৈলী পড্‌লিপোভাইটসকলৰ দৰে বুলি মই কলোঁ ; কনোভালোভে কিন্তু সেয়া মানিব নুখুজিলে।

“পিলা আৰু চিচোইকাৰ কথা বেলেগ। তেওঁলোক সঁচা মানুহ। তেওঁলোক এদিনাখন সঁচাসঁচিকৈ আছিল আৰু নানা ৰকম কষ্টও ভোগ কৰিছিল। কিন্তু এইবোৰ কি ? সকলোৱে মাত্ৰ চিঠি লিখিছে। একেবাৰে বিৰক্তিকৰ। এই লেখাবোৰৰ মানুহবোৰো সঁচা নহয়, কল্পনা কৰা। কিন্তু তাৰাচ আৰু স্তেনকাৰ কথা ভাবা, হায় ভগৱান ! তেওঁলোক যদি লগ লাগিব পাৰিলেহেঁতেন তেওঁলোকে তেতিয়া কি কৰিব নোৱাৰিলেহেঁতেন ! পিলা আৰু চিচোইকাক তেওঁলোকে নতুনকৈ জীৱন দিব পাৰিলেহেঁতেন।”

স্থান কালৰ কথা কনোভালোভে পাহৰি গৈছে। তেওঁৰ ধাৰণা তেওঁৰ প্ৰিয় আটাইবোৰ চৰিত্ৰ একে যুগৰ মানুহ। তেওঁ পাহৰি গৈছে যে তেওঁৰ প্ৰিয় চৰিত্ৰবোৰৰ দুজন ইউচোলিত, এজন ইউক্ৰেনত আৰু চতুৰ্থজন ভল্‌গা অঞ্চলত বাস কৰিছিল। এই কথা তেওঁক বুজোৱাটো মুস্কিল হৈ পৰিল যে চিচোইকা আৰু পিলাই যদি ভল্‌গা নদীৰে নাওঁত উঠি ভটিয়াইও আহিলহেঁতেন তথাপিও তেওঁলোকে কোনোদিন স্তেনকাক বিচাৰি নাপালেহেঁতেন, আকৌ স্তেনকায়ো যদি কেতিয়াবা ডন নদী আৰু স্তেপভূমি পাৰ হৈ ইউক্ৰেনলৈ গ'লহেঁতেন তথাপিও কোনো দিন তেওঁ বুলবাক বিচাৰি নাপালেহেঁতেন।

এই স্থান আৰু কালৰ আচল কথাটো অৱশেষত বুজিব পাৰি কনোভালোভ হতাশা হ'ল। পুগাচেভৰ উত্থান সম্পৰ্কেও কিছু কথা কৈ তেওঁৰ প্ৰতিক্ৰিয়া কেনে হয় জানিবলৈ মই চেষ্টা কৰিলোঁ। কিন্তু পুগাছেভ চৰিত্ৰই তেওঁৰ মনত কোনো ৰেখাপাত কৰিব নোৱাৰিলে।

"মানুহজন দগাবাজ। মানুহক উত্তেজিত কৰিবৰ বাবে জাৰৰ নামৰ আশ্ৰয় লৈছিল। তাৰ বাবে কত ভাল মানুহে প্ৰাণ দিব লগা হ'ল! আৰু স্তেনকা? তেওঁৰ কথাই বেলেগ। আৰু সেই পুগাচেভ এজন খচ্ছৰ মানুহ, তাতকৈ বেলেগ আন একো নহয়। সেই স্তেনকাৰ দৰে আৰু আন কিবা কিতাপ আছে নেকি? চোৱা-চোন চোৱা। কিন্তু মাকাৰৰ কিতাপ নালাগে; তাক মোৰ মুঠেও ভাল নালাগে। বৰং স্তেনকাক মাৰি পেলোৱা দৃশ্যটো আকৌ যদি পঢ়ি শুনোৱা শুনিব পাৰোঁ।"

বন্ধৰ দিনবোৰত কনোভালোভ আৰু মই ফুৰিবলৈ যাওঁ। নদী পাৰ হৈ ঘাহনিৰ মাজত ঘূৰি ফুৰোঁ। লগত ভদকা, ৰুটি আৰু কিতাপ লৈ যাওঁ। কনোভালোভৰ ভাষাত কবলৈ হলে আমি হাৱা খাবৰ বাবে ফুৰিবলৈ ৰাতিফুৱাতে যাত্ৰা কৰোঁ।

এটা "কাঁচৰ কাৰখানা" পৰ্যন্ত যাবলৈ আমাৰ খুব হেপাহ।

ইয়াৰ কাৰণ অৱশ্যে ব্যাখ্যা কৰিব নোৱাৰো। চহৰৰ পৰা অলপ দূৰত খোলা পথাৰৰ মাজৰ পৰিত্যক্ত এই অট্টালিকাটো কাঁচৰ কাৰখানা” বুলিয়ে জনাজাত। ঘৰটো ইটাৰে গঠিত আৰু তিনি মহলীয়া। ছালখন তলৰ পিনে হালি পৰিছে; দুৱাৰ-খিৰিকীবোৰ ভঙা-ছিঙা। তলৰ কোঠাবোৰ দুৰ্গন্ধময় আৰু গোটেই গ্ৰীষ্মকালতে সেইবোৰত পানী জমা হৈ থাকে। ভগ্নপ্ৰায় ধূসৰ-সেউজীয়া শেলুৱৈয়ে ধৰা দেৱালবোৰে যেন পথাৰৰ মাজত থিয় হৈ ভঙা খিৰিকীৰ চকুৰে ব্যথাভৰা চাৱনি দিছে চহৰখনৰ পিনে। যেন চহৰখনৰ পৰা নিৰ্বাসিত মুমূৰ্ষু এক প্ৰাণীৰ দৰেই ই চাই আছে চহৰখনলৈ। বসন্তকালৰ বৰফগলা পানী বছৰৰ পিছত বছৰ আহি এই ঘৰ ঢুকি পাইছে। তথাপিও ই থিয় হৈ আছে। তলৰ পৰা ওপৰলৈ গোটেইটো একেবাৰে ভিজা। তাৰ চাৰিওফালে জলাহ। এইবোৰ কাৰণত তালৈ পুলিচো যাব নোৱাৰে। হাউলি পৰা ছাল সত্বেও অসংখ্য ভেগাবন্দৰ বাসস্থল এই ঘৰটো।

সকলো সময়তে তাত অলেখ অঘৰী লোক থাকে। সিহঁতৰ কানি-কাপোৰ ফটা-ছিৰা-লেতেৰা, দেহাবয়ব অনশনক্লিষ্ট। দিনৰ পোহৰৰ আঁৰত সিহঁতে ফেঁচাৰ দৰে ভগ্নগৃহত বাস কৰে। কনো-ভালোভ আৰু মই সিহঁতৰ বাবে সকলো সময়তে আদৰণীয় আছিলোঁ, কাৰণ কাৰখানাৰ পৰা যাত্ৰা কৰোঁতে প্ৰত্যেক দিন আমি বগা ময়দাৰ গোটা রুটি এটা লৈ গৈছিলোঁ, বাস্তাৰ পৰা কিনি নিছিলোঁ আধা-পিণ্টকৈ ভদ্‌কা আৰু ফেৰিৱালাৰ পৰা কিনি নিছিলোঁ। লিভাৰ, ফুসফুস, কলিজা আৰু পাকস্থলীৰ মঙহ মিহলোৱা চ্যাপ। কনোভালোভৰ ভাবাত, মাত্ৰ দুই-তিনি কবল খৰছ কৰিয়ে এই মানুহবোৰক সুন্দৰ ভোজ খুৱাব পাৰি।

আমি দিয়া খানাৰ বিনিময়ত সিহঁতে আমাক অলেখ ৰোমা-ঞ্চকৰ কাহিনী শুনায় যিবোৰৰ ভিতৰত যেনেকৈ শিহৰণ তোলা সত্য কাহিনী থাকে তেনেকৈ থাকে গোকাট মিছাৰ কৌশলী সংমিশ্ৰন।

প্ৰত্যেকটো কাহিনীয়ে সূতাৰে গুঁঠা (সত্য) জালৰ দৰে য'ত নক্সা তোলা থাকে উজ্জ্বল ৰঙৰ সূতাৰে (মিছা)। সেই জালবোৰ যেন সিহঁতৰ হৃৎপিণ্ড আৰু মস্তিষ্কৰ লগত কেতিয়াবা স্থূলভাবে, কেতিয়াবা অন্যভাৱে নিবিড়ভাৱে গুঁঠা থাকে। মানুহবোৰে আমাৰ সৈতে নিজৰ প্ৰথাৰেই মিলা-মিছা কৰিছিল। মই প্ৰায়ে সিহঁতক কিতাপ পঢ়ি শুনাওঁ আৰু সিহঁতেও গভীৰ মনোযোগৰে শুনে।

স্বাভাৱিক জীৱনপ্ৰৱাহৰ পৰা বিচ্ছিন্ন এই মানুহবোৰৰ গভীৰ জীৱনবোধ লক্ষ্য কৰি মই বিস্মিত হওঁ আৰু সেইকাৰণেই সিহঁতৰ কাহিনীবোৰ বেছি আগ্ৰহেৰে মই শুনো। কনোভালোভেও শুনে। কিন্তু তেওঁ আগ্ৰহেৰে শুনে সিহঁতৰ জীৱনদৰ্শনৰ ভুল-ত্ৰুটি বাহিৰ কৰিবলৈ আৰু তাকে লৈ মোৰ সৈতে তৰ্ক কৰিবলৈ।

সিহঁতৰ মাজৰ এজনৰ পোছাক-পাতি হত্যাকাৰীৰ দৰে আৰু তাৰ চেহেৰাও এনেকুৱা যে তাক দেখিলেই দূৰত থাকিবলৈ ইচ্ছা হয়। সেই মানুহজনেই এদিনাখন তাৰ জীৱনৰ বিপৰ্যয়ৰ কাহিনী কবলৈ আৰম্ভ কৰিলে। স্বাভাৱিকভাৱেই তাৰ ব্যক্তব্যখিনি আত্মপক্ষ সমৰ্থন আৰু আত্মদোষস্খলনৰ বক্তৃতা হ'ল। কনোভালোভে মুখ টিপি হাঁহি হাঁহি মূৰ দুপিয়াবলৈ ধৰিলে। সিহঁতৰ আটায় সেইটো লক্ষ্য কৰিলে।

গল্প কৈ থকা মানুহজনে প্ৰশ্ন কৰিলে, "মোৰ কথাবোৰ তোমাৰ বিশ্বাস হোৱা নাই নেকি, চাচ্চা ?"

"নিশ্চয় হৈছে। মানুহে যি কয় তাক বিশ্বাস কৰিব লাগে। আনকি সেইটো মিছা বুলি জানিলেও বিশ্বাস কৰা উচিত। তেওঁৰ কথা শুনি বুজিবলৈ চেষ্টা কৰা তেওঁ কিয় মিছা কৈছে। কেতিয়াবা কেতিয়াবা এই মিছাৰ মাজতে দেখা যায় যে মানুহজন সঁচাতকৈও সুন্দৰ। তদুপৰি এবাৰ এই জীৱনৰ মাজত সোমাই পৰিলে বুজিব পাৰি আমাৰ জীৱনবোধ কি। একেবাৰে সাধাৰণ এটা গোবৰৰ দ'ম! গতিকে সেইবোৰ আমি মিছাৰ সাজেৰে ঢাকি ৰাখোঁ। হয় নে নহয় ?"

কনোভালোভৰ কথাত হুমভৰ দি গল্প কোৱা মানুহজনে কলে, "ঠিকেই কৈছা। কিন্তু মূৰ ঘুপিয়াইছিলা কিয় ?"

"মূৰ ঘুপিয়াইছিলোঁ এইটো কাৰণত যে ঘটনাবোৰ তুমি ঠিকমতে চাব জনা নাই। তুমি এনেকৈ কথা কৈছিলা যেন তুমি নিজেই তোমাৰ ভিতৰত নাই, তুমি যি হৈছা সেয়া তুমি নিজে কৰা নাই আন কোনোবাইহে কৰিছে। কিন্তু তোমাৰ নিজৰ কাম আনক কৰিব দিবা কিয় ? তুমি কিয় বুবুজিবা ? আমি আনৰ গাত দোষ জাপি দিবলৈ ভাল পাওঁ। কিন্তু আমিও মানুহ। হয় নে নহয় ? আমিও ভুল কৰিব পাৰো। তথাপিও কোনোবাই যদি আমাৰ কথাত অনবৰত নাক কোছাই থাকে আমিও বোধহয় তেওঁৰ কথাত নাক কোছাবলৈ আৰম্ভ কৰিম। নহয় নে ? এই কথাৰ তুমি কি উত্তৰ দিবা ?"

মানুহজনে কলে, "জীৱনটো এনেকুৱা হোৱা উচিত য'ত সকলোৰে বাবে ঠাই থাকে। তেতিয়া কোনোবাই কাৰোবাৰ বাটত বাধা হৈ থিয় দিব কিয় ?"

প্ৰত্যাহ্বানৰ সুৰত কনোভালোভে কলে, "কিন্তু তেনে জীৱন কোনে গঢ়িছে ?" আন কোনোবাই উত্তৰ দিয়াৰ আগতে কনো-ভালোভেই তাৰাতাৰিকৈ উত্তৰ দিলে, "তেনে জীৱন আমি নিজেই গঢ়িব লাগিব। কিন্তু উপায় নাজানিলে আমি কেনেকৈ গঢ়িম ? জীৱনৰ পৰা যদি সাকুৱা বস্তুখিনি আমি বাহিৰ কৰিব নোৱাৰো তেনেহলে সেই জীৱনৰ পৰা লাভ কি ? দেখা গৈছে এই ক্ষেত্ৰত আমাক সহায় কৰিবলৈয়ো কোনো নাই। আমি নিজে নিজেই যুঁজিব লাগে। আৰু আমি—আমি সকলোৱে জানো, আমি কি।"

কনোভালোভৰ কথাত মানুহবোৰে প্ৰতিবাদ কৰিলে। সিহঁতে নিজৰ ব্যৰ্থতাৰ কাৰণ উলিয়াবলৈ চেষ্টা কৰিলে। কনোভালোভে তেওঁৰ নিজৰ যুক্তিতে খামোচ মাৰি ধৰি ৰ'ল। তেওঁ কলে, প্ৰত্যেক জন মানুহ যি হয় তাৰ বাবে তেওঁ নিজেই দায়ী। ব্যৰ্থতা বা

বিপৰ্যয়ৰ বাবে তেওঁ কাকো দোষ দিব নোৱাৰে।

এই যুক্তিৰপৰা কনোভালোভক লবোৱাটো অসম্ভৱ হৈ পৰিল। আনৰ যুক্তিও যে তেওঁ গ্ৰহন কৰিব সেইটোও অসম্ভৱ যেন লাগিল। তেওঁৰ মতে নতুনকৈ জীৱন গঢ়ি তুলিবলৈ এই মানুহবোৰ নিশ্চয় সক্ষম। স্বাধীন জীৱনৰ সোৱাদ এওঁলোকেও পাব পাৰে। কিন্তু সেইটো এওঁলোকে নকৰে। দুৰ্বল, মেৰুদণ্ডহীন আৰু অকৰ্মন্য এই মানুহবোৰে ইটোৱে সিটোক দোষাৰোপ কৰি জীৱন কটাব পাৰে।

এই তৰ্কাতৰ্কিবোৰ সাধাৰণতে দুপৰীয়াতে আৰম্ভ হয় আৰু শেষ হয় মাজৰাতি। "কাঁচৰ কাৰখানা"ৰ মানুহবোৰৰ পৰা বিদায় লৈ গভীৰ অন্ধকাৰত এক আঁঠু বোকা ভাঙি আমি উভতোঁ।

এবাৰ আমি বোকাৰ খাল এটাত পোত যাব ধৰিছিলোঁ; আন এবাৰ পহৰাদাৰী পুলিচৰ হাতত ধৰা পৰি এটা ৰাতি থানাত কটাব লগা হৈছিলোঁ। "কাঁচৰ কাৰখানা"ৰ কুৰিজন মানুহক সন্দেহ কৰি পুলিচে গ্ৰেপ্তাৰ কৰিছিল, সিহঁতৰ লগত আমি দুজনো যাব লগা হৈছিল।

মাজে-সময়ে দাৰ্শনিকতাৰ প্ৰতি আমাৰ বিৰাগ জন্মিছিল। তেতিয়া দুয়ো খোজ কাঢ়ি কাঢ়ি ঘাহনিৰ মাজে মাজে আগবাঢ়োঁ নদীৰ পাৰলৈ। তাৰপিছত তাৰপৰাও আগবাঢ়োঁ আৰু দূৰলৈ য'ত দেখিবলৈ পোৱা যায় বৰফগলা পানীৰ অসংখ্য সৰু সৰু হোলা আৰু সেই পানীত চিক্‌মিকাই খেলি থকা সৰু সৰু মাছৰ জাক। প্ৰাকৃতিক সৌন্দৰ্য্য বৃদ্ধি কৰাৰ উদ্দেশ্যে কোনো এটা হোলাৰ পাৰৰ জোপোহা বনত আমি জুই জলাই দিওঁ আৰু তাৰ পিছত বহি বহি হয় আমি কিতাপ পঢ়োঁ নহয় জীৱন সম্পৰ্কে আলোচনা কৰোঁ। কেতিয়াবা কনোভালোভে হঠাতে কৈ উঠে:

"মেক্সিম, কিছু সময় আকাশলৈ চাই থাকোঁ দিয়া।"

চিত হৈ শুই ওপৰৰ অনন্ত অসীম নীলাকাশৰ পিনে আমি

চাই থাকোঁ। প্ৰথম অৱস্থাত আমি শুনিবলৈ পাওঁ গছৰ পাতৰ ছিৰ্‌ ছিৰ্‌ শব্দ, পানীৰ সোঁতৰ কুলু কুলু ধ্বনি। অনুভৱ কৰিব পাৰোঁ আমাৰ দেহৰ তলৰ মাটিৰ স্পৰ্শ। কিন্তু কিছুপৰ পিছত এনে লাগে যেন সেই নীলাকাশে আমাক ধীৰে ধীৰে নিজৰ ফালে টানি নিছে। আমাৰ অস্তিত্বৰ চেতনা বিলুপ্ত হৈ যায়। আমি যেন ক্ৰমে ক্ৰমে আকাশমাৰ্গলৈ উঠি যাওঁ। তুৰীয় ধ্যানত বহাৰ দৰে আমি অনুভৱ কৰোঁ আমাৰ সত্বা যেন সীমাহীন এক স্বৰ্গীয় আস্থানত ভাহি ফুৰিছে। কোনো কথা বা দৈহিক সঞ্চালনৰ দ্বাৰা আমাৰ সেই অনুভূতিক আমি নষ্ট নকৰোঁ।

ঘণ্টাৰ পিছত ঘণ্টা আমি এনেকৈয়ে শুই থাকোঁ। আকৌ যেতিয়া আমি কামলৈ উভতোঁ আমাৰ নিজৰ ভিতৰত এক নবীনতৰ শক্তি অনুভৱ কৰোঁ। তেতিয়া আমাৰ দেহ-মন সজীৱ হৈ উঠে।

প্ৰকৃতিৰ প্ৰতি গভীৰ আৰু অকৃত্ৰিম প্ৰেম আছিল কনোভালোভৰ। যেতিয়াই তেওঁ উন্মুক্ত শস্যক্ষেত্ৰ অথবা নদীৰ পাৰত উপস্থিত হয় তেতিয়াই তেওঁৰ ভিতৰৰ শিশুসুলভ ব্যক্তিত্ব পূৰ্ণভাৱে বিকশিত হৈ শান্ত আৰু সমাহিত এক ভাবৈশ্বৰ্যৰ মাজত বিলীন হয়। আকাশৰ পিনে চাই চাই হুমুনিয়াহ ছাৰি কেতিয়াবা কৈ উঠে :

"আহ, এইটোৱে!"

প্ৰকৃতিৰ প্ৰকৃত পূজাৰী হোৱাৰে পৰা বেছিভাগ কবিয়ে মানুহে তেওঁলোকক ৰসিক হিচাপে গণ্য কৰাটো বিচাৰে। তেওঁলোকৰ অবিৰত কাব্য প্ৰবাহৰ মিলিত স্ৰোতৰ মাজত যি চিন্তা আৰু অনুভূতিৰ সন্ধান পোৱা যায় কনোভালোভৰ এই এটা মাত্ৰ উক্তিৰ মাজত তাতকৈ যেন বহুত বেছি কিবা কিবি পোৱা যায়।

কবিতাও আন সকলো বস্তুৰ দৰে যদি পেছা কৰি লোৱা হয় তেনেহলে ই নিজস্ব পবিত্ৰতা আৰু সৰলতা হেৰুৱায়।

দিন গৈ গৈ এনেকৈয়ে দুমাহ পাৰ হ'ল। কনোভালোভৰ সৈতে

মই বহুত কথা আলোচনা কৰিলোঁ আৰু কিতাপো পঢ়িলোঁ বহুত। "ষ্লেনকা বেজিনৰ উত্থান" বোলা কিতাপখন তেওঁ ইমানবাৰ শুনিলে যে এতিয়া তেওঁ নিজে আবৃত্তিৰ পৰা শেষলৈ প্ৰত্যেকটো পৃষ্ঠা মুখস্থ মাতিব পাৰে। শিশুৰ বাবে সুন্দৰ সাধু কথা এটা যিদৰে আনন্দ-দায়ক কনোভালোভৰ বাবে এই কাহিনীটোও তেনে হৈ পৰিল। তেওঁ তেওঁৰ কামত ব্যৱহৃত সঁজুলিবোৰৰ নাম এই কিতাপখনৰ বিভিন্ন চৰিত্ৰৰ নামেৰে থলে। আৰু এদিনাখন যেতিয়া চেলফৰ পৰা পৰি গামলা এটা ভাঙিল তেওঁ খঙেৰে চিএৰি উঠিল:

"হায় কেপ্তেইন প্ৰজোবোভ্স্কি!"

ৰুটিবোৰ চৌকাত ফুলি উঠোঁতে পলম হলে তেওঁ কয়, "ক্ৰলকা" ময়দাত মিহলোৱা ঈষ্টক কয়, "স্লেনকাৰ মনৰ কথা।" আৰু স্লেন-কাৰে তেওঁ এই পৃথিৱীৰ মহৎ আৰু ব্যাতিক্ৰম সকলো বস্তুকে বুজায়, লাগিলে সেয়া দুৰ্ভাগ্য আৰু বিফলতাত নিমজ্জিত হৈ থাকক।

এই কালছোৱাৰ ভিতৰত কনোভালোভে কাচিৎ হে সেই কাপি-তোলিনাৰ নাম উলিয়াইছে যি কাপিতোলিনাৰ চিঠি মই তেওঁক লগ পোৱাৰ প্ৰথম দিনাই পঢ়ি শুনাইছিলোঁ আৰু সেই চিঠিৰ উত্তৰ লিখি দিছিলোঁ।

ফিলিপ নামৰ এজন মানুহৰ ঠিকনাত তেওঁ ছোৱালীজনীলৈ টকা পঠিয়াই দিছিল আৰু পুলিচৰ সৈতে তাইৰ বিষয়ে কথা পাতিবলৈ তেওঁক অনুৰোধ কৰিছিল। কিন্তু ফিলিপ বা ছোৱালীজনীৰ কাৰো পৰা কোনো উত্তৰ অহা নাই।

এদিনাখন সন্ধিয়া আমি যেতিয়া চৌকাত ৰুটি বহাই দিবলৈ প্ৰস্তুতি চলাইছোঁ। তেতিয়া হঠাতে আমাৰ কাৰখানাৰ দুৱাৰখন খোলা গ'ল আৰু বাহিৰৰ সেমেকা ৰাস্তাৰ অন্ধকাৰৰ মাজৰ পৰা কোনোবা ছোৱালীৰ এটা গভীৰ মাত ভাহি আহিল:

"ক্ষমা কৰিব।"

মাতটো সন্ত্ৰাসিত আৰু কম্পিত।

মই সুধিলোঁ, " কাক বিচাৰিছে ?"

কনোভালোভৰ হাতৰ ট্ৰেথনৰ এটা কাণ হাল্লি গৈ মাটিত লাগিল। বিভ্ৰান্তভাৱে তেওঁ দাড়িত হাত বুলাবলৈ ধৰিলে।

" কটিৰ কাৰিকৰ কনোভালোভে ইয়াতে কাম কৰে নে? "

ছোৱালীজনী আছি দুৱাৰ-দলিত উপস্থিত। ওলোমাই থকা লেম্পৰ পোহৰ তাইৰ মুখত সম্পূৰ্ণকৈ পৰিছে। দেখা গ'ল, এখন বগা পচমী চাদৰ মূৰটোত গাঠি লোৱা আছে। মুখখন গোলাকাৰ আৰু ধুনীয়া। নাকটো অকনমান ওপৰমূৱা, ৰঙা ওঁঠযুৰি যাক কথি হাঁহিলেই গালত টোল পৰে।

" কৰে। " মই উত্তৰ দিলোঁ।

" কৰে, কৰে! " কোনোভালোভে আনন্দেৰে হাঁহি মাৰি কলে আৰু ট্ৰেথনৰ আনফালটোও ঠেলা মাৰি মাটিত থৈ দীঘল খোজেৰে তাইৰ পিনে আগ বাঢ়িল।

অধীৰ আগ্ৰহত ছোৱালীজনীয়ে কৈ উঠিল, " চাছা! "

তেওঁলোকে ইটোৱে সিটোক সাৱটি ধৰিলে।

" কি খবৰ ? ইয়ালৈ কেতিয়া আহিলা? তুমি অহা বুলি মই ভাবিবই নোৱাৰো! খালাছ পাইছা নে? বঢ়িয়া! মই তোমাক কি কৈছিলোঁ ? এতিয়া তোমাৰ ৰাস্তা পৰিষ্কাৰ। এই ৰাস্তাৰেই আগুৱাই যোৱা, কোনো ভয় নাই।" দুৱাৰ-ডলিত থিয় হৈয়ে এখন হাত ছোৱালীজনীৰ কান্ধত আৰু আনখন ককালত ৰাখি কনোভা-লোভে আবেগেৰে কৈ যাবলৈ ধৰিলে।

"তুমি অলপ অকলে কাম কৰাছোন মেক্সিম। মই এই মহিলাৰ সৈতে কথা পাতো। তুমি ক'ত থাকিম বুলি ভাবিছা, কাপা ?"

"ইয়াতে, তোমাৰ লগত!"

"ইয়াতে? ইয়াত তুমি থাকিব নোৱাৰিবা! এইটো কাৰখানা, তদুপৰি, অসম্ভৱ,— তুমি ইয়াত থাকিব নোৱাৰিবা। আমাৰ মালিক খুব কঢ়া। তুমি ৰাতি থকাৰ ব্যৱস্থা আমি আন ক'ৰবাত কৰিব

লাগিব। হোটেলতো ঠিক কৰিব পৰা যায়। আহাহোন।"

দুয়ো বাহিৰলৈ ওলাই গ'ল। কটি লেকা কাম মই অকলেই কৰিবলৈ ধৰিলোঁ। কনোভালোভক বাতিপুৱাৰ আগতে লগ পোৱাৰ আশা এৰি পেলালোঁ। কিন্তু মোক অবাক কৰি দি তিনি ঘন্টাৰ ভিতৰতে উপস্থিত আহিল। তেওঁৰ মুখখন দেখি মই আৰু বেছি অবাক হলোঁ। যিমানখিনি আনন্দিত দেখিম বুলি মই আশা কৰিছিলোঁ তাৰ পৰিবৰ্তে দেখিলোঁ সিমানখিনি ক্লান্তি আৰু বিষণ্ণতাৰ ছাঁ।

"কি হ'ল ?" মোৰ বন্ধুজনক কিহে ইমান বিষণ্ণ কৰি তুলিলে সেই কথা ভাবি মই প্ৰশ্ন কৰিলোঁ।

"একো হোৱা নাই।" গোমোঠা মুখেৰে উত্তৰটো দি তেওঁ জোৰেৰে থু পেলালে।

"কিন্তু···কিবা এটা···", মই আকৌ কলোঁ।

বেঞ্চখনৰ ওপৰত ক্লান্ত ভাৱে বাগৰ দি তেওঁ কলে, "তোমাৰ কি দৰ্কাৰ ? মুঠতে···মুঠতে, তাই এজনী বজৰুৱা ছোৱালী।"

কনোভালোভৰ সন্তুষ্টৰ এটা পাবলৈ মই আপ্ৰাণ চেষ্টা কৰিলোঁ। অৱশেষত মোক তেওঁ যি কলে তাৰ সাৰাংশ এনে ধৰণৰ :

"এৰা, এজনী বজৰুৱা ছোৱালী। মই যদি এটা বুৰ্বক নহলোঁ-হেঁতেন এইবোৰ কেতিয়াও নঘটিলহেঁতেন, বুজিছা ? তোমালোকে কোৱা, ভিৰোতাবোৰো মানুহ। যদিও তেওঁলোকেও ভৰিৰে খোজ কাঢ়ে, ঘাঁহ নাখায়, কথা কবলৈ বা হাঁহিবলৈ জানে তথাপিও তেওঁলোক আমাৰ দৰে নহয়। কিয় ? সেয়া মই কব নোৱাৰো। মাত্ৰ জানো, তেওঁলোক আমাৰ দৰে নহয়। এই কাপিতোলিনাৰ কথাই ধৰাছোন, তাই কৈছে: 'মই তোমাৰ লগত থাকিব খোজোঁ' আৰু কৈছে, "তোমাৰ পত্নী হিচাপে থাকিব খোজোঁ। পোহা কুকুৰৰ দৰে তোমাৰ পিছে পিছে থাকিব খোজোঁ। এনেকৈ বলিয়ালী কেতিয়াবা শুনিছানে ? মই তাইক কলোঁ, অলপ ভাবি-চিন্তি কোৱা মইনা। পাগ-

জীৱ দৰে বকিছা কিয় ? তুমি নিজেই ভাবি চোৱাছোন, মোৰ লগত তুমি কেনেকৈ দিন কটাবা ? প্ৰথম কথা, মই এজন মদাহী। দ্বিতীয়তে, মই গৃহহীন। তৃতীয়তে, টলৌ টলৌকৈ ঘূৰি ফুৰা মই এটা যাযাবৰ, কতো বেছি দিন থাকিব নোৱাৰো।....এনেকুৱা আৰু অনেক কাৰণ তাইক মই দৰ্শালো। তাই কিন্তু উত্তৰ দিলে, "মদাহীৰ লগত মই নৰকলৈ যাম। সেইটোনো কি কথা, কাম কৰি খোৱা মানুহবোৰে মদ খায়েই, কিন্তু তেওঁলোকৰ সকলোৰে পত্নীও আছে। ঘৰ নোহোৱা কথা যে কৈছা, পত্নী হলে তোমাৰ সকলো হ'ব। আৰু তেতিয়াই তুমি এনেকৈ টলৌ টলৌকৈ ঘূৰি ফুৰিবও এৰিবা। "মই কলোঁ, নহয় কাপা, কথাটো তুমি যেনেকৈ ভাবিছা মই তেনেকৈ ভাবিব পৰা নাই। কাৰণ মই জানো. মই তেনেকুৱা জীৱনৰ বাবে উপযুক্ত মানুহ নহয়, আৰু কোনো দিন উপযুক্ত নহমো !' কিন্তু কাপাই কলে, "মই তেনেহলে নদীত জাপ দি মৰিম।' মই কলোঁ, "মূৰ্থ ছোৱালী ক'ৰবাৰ !" আৰু তাৰপিছতে তাই মোক অশোভনীয়ভাৱে কবলৈ ধৰিলে, 'চুৰৰ, বদমাচ, ঘূৰখোৱা ওকণি, এই আছিল তোৰ মতলব ! মোক তই এনেকৈ ঠগিলি !' তাইৰ ব্যভিচাৰী গালিৰ উৎপাতৰ পৰা মই পলাব পাৰিলে ৰক্ষা পৰোঁ। তাৰপিছত তাই উচুপিবলৈ ধৰিলে। উচুপি উচুপিয়ে তাই মোক গালি পাৰি গ'ল ; নালাগে যদি মোক কিয় খালাছ কৰিলি ? কিয় সেই ঠাই এৰিবলৈ কলি ? এতিয়া মই কি কৰোঁ, কলৈ যাওঁ ?'''' আচ্ছা, মই বাৰু তাইক কি কৰিব পাৰোঁ ?"

"তুমি তাইক কিয় ইয়ালৈ আহিবলৈ কৈছিলা ?" মই সুধিলোঁ।

"কিয় ? তুমিও দেখিছোঁ এটা খোঁৱাৰ দিম ! তাইৰ কাৰণে মোৰ দুখ লাগিছিল, সেইকাৰণে। বোকাত পোত যাবলৈ ধৰা মানুহ এজন দেখিলে বাবে তাবে দুখ লাগিব। কিন্তু সেইটো বুলি নিজৰ জীৱনটো কোনোবাই শৃঙ্খলিত কৰিব নে ? উহুঃ, প্ৰাণ থাকে মানে নকৰে। এইবোৰ কথাত মই কেতিয়াও সন্মতি জনাব নোৱাৰো।

মই সংসাৰী হোৱাৰ নায়ক নে? হোৱা হলে কেতিয়াবাই বিয়া কৰি পেলালে্ঁহেঁতেন। সুবিধাও যথেষ্ট পাইছিলোঁ। গাড়ী-টকা-পইচা দিয়াৰো প্ৰস্তাৱ আহিছিল। কিন্তু যিটো কাম মোৰ ক্ষমতাৰ বাহিৰত সেয়া কেনেকৈ কৰিম? কাপাই খুব কান্দিলে; কিন্তু কথাটো খুব বেয়া হ'ল। মই কি কৰিব পাৰো? সেয়া মোৰ বাবে অসম্ভৱ।

শেষৰ কথাখিনিৰ সমৰ্থনত ৰনোভালোভে মুৰটো জোকাৰি বেঙ্কৰ পৰা থিয় হ'ল আৰু দাড়িত হাত ফুৰাই ফুৰাই মজিয়াখনতে খোজ কাঢ়িবলৈ ধৰিলে। মাজে সময়ে বিৰক্তিৰে থু পেলালে।

তাৰপিছত কিছু নৰম আৰু বিভ্ৰান্তি মিশ্ৰিত সুৰত মোক লক্ষ্য কৰি কলে, "মেক্সিম। তুমি এবাৰ গৈ তাইক গোটেই কথাখিনি বুজাই ক'বা নেকি? তেতিয়া খুব ভাল হ'লহেঁতেন।"

"মই তাইক কি কম?'

"তাইক তুমি সঁচা কথাটো কি দিবা। কবা য়ে বিয়া কৰোৱাটো মোৰ বাবে সম্ভৱ নহয়। সেয়া মোৰ স্বভাৱবিৰুদ্ধ। আৰু নহলে ক'বা,—কবা মোৰ খুব বেয়া বেমাৰ আছে।

মই হাঁহি মাৰি কলোঁ, "সেইটো কিন্তু সঁচা কথা নহয়।"

অৱশ্যে হয়। হলেও অজুহাতটো 'সুন্দৰ হ'ব। নহ'ব নে? ছিঃ, কি ঝামেলাত পৰিলোঁ! তিৰোতা এজনী ডিঙিত আঁৰি লৈ এই পৃথিৱীত মই কি কৰিম?

দুয়োখন হাতেৰে এনেকুৱা এটা হতাশাৰ ভংগি কৰিলে যে সিয়ে কনোভালোভৰ পত্নীৰ প্ৰতি থকা প্ৰয়োজনহীনতাৰ ভাব স্পষ্ট বুজাই দিলে। যদিও সমস্ত কথা ব্যক্ত কৰা তেওঁৰ ধৰণটো হাস্যস্পদ তথাপি ইয়াৰ নাটকীয় দিশটোৱে হোৱালীজনীৰ ভৱিষ্যত সম্পৰ্কে মোক চিন্তাম্বিত কৰি তুলিলে। কনোভালোভে আগা-পিছাকৈ খোজ-কাঢ়ি নিজকে কোৱা হিচাপে কৈ গ'ল:

"তাইক আৰু মোৰ মুঠেও ভাল নালাগে। মুঠেও। তাই

মোক টানি আছে আৰু টানি টানি বোকাত পেলাই দিব খুজিছে। ভাবিছে, এটা দৰা পাই গ'ল। উঃ! চালাকি খটুৱাব আহিছে!"

মোৰ বুজিবলৈ বাকী নৰ'ল যে কনোভালোভৰ ভিতৰৰ সেই যাযাবৰী সত্তা আকৌ সক্ৰিয় হৈ উঠিছে। সেই দুৰ্দমনীয় মুক্ত জীৱনৰ আকৰ্ষণ বোধহয় বিপন্ন হৈ পৰা বাবে তেওঁৰ ইমান সাৱধানতা।

"কিন্তু ইমান সাধাৰণ টোপ মই নিগিলোঁ। মই সৰু মাছ নহয়।" বেচ অহংভাবেৰে কনোভালোভে আকৌ কলে, "মই তাইক দেখুৱাই দিম; আৰু....আৰু....কিয় নেদেখুৱাম? কোঠাটোৰ মাজ ভাগতে থিয় হৈ তেওঁ কিবা ভাবিবলৈ ধৰিলে। তেওঁৰ ওঁঠৰ ওপৰেদি মিছিকিয়া হাঁহি এটা বাগৰি গ'ল। লক্ষ্য কৰি দেখিলোঁ, মুখখন যেন হঠাতে উজ্জ্বল হৈ উঠিছে। তেওঁ কি সিদ্ধান্তত উপনীত হ'ল মই অনুমান কৰিবলৈ চেষ্টা কৰিলোঁ।

"মেক্সিক, কুবানৰ পিনে যাওঁ ব'লা।

প্ৰস্তাৱটো অপ্ৰত্যাশিত। কনোভালোভ সম্পৰ্কে সাহিত্য-শিক্ষা মূলক কিছু পৰিকল্পনা কৰি থৈছিলোঁ। ভাবিছিলোঁ মই তেওঁক লিখা পঢ়া-শিকাম আৰু মোৰ যিখিনি জ্ঞান আছে গোটেইখিনি তেওঁক ঢালি দিম। গোটেই গ্ৰীষ্মকালটো তেওঁ ইয়াত থাকিব বুলিও মোক কথা দিছিল। তেতিয়া পৰিকল্পনা অনুসৰি মোৰ কাম কৰাতো সুবিধা হলহেঁতেন; কিন্তু এতিয়া?....

মই কলোঁ, "কি বাজে কথা কৈছা!

তেওঁ ক'লে, "মই তেনেহলে কি কৰিম?

মই তেওঁক বুজাবলৈ চেষ্টা কৰিলোঁ যে কাপিতোলিনাৰ প্ৰস্তাৱটো তেওঁ যিমান গুৰুতৰ বুলি ধৰি লৈছে আচলতে সিমানখিনি নহয়। শেষ পৰ্যন্ত তেওঁ ধৈৰ্য্যৰে অপেক্ষা কৰা উচিত।

ঘটনাক্ৰমে আমি বেছিপৰ অপেক্ষা কৰিব নালাগিল।

খিৰিকীৰ পিনে পিছ দি চৌকাৰ সন্মুখত আমি মজিয়াতে বহি আছোঁ। প্ৰায় মাজনিশা। দেড় ঘণ্টামান আগতে কনোভালোভ

উত্তপ্তি আহিছে। হঠাতে আয়না ভঙা ঠন্ ঠন্ শব্দ শুনা গ'ল। মজিয়াবে শিলগুটি বাগৰিবলৈ ধৰিলে। ভয়তে আমি জাপ মাৰি থিয় হৈ খিৰিকীৰ কাষলৈ দৌৰ মাৰিলোঁ।

অস্পষ্ট নাৰীকণ্ঠ শুনা গ'ল, ' যা-হ্। নালাগিল! লক্ষ্যভ্ৰষ্ট! উ-উ-উ, যদি····· ···''

পুৰুষৰ গভীৰ কণ্ঠ শুনা গ'ল, "শুছি আহা, শুছি আহা! তাক মই পিছত চই ল'ম।"

ভঙা খিৰিকীৰে মাতালৰ অসংলগ্ন হাঁহি সোমাই আহিল। উন্মত্ত আৰু সুতীব্ৰ সেই হাঁহিৰ শব্দ শুনিলে দাঁত-মুখ জিম্‌জিমাই উঠে।

কনোভালোভে দুখেৰে ক'লে, "সেই ছোৱালীজনীয়েই শিল দলিয়াইছে।"

বাহিৰৰ পিনে চাই একো নেদেখিলোঁ। মাত্ৰ খিৰিকীৰ আয়নাত দেখিলোঁ মানুহৰ দুখন ভৰি। ভৰি দুখন মাজে-সময়ে দেৱালৰ গাত ঘহনি খাইছে। ধাৰণা হ'ল ভৰি দুখনে যেন খোপনি দিবলৈ দেৱালত ঠাই বিচাৰিছে।

পুৰুষজনে সৰু মাতেৰে কলে, "শুছি আহা।"

"গলোঁ তেনেহলে! মোক আৰু নাটানিবা। বিদায় চাছা! বিদায়—" তাৰপিছত যি ঘটিল তাক ছপা আখৰেৰে প্ৰকাশ কৰিব নোৱাৰি।

খিৰিকীৰ কাষলৈ উঠি গৈ মই কাপিতোলিনাক চাব খুজিলোঁ। তাই খিৰিকীৰ কাঠত ধৰি আয়নাৰে কোঠাটোৰ ভিতৰফালে চাবলৈ চেষ্টা কৰিছে। বিশৃংখল চুলিকোছা তাইৰ কান্ধ আৰু বুকুত পৰিছে। বগা চাদৰখন মূৰৰ পৰা খুলি গৈছে আৰু ছোলাৰ বুকুৰ বুটামবোৰো খোলা। তাই মদ খাইছে। চলংপলংকৈ তাই হিকটি খাইছে, গালি-পালাজ কৰিছে, চিঞৰিছে আৰু কঁপি কঁপি থিয় হৈ ৰ'বলৈ চেষ্টা কৰিছে। তাইৰ কানি-কাপোৰ ছিৰি গৈছে, মুখখন বঙা হৈছে

আৰু চকুৰ পানীত গাল তিতিছে।

এজন দীৰ্ঘকায় পুৰুষ তাইৰ কাষে হালি গৈছে।

কাপিতোলিনাৰ কান্ধত এখন হাত আৰু দেৱালৰ গাত আনখন হাত ৰাখি মানুহজনে চিঞৰি আছে, "ব'লা, হেৰা, ব'লা!"

"চাছা, তুমি মোৰ সৰ্বনাশ কৰিছা, মনত ৰাখিবা! তোমাৰ দৰে ৰঙামূৰা চয়তানক ভগবানে ছাজা দিব। ভগবানক প্ৰাৰ্থনা কৰোঁ তেওঁ যেন তোমাক আৰু জন্ম নিদিয়ে। তোমাক মই বহুত আশা কৰিছিলোঁ; তুমি কিন্তু মোৰ মুখত থু দিলা। বাৰু, দেখা যাব! মোৰ পৰা লুকাব খুজিছা কিয়? লাজ লাগিছে নেকি গাহৰি-মূৰা? চাছা .... প্ৰিয়তম .... "

"মই কাৰোপৰা লুকাব খোজা নাই," খিৰিকীখনৰ কাষতে থকা বেঞ্চখনৰ ওপৰত আঁঠুকাঢ়ি বহি কনোভালোভে কৰ্কশভাৱে কলে, "মই লুকোৱা নাই। এনে কথা তুমি নকবা। মই তোমাক সহায়হে কৰিব খুজিছিলোঁ। তোমাৰ বাবে যি কৰিছিলোঁ তাৰপৰা তোমাৰ মংগল হ'ব বুলিয়ে ভাবিছিলোঁ। কিন্তু তুমি এনেকুৱা এটা বস্তু বিচাৰিলা যিটো মই কোনো প্ৰকাৰে দিব নোৱাৰো।"

"চাছা, তুমি মোক মাৰি পেলাব নোৱাৰা নে?"

"তুমি মদ কিয় খাইছা? কাইলৈ কি হ'ব কোনে কব পাৰে?"

"চাছা! চাছা! মোক তুমি বুৰাই মাৰা।"

আকৌ পুৰুষজনে কলে, "এৰি দিয়া, এৰি দিয়া। ব'লা।"

"লম্পট! তেনেহলে ইমান মহাপুৰুষজন দেখুৱাইছিলি কিয়?"

"এনেকুৱাখন কিয় কৰিছা? তোমাৰ লগত সেয়া কোন আহিছে?"

ৰাতিৰ চকিদাৰৰ হুইচেলৰ শব্দত কিছুপৰৰ বাবে কথোপকথন বন্ধ হ'ল। কিন্তু কন্তেক পিছতে আকৌ আৰম্ভ হ'ল।

"মই তোমাক কিয় বিশ্বাস কৰিছিলোঁ, চয়তান?" ছোৱালী-

জনীয়ে খিৰিকীৰ কাষত উচুপি উচুপি কলে।

তাৰপিছত হঠাতে ভৰিহুখন অঁাতৰি গ'ল আৰু ছোৱালীজনী অন্ধকাৰত অদৃশ্য হৈ পৰিল। কিবা গোলমাল আৰু এটা হুলস্থুলৰ কিছু অস্পষ্ট শব্দ শুনা গ'ল।

ছোৱালীজনীয়ে আত্ৰানিত চিঞৰি উঠা শুনা গ'ল, "নিনিবা, মোক আৰু থানালৈ নিনিবা। চাহা— আ— আ!"

ফুটপাথত গভীৰ পদধ্বনি শুনা গ'ল।

আৰু শুনা গ'ল হুছেইলৰ মাত আৰু কেঁকনি-গেঁথনি।

"চা-হা-আ-আ! চাহা-আ-আ! প্ৰিয়তম!"

কোনোবাই যেন কাৰোবাৰ ওপৰত নিৰ্মম অত্যাচাৰ চলাইছে, এই আৰ্তস্বৰ শুনি তেনেকুৱা লাগিল। লাহে লাহে এই আটাইবোৰ নিশাৰ গভীৰতাত ক্ষীণৰ পৰা ক্ষীণতৰ হৈ অৱশেষত এটা দুঃস্বপ্নৰ দৰে বিলীন হৈ গ'ল।

ঘটনাটো দেখি মই আৰু কনোভালোভ স্তম্ভিত হৈ অন্ধকাৰৰ পিনে চাই ৰলোঁ। আমাৰ কাণত তেতিয়াও চিঞৰ-বাখৰ, উচুপনি, গালি-শপনি, আৰ্তনাদ আৰু পুলিচৰ তৰ্জন-গৰ্জনৰ ৰিণ্‌ৰিণনি বৰ্ত্ত-মান। কেইটামান শব্দ স্মৰণ কৰিবলৈ চেষ্টা কৰোঁতে মোৰ নিজৰে বিশ্বাস নহ'ল যে সেইবোৰ মই বাস্তৱত শুনিছিলোঁ। অত্যন্ত দ্ৰুত বেগত সেই ঘটনা ঘটি গ'ল।

খিৰিকীৰ বাহিৰৰ নিস্তব্ধ, গাঢ় আৰু নিস্তৰঙ্গ অন্ধকাৰৰ পিনে চাই চাই কনোভালোভে সংক্ষেপে ক'লে, "শেষ!"

ক্ষন্তেক বিৰতি লৈ একে ভংগিলাত বেঞ্চৰ ওপৰত আঁঠুকাঢ়ি বহি খিৰিকীৰ কাঠত হাত দুখন ৰাখি তেওঁ আকৌ কলে, "ভাই মোক এনেকৈয়ে কথা শুনাই গ'ল আৰু সেইকাৰণে পুলিচে ধৰি থানালৈ নিলে। একেবাৰে টং হৈ আছিল। আৰু আছিছিলো এজন মাতালৰ লগত। এইবোৰ কৰাৰ আগতে তাই বিশেষ একো ভাবি নাচালে।" দীঘলকৈ হুমুনিয়াহ কাঢ়ি কনোভালোভে বেঞ্চৰ

পৰা উঠি গৈ ময়দাৰ বস্তা এটাত বহিল আৰু দুয়ো হাতেৰে মুখটোত ধৰি হুলিবলৈ আৰম্ভ কৰিলে।

"ক্ৰেস্লিম, ঘটনাটো কেনেকৈ ঘটি গ'ল ?" ৰুদ্ধশ্বাসেৰে তেওঁ কলে। "আৰু ময়েই বা ইয়াত কি কৰিব পৰা আছিল ?"

মই তেওঁক কলোঁ, মানুহে প্ৰথমতে জনা দৰকাৰ তেওঁ কি বিচাৰে আৰু সেইটো পোৱাৰ আগে আগে কি কি ঘটিব পাৰে তাকো ভাবি চোৱা দৰকাৰ। কনোভালোভে একো নাজানিছিল আৰু সেই সম্পৰ্কে কোনো কথা ভাবিও চোৱা নাছিল। সেইকাৰণে যি ঘটি গল তাৰ বাবে তেৱেঁই দায়িত্ব লব লগা হ'ল। মাতালটোৰ সেই ব'লা, ব'লা শব্দ, কাপিতোলিনাৰ কান্দোন আৰু আৰ্তস্বৰ মোৰ কাণত তেতিয়াও বাজি থকা বাবে কনোভালোভৰ ওপৰত মোৰ খং উঠিল আৰু কোনো দয়া-মায়া নোহোৱাকৈ মই তেওঁক বকিবলৈ আৰম্ভ কৰিলোঁ।

তলমূৰ কৰি তেওঁ সেইবোৰ শুনি গ'ল। তাৰ পিছত মোৰ যেতিয়া শেষ হ'ল তেওঁ মূৰ তুলি মোৰ ফালে চালে। দেখিলোঁ, তেওঁ খুব আহত আৰু সন্ত্ৰস্ত হৈ পৰিছে।

ভঙা ভঙা মাতেৰে তেওঁ ক'লে "তুমি কি ভাবিছা ? ইয়াৰ পিছত কি কি ঘটিব পাৰে ? মই কি কৰা উচিত হ'ব ? তাইৰ বাবে মই কি কৰিম ?"

তেওঁৰ অপৰাধ স্বীকাৰ কৰা ধৰণটো এনেকুৱা বালসুলভ আক্ষেপ আৰু অসহায়তাৰ মাজেৰে প্ৰকাশ পালে যে মুহূৰ্তৰ ভিতৰতে মোৰ খং আৰু বিৰক্তি প্ৰশমিত হৈ গ'ল। তেওঁক কঢ়া কথা শুনোৱা বাবে মই অনুতপ্ত হলোঁ।

অনুশোচনা প্ৰকাশ কৰি তেওঁ ক'লে, "হয়তো, তাইৰ বাবে মই কিয় মূৰ ঘমাইছিলোঁ ? ভগবানে জানে, তাই নিশ্চয় এতিয়া মোক খিণ কৰিবলৈ লৈছে ! থানালৈ গৈ তাইক খালাচ কৰিবলৈ চেষ্টা কৰোঁ নেকি ! তাইক এবাৰ দেখাও হ'ব পাৰে আৰু....কিবা কৰিব

পাৰি নেকি চেষ্টাও কৰা হ'ব। কিবা নহয় কিবা এবাৰ তাইক মই কৰও পাৰিম। যাওঁ নে?"

মই তেওঁক জনালোঁ, এই সাক্ষাৎকাৰৰ পৰা কিবা ক্ষতি হব পাৰে বুলি মই নাভাবো। তেওঁ নো তাইক কি সোপা কৰ পাৰে? তদুপৰি তাই টং হৈ আছে আৰু ইতিমধ্যে শুই পৰিবও পাৰে।

কিন্তু তেওঁ যাত্ৰা আৰম্ভ কৰিলেই।

"আহোঁ দিয়া তেনেহলে। মইতো আচলতে তাইক সহায় কৰিব খোজোঁৱেই। তাত তাইক কোনেও ভালকৈ মাত এবাৰকে নিদিব। আহিলোঁ। তুমি কামখিনি কৰিবা। মই যাম আৰু আহিম।"

তেওঁৰ গৰ্ৱৰ বস্তু সেই ফটা জোতাযোৰা পিন্ধিবলৈ তেওঁ পাহৰি গ'ল আৰু অকল টুপিটো পিন্ধি খালী ভৰিৰেই ওলাই গ'ল।

কাম শেষ কৰি ময়ো শুবলৈ গলোঁ। যেতিয়া টোপনি ভাঙিছে তেতিয়া ৰাতি পুৱাইছে। কনোভালোভ শোৱা ঠাইখিনিলৈ অভ্যাসতে চাই দেখোঁ তেওঁ নাই।

সন্ধিয়াপৰতহে তেওঁৰ দৰ্শন লাভ হ'ল। মুখখন খুব বিষণ্ণ, কানি-কাপোৰ অপৰিপাটি। তেওঁৰ কপালৰ ৰেখাবোৰ আৰু গভীৰ হৈ উঠিছে আৰু নীলা চকুযুৰিও ক'লা পৰিছে। মোৰ পিনে নোচোৱাকৈ তেওঁ পোনছাটে ময়দা মাৰা ডাবাবোৰৰ কাষলৈ গুচি গ'ল। কামবোৰৰ কিবা মই কৰিছোঁ নে নাই তাকো এবাৰ নজৰ কৰিলে। তাৰপিছত কোনো কথা নোকোৱাকৈ মজিয়াতে শুই পৰিল।

"দেখা হ'ল নে?" মই সুধিলোঁ।

"সেইকাৰণেইতো গৈছিলোঁ। হয় নে নহয়?"

"কিন্তু শেষপৰ্যন্ত কি হ'ল?"

"একো হোৱা নাই।"

স্পষ্টতঃ তেওঁৰ এতিয়া কথা কবলৈ ইচ্ছা নাই। প্ৰশ্ন কৰি মই আৰু আমনি দিবলৈ ইচ্ছা নকৰিলোঁ। নিশ্চয় এটা সময়ত এই মুড আঁতৰি যাব। পিছদিনাখন অকল কাম কৰা সময়ত

যিখিনি প্ৰয়োজন সেইখিনি কথাহে কলে। চকুৰ দৃষ্টি অনবৰত মজিয়াৰ ফালে নিবদ্ধ ৰাখিলে। উভতি অহা সময়ত যি বিষণ্ণ চাৱনি আছিল সেয়া প্ৰতি মুহূৰ্ততে বৰ্তমান। তেওঁ যেন খুব দীপ্তি-হীন হৈ পৰিছে। কামৰ গতি মন্থৰ হৈছে, দুশ্চিন্তাত তেওঁ ভাঙি পৰিছে আৰু কামো কৰিছে অন্যমনস্কভাৱে। সিদিনা ৰাতি শেষ কটিবোৰ চৌকাত বহাই দি টোপনি ধৰিলে সেইবোৰ পুৰি যাব বুলি ভাবি কনোভালোভে মোক কলে:

'স্তেনকাখনৰ পৰা কিবা পঢ়ি শুনোৱা।'

স্তেনকাৰ ওপৰত চলোৱা অত্যাচাৰ আৰু হত্যাৰ বৰ্ণনাখিনিকে মই পঢ়িবলৈ আৰম্ভ কৰিলোঁ। মই জানো, এইখিনিয়েই তেওঁক আটাইতকৈ বেছি প্ৰভাৱিত আৰু উদ্দীপিত কৰে। মজিয়াৰ ওপৰত চিৎ হৈ শুই এলাক্ষুভৰা চিলিঙৰ ফালে অপলক দৃষ্টিৰে চাই চাই তেওঁ মোৰ পঢ়া শুনি গ'ল।

এবাৰ লাহেকৈ মাত দিলে, "তেনেহলে এনেকৈয়ে এজন মানু-হক সিহঁতে শেষ কৰি পেলালে! কিন্তু তথাপিও স্বাধীনচিত্তীয়াভাৱে মানুহ জীয়াই থকাটো সহজ। কিবা নহয় কিবা এটা কৰিব পাৰি। আজিকালি চাৰিওফাল শান্ত আৰু চুপচাপ, অৱশ্যে বাহ্যিকভাৱে চালেহে এইটো দেখা যায়। কিতাপ, শিক্ষা-দীক্ষা যিয়েই নোকোৱা, সকলো একে। কিন্তু মানুহ কাৰো সহায় নোহোৱাকৈ অকলে অকলে বাচি থাকিব লাগে, কোনেও তেওঁক সহায় নকৰে। কিতাপত অন্যায় কৰিবলৈ মানা কৰা আছে, কিন্তু অন্যায় নকৰাকৈ কোনো জীয়াই থাকিব নোৱাৰে। গতিকে বুজিবা পাৰিছা, বাহিৰখন ঠিকেই আছে; কিন্তু যত গোলমাল ভিতৰতহে। মানুহে কোনেও কাকো বুজিবও নোৱাৰে।

"কাপিতোলিনাৰ কি কৰিলা?" মই সুধিলোঁ।

অলপ লৰচৰ কৰি কনোভালোভে কলে, "কি কলা? কাপাৰ? সকলো অথলে গৈছে।" কথাখিনি কৈ তেওঁ এবাৰ হাতখন লৰালে।

"তেনেহলে তুমি সুতাতাল ছিঙি পেলালা ?"

"মই নহয়। তাই ছিঙিছে।"

"কেনেকৈ ?"

"সহজভাৱেই। নিজৰ কথাত ধৰি ৰ'ল আৰু আন কোনো কথাতে সন্মত নহ'ল। গতিকে আগতে ৰ'ত আছিল আকৌ তালৈকেই গুছি গ'ল। লাভৰ ভিতৰত, আগতে তাই মদ নাখাইছিল আৰু এতিয়া তাতো ধৰিলে। বাৰু, তুমি কটিবোৰ নমাই থবা। মই শোঁ গৈ।"

কাৰখানাটো নিস্তব্ধ হৈ হৈ পৰিল। লেমটোৰ পৰা খুব ধোঁৱা ওলাইছে, চিমনিৰ ভিতৰত মাজে-সময়ে ভট্‌ফট্‌ শব্দ হৈছে আৰু এইমাত্র চৌকাৰ পৰা নমাই ঠাক কৰি থোৱা কটিবোৰৰ পৰাও পট্‌ পট্‌ শব্দ ওলাইছে। খিৰিকীৰ বাহিৰত ৰাতিৰ চকিদাৰে কথা কোৱা শুনা গ'ল। আৰু মাজে সময়ে আন এটা শব্দ ভাহি আহিবলৈ ধৰিলে, সেই শব্দটো হয় আমাৰ চাইনবৰ্ডখনৰ কেৰ্‌কেৰণি নহয় কাৰোবাৰ কেকঁনি-গেঁঠনি।

কটিবোৰ নমাই ময়ো শুলোঁ। কিন্তু টোপনি নাহিল। মাত্র আধা মুদা চকুৰে শুই শুই ৰাতিৰ বিচিত্র শব্দবোৰ শুনিবলৈ ধৰিলোঁ। হঠাতে দেখিলোঁ, কনোভালোভে নিঃশব্দে উঠি মোৰ কিতাপ থোৱা চেল্‌ফটোৰ ফালে আগবাঢ়িছে। কস্তোমাৰভৰ কিতাপখন টান মাৰি লৈ তেওঁ চকুৰ আগত মেলি ধৰিলে। তেওঁৰ চিন্তাক্লিষ্ট মুখখন মই স্পষ্টভাৱে দেখিলোঁ। দেখিলোঁ কিতাপৰ পৃষ্ঠাৰ শাৰীয়ে শাৰীয়ে আঙুলি বুলাই তেওঁ মূৰ লৰাইছে, আকৌ পাত উল্টাই গভীৰ মনোযোগেৰে পঢ়িবলৈ চেষ্টা কৰিছে আৰু তাৰ পিছত মূৰ দাঙি মোৰ ফালে এবাৰ চালে। তেওঁৰ শুকান মুখত মই এক আশ্চৰ্যজনক প্ৰতিফলন দেখিবলৈ পালোঁ আৰু সেই প্ৰতিফলন হ'ল সন্দেহাতীতভাৱে তেওঁৰ গভীৰ আত্মজিজ্ঞাসাৰ। তেওঁ বহুত সময়লৈ মোৰ মুখৰ পিনে চাই ৰ'ল। তেওঁৰ এনেকুৱা

চাবনি অতীতত মই কোনো দিনে দেখা নাছিলোঁ।

কৌতূহল দমাব নোৱাৰি তেওঁ কি কৰি আছে মই সুধিলোঁ।

কিছু হতভম্ব হৈ তেওঁ ক'লে, "তোমাৰ টোপনি অহা বুলি ভাবিছিলোঁ।" তাৰপিছত কিতাপখন লৈ মোৰ ওচৰলৈ আহি সেমেনা-সেমেনিকৈ কলে, "চোৱা, তোমাক মই এটা কথা সুধিব খোজোঁ। এনেকুৱা কিবা কিতাপ আছে নে যাৰ ভিতৰত জীয়াই থকাৰ নীতি-নিয়মবোৰ লেখা আছে? যি কিতাপে জীয়াই থাকিবলৈ শিক্ষা দিয়ে? মই জানিব খোজোঁ অন্যায় মানে কি আৰু ন্যায় মানে, এৰা, ন্যায় মানেই বা কি? মই যিবোৰ কৰিছোঁ সেই বোৰে বিৰক্ত কৰিছে। সুন্দৰকৈ আৰম্ভ কৰিলেও শেষটো নষ্ট হৈ যায়। কাপাৰ কথাটোকে ভাবাছোন।" গভীৰভাৱে হুমুনিয়াহ কাঢ়ি তেওঁ আকুতিভৰা কণ্ঠেৰে ক'লে, "এনেকুৱা কিতাপ আছে যদি মোক পঢ়ি শুনোৱাছোন।"

অলপ বৈ কনোভালোভে আকৌ ক'লে:

"মেক্সিম!"

"কি?"

"কাপিতোলিনাই মোক কোৱা কথাবোৰ!"

"হ'ব দিয়া। সেইবোৰ পাহৰি যোৱা।"

"অৱশ্যে ঠিকেই, সেইবোৰৰ এতিয়া কোনো অৰ্থ নাই। কিন্তু কোৱাছোন, মোক তেনেকৈ কোৱাৰ তাইৰ অধিকাৰ আছে নে?"

অতি সাধাৰণ কথা; তথাপিও অকণমান ভাবি মই আছে বুলি কলোঁ।

"ময়ো তেনেকৈ ভাবোঁ। তাইৰ অধিকাৰ আছে। বিষণ্ণভাৱে কথাখিনি কৈ কনোভালোভ মৌন হ'ল।

মজিয়াতে পৰা ধাহ-পাতৰ বিছনাৰ ওপৰত শুই শুই তেওঁ অস্থিৰভাৱে বাগৰিবলৈ ধৰিলে। কেবাবাৰো উঠি উঠি বহিল, ছিগাৰেট জ্বলালে, খিৰিকীৰ কাষলৈ গ'ল—তাতেও বহিল আৰু

তাৰপৰাও উঠি আহি আকৌ বাগৰ দিলে।

অৱশেষত মোৰ টোপনি আহিল। বেতিয়া উঠিলোঁ, দেখিলোঁ তেওঁ শুচি গৈছে। সন্ধিয়াহে আকৌ উভতিল। তেওঁক দেখাৰ লগে লগে ধাৰণা হ'ল তেওঁৰ সমগ্ৰ শৰীৰত যেন ধূলি-মাকতিৰ এটা আৱৰণ পৰিছে আৰু চকুৰ দৃষ্টি গোট মাৰি অস্বচ্ছ হৈ পৰিছে। চেল্‌ফৰ ওপৰত টুপিটো থৈ এটা হুমুনিয়াহ কাঢ়ি তেওঁ মোৰ নিচেই কাষতে বহিল।

"কলৈ গৈছিলা?"

"কাপাক দেখা কৰিবলৈ।"

"আচ্ছা?"

"সকলো শেষ হৈ গ'ল ভাই! যি কৈছিলোঁ সেয়ে হ'ল।"

"ভাইৰ দৰে ছোৱালীৰ ক্ষেত্ৰত কোনেও একো কৰিব নোৱাৰে।" মই কিছু শান্তনা দিয়াৰ উদ্দেশ্যেৰে মানুহৰ স্বভাৱ সম্পৰ্কে আৰু কিছু কথা যোগকৰি আৰু পৰিস্থিতিৰ সৈতে খাপ খোৱা কথা কেইটামান সাজি সাজি কলোঁ। মজিয়াৰ ফালে মূৰ কৰি কনোভালোভে মোৰ কথাবোৰ শুনি গ'ল আৰু মোৰ শেষ নোহোৱা পৰ্যন্ত এটা শব্দও উচ্চাৰণ নকৰিলে।

"নাই নাই, তুমি ভুল কৈছা। আচল কথাটো তুমি বুজাই নাই। আচলতে মই ঠিক এটা বেমাৰৰ দৰে। এই পৃথিৱীত মই বাচি থাকিবৰ বাবে নহয়, বিষ বিয়পাবৰ বাবেহে বাচি আছোঁ। মোৰ সংস্পৰ্শলৈ কোনোবা আহিলেই সেই বিষৰ দ্বাৰা আক্ৰান্ত হয়। মানুহক দুখ দিয়াৰ বাহিৰে মই একো দিব পৰা নাই। ভাবি চালে বুজোঁ-স চাকৈয়েতো· জীৱনত মই কাক সুখ দিব পাৰিছোঁ। অথচ জীৱনত মই বহুত মানুহকে পাইছোঁ। মোৰ ভিতৰত কিবা গোলমাল আছে।"

"বাজে কথা নক'বা।"

"এইটোৱে আচল কথা।" কনোভালোভে দৃঢ়তাৰে ক'লে।

তেওঁৰ ধাৰণাটো যে ভুল সেয়া প্ৰমাণ কৰিবলৈ মই চেষ্টা কৰিলোঁ। কিন্তু যিমানেই মই কলোঁ সিমানেই কনোভালোভৰ প্ৰত্যয় দৃঢ়তৰ হৈ আহিল যে এই পৃথিবীত জীয়াই থাকিবলৈ তেওঁ উপ-যোগী নহয়।

কনোভালোভৰ মাজত এক দ্ৰুত আৰু আমূল পৰিবৰ্তন মই লক্ষ্য কৰিলোঁ। তেওঁ খুব ক্লান্ত, মন্থৰ, অন্যমনস্ক, মৌন, আৰু অল্পভাষী হৈ পৰিল। কিতাপৰ প্ৰতি তেওঁৰ আগ্ৰহ কমি আহিল। আৰু আগৰ সেই কৰ্মোদ্যমো নোহোৱা হ'ল।

অৱসৰ সময়ত কনোভালোভে আজি-কালি মজিয়াতে চিত হৈ শুই চিলিঙৰ ফালে স্থিৰ হৈ চাই থাকে। তেওঁৰ গাল দুখন ক্ৰমে ক্ৰমে সোঁতোৰা হৈ আহিল আৰু চকু দুটাই শিশুসুলভ উজ্জ্বলতা হেৰুৱাবলৈ ধৰিলে।

"তোমাৰ কি হৈছে, চাছা ?" মই সুধিলোঁ।

কৈফিয়ৎ দিয়া ধৰণে তেওঁ কলে, "মদ খোৱা সময় আহিছে। অতি শীঘ্ৰে মই ভদকাত ডুব যাব লাগিব। মোৰ অন্তৰখন ভাঙি ছিঙি যাব ধৰিছে, কোনোবাই যেন কৰতেৰে অনবৰত ৰেপি আছে। মোৰ সময় হৈছে। কাপা যদি নাহিলহেঁতেন আৰু কিছুদিন মই মদ নোখোৱাকৈ থাকিব পাৰিলোঁহেঁতেন। কিন্তু কাপাক মই মনৰ পৰা কোনো প্ৰকাৰে আঁতৰাব পৰা নাই। এইটো কেনেকৈ ঘটিল—মইতো কাপাৰ ভালেই কৰিব খুজিছিলোঁ; কিন্তু ঘটি গ'ল বিপৰীতটো! সেইকাৰণেই বন্ধু মই কৈছিলোঁ, জীয়াই থাকিবলৈ আমাক নীতি নিয়মৰ প্ৰয়োজন। কিন্তু সকলো মানুহে সেইমতে কাম কৰিবলৈ আৰু পৰস্পৰে পৰস্পৰক বুজিব পৰাকৈ নীতি-নিয়ম তৈয়াৰ কৰাটো খুব কঠিন নেকি ? এজনৰ সৈতে যদি আন এজনৰ পৰ্বত প্ৰমাণ ব্যৱধান থাকে তেনেহলে মানুহ বাচিব কেনেকৈ ? মানুহৰ মগজুত এই বুদ্ধিখিনিও নাই নেকি যে জীৱনটো সুন্দৰভাৱে গঢ়ি তুলিব লাগে আৰু প্ৰত্যেকেই বুজিব লাগে কোন বস্তুটো কি ? হায় ভগবান !"

জীৱনটোৰ শৃংখলা অনাৰ চিন্তাত কনোভালোভে ইমান তন্ময় হৈ থাকে যে মোৰ কথা তেওঁৰ কাণত নোসোমায়। লক্ষ্য কৰিলোঁ। তেও মোক এৰি চলিবলৈ আৰম্ভ কৰিছে। এদিনাখন জীৱনটোক নতুনকৈ গঢ়ি তোলা সম্পৰ্কে মোৰ ধাৰণাবোৰ যেতিয়া তেওঁৰ আগত কৰলৈ ধৰিলোঁ। তেও গৰ্‌ গঁৰাই উঠিল :

"বন্ধ কৰা। এইবোৰ মই আগতেও শুনিছোঁ। জীৱনটোক দোষ দি লাভ নাই, দোষ মানুহৰে। মানুহেই আচল, বুজিছা? সকলোবে সাৰবস্তু মানুহ। আৰু তুমি কৈছা অৱস্থাৰ পৰিবৰ্তন নোহোৱালৈকে মানুহ এনেকৈয়ে থাকিব। নহয় হে নহয়, প্ৰথমে মানুহকে বদলাব লাগিব, তেওঁক শিকাব লাগিব কেনেকৈ বাচিব লাগে। তেতিয়াই সকলো কথা পৰিষ্কাৰ হৈ যাব। কোনেও আৰু তেতিয়া কাৰো পথ আগুৰি নাথাকিব। মানুহৰ বাবে তুমি এইখিনিকে কৰিব পাৰা। তেওঁলোকক মাত্ৰ সঠিক পথেৰে যাবলৈ শিক্ষা দিয়া।"

তেওঁৰ কথাত আপত্তি কৰিলে তেওঁ হয় খং কৰি উঠে নহয় নীৰৱ হৈ যায়।

"মোক অকলে থাকিবলৈ দিয়া।" তেওঁ কয়।

এদিনাখন সন্ধিয়াপৰত তেওঁ ফুৰিবলৈ ওলাই গ'ল; কিন্তু সেই ৰাতি বা পিছদিনা তেওঁ উভতি নাহিল। মালিকে উদ্বিগ্ন হৈ আহি মোক সুধিলে :

"চাছা মদৰ আড্ডালৈ গৈছে। নিশ্চয় সি "দ্য ৱাল"ত (মদৰ দোকানৰ নাম) বহি লৈছে। আমি আন কাৰিকৰ বিচাৰিব লগা হ'ল।"

"তাৰপৰা তেওঁ নাহিব জানো?"

"আশা ক্ষীণ। মই তাক জানো।"

এটা ঘৰৰ দেৱালত সুকৌশলে সাজি লোৱা "দ্য ৱাল" নামৰ সেই মদৰ দোকানত মই গৈ হাজিৰ হলোঁ। দোকানখনৰ বৈশিষ্ট্য হ'ল খিৰিকী এখনো নাই। ছাদৰ বিন্ধা এটাৰে ইয়াৰ ভিতৰত পোহৰ

পথে। আচলতে মাটিৰ তলৰ এটা চাৰিকোণীয়া গাঁটৰ ভিতৰত দোকানখন, ওপৰত মাত্র কেইখনমান টিন দিয়া আছে। ইয়াৰ ভিতৰত প্রৱেশ কৰিলেই পোৱা যায় কেঁচা মাটিৰ গোন্ধ, ভদকাৰ গোন্ধ। ইয়াত ভিৰ দি যিসকলে প্রতি মূহূর্তে বহি থাকে তেওঁলোকক দেখিলেই মনত নানা তৰহৰ সন্দেহ জাগে। ৰাতিপুৱাৰে পৰা সন্ধিয়ালৈ তেওলোকে তাতেই আড্ডা মাৰি থাকে আৰু কোনোবা শ্রমিক মদ খাই মাতাল হোৱালৈ অপেক্ষা কৰে। কোনোবা মাতাল হলেই তেওঁক উচটাই তেওলোকে তেওৰ শেষ পইচাটোলৈ লুটিপুতি খায়।

দোকানখনৰ ভিতৰত এখন মেজৰ কাষত কনোভালোভক বহি থকা দেখিলোঁ। ফটা-ছিৰা আৰু মলিন কাপোৰ পিন্ধা ছয়জন মানুহ তেওক আগুৰি বহি আছে। সিহঁতৰ মুখৰ চেহেৰাও হফ্ম্যানৰ গল্পৰ চৰিত্রৰ চেহেৰাৰ দৰে। বিয়েৰ আৰু ভদকাৰ লগত বোকাৰ দৰে কিবা এবিধ খাই খাই সিহঁতে কনোভালোভৰ কথা শুনি আছে

"খাই লোৱা ভাইহঁত, যিমান ইচ্ছা খাই লোৱা। মোৰ পকেটত পইচা আৰু দেহত কাপোৰ আছে। তিনি দিন ধৰি একেৰাহে পি থাকিবলৈ এয়া যথেষ্ট। পইচা থকালৈ খাই থাকিম আৰু তাৰ পিছত নৰকলৈ গুছি যাম। এই ঠাইত মই আৰু কাম নকৰোঁ, নাথাকোঁও।

জন ফল্ষ্টাফৰ চেহেৰাৰ এজনে কলে, "অতি জঘন্য ঠাই!"

টিনৰ ছালখনৰ পিনে চাই আন এজনে আচৰিত হোৱাৰ ভংগিমাত প্রশ্ন কৰিলে, "কাম? কাম কৰিবলৈ মানুহ জন্মিছে নেকি?"

তাৰ পিছত আটাইবোৰে চিঞৰি চিঞৰি সমস্বৰে প্রমাণ কৰিবলৈ চেষ্টা কৰিলে যে মদ খোৱা সম্পূর্ণ অধিকাৰ কনোভালোভৰ আছে আৰু যিহেতু সি সিহঁতৰ লগত বহি আছে নীতিগতভাৱেই সি মদ খোৱা উচিত।

মোক দেখি কনোভালোভে উল্লসিত হৈ ক'লে, 'আৰে মেক্সিম দেখোন! আহা আহা কিতাপৰ পোকা, ধাকপ্পাবাজি এক পেক খাই লোৱা। মই সেই বেবা জপিয়াই পাৰ হৈ আহিছোঁ। এইবাৰ

নবকযাত্ৰা। মাল টানি টানি চুলিব গুৰি পৰ্যন্ত ডুবাই দিম। তাৰপিছত চুলিব বাহিৰে যেতিয়া আৰু একো নাথাকিব তেতিয়াহে টানিব এৰিম। আহা, তুমিও ধৰা।'

কনোভালোভ তেতিয়াও সম্পূৰ্ণ মাতাল হোৱা নাই। তেওঁৰ নীলা চকুযুৰি উত্তেজনাত জিৰবিৰাই উঠিছে। থুতুৰিৰ কঁপনিৰ লগে লগে তেওঁৰ সুন্দৰ ডাড়িকোছাও বেচমৰ বিচনীৰ দৰে বুকুৰ ওপৰত কঁপি কঁপি উঠিছে। তেওঁৰ চোলাৰ বুকু খোলা আৰু বগা কপালত বিন্দু বিন্দু ঘাম দেখা গৈছে। মোৰ ধাৰণা হ'ল যিখন হাতেৰে তেওঁ মোৰ পিনে বিয়েৰ এগিলাচ আগবঢ়াই দিছে সেই হাতখনো কঁপিছে।

তেওঁৰ কান্ধত হাত এখন থৈ মই কলোঁ, "এইবোৰ থোৱা চাছা। ইয়াৰ পৰা গুছি যাওঁ আহা।"

"থৈ দিম ?" হা হাকৈ কনোভালোভে হাঁহি উঠিল। "দহ বছৰ আগতে যদি এই কথা কলাহেঁতেন হয়তো থলোঁহেঁতেন। কিন্তু এতিয়া নোৱাৰো। আন মই কি কৰিব পাৰো ? মই সকলো জানো, সকলো বুজোঁ। ক'ৰবাত অকণমান কিবা লৰা-চৰা হলেই মই তাৰ কাৰণ বুজি পাওঁ। মাএ এটা কথাই মই নুবুজোঁ,—মাত্ৰ মই কি কৰিব লাগে তাকে নুবুজোঁ। তোমাক খুলি কৈছোঁ ভাই! এই যে মই মদ খাইছোঁ— কাৰণ ? কাৰণ, মোৰ কৰিবলৈ একো নাই। ধৰা— লোৱা। এক পেগ খাই দিয়া।"

কনোভালোভৰ লগবোৰে মোৰ ফালে বিৰক্তিৰে চাই ৰ'ল। এক ডজন চকুৰে মোক ভৰিৰ পৰা মূৰলৈকে ভালকৈ নিৰীক্ষণ কৰিলে। বেছেৰাহঁত শংকিত হৈ পৰিছে। ভাবিছে, মই হয়তো কনোভালোভক লৈ যাম আৰু সিহঁতৰ বঢ়া ভাতত ছাই পেলাম।

"শুনা ভাইহঁত, এওঁ মোৰ বন্ধু, পণ্ডিত মানুহ। ভগবানে এই মানুহক চোকালৈ পঠিয়াই! মেক্সিম, এওঁলোকক জেনকাৰ গল্প পঢ়ি শুনাবা নে ? এওঁৰ লগত যে কিবোৰ কিতাপ আছে ভাইহঁত!

তেনেহলে পিলাৰ কথাকে পঢ়া। বুজিলা ভাইইঁত, একেবাৰে তেওঁৰ আৰু চকুলোৰ কাহিনী। সেই যে পিলা— তেওঁতো পিলা নহয়, আচলতে ময়ে। নহয় নে মেক্সিম? আৰু চিচোইকাও সেই। খুব ঈশ্বৰভক্ত আছিল মানুহজন। বুজিলা ভাইইঁত, এয়ে মোৰ এই বন্ধুৰ পৰিচয়।"

কনোভালোভে এবাৰ মোৰ ফালে সন্ত্ৰস্ত হৈ চালে। তেওঁৰ থুতুৰিটো খুব কঁপিছে। অত্যন্ত অনিচ্ছাৰে তেওঁৰ লগবোৰে মোক অকণমান ঠাই এৰি দিলে। কনোভালোভৰ কাষতে মই বহিলোঁ। তেওঁ তেতিয়া এটা গিলাছত আধা বিয়েৰ আৰু আধা ভদকা ঢালি মিহলাবলৈ ধৰিছে।

এই মিশ্ৰনটো খোৱাৰ লগে লগে তেওঁৰ যেন চেতনা লোপ পাই গ'ল। খোৱা শেষ কৰি বোকাসদৃশ সেই সিদ্ধ মাংস অলপ হাতত তুলি লৈ ক্ষন্তেকপৰ ভালকৈ নিৰীক্ষণ কৰিলে আৰু তাৰপিছত দোকানৰ দেৱাললৈ সেইখিনি দলিয়াই দিলে।

তেওঁৰ সংগীবোৰে ক্ষুধাৰ্ত বাঘৰ দৰে নিম্নস্বৰত গৰ্জন কৰি উঠিল।

"মই শেষ হৈ গৈছোঁ। মোৰ মাতৃয়ে মোক কিয় এই পৃথিৱীত জন্ম দিছিল কোনেও কব নোৱাৰে। বৰ অন্ধকাৰ! অতি জনবহুল! বিদায় মেক্সিম! যদি মদ নোখোৱা, তেনেহলে বিদায়। তুমি যোৱা। মই আৰু কাৰখানালৈ উভতি নাযাওঁ। মই কিছু পইচা পাব লগা আছোঁ, সেইখিনি আদায় কৰি তুমি মোক ইয়াত দি যাবা। তাৰে মই মদ খাম। অ' নহয় ৰ'বা, সেইখিনি তুমিয়ে ৰাখিবা। কিবা কিতাপ কিনিবা। কি কোৱা? নালাগে? তোমাৰ যি ইচ্ছা। নতুবা লাগিবও পাৰে। নালাগিলে তুমি এটা বেইমান। যোৱা, মোৰ কাষৰ পৰা আঁতৰি যোৱা! দূৰ হোৱা!"

যিমানেই মাতাল হৈছে সিমানেই কনোভালোভৰ চকুত প্ৰতি-হিংসাৰ জুই জ্বলিছে। তেওঁৰ সংগীবোৰো মোৰ গলবন্ধা মাফলাৰ-

খনত ধৰি মোক বাহিৰ কৰি দিবলৈ উদ্যত হ'ল ; কিন্তু সেই সুযোগ নিদি মই তাৰ আগতে বাহিৰ হলোঁ।

তিনি ঘণ্টা পিছত মই আকৌ সেই মদৰ দোকানত গৈ উপস্থিত হলোঁ। দেখিলোঁ, কনোভালোভৰ ইতিমধ্যে আৰু দুজন লগ বাঢ়িছে আৰু তেওঁলোক আটায়ে অপ্ৰকৃতিস্থ। মাত্ৰ কনোভালোভৰ মাত্ৰা কিছু কম। মেজত কিলাকুটি ৰাখি ছালৰ ফুটাৰে আকাশলৈ চাই চাই তেওঁ গান গাইছে। সেই গান শুনি শুনি তেওঁৰ লগবোৰে নানা ধৰণৰ অংগভংগি কৰিছে, কোনোৱে কোনোৱে ভেঙুচালিও কৰিছে।

শ্ৰমিকসকলে যেনেকৈ গভীৰ মাত আৰু উচ্চ সুৰত গান গায় ঠিক তেনেকৈ কনোভালোভে গান গাইছে। দুয়ো গালত হাত ৰাখি আধা মুদা চকুৰে তেওঁ গভীৰ আবেগ আৰু একটানা সুৰত বিষাদ ৰাগিণী টানিছে। তেওঁৰ কণ্ঠধ্বনি যেন হৃদয় ফালি নিগৰি আহিছে। প্ৰবল আবেগত তেওঁৰ মুখ হৈ পৰিছে শেঁতা। আঠটা অপ্ৰকৃতিস্থ মানৱ-মূৰ্তিৰে তেওঁৰ পিনে চাই আছে। সিহঁতৰ ফালৰ পৰা যি দুই এটা শব্দ আহিছে সেয়া হ'ল সিহঁতৰ নিম্নস্বৰত কোৱা কথা অথবা ভেঙুচালিৰ শব্দ। কনোভালোভৰ কণ্ঠেৰে যেন নিগৰি পৰিছে অৱৰুদ্ধ ক্ৰন্দন-ধ্বনি। কেতিয়াবা সেয়া আৰ্তনাদত পৰিণত হৈছে কেতিয়াবা আকৌ মৃদু কম্পনত পৰিণত হৈছে। এনেকুৱা এজন সুন্দৰ মানুহে এনেকৈ বিষাদৰ গান গাই থকা শুনিলে যি কোনো মানুহৰে হৃদয় ভাঙি যাবলৈ বাধ্য।

চাৰিওফালৰ উশাহ বন্ধ হোৱা দুৰ্গন্ধ, ঘৰ্মাক্ত মাতালহঁতৰ মুখাবয়ব, ধোঁৱা ওলাই থকা তেলৰ চাকি দুটা, এলান্ধু-মকৰাজালভৰা লোতেৰা দেৱাল, মাটিৰ মজিয়া আৰু তাৰ ওপৰত বিষণ্ণ ছাঁবোৰৰ সমন্বয়ে যেনেকৈ অস্বাস্থ্যকৰ পৰিবেশৰ জন্ম দিছে মন নিজে নিজেই মৰি যায়। ধাৰণা হয়, পাতালত যিসকলক জীয়ন্তে কবৰ দিয়া হৈছে সেইসকলেই যেন আৰম্ভ কৰিছে এই বীভৎস ভোজনৰ উৎসৱ। সিহঁতৰ

মাজবেই কোনোবাই যেন মৃত্যুৰ আগে আগে নীলা আকাশৰ পৰা বিদায় লবলৈ গান গাইছে। নিৰাশাৰ বেদনা, সমাহিত হতাশা আৰু অতৃপ্ত আকাংক্ষাৰ ব্যঞ্জনা মূৰ্ত হৈ উঠিছে সেই গানৰ সুৰত।

গান বন্ধ কৰি মোৰ ফালে হাত আগবঢ়াই দি কনোভালোভে কলে, "মেক্সিম আহিছা? মোৰ লেফটানাণ্ট হ'বা নেকি? সকলো ঠিক হৈ আছে বন্ধু! দেখিছাই, দলবল লৈ আমি সাজু হৈ আছোঁ আৰু আহি যোগ দিব। এৰা আহিবই। খৰছৰ কথা চিন্তা নাই। পিলা আৰু চিচোইকাকো মাতিম। মাংস আৰু পায়স মই তেওঁ-লোকক সদায় খুৱাব পাৰিম। নোৱাৰিম? তুমি তোমাৰ লগত কিতাপ লৈ আহা। স্তেনকা আৰু অন্যান্য সকলৰ কথা তুমি মোক পঢ়ি শুনাবা। এইবোৰ আৰু মোৰ ভাল নলগা হৈছে ভাই! ভাল—ন—ল—গা—হৈছে!"

তেওঁৰ মুষ্টিবদ্ধ হাতখন তেওঁ সজোৰে মেজৰ ওপৰত থলে। বটল আৰু গিলাছৰ জনজনকৈ শব্দ হ'ল। লগে লগে তেওঁৰ সংগী-বোৰো পোন হৈ বহিল! দোকানখনৰ ভিতৰত এটা গোলমালৰ সৃষ্টি হল।

কনোভালোভে চিঞৰি কলে, "ভাইহঁত খোৱা! তোমালোকৰ সমস্ত বেদনা এই মদৰ লগতে পেটৰ ভিতৰলৈ পঠিয়াই দিয়া। সকলো হজম কৰি দিয়া।"

আঁতৰি আহি দুৱাৰৰ কাষত থিয় হৈ মই কনোভালোভৰ সেই উন্মত্ত চিঞৰ-বাখৰ শুনিবলৈ ধৰিলোঁ। তাৰ পিছত আকৌ যেতিয়া গান গাবলৈ আৰম্ভ কৰিলে মই তেতিয়া ৰুটিৰ কাৰখানালৈ উভতি গলোঁ। খোজ কাঢ়ি কাঢ়ি মই শুনি গলোঁ তেওঁৰ সেই প্ৰমত্ত কণ্ঠৰ গান যি গানৰ সুৰ বহুত পৰলৈ ৰাতিৰ নিস্তব্ধতাৰ মাজত কান্দি কান্দি ভাঁহি ৰ'ল।

দুদিন পিছত কনোভালোভ ক'ৰবালৈ গুচি গ'ল।

নিয়মৰ উৎপীড়নৰ পৰা, প্ৰথাগতভাৱে প্ৰচলিত তুচ্ছ অথচ বিষ-

মগ্ন মিথ্যাচাৰৰ পৰা, সমাজৰ দম্ভ, সাম্প্ৰদায়িকতা আৰু প্ৰতাৰণাৰ পৰা যদি কোনোবাই পলাব নোখোজে, যদি গোটেই জীৱন সমাজৰেই এজন হিচাপে কটাব বিচাৰে তেনেহলে তেওঁৰ জন্ম হোৱা উচিত শিক্ষিত সমাজত। একে আষাৰতে কবলৈ হলে, এইবোৰ প্ৰথাগত অহমিকাই মানুহৰ চেতনাক ক্ৰমাগতভাৱে অসাৰ কৰি তোলে আৰু মনক কৰি তোলে দুষিত। এই সমাজৰ বাহিৰত মোৰ জন্ম হৈছিল আৰু শৈশৱ পাৰ হৈছিল। অৱস্থা অনুসৰি সভ্যতাৰ সুৰাপান কৰিব লগা হোৱা নাই বাবে ভগৱানক ধন্যবাদ। সভ্য সমাজৰ এই বান্ধোন ছিঙি মাজে সময়ে মই যে ওলাই আহিবলৈ চেষ্টা কৰিব লগা হোৱা নাই আৰু এক জটিল আৰু অস্বাস্থ্যকৰ সংস্কৃতিমন্যতাৰ পৰা নিষ্কৃতি লভিবলৈ মই যুঁজিব লগা হোৱা নাই তাৰ বাবে মই মোৰ ভাগ্যক ধন্যবাদ দিওঁ।

বুদ্ধিজীৱিৰ জীৱনযাপন কৰাটো যেনেকৈ দুঃসহ গ্ৰাম্যজীৱন যাপন কৰাটোও তেনেকৈ দুঃসহ আৰু বেদনাদায়ক। এই অৱস্থাত চহৰৰ বস্তি অঞ্চললৈ গুচি যোৱাটোৱে উত্তম পথ। তাত জঞ্জাল আৰু লেতেৰা আৱৰ্জনা থকা সত্বেও জীৱন প্ৰৱাহৰ গতিধাৰা অতি সৰল আৰু হৃদয়স্পৰ্শী। নতুবা ঘৰবাৰী এৰি কোনোবা দূৰদূৰনিলৈ পথ লোৱাটোও মংগলজনক। তেতিয়া মন সতেজ আৰু প্ৰফুল্ল হয় আৰু ইয়াৰ বাবে দুখন মজবুত ভৰিৰ বাহিৰে আন একো নালাগে।

পাঁচ বছৰ আগতে এনেকুৱা অভিযান এটাত মই বাহিৰ ওলাইছিলোঁ। পবিত্ৰ কচ্ছভূমিৰ ওপৰত মোৰ এই পৰিভ্ৰমণে অৱশেষত মোক কিওডেচিয়াত উপস্থিত কৰালে। সেই সময়ত তাত এটা মথাউৰি বন্ধা প্ৰকল্প আৰম্ভ হৈছে। অকণমান কিবা উপাৰ্জনৰ আশাৰে মই সেইপিনে খোজ পেলালোঁ।

ছবি চোৱাৰ দৰে নিৰ্মান-স্থলিটো চাওঁ বুলি মই এখন পাহাৰৰ ওপৰত উঠিলোঁ। তাৰপৰা যিমান দূৰলৈ পাৰি সাগৰৰ বিশাল বিস্তৃতি নজৰ কৰিলোঁ আৰু দেখিলোঁ, ক্ষুদ্ৰ ক্ষুদ্ৰ মানুহ কিছুমানে

সেই সাগৰ বান্ধিবলৈ চেষ্টাত ৰত হৈছে।

মানুহৰ শ্ৰম-প্ৰয়াস যে কিমান বহুধা বিস্তৃত হ'ব পাৰে সেই কথা মই সিদিনাহে প্ৰত্যক্ষ কৰিলোঁ। শিলাময় গোটেই পাৰটোকে খান্দি পেলোৱা হৈছে, শিলবোৰ গোটাই স্তূপ কৰা হৈছে, অগণন বাহু, ঠেলাগাড়ী, কাঠৰ গুৰি, লোহাৰ ৰড আৰু হৰেক ৰকমৰ যন্ত্ৰ-পাতি সংগৃহিত কৰা হৈছে। সেই যন্ত্ৰপাতিৰ মাজে মাজে দ্ৰুত খোজ আৰু ব্যস্তভাৱে শ্ৰমিকসকল অহা-যোৱা কৰিছে। এখন পাহাৰ ডিনামাইট দি উৰাই দিয়া হৈছে। ৰেল লাইন পাতিবৰ বাবে শ্ৰমিকসকলে এতিয়া কোৰ মাৰি সেইখন সমান কৰিব ধৰিছে। বৰ বৰ পাত্ৰ কিছুমানত চিমেণ্ট মিহলাই ছয় ফুট জোখৰ কংক্ৰিত ঢালাই কৰি সেইবোৰ পাইলিং ক্ৰেনৰ সহায়েৰে প্ৰবল ভাটা থকা সত্বেও সমুদ্ৰৰ পানীত স্থাপন কৰা হৈছে। ধূসৰ পাহাৰৰ বিপৰীত পটভূমিত কৰ্মৰত সেই মানুহবোৰক পৰুৱাৰ দৰে ক্ষুদ্ৰ ক্ষুদ্ৰ দেখা গৈছে। দক্ষিণ অঞ্চলৰ প্ৰখৰ ৰ'দত স্তূপ কৰি ৰখা ভঙা শিল আৰু কাঠৰ গুৰিৰ দ'মৰ মাজত পৰুৱাৰ দৰেই লৰা-ঢপৰা কৰি থকা শিলৰ গুৰিৰ মেঘৰ ফাঁকে ফাঁকে তেওঁলোকক দেখা গৈছে। উষ্ণ আৰু বগা আকাশৰ তলত যিদৰে তেওঁলোকে বিশৃঙ্খলাৰ সৃষ্টি কৰিছে সেয়া দেখিলে ধাৰণা হয় ৰ'দৰ উত্তাপ আৰু চাৰিওফালৰ বিক্ত ৰুক্ষতাৰ পৰা নিজক ৰক্ষা কৰিবলৈয়ে যেন তেওঁলোকে পাহাৰৰ গাত কিবা গৰ্ত বা তেনে ধৰণৰ আশ্ৰয়স্থল বিচাৰি ফুৰিছে।

কৰ্মব্যস্ত মানুহৰ হৈ-হাল্লা আৰু কৰ্মযজ্ঞৰ যান্ত্ৰিক শব্দত উত্তপ্ত বতাহ আৰু বেছি উত্তপ্ত হৈ পৰিছে। শিলৰ বুকুত কুড়লৰ খটাখট শব্দ, ঠেলাগাড়ীৰ কেঁচ-মেঁচ কৰা আৱাজ, ক্ৰেণৰ পৰা মাল নমোৱা ঢপ্-ঢপ শব্দ, শ্ৰমিকসকলৰ "ছু-বিমুস্কা" গাণৰ সুতীব্ৰ সুৰ, কাঠফলা কুঠাৰৰ থপ্ থপ্ শব্দ আৰু ধূলিধূসৰিত মানুহবোৰৰ চিঞৰ-বাখৰ আদিৰ বিচিত্ৰ ধ্বনিৰ সমাহাৰে ঠাইডোখৰক একেবাৰে প্ৰাণচঞ্চল কৰি তুলিছে।

এঠাইত দেখিলোঁ, কিছুমান শ্ৰমিকে এটা প্ৰকাণ্ড শিল ঠেলি ঠেলি আঁতৰাবলৈ হেই-অ' হেই-অঁকৈ চিঞৰিছে; আন এঠাইত, এডোখৰ বিৰাট কাঠ তুলিবৰ বাবে তেওঁলোকে সমস্বৰে চিঞৰিছেঃ

"এক, দুই, দুইচো !"

শিলভাঙি নিয়া ক্ষত-বিক্ষত পাহাৰৰ গাত তেওঁলোকৰ চিঞৰ-বাখৰ অস্ফুটভাৱে প্ৰতিধ্বনিত হৈ আকৌ উভতি আহে ।

এটা বাস্তাৰে শিলভৰ্তি বহুতো ঠেলাগাড়ীৰ এটা শোভাযাত্ৰা আগবাঢ়িছে । শ্ৰমিকসকলে একেবাৰে কক্-বক্কৈ ঠেলিছে গাড়ীবোৰ । বিপৰীত দিশৰ পৰা খালি ঠেলাগাড়ীৰ আন এটা মিছিল আগবাঢ়িছে । সেইবোৰৰ গতি বেছি মন্থৰ । অহা-যোৱাৰ মাজতে উভতি যোৱা সময়ত শ্ৰমিকসকলৰ অকণমান জিৰণি লোৱাৰ প্ৰয়াস । পাইলিং ক্ৰেণৰ কাষত থিয় হৈ আছে আন এটি শ্ৰমিকৰ দল । তেওঁলোকৰ মাজৰ পৰাই কোনোবাই মৃদু সুৰত লগাই দিছেঃ

বৰ গৰম ভাইহঁত, বৰ গৰম চোৱা
দুৰ্দিনৰ বন্দনা নিজে নিজে গোৱা !
এই, এই দু—উ—বিসুস্কা—
এক, দুই—তাৰপিছত দম লোৱা !

পাইলিঙৰ জৰীত ধৰি থিয় হৈ থকাসকলৰ মাজৰ পৰা কাৰোবাৰ এটা চিপা হুংকাৰ শুনা গ'ল । ধাতুৰে নিৰ্মিত এটা প্ৰকাণ্ড হাতুৰি ক্ৰেণৰ ওপৰ প্ৰান্তলৈ উঠি গ'ল আৰু তাৰপিছতে প্ৰচণ্ড শব্দ কৰি তলত ধম্‌কৈ পৰিল । ক্ৰেণটো থৰ্‌থৰ কৈ কঁপি উঠিল ।

পাহাৰৰ পৰা সমুদ্ৰৰ পাৰ পৰ্যন্ত বিস্তৃত অঞ্চলত একেবাৰে ঠাহ খোৱা মানুহ । তেওঁলোকৰ চিঞৰ, ঘামৰ অম্ল গন্ধ আৰু খোজত উৰা ধূলিৰে সেই ঠাইৰ বতাহ পৰিপূৰ্ণ । বগা কোট পিন্ধা বিষয়াসকলে তেওঁলোকৰ মাজত ঘূৰা-ঘূৰি কৰি আছে । হালধীয়া বণৰ পিতল চকুৰ দৰে সিহঁতৰ কোটৰ পিতলৰ বুটামবোৰ ৰ'দত চিক্‌মিকাইছে ।

শান্ত সমুদ্ৰ গৈ দূৰৰ কুঁৱলিভৰা দিগন্ত ৰেখাত মিলি গৈছে। ইয়াৰ ফেনিল ঢৌবোৰ আহি পাৰত আছাৰ খাই পৰিছে। সূৰ্যৰ প্ৰখৰ ৰশ্মিত যেতিয়া ঢৌবোৰে চিকমিকাই তেতিয়া ধাৰনা হয় সেয়া যেন কোনো এক গালিভাৰৰ স্নেহাৰ্দ্ৰ প্ৰশ্ৰয়ৰ স্মিত হাঁহি। কাৰণ সি জানে এই ক্ষুদ্ৰ ক্ষুদ্ৰ মানুহবোৰৰ শ্ৰমৰ ফচল ইচ্ছা কৰিলে এটা মাত্ৰ জোকাৰণিৰে সি ধূলিসাৎ কৰি দিব পাৰে।

চকু চাট মাৰি ধৰা তৰংগমালাৰে পূৰ্ণ সমুদ্ৰ তাৰ বিশাল, বলদৃপ্ত আৰু সস্নেহ ৰূপেৰে এনেকৈয়ে বিদ্যমান। তাৰ ওপৰেদি বৈ আছে ৰিব্ ৰিব, মলয়া বতাহ। যিবোৰ মানুহে সমুদ্ৰত বান্ধ দি সমুদ্ৰৰ স্বাধীনতা হৰণত ব্যস্ত হৈ আছে সেইবোৰ মানুহকে সমুদ্ৰই দিছে শীতল মলয়া বতাহ। ঢৌবোৰে এতিয়াও সাগৰতীৰত শান্তভাৱে খুন্দিয়াইছে। কৰ্মব্যস্ত এই শ্ৰমিকসকলক দেখি মোৰ বেয়া লাগিল। শতাব্দীৰ পিছত শতাব্দী ধৰি এইটোৱেই বুজা গৈছে যে যিসকলে শ্ৰম কৰে সেইসকলে শ্ৰমৰ কুফল সম্পৰ্কে একেবাৰে নাজানে। তেওঁলোকৰ উদ্দেশ্য কিন্তু অসাধু নহয়। তেওঁলোক ক্ৰীতদাস। তেওঁলোকৰ মাত্ৰ কাম হ'ল প্ৰাকৃতিক শক্তিৰ বিৰুদ্ধে যুঁজ কৰা আৰু এই কথাও ঠিক যে সেই শক্তিসমূহেও এদিনাখন হেওঁলোকৰ ওপৰত প্ৰতিশোধ ল'ব। কিন্তু তেওঁলোক শ্ৰমিক। চিৰকাল তেওঁলোকে নিৰ্মাণ কৰি আহিছে। তেওঁলোকৰ ঘাম আৰু তেজেৰেই সৃষ্টি কৰা হৈছে এই পৃথিবীৰ সকলো সামগ্ৰী। নিৰ্মাণৰ যি চিৰন্তন আকাংক্ষা সেই আকাংক্ষাৰ ফলশ্ৰুতিতে উদ্ভব হৈছে এই পৃথিবীৰ অসম্ভৱ সমস্ত কৰ্মকাণ্ড আৰু সেই কৰ্ম্মকাণ্ডত তেওঁলোকে তেওঁলোকৰ দেহৰ সমগ্ৰ শক্তি ঢালি দিয়া সত্বেও তেওঁলোকে কিন্তু একোৱে পোৱা নাই। তেওঁলোকৰ থাকিবলৈ ঘৰ নাই, খাবলৈ আহাৰ নাই। এই মানুহবোৰ প্ৰকৃতিৰ জড় পদাৰ্থ নহয়। সেইকাৰণে তেওঁলোকৰ এই নিষ্ফল শ্ৰম দেখি ক্ৰুদ্ধ হোৱাৰ পৰিবৰ্তে দয়াৰেই বোধহয় সমুদ্ৰই তেওঁলোকৰ পিনে চাইছে। পাহাৰৰ ওপৰত শিলভাঙি থকা পকৰাৰ দৰে মানুহ-

বোৰক দেখি মোৰ ধাৰণা হ'ল তেওঁলোকে যেন সাগৰৰ পৰা উঠি অহা পানীৰ কণিকাৰ দৰেই, জোৰেৰে আহি ক্ৰমবৰ্ধমান আৰু দুৰ্বাৰ শিলাস্তূপৰ ওপৰত আচাৰ খাই পৰিছে। প্ৰকৃতিৰ সৈতে হোৱা সংঘৰ্ষত তেওঁলোকেই কিন্তু প্ৰথমে প্ৰাণ হেৰুৱাব। পানীৰ কণিকা-বোৰৰ সমষ্টিৰ সৈতে সাগৰৰ নিশ্চয় কিছু মিল আছে; আনকি কব পাৰি, কোনো অৰ্থতে কণিকাবোৰ সাগৰৰ পৰা ভিন্ন নহয়। সাগৰৰ দৰেই সেইবোৰ শক্তিশালী; কিন্তু ধুমুহাৰ ভেটাভেটি হলে সেইবোৰেই প্ৰথমতে ছিন্নভিন্ন হয়। প্ৰাচীন কালত মৰুভূমিৰ বুকুত যিসকলে পিৰামিড নিৰ্মাণ কৰিছিল সেই ক্ৰীতদাসসকলৰ কথা সমুদ্ৰৰ বুকুত সঞ্চিত হৈ আছে। সমুদ্ৰই জানে সেই সম্ৰাট জাৰেক্সৰ ক্ৰীতদাস সকলৰ ইতিহাস। এই বহুৰা সদৃশ সম্ৰাটেই তেওঁৰ খেলৰ সামগ্ৰী সদৃশ দলংবোৰ উটুৱাই নিয়া বাবে সাগৰক তিনিশ বাৰ চাবুক মাৰিছিল। ক্ৰীতদাসবোৰ চিৰদিন একে ধৰণৰ। চিৰদিনে তেওঁ-লোকে মূৰ নত কৰি আহিছে, চিৰদিনে আধাপেটিকৈ দিন কটাইছে! অথচ তেওঁলোকেই সৃষ্টি কৰি আছে পৃথিৱীৰ মহান আৰু অপূৰ্ব কীৰ্তিসমূহ। কেতিয়াবা কেতিয়াবা তেওঁলোকে বিদ্ৰোহ কৰিছে, কেতিয়াবা আকৌ নিয়োগকৰ্তাক গালি-গালাজ কৰিছে, আকৌ কেতিয়াবা শাসকৰ বিৰুদ্ধেই থিয় হৈছে।

............পাৰৰ যিখিনি ঠাইত এই মানুহবোৰে সাগৰৰ ঢৌক বাধা দিয়াৰ উদ্দেশ্যরে বান্ধ বান্ধি আছে সেইখিনি ঠাইতে ঢৌবোৰ আহি ঠেকা খাইছে। দৌৰি আহোঁতে ঢৌবোৰে সিহঁতৰ এক অতীত কাহিনী বিষাদেৰে গাই আহিছে। শতাব্দীৰ পিছত শতাব্দী জুৰি এই সাগৰ তীৰত যি দেখি আহিছে তাকে লৈয়ে ঢৌবোৰে গীত ৰচি আহিছে।

শ্ৰমিক সকলৰ মাজৰ কিছুমান ক্ষীণ, তাম বৰ্ণী, তেওঁলোক বগা পাগুৰি বা ফেজ টুপি, নীলা জেকেট, আৰু আঁঠুৰ পৰা চেপেটা বস্তা সদৃশ্য পাইজামা পিন্ধা। পিছত মই গম পালোঁ এওঁলোক আনা-

তোলিয়াৰ পৰা অহা তুৰ্কী শ্ৰমিক। এওঁলোকৰ কঠিত ভাষাত সংমিশ্ৰন ঘটিছে ভিয়েৎকাবাসী কছসকলৰ ধীৰে ধীৰে উচ্চাৰণ কৰা দীঘলীয় শব্দ প্ৰয়োগ, ভলগা অঞ্চলৰ বাসিন্দাসকলৰ সংক্ষিপ্ত আৰু দ্ৰুত উচ্চাৰণ আৰু ইউক্ৰেনবাসী সকলৰ কোমল আৰু ধীৰ ধ্বনি প্ৰয়োগৰ ।

কচিয়াত এবাৰ দুৰ্ভিক্ষ হৈছিল। এই দুৰ্ভিক্ষৰ বাবে মানুহবোৰ চাৰিওফালে সিচৰিত হৈ গৈছিল। তেওঁলোক সৰু সৰু একোটা দল হৈ আঁতৰি গৈছিল। সাধাৰণ অঘৰীৰ সৈতে এই নতুন অঘৰী দলৰ কিছু পাৰ্থক্য আছে। সাধাৰণ অঘৰীবোৰ স্বাধীনচেতিয়া। অভ্যাস, স্বভাৱ, পোছাক-পৰিচ্ছদ আৰু কথা-বাৰ্তাত এই নতুনকৈ হোৱা অঘৰী সকলৰ কিছু পাৰ্থক্য আছে। এওঁলোকে নিজৰ জনম ভূমিক পাহৰিব পৰা নাই। ক্ষুধাৰ তাৰণাত সাময়িক ভাৱে এওঁ-লোকে ত্যাগ কৰিছে। অঘৰীহঁতে কিন্তু সকলোৰে সৈতে সহজতে মিলি যায়। ভিয়েৎকাৰ মানুহেই হওক বা ইউক্ৰেনৰ মানুহে হওক সকলোৰে সৈতে। সিহঁতে এতিয়া পাইলিংক্ৰেণৰ কাষত ভিৰ কৰি থিয় হৈছে, কাৰণ হাতুৰী মৰা বা ঠেলাগাড়ী চলোৱাতকৈ ক্ৰেনৰ জৰী টনা বেছি সহজ কাম।

মই যেতিয়া সিহঁতৰ কাষত উপস্থিত হলোঁ। সিহঁতে তেতিয়া জৰী ডাল ঢিলাকৈ ধৰি থিয় হৈ আছে। সিহঁতৰ ফোৰম্যানজন তেতিয়া মেচিনটোৰ কিবা ভাল কৰাত ব্যস্ত। কাঠৰ এটা সৰু দুৰ্গৰ ওপৰত বহি মানুহজন ব্যতিব্যস্ত হৈ কাম কৰিছে আৰু মাজে-সময়ে তলৰ পিনে চাই কৈছে:

"জোকাৰি দে।"

আৰু জৰীত ধৰি থকা সকলে নিতান্ত অনিচ্ছুকভাৱে এবাৰ জোকাৰি দিয়ে।

"বহ্! অঁ জোকাৰ! বহ! অঁ এইবাৰ আৰম্ভ কৰ।"

গায়কজনকো দেখিলোঁ। সৈনিকৰ নিচিনা তেওঁৰ চেহেৰা।

তৰুণ মুখখনৰ ডাড়ি খুৰোৱা নাই আৰু গালে মুখে আইফুলৰ দাগ আছে। কান্ধ দুখন জোকাৰি তেওঁ গ'ল খেকাৰি মাৰি মাতটো পৰিষ্কাৰ কৰি ললে আৰু পুনৰ লগাই দিলে :

"চালকে ধম্ কৈ পেলাই দিছে সেইটো মাটিতেই........"

গানটোৰ পিছৰ পংক্তিবোৰে অত্যন্ত সহৃদয় বিচাৰকৰো অনু-মোদন নাপাব। আচলতে এইবোৰৰ জন্ম হয় কামৰ গতিৰ মাজত আৰু গায়কৰ নিজৰ চিন্তা অনুসৰি। গানৰ উৎপাতত শ্ৰোতাসকল অট্টহাঁহিত ফাটি পৰিল। আৰু অৱশেষত মূল গায়কেও গোঁফত তাও দি সেই হাঁহিত যোগ দিলে, যেন তেওঁক প্ৰশংসা কৰা সকলক তেওঁ বুজি পোৱাত অভ্যস্ত।

ওপৰৰ ফোৰম্যানে কড়া ভাষাত কৈ উঠিল, "গাধৰ দৰে চিঞৰাৰ বাহিৰে তইঁতে আন একোকে কৰিব নোৱাৰ নেকি!"

এজন শ্ৰমিকে কলে, 'মিত্ৰিচ, তুমি দেখোন আমাৰ নাড়ি ছিঙি দিবা হে!"

এই মাত মোৰ পৰিচিত বুলি ধাৰণা হ'ল। এই ওখ কান্ধ এই গোলাকাৰ মুখ আৰু নীলা চকু ক'ৰবাত যেন মই দেখিছোঁ! এয়া কি সেই কনোভালোভ? কিন্তু এই মানুহজনৰ নিচিনা কনো-ভালোভৰ বাওঁফালে নাক পৰ্যন্ত কোনো কটা দাগ নাছিল। কনো-ভালোভৰ চুলিবোৰ আছিল নৰম আৰু কেকোঁৰা। তেওঁৰ দাড়ি-বোৰ আছিল সুন্দৰ, মোলায়েম। কিন্তু এই যুৱকজনৰ মুখ পৰিষ্কাৰ কৰি খুৰাই ৰখা। মাত্ৰ দীঘল গোঁফকোছাৰ মূৰ দুটা ইউক্ৰে-নিয় সকলৰ দৰে জোঙাকৈ ৰখা। কিন্তু তথাপিও দুয়োজনৰ আচৰ্য জনক মিল আছে। ইয়াত কাম কৰিবলৈ হলে কাৰ সৈতে যোগা-যোগ কৰিব লাগিব সেই কথা এই মানুহজনক সুধিবলৈ মই সিদ্ধান্ত কৰিলোঁ। অৱশ্যে পাইলিং ক্ৰেনটো আকৌ চালু নোহোৱা পৰ্যন্ত মই অপেক্ষা কৰিলোঁ।

"উঁ....ম্! উঁ........ম!" খুব জোৰে জৰী টানি টানি শ্ৰমিক

সকল পিছপিনে হালি গ'ল। তাৰ পিছত যেন হঠাতে পাখি গজি গ'ল, আটাইমখা জাপ মাৰি থিয় হ'ল। ক্ৰেনটোৱে কেৰ্-কেৰকৈ শব্দ কৰিলে। ৰ'দে পোৰা অলেখ নোমাল হাত মূৰৰ ওপৰেদি জৰীত ধৰিবলৈ আগবাঢ়িল। বাহু সংলগ্ন পেশীবোৰ স্ফীত হ'ল। কিন্তু তথাপি চল্লিছ পুড ওজনৰ লোহাৰ হাতুৰীটো তাৰ পূৰ্ণ উচ্চ-তাৰ অৱস্থানৰ পৰা ক্ৰমে ক্ৰমে আৰু ওপৰলৈ উঠি পৰি যাবলৈ ধৰিলে। পৰিযোৱা ঢাকৃকা ক্ৰেনৰ গাত ক্ৰমে ক্ৰমে দুৰ্বলতৰ হৈ আহিল। যদি কেৱে নজৰ কৰে তেনেহলে তেওঁ ভাবিব যে এই মানুহবোৰ মূৰ্তি উপাসক। কাৰণ তেওঁলোক হয় আনন্দত, নহয় হতাশাত তেওঁলোকৰ হাত তুলি ইষ্টদেৱতাক প্ৰণিপাত জনাইছে। তেওঁলোকৰ চুলি লিপিত খাই থকা কপাল আৰু মুখৰ পৰা নিসৃত ঘামৰ গোন্ধত চৌদিশৰ বতাহ পৰিপূৰ্ণ। শক্তি প্ৰয়োগৰ ফলত তেওঁলোকৰ ৰ'দে পোৰা ঘাড আৰু কান্ধ থৰ্থৰ্কৈ কঁপিছে। তেওঁলোকৰ শতছিন্ন পোছাকেৰে অৰ্ধাবৃত সমগ্ৰ দেহৰ পৰা ঘাম নিগৰিছে। এই মানুহবোৰৰ দেহাবোৰ যেন একাকাৰ হৈ এক পেশীস্তূপত পৰিণত হৈ ঘামৰ গোন্ধেৰে ভৰা দক্ষিণ অঞ্চলৰ উত্তপ্ত আৱহাৱাত দগ্ধিভূত হ'ব ধৰিছে।

"সময় হৈ গৈছে।" কোনোবা এজনে কৰ্কশভাৱে কৈ উঠিল।

শ্ৰমিক সকলৰ হাতবোৰ ঢিলাছ হৈ গ'ল। জৰীডাল পাইলিং ক্ৰেনৰ গাত ওলমি ৰ'ল। মুখৰ ঘাম মচি মচি, গভীৰভাৱে উশাহ লৈ, কঁকাল পোনাবলৈ চেষ্টা কৰি, কান্ধ খজুৱাই খজুৱাই ক্ৰুদ্ধ পশুৰ দৰে মৃদু গৰ্জনেৰে বতাহ কঁপাই মানুহবোৰ ধপাধপ মাটিতে বহি পৰিল।

সেই মানুহজনক মই সুধিলো, 'হেৰি বন্ধু, শুনিছেনে?"

মানুহজনে ধীৰে ধীৰে মোৰ ফালে ঘূৰি মোৰ চকু-মুখলৈ নজৰ কৰিলে। তাৰ পিছত চকু দুটা মুদি মুদি মোৰ ফালে ৰ লাগি চাই ৰ'ল।

"কনোভালোভ !"

"হ'ৰা।" মোৰ মুখটোত এনেকৈ খামুচি ধৰিলে যে মোৰ গলত টিপা মাৰি ধৰা যেন লাগিল। তাৰপিছত হঠাতে তেওঁৰ মুখখন এটা আনন্দৰ হাঁহিৰে উজ্জ্বল হৈ পৰিল।

"মেক্সিম। মোৰ পুৰণা বন্ধু ! কি খবৰ ? তেনেহলে তুমিও চাকৰিৰ মায়া এৰিছা? অঘৰীৰ বহীত নাম লিখিছা? ভালেই কৰিছা। কেতিয়া চাকৰি এৰিলা আৰু ক'ৰপৰা আহিলা? এতিয়া তুমি আৰু মই লগ লাগি গোটেই পৃথিৱীখন ঘূৰি ফুৰিম। সেই জীৱন আমাৰ বাবে নহয়। খালি কষ্ট আৰু জঞ্জাল। একমাত্ৰ পচি মৰা পথ। তোমাৰ সেই কটিৰ কাৰখানাৰ চাকৰি এৰি দি মই এনেকৈ ঘূৰি ফুৰিছোঁ। কত ঠাই যে মই নেদেখিলোঁ! ক'ত জল-বায়ু সেৱন কৰিলোঁ! তুমি কিন্তু এনে মানুহ নহয়। কিছু আন ধৰণে নিজকে ডাঙৰ কৰিছা। তোমাক মই চিনা নাছিলোঁ। কিন্তু পিছত বুজিলোঁ কানি-কাপোৰে কাম কৰা মানুহ হলেও তুমি আচলতে লেখা-পঢ়া জনা মানুহ। বাৰু সেয়া থাকক, এনেকৈ ঘূৰি ফুৰিবলৈ তোমাৰ কেনে লাগে? তুমি নাভাবিবা যে মই তেনেকা তাবাচ বা পিলাৰ কথা পাহৰি গৈছোঁ।"

কনোভালোভে মোৰ বুকুত এটা খোচ আৰু কান্ধত এটা চাপৰ মাৰিলে। তেওঁৰ কথাৰ মই যথাযথ উত্তৰ দিব নোৱাৰি মিচিকিয়া হাঁহিৰে তেওঁৰ সহৃদয় মুখৰ পিনে চাই ৰলোঁ। বুজিলোঁ মোক পাই তেওঁৰ খুব ভাল লাগিছে। তেওঁক পাই মোৰো খুব ভাল লাগিল, খুব ভাল। জীৱনটো মই কেনেকৈ আৰম্ভ কৰিছিলোঁ সেই কথা মোৰ মনলৈ আহিল। ভাবি-চিন্তি বুজিলোঁ, পৰৱৰ্তী ঘটনাবোৰতকৈ আৰম্ভণিটো নিঃসন্দেহে ভাল আছিল।

আলোচনাৰ শেষত মই কনোভালোভক সুধি জানিব বিচাৰিলোঁ কেনেকৈ তেওঁৰ কপালত সেই কটা দাগটো হ'ল আৰু মূৰৰ কেকোঁৰা চুলিবোৰ কিভাবে পোন হ'ল।

"অ', সেই কথা! কওঁ শুনা। দুজন বন্ধুৰ সৈতে এবাৰ কমাণিয়াৰ সীমা পাৰ হওঁ বুলি ঠিক কৰিলোঁ। কমানিয়াৰ ভিতৰত কেনে লাগে জানিবলৈ ইচ্ছা হ'ল। কাণ্ডলৰ পৰা খোজ কাঢ়ি কাঢ়ি আমি সীমান্তৰ কাষৰ বেচগাৰাবিয়া নামৰ ঠাই এডোখৰত উপস্থিত হলোঁ। ৰাতি আমি চুপি চুপি পাৰ হব ধৰিছোঁ ঠিক এনেতে শুনিবলৈ পালোঁ "ৰুখ যাও!" বুজিলোঁ, চিপাহীৰ মুখা-মুখি হৈছোঁ। চিধা-চিধি সিহঁতৰ ফালেই দৌৰ দিলোঁ। এটা চিপাহীয়ে মোৰ মূৰটোতে ঘা বহালে। অৱশেষত সিমান গভীৰ নহ'ল। তথাপিও এমাহ সময় মই ডাক্তৰখানাত থাকিব লগা হ'ল। কিন্তু আচৰিত কথা! জানিব পাৰিলোঁ, সেই চিপাহীটো মোৰ গাওঁৰে মানুহ। মুৰোমত থাকে। এদিনাখন দেখিলোঁ সিও মই থকা হস্পিতালখনতে ভৰ্তি হৈছে। কোনোবা স্মাগ্‌লাৰে পেটত চুৰি সোমাই দিছে। কিছু ভাল পোৱাৰ পিছত আমাৰ মাজত বন্ধুত্ব গঢ়ি উঠিল। মানুজনে এদিন সুধিলে, "তোমাৰ মূৰতে মই ঘপিয়াই-ছিলোঁ নে?" মই কলোঁ: "কৈছা যাতে নিশ্চয় হয়।" তেওঁ কলে, "ঠিক কৈছা, ময়েই মাৰিছিলোঁ। কিন্তু তাৰ বাবে মোক বেয়া নাপাবা। সেইটো মোৰ চাকৰি। ভাবিছিলোঁ, তুমি বোধহয় চুৰি বস্তু সৰকাব ধৰিছা। দেখিছাই নহয়, তাৰে ফল এতিয়া মই ভোগ কৰিব ধৰিছোঁ। বদমাচহঁতে মোৰ পেটটো একেবাৰে হানি-খুচি ফালি থৈ গৈছে। কিন্তু তাথাপিও উপায় নাই। বাচি থাকিবলৈ সকলোবোৰ সহ্য কৰিব লাগিব।" তাৰ পিছৰপৰা আমি দুয়ো অন্তৰংগ বন্ধু হৈ পৰিলোঁ। মানুহজন বেছ ভাল। নামটো আছিল ইয়াছ্‌কা মাজিদ। আৰু চুলিবোৰ? সেইবোৰ টাইফয়ডত গৈছে। মোৰ টাইফয়ড হৈছিল। সীমান্ত পাৰ হোৱাৰ অপৰাধত পুলিচে মোক কিছিনেভৰ জেলত থৈছিল। তাতেই মোৰ এই জ্বৰ হ'ল। বহুত দিন বিছনাত পৰি আছিলোঁ। আৰু কোনো দিনে উঠিব নোৱাৰিম বুলিয়ে ভাবিছিলোঁ। অৱশ্যে নোৱাৰিলোঁ হেঁতেনো,

—যদিহে এগৰাকী নাৰ্চ-বাইদেৱে মৰম কৰি যত্ন ললেহেঁতেন। কেনেকৈ যে ভাল হলোঁ। সেয়া এক আচৰিত কথা! এটা কেচুৱাৰ যেনেকৈ যত্ন লোৱা হয় ঠিক তেনেকৈ তেওঁ মোৰ যত্ন লৈছিল। হাই-ৰে! কিয় লৈছিল, মই নাজানো। তেওঁৰ লগতে মোৰ কোনো সম্পৰ্কও নাছিল। তেওঁক মই কৈছিলোঁ, "মৰিয়া পেত্ৰোভনা, মোৰ বাবে তুমি ইমান ব্যস্ত হৈ পৰিছা যে মই নিজেই লাজ পাইছোঁ। কিছু কমকৈ যত্ন লোৱা।" মাৰিয়াই হাঁহিছিল। তেওঁ খুব মৰমীয়াল আছিল। মাজে-সময়ে তেওঁ মোৰ আত্মাৰ শুদ্ধিৰ বাবে কিবা-কিবি পঢ়ি শুনাইছিল। মই এদিনাখন সুধিলোঁ, "পঢ়িবৰ বাবে আন কিবা নাইনে?" তেতিয়া তেওঁ এখন কিতাপ আনিলে যিখনত জাহাজ বুৰি যোৱাৰ পিছত এটা নিৰ্জন দ্বীপত থাকিবলৈ লোৱা এজন ইংৰাজ নাবিকৰ কাহিনী আছে। কাহিনীটো খুব ভাল লগা। মোৰ সঁচাকৈয়ে ভাল লাগি গ'ল। তেতিয়াই সেই দ্বীপলৈ গৈ নাবিকটোৰ লগতে বাস কৰিবলৈ মোৰ ইচ্ছা হ'ল। আহা, সেয়া যে কি সুন্দৰ জীৱন! ভাবি চোৱাচোন এবাৰ, মাত্ৰ এটা দ্বীপ তাৰ চাৰিওকালে নীলা সমুদ্ৰ, ওপৰত নীলা আকাশ আৰু তাত মাত্ৰ তুমি অকলে। তুমি বাচি থাকিবলৈ যিবোৰ বস্তুৰ প্ৰয়োজন সেই সকলোবোৰ তোমাৰ হাতৰ কাষতে আৰু তুমি ঠিক চৰাই এটাৰ দৰেই স্বাধীন। বনৰীয়া মানুহৰ দৰে নাবিকটো সেই দ্বীপত বাস কৰিছিল। মই পিছে বনৰীয়াৰ দৰে হ'ব নোৱাৰো। মই খুব চাফ-চিকুন হৈ থাকিব বিচাৰোঁ। কিতাপখন কেতিয়াবা পঢ়িছা নে?

"কিন্তু জেলৰপৰা তুমি কেনেকৈ ওলালা?"

"সিহঁতে মোক এৰি দিলে। বিচাৰ কৰি দেখিলে মই নিৰ্দোষী, গতিকে এৰি দিলে। অতি সহজ কথা। কিন্তু সেইটো বুলি মই আকৌ চাকৰি কৰিবলৈ নাযাওঁ উঃ, কি যে যন্ত্ৰণা! মোৰ একেবাৰে হাতৰ ছাল-চামৰা উঠি গৈছিল। জানা, এতিয়া মোৰ পকেটত

তিনিটা কৰল আছে আৰু এই বাত্তিপুৱাৰ কামৰ বাবে আৰু চলিছ কোপেক পাম। বেয়া নহ'ব— নহয় নে? তেনেহলে তুমিও লাগি যোৱা আৰু আমাৰ সৈতে এটা দিন কটোৱা। পিছে মই হলে ইইঁতৰ ব্যাৰাকত নাথাকোঁ। ইয়াৰ পৰা কিছু দূৰৰ এখন পাহাৰত থাকোঁ। এটা সুন্দৰ গুহাত। থাকিবলৈ ধুনীয়া ঠাই। আৰু এজনৰ সৈতে ভাগ কৰি মই তাত থাকোঁ। মানুহজনৰ জ্বৰ হৈছে। অকণমান ৰ'বা, মই ফোৰম্যানক দেখা কৰি আহোঁ। তৎক্ষণাৎ আহিম।"

শ্ৰমিকসকলে ইতিমধ্যে আকৌ কামত লাগিবলৈ পাইলিং ক্ৰেনৰ জৰীত ধৰি থিয় হৈছে। কনোভালোভে দৌৰা-দৌৰিকৈ উঠি গুছি গ'ল। মই বহি বহি চাৰিওফালৰ সৰব ব্যস্ততা নজৰ কৰিবলৈ ধৰিলোঁ। নজৰ কৰিলোঁ নীলা-সেউজীয়া সমুদ্ৰৰ গতি-বিধি।

শ্ৰমিকসকলৰ ভিৰ, ঠেলাগাড়ীৰ যাতায়ত আৰু শিল-কাঠ আদিৰ দমৰ মাজৰ পৰা কনোভালোভৰ দীঘল দেহাটো আকৌ ওলাই আহিল। তেওঁৰ গাত অতি চুটি আৰু সৰু নীলা ছোলা এটা, এটা মোটা পেণ্ট আৰু ভৰিত গধূৰ জোতা এযোৰ। হাত দুখন দলিয়াই দলিয়াই তেওঁ মোৰ পিনে আগুৱাই আহিবলৈ ধৰিলে। মাজে মাজে তেওঁ পিছলৈ উভতি চায় আৰু হাতেৰে কিবা ইংগিত দিয়ে। দেখা গ'ল, কনোভালোভ যেন এক নতুন মানুহ— খুব বলবান, সজীৱ আৰু আত্মবিশ্বাসী। তেওঁৰ চাৰিও-ফালে পূৰ্ণোদ্যমে কাম চলিছে: কাঠফলাই কাঠ ফালিছে, শিল-ভঙাই শিল ভাঙিছে; ঠেলাগাড়ীৰ চকাৰ কেৰ্‌কেৰ শব্দ হৈছে। বতাহ ধূলিৰে ভৰি পৰিছে। মাটিৰ ওপৰত হঠাতে কিবা এটা ধপচ্‌কৈ পৰিল। শ্ৰমিকসকলে হৈ-হাল্লা লগালে। তেওঁলোকে স্তুতি বাক্য উচ্চাৰণ কৰিলে আৰু আটায়ে এটা বিষাদৰ গীত গাবলৈ ধৰিলে।

কনোভালোভৰ সুঠাম শৰীৰটো সেই সৰৱ কৰ্মব্যস্ততাৰ মাজে

মাজে এনেকুৱা ৰহস্যময় ভংগিত দৃঢ় পদক্ষেপেৰে ওলাই আহিল যে সেই অৱস্থাত মই তেওঁক চিনিবই পৰা নাই। এয়া যেন কনোভালোভ নহয়, কনোভালোভৰ মায়াহে।

দুই ঘণ্টা পিছত কনোভালোভ আৰু মই সেই সুন্দৰ বাসকৰা গুহাৰ ভিতৰত শুই আছোঁ। বাস্তৱিকতে বাস কৰাৰ উপযোগী ঠাই। অতীতত কেতিয়াবা এই পাহাৰৰ পৰা শিল ভাঙি নিয়া হৈছিল আৰু সেই বাবেই বহল চাৰিকোণীয়া গুহা এটাৰ সৃষ্টি হৈছে ইয়াতে। অন্ততঃ চাৰিজন মানুহ ইয়াত অতি সহজে থাকিব পাৰি। কিন্তু গুহাটো খুব চাপৰ। তদুপৰি প্ৰৱেশ কৰিব লগা দিশটোত প্ৰকাণ্ড শিল এটা ওলমি আছে। গতিকে ভিতৰলৈ যাব খুজিলে হামকুৰি খাই যাব লাগে। ভিতৰভাগ সাত ফুট পৰ্যন্ত বিস্তৃত। কিন্তু ইমান ভিতৰলৈ যোৱা নিষ্প্ৰয়োজন। হঠাতে যদি শিল-ছিল খহি পৰে তেনেহলে জীৱন্ত সমাধি হোৱাটো নিশ্চিত। সেই ভয়তে আমি ভৰি আৰু দেহা গুহাটোৰ সুশীতল অভ্যন্তৰত ৰাখি মূৰ বাহিৰত থৈ শুই পৰিলোঁ।

কনোভালোভৰ বেমাৰী সংগটো চুচৰি চুচৰি আহি আমাৰ ওচৰত ৰ'দ পুৱাবলৈ ধৰিলে। কঁপনিত যে তেওঁৰ দাঁতৰ পাৰি পৰ্যন্ত কঁপিছে সেয়া আমি বুজিব পাৰিলোঁ। অতিপাত জ্বৰৰ মাজতো ইউক্ৰেনীয় ল'ৰাটোৱে মোক যি জনালে তাৰপৰাই বুজিলোঁ যে তেওঁৰ ঘৰ পোলটাভাত।

শতছিন্ন এটা ছাই ৰঙৰ পেণ্ট কোনোৰকমে গাত সোমাই লবলৈ যুৱকজনে শুই শুই-এ আপ্ৰাণ চেষ্টা কৰিবলৈ ধৰিলে। যিমানেই তেওঁ ব্যৰ্থ হ'ল সিমানেই অদ্ভুত ভাষাৰে ধীক্কাৰ দিলে। কিন্তু চেষ্টাৰো তেওঁ ত্ৰুটি কৰা নাই, ধীক্কাৰো কমোৱা নাই। তেওঁৰ সৰু সৰু কলা চকুযুৰিয়ে এনেকৈ টিপ্ দি আছে যে তেওঁ পাট্পিট্কৈ কিবা চোৱা যেন লাগে।

আমাৰ মূৰৰ পিছফালে খুব ৰ'দ পৰিছে। কনোভালোভে

মাটিত গছৰ ডাল এটা পুতি মোৰ কোটটো তম্বুৰ নিচিনাকৈ আঁৰি দিলে।

সমুদ্ৰৰ উপকূলৰ ফালৰ পৰা কাম কৰি থকা কোলাহল আহি আমাৰ কাণত বাজিল। কিন্তু এই পাহাৰৰ পৰা তাৰ একো দেখা নাযায়। আমাৰ সোঁফালে সমুদ্ৰতীৰত চহৰৰ শুভ্ৰ অট্টালিকাবোৰ বৰ্ত্তমান। বাওঁফাল আৰু সন্মুখত দিগন্ত বিয়পা সমুদ্ৰ, যাৰ ওপৰত অগণিত আৰু সূক্ষ্ম বৰ্ণবিচ্ছুৰণ অহৰহ বিচ্ছুৰিত। সেই বৰ্ণালীৰ ৰূপত চকু আৰু মন স্নিগ্ধ হৈ উঠে। বিচিত্ৰ ৰঙৰ সমাহাৰে সৃষ্টি কৰিছে এক অপূৰ্ব দৃশ্য।

সাগৰৰ ফালে চাই থাকোঁতে কনোভালোভৰ মুখ এক প্ৰসন্নৰ হাঁহিৰে উদ্ভাসিত হ'ল। তেওঁ মোক ক'লে:

"সূৰ্য অস্ত গলেই জুই জ্বলাই চাহ কৰিম। ৰুটি আৰু মাংস আছেই। তৰমুজো লাগিব নেকি?"

গুহাৰ ভিতৰৰ পৰা ভৰিৰে তেওঁ এটা তৰমুজ বাহিৰ কৰিলে। তাৰপিছত জেপৰপৰা ছুৰি এখন উলিয়াই তাৰে তৰমুজটো কাটি কাটি মোক তেওঁ ক'লে:

"যেতিয়াই মই সাগৰৰ পাৰলৈ আহোঁ তেতিয়াই মই ভাবোঁ। এইবোৰ ঠাইত ইমান কম মানুহ কিয় বাস কৰে। সাগৰৰ কিন্তু এটা ভাল গুণ আছে। সি বৰ শান্ত, বৰ কোমল। মানুহক সি অলেখ ভাল কথা ভাবিবলৈ শিকায়। বাৰু, এতিয়া কোৱা-ছোন, এই কেইটা বছৰ তুমি কি কি কৰিলা?"

মই তেওঁক মোৰ কথা কবলৈ ধৰিলোঁ। দূৰত সাগৰৰ জল-পৃষ্ঠত তেতিয়া সোণালী আৰু ৰঙা ৰং উজ্বল হৈ উঠিব ধৰিছে। পিংক বৰণীয়া মেঘে সূৰ্যটোক ঢাকিবলৈ উদ্যত হৈছে। ধাৰণা হ'ল অস্তমিত সূৰ্যৰ শেষ ৰশ্মিৰ পৰশত যেন তুষাৰাবৃত্ত পৰ্বতৰ শৃংগ-বোৰ সমুদ্ৰবক্ষৰ পৰা উঠি আহিব ধৰিছে।

মোৰ কথা শুনাৰ পিছত কনোভালোভে তেওঁৰ দৃঢ় মত প্ৰকাশ

কৰি কলে, “মেক্সিম, ইমান বছৰ তুমি চহৰত কটোৱাটো খুব বেয়া কথা হৈছে। চহৰৰ প্ৰতি তোমাৰ ইমান মোহ কিয়? তাৰ জীৱন খুব জঘন্য। মুকলি বতাহ নাই, ফুৰা ঠাই নাই, মানুহ বাচি থাকিবৰ বাবে প্ৰয়োজনীয় একো বস্তুৱে তাত নাই। আৰু মানুহ? মানুহতো পৃথিৱীৰ য'তে-ত'তে আছে। কিতাপ? হৈছে-হৈছে ইয়াৰ বাবেই মানুহ জন্মিছে নেকি? কিতাপবোৰ আত্মাভিমানী। নিতান্তই যদি প্ৰয়োজন বোধ কৰা তেনেহলে এখন কিনা। তাৰ পিছত সেইখন মোনাত ভৰাই লৈ যাত্ৰা আৰম্ভ কৰা। মোৰ লগত তাচখণ্ডলৈ যাবা নেকি? নহলে চমৰখণ্ডলৈ? নহলে আন ক'ৰবালৈ? কিছুদিন তাত থাকি আমুৰৰ পিনে আমি গুচি যাম। সকলো ঠাইলৈ যাম বুলি মই ঠিক কৰিছোঁ। এইটোৱে মোৰ একমাত্ৰ কাম। ইয়াৰ মাজতে তুমি নতুনত্ব পাবা। ভাবি ভাবি সময় নষ্ট নকৰিবা। মাত্ৰ আগুৱাই যোৱা, দেখিবা তোমাৰ মুখৰ ওপৰেদি বতাহ বৈ গৈছে আৰু তোমাৰ মুখৰ ময়লাও আঁতৰি গৈছে। দেখিবা তোমাৰ মন মুক্ত হৈছে আৰু পাতল পাতল লাগিছে। তোমাৰ ওপৰত কোনেও আৰু খবৰদাৰি কৰা নাই। যেতিয়া ভোক লাগিব, বৈ যাবা। ক'ৰবাত কাম কৰি পাঁচ কোপেক উপাৰ্জন কৰা। যদি কাম নোপোৱা য'ৰে-ত'ৰে পৰা খুজি-মাগি দুই-এডোখৰ ৰুটি যোগাৰ কৰা। এনেকৈ তুমি সকলো সময়তে ৰুটি পাবা! এনেকৈ দুনিয়াৰ অন্তত: কিবা-কিবি চাই লোৱা। লগতে ইয়াৰ সৌন্দৰ্যভাগো দেখিবা। এতিয়া কোৱা, মোৰ লগত যাবা নে নোযোৱা?”

গিদন্তৰ সিপাৰে সূৰ্যটো ডুবিল। ডাৱৰৰ ৰং গাঢ় হ'ল, সমুদ্ৰৰ ৰং ঘন হ'ল, বতাহ হৈ পৰিল আৰু চেঁচা। আকাশৰ অ'ত-ত'ত দুই-এটা তৰা দেখা গ'ল। সমুদ্ৰৰ উপকূলৰ কৰ্মকোলাহলো বন্ধ হ'ল। তথাপিও মাজে সময়ে ক'ৰবাৰ পৰা কাৰোবাৰ যেন কণ্ঠস্বৰ ভাহি আহিছে। সেই কণ্ঠস্বৰ য়িমানেই কোমল

সিমানেই দুখভৰা। সমুদ্ৰতীৰত আছাৰ খাই পৰা তৰংগমালাৰ বিষণ্ণ কল্লোল আমাৰ কাণত পৰিবলৈ ধৰিলে।

অন্ধকাৰ দ্ৰুতভাৱে ঘন হৈ আহিল। পাঁচ মিনিট আগলৈ ইউক্ৰেনীয় যুৱজনক আমি স্পষ্টভাৱে দেখিবলৈ পাইছিলোঁ; কিন্তু এতিয়া এটা অস্পষ্ট স্তূপৰ দৰে দেখা গৈছে।

তেওঁ সুধিলে, "জুই জ্বলোৱাৰ কি কৰিলা ?"

"জ্বলাওঁ।"

কনোভালোভে খৰিৰ দম কৰি জুই জ্বলাই দিলে। দপ্‌দপ্‌কৈ জুই উঠিল। সাগৰৰ পিনৰপৰা ভাহি অহা শীতল আৰু সেমেকা বতাহ ফালি এডাল ফিটাৰ দৰে ধোঁৱাবোৰ ওপৰলৈ উঠিবলৈ ধৰিলে। চাৰিওদিশ ক্ৰমাগতভাৱে নিস্তব্ধ হৈ আহিল। ধাৰণা হ'ল, আমাৰ জীৱন যেন ক্ৰমে ক্ৰমে আৰু শূণ্য আৰু ৰিক্ত হৈ আহিছে, জীৱনৰ সকলো কলৰৱ যেন ধীৰে ধীৰে বিলীন হ'ব ধৰিছে এই সৰ্বব্যাপী অন্ধকাৰৰ মাজত। মেঘৰ ফাঁকে ফাঁকে দেখা গৈছে গাঢ় নীলা আকাশৰ বুকুত উজ্জ্বল নক্ষত্ৰবোৰ। মখমলৰ দৰে মসৃন সাগৰৰ বুকুত সিচৰিত হৈ পৰিছে মাছমৰা নাওবোৰৰ লেম্পৰ পোহৰ আৰু তৰাৰ জিলিঙনি। আমাৰ জুইকুৰায়ো ৰঙা হালধীয়া ৰঙৰ এটা প্ৰকাণ্ড ফুলৰ আকৃতি লৈছে। জুইৰ ওপৰত কেটলি এটা বহাই দি কনোভালোভে কিবা ভাবি ভাবি হাত সাৰটি বহি থাকিল। ইউক্ৰেনীয় যুৱকজনে এটা প্ৰকাণ্ড জেঠীৰ দৰে পেট চুচৰি চুচৰি জুইৰ কাষলৈ আহিল।

"মানুহে চহৰ আৰু ঘৰ-দুৱাৰ সাজি তাতেই খোৱা-কামোৰাকৈ থাকিবলৈ বিচাৰে। তেওঁলোকে ঠাইখিনি লেতেৰা কৰি পেলায়, হাৱা-বতাহ বন্ধ কৰি দিয়ে আৰু ইটোৱে সিটোৰ বিৰুদ্ধে হুল চাঁচিবলৈ ধৰে। একেবাৰে যেন নৰককুণ্ড! আমি যেনেকৈ আছোঁ এইটোৱে হৈছে আচল জীৱন।"

ইউক্ৰেনীয় যুৱকজনে মূৰ জোকাৰি কলে, "ঠিকেই, পিন্ধিবলৈ

যদি ভেড়াৰ ছালৰ কাপোৰ থাকে, শীতকালত থাকিবলৈ এটা গৰম ঘৰ থাকে তেনেহলে তুমি কব পাৰা — হয়, মই জমিদাৰৰ নিচিনা আছোঁ।" যুবকজনে কনোভালোভলৈ কেৰাহীকৈ চালে আৰু কনোভালোভে অকণমান হাঁহিলে।

পিছত কনোভালোভে হয়ভৰ দি কলে, ঠিকেই, শীতকালটো বৰ কষ্টৰ সময়। সেই সময়ত চহৰেই ভাল; কিন্তু তথাপিও বিৰাট বিৰাট চহৰ নির্মান কৰাৰ কোনো যুক্তি নাই। দুই-তিনিজন মানুহ য'ত একেলগে ফুৰিব নোৱাৰি সেই অৱস্থাত হেতাওপৰা লগাই থকাৰ দৰকাৰ কি? মোৰ কথাটো আচলতে সেইটোৱে। বুজিবা, সঁচাকৈয়ে মানুহৰ থকা ঠাই ক'তো নাই। যেতিয়া তুমি ভাবি চাবা, বুজিবা, মানুহৰ উপযুক্ত থকা ঠাই ক'তো নাই—চহৰ বা স্তেপ অঞ্চল বা আন কতো। কিন্তু ভাবি যেতিয়া একো কৰিব নোৱাৰি এইবোৰ কথা নভবাই ভাল। ভাবিলে মনটোহে বেয়া লাগিব।"

মই ভাবিছিলোঁ যে কনোভালোভৰ যাযাবৰী জীৱনে তেওঁৰ কিছু পৰিবৰ্তন সাধিছে। যোৱা কিছু বছৰ তেওঁ যি স্বাধীনতা উপভোগ কৰিছে তাতেই নিশ্চয় তেওঁৰ মনৰ সেই কষ্টকৰ ক্ষতস্থানবোৰ নাইকীয়া হৈছে। কিন্তু যি সুৰত এতিয়া তেওঁক কথা কোৱা শুনিলোঁ তাৰ পৰা বুজা গ'ল যে তেওঁ অপৰিবৰ্তনীয় হৈয়ে আছে। এতিয়াও বিচাৰি ফুৰিছে তেওঁৰ প্ৰশ্নৰ সমিধান। যি শক্তিশালী দেহা আৰু সংবেদনশীল মন লৈ তেওঁ দুৰ্ভাগ্যক্ৰমে জন্ম গ্ৰহণ কৰিছিল সেই দেহ-মন এতিয়াও বিধ্বস্ত হৈ আছে অগণন বিভ্ৰান্তিকৰ প্ৰশ্নৰ সংঘৰ্ষত। জীৱন সম্পৰ্কে নানা প্ৰশ্নৰ জ্বালাত তেওঁ জৰ্জৰিত। চিন্তা-ভাৱনা কৰা এনেধৰণৰ মানুহ ৰুচিয়াত অলেখ আছে। এওঁলোক খুব অসুখী। কাৰণ অজ্ঞতাৰ বাবে এওঁলোকে প্ৰশ্নৰ উত্তৰ বিচাৰি নাপায়। উত্তৰহীন প্ৰশ্নৰ ক্ৰমবৰ্ধমান গধুৰতাই তেওঁলোকৰ চিন্তা ভাৱনাক ক্ৰমে ক্ৰমে আৰু অসহনীয় কৰি তোলে। কনোভালোভৰ ফালে এবাৰ মই সহানুভূতিৰ দৃষ্টিৰে চালোঁ। মোৰ নিচিনাকৈ

তেওঁ যেন এটা সিদ্ধান্তত উপনীত হৈছে তেনে ভাবেৰে দুখেৰে কলেঃ

"বুজিছা মেক্সিম, ধৰা তুমি, মই— আমি সকলোৱে যেনেকৈ একেলগে বহি আছোঁ -এই বিষয়ে মই কেতিয়াবা ভাবোঁ, ভাবোঁ যিবোৰ ঘটি আছে সেই বিষয়েও। কত দেশ ঘুৰিলোঁ, কত বস্তু দেখিলোঁ; কিন্তু ক'তো মোৰ মন নবহিল। নিজৰ বাবে ক'তো এডোখৰ মই ঠাই নাপালোঁ।

পানী গৰম হোৱা কেটলিটো নমাই ইউক্ৰেনীয় যুৱকজনে আবেগ হীনভাৱে কলে, "তোমাৰ কান্ধত কোনো যুৱতী নোহোৱাকৈ তুমি জন্মিছা।"

উত্তৰত কনোভালোভে কলে, "তেনেহলে কোৱাচোন, তাকেই নো মই কিয় চম্ভালিব পৰা নাই? কত মানুহে কোনো ৰকম পেটে-ভাতে বৰ্তি আছে, কাম-কাজ কৰিছে, তিৰী-ছলিৰে ঘৰ-সংসাৰো কৰিছে। অন্যান্য কামো বাকী এৰা নাই। তেওঁলোকৰ ভাবি থাকিবলৈ সময়েই বা ক'ত? কিন্তু মই যে নোৱাৰো, কোনোপধ্যে নোৱাৰো। কিয় নোৱাৰো?

ইউক্ৰেনীয় যুৱকজনে বিস্ময়েৰে কলে, "এনেকুৱাকৈ পেনপেনাইছা কিয়? পেন্‌পেনালেই সমস্যাৰ সমাধান হ'ব বুলি ভাবিছা!"

কনোভালোভে দুখেৰে কলে, "ঠিকেই কৈছা।"

অনাসক্তভাৱে যুৱকজনে কলে, "মই খুব কম কথা কওঁ। কিন্তু কেতিয়া কি কব লাগে জানো।"

জ্বৰত কাহি কাহিও যুৱকজনে নিজৰ জ্ঞান বুদ্ধিৰ শ্ৰেষ্ঠত্ব জাহিৰ কৰিবলৈ চেষ্টা কৰিলে। কেইবাৰমান কাহি কাহি জুইৰ মাজলৈ থুৱাই দিলে। আমাৰ চাৰিওফালে এতিয়া একো দেখা নাযায়। গভীৰ অন্ধকাৰে সকলোবোৰ ঢাকি ধৰিছে। জোনবাই উঠা নাই বাবে আকাশখনো অন্ধকাৰ। সমুদ্ৰৰ অস্তিত্ব আমি অনুভৱ কৰিব পাৰিছোঁ; কিন্তু অন্ধকাৰ ইমান গাঢ় যে আমি তাক দেখা নাই। ক'লা বৰণীয়া, কুৱলীৰ আভৰণ মাটিৰ ওপৰত ক্ৰমে ক্ৰমে বিস্তাৰিত

হৰলৈ ধৰিলে । আমাৰ জুই নুমাই গৈছে।

"ভিতৰ সোমাওঁ ব'লা।" যুৱকজনে কলে।

আমি হামথুৰি দি গুহাৰ ভিতৰলৈ গলোঁ। কিন্তু মুৰবোৰ বাহিৰতে ৰাখিলোঁ। কোনোৱে মাত-বোল নকৰিলোঁ। শিলৰ দৰে নিশ্চল হৈ কনোভালোভে শুই পৰিল। ইউক্ৰেনীয় যুৱকজনে দাঁত কৰচি ছুটফটাবলৈ ধৰিলে। নিৰ্বাপিত জুইখিনিৰ পিনে মই বহুত পৰলৈ চাই ৰলোঁ। দেখিলোঁ, প্ৰথম অৱস্থাত পুৰি যোৱা কাঠৰ এণ্ডাৰবোৰ ডাঙৰ আৰু উজ্বল আছিল; কিন্তু এতিয়া সেইবোৰ ক্ৰমে ক্ৰমে আকাৰত সৰু হৈ আহিছে আৰু সেইবোৰৰ চাৰিওফালে ছাইৰ আভৰণ পৰিছে। এটা সময়ত এই ছাইৰ আভৰণৰ মাজতেই সেইবোৰ নিঃশেষ হৈ গ'ল। এতিয়া একমাত্ৰ উত্তাপৰ বাহিৰে জুই-খিনিৰ কোনো অস্তিত্ব নাই। সেইফালে চাই চাই মই ভাবিলোঁ:

"আমি প্ৰত্যেকেই এই জুইখিনিৰ নিচিনা। মাত্ৰ কিছু সময়ৰ বাবে উজ্বল দীপ্তিত জ্বলি উঠিবৰ বাবেই আমাৰ জীৱন। কিন্তু হায় !"

তিনি দিন পিছত কনোভালোভৰ পৰা বিদায় লৈ মই কুবানৰ ফালে গুছি গলোঁ। কনোভালোভে মোৰ লগত যাব নুখুজিলে। আকৌ দেখা হ'ব, এই প্ৰতিশ্ৰুতিৰে আমি পৰস্পৰক বিদায় দিলোঁ।

কিন্তু আমাৰ দেখা দেখি কোনো দিনে নহ'ল। □

এজন মানুহৰ জন্ম

সেয়া আছিল '৯২ চনৰ দুৰ্ভিক্ষৰ বছৰ। কোডৰ নদীৰ পাৰত চুখুম আৰু ওকেমচিৰীৰ মাজত সাগৰৰ পৰা ৰিং মাৰিলেই শুনা এডোখৰ ঠাই। চলমান পাহাৰী নিজৰাৰ কুলু কুলু ধ্বনিৰ মাজতো তাৰ পৰা সমুদ্ৰৰ জলৰাশিৰ ঢৌৰ শব্দ স্পষ্ট শুনিবলৈ পোৱা যায়।

শৰত কাল। চেৰী গছৰ হালধীয়া পাতবোৰ কোডৰ নদীৰ বগা ফেনৰ মাজত তৎপৰ বৌ মাছৰ দৰে পাক খাইছে আৰু অকস্মাৎ ওলাই লৰ মাৰিছে। মই নদীৰ পাৰৰ শিলৰ ওপৰত বহি বহি ভাবিছোঁ। গাল আৰু কৰমোৰেট চৰাইবোৰেও কিজানি এই পাত-বোৰকে মাছ বুলি ভুল কৰি শেষত হতাশ হৈ পৰিছে। আৰু সেইকাৰণেই সোঁপিনে গছবোৰৰ পৰা কিছু দূৰত, য'ত সাগৰটো আহি পাৰত আচাৰ খাই পৰিছে, সিহঁতে এনেকৈ আহত স্বৰত চিঞৰি চিঞৰি উৰি ফুৰিছে।

মূৰৰ ওপৰত বাদাম গছবোৰ সোণৰ দৰে চিকমিকাই আছে আৰু ভৰিৰ কাষত মানুহৰ বিচ্ছিন্ন হাতৰ পতাৰ দৰে অসংখ্য পাত সিচৰিত হৈ পৰি আছে। নদীৰ সীপাৰে হৰ্ণবিম গছৰ শাখাবোৰৰ পৰা পাতবোৰ ইতিমধ্যে সৰি পৰিছে আৰু শাখাবোৰ ফটা-ছিৰা জালৰ দৰে ওলমি আছে। তাৰ মাজতে ৰঙা হালধীয়া এটা কাঠ-খোলা চৰায়ে ইটো ডালৰ পৰা সিটো ডাললৈ জপিয়াই জপিয়াই তাৰ ক'লা ঠোঁটটোৰে পোক বিচাৰি গছৰ ছালট খট্‌খট্‌ কৰিছে। সুদূৰ উত্তৰৰ পৰা অহা সৰু সৰু অস্থিৰ টম্‌টিত আৰু ধূসৰ ৰঙৰ নুথাচে চৰাইবোৰে সেই পোকবোৰ আগতেই খাই পেলাইছে।

মোৰ বাওঁফালে পৰ্বতৰ টিঙৰ কাষেৰে ৰবযুণ হোৱাৰ ইংগিত

দি ধোঁৱা বৰণীয়া মেঘ উৰিছে। সেই মেঘৰ ছাঁ আহি পৰ্বতৰ সেউজীয়া হেলনীয়া ঠাইৰ ওপৰত পৰিছে। সেই হেলনীয়া মাটিত বক্সউড গছ হয় আৰু তাতেই পুৰণা বীচ আৰু প্ৰকাণ্ড নেমুগছৰ খোৰোঙত বনৰীয়া মৌ পোৱা যায়। ৰোমৰ ৰাজত্ব কালত সেই মৌ-এ মহান পম্পেইৰ সৈন্যবাহিনীৰ সৰ্বনাশ কৰিছিল। এটা সম্পূৰ্ণ বাহিনী সেই মৌৰ ৰাগি কৰা সোৱাদে মাটিত বগৰাই দিছিল। লৰেল আৰু এজালিয়া গছৰ ফুলৰ পৰা মৌ-মাখিবোৰে এই মৌ সংগ্ৰহ কৰে। আৰু পথিকবোৰে গছৰ খোৰোঙৰ পৰা এই মৌ উলিয়াই ময়দাৰ পাতল কেক আৰু লাভাছৰ লগত সানি সানি খায়।

বাদাম গছৰ তলত শিলৰ ওপৰত বহিময়ো ঠিক তাকেই কৰিছোঁ আৰু এটা খঙাল মৌ-মাখিয়ে দংশন কৰা ঠাইখিনিত হাত বুলাইছোঁ। চাহখোৱা পাত্ৰ এটাত ভৰ্তি হৈ থকা মৌৰ মাজত ৰুটিৰ টুকুৰাবোৰ জুবুৰিয়াই জুবুৰিয়াই মই খাইছোঁ আৰু শৰতৰ অলস সূৰ্যৰ বিলাস উপভোগ কৰিছোঁ।

শৰতকালৰ ককেচাচ পৰ্বত দেখাত জ্ঞানী লোকৰ দ্বাৰা তৈয়াৰী ঐশ্বৰ্যশালী দুৰ্গৰ অন্তৰভাগৰ দৃশ্যৰ দৰে। সেই জ্ঞানীলোকসকল আচলতে পাপীও। বিবেকৰ তীক্ষ্ণ দৃষ্টিৰ পৰা তেওঁলোকৰ অতীতক সং-গোপনে ৰখাৰ উদ্দেশ্যতে তেওঁলোকে এই দুৰ্গ নিৰ্মান কৰিছিল। নীলমণি আৰু পান্নাখচিত এটা প্ৰকাণ্ড স্বৰ্ণমন্দিৰ। পাহাৰৰ ফালটো চিল্কৰ মসৃন কাৰ্পেটেৰে সজ্জিত। আকৌ এই কাৰ্পেটবোৰ সমৰখণ্ড আৰু শেমাহাত তুৰ্কিসকলৰ দ্বাৰা তৈয়াৰী। তেওঁলোকে সূৰ্যৰ পোহৰতে গোটেই বিশ্ব লুণ্ঠন কৰি আনি এই মন্দিৰ বনাই যেন কব খুজিছে: "তোমাৰ—তোমাৰ পৰা—তোমালৈ।"

মই দেখিবলৈ পাইছোঁ দীঘল ডাড়িৰ পকামূৰা দৈত্যবোৰ, হাঁহিত আত্মহাৰা হোৱা শিশুৰ দৰে প্ৰকাণ্ড চকুবোৰ মেলি মেলি পাহাৰৰ পৰা নামি আহিছে। সিহঁতে মুক্তহস্তে বিভিন্ন ৰঙৰ বস্ত্ৰ-বোৰ ছটিয়াই ছটিয়াই সমতলভূমি সুসজ্জিত কৰিছে। দেখিবলৈ

পাইছোঁ। সিহঁতে' ৰূপৰ আভৰণেৰে পৰ্বতৰ চূৰাবোৰ ঢাকি দিছে আৰু সমগ্ৰ অঞ্চলটো নানা প্ৰকাৰ গছৰ সজীৱ আঠুৱাৰে পৰিব্যাপ্তিত কৰি ৰাখিছে। আৰু দেখিবলৈ পাইছোঁ। সিহঁতৰ হাতৰ স্পৰ্শ লাগি স্বৰ্গীয় সুষমাৰে ভৰা এই ভূমিখণ্ড অপৰূপ সৌন্দৰ্যৰ প্ৰতিমূৰ্তিলৈ ৰূপান্তৰিত হৈছে।

কি যে এক সুন্দৰ আমন্ত্ৰণ, এই পৃথিবীলৈ মানুহৰ আমন্ত্ৰণ! বিস্ময়কৰ বস্তুৰ কি অদ্ভুত ঐশ্বৰ্য দেখা যায়! সৌন্দৰ্য্যৰ নিজম আনন্দই কেনেকৈ যে মধুৰতম হৈ মানুহৰ হৃদয়ত আলোড়ণৰ সৃষ্টি কৰে।

মাজে সময়ে নিশ্চয় আপোনাৰো দুৰ্বোধ্য যেন লাগে। জ্বলি থকা ঘৃণাই আপোনাৰ বুকুখন ভৰাই ৰাখে আৰু ক্ৰোধে খকুৱাভাৱে আপোনাৰ হৃদয়ৰ ৰক্ত চুহি খায়; কিন্তু এয়া চিৰদিন ঘটি যাব নোৱাৰে। আনকি সূৰ্যইও প্ৰায়ে অত্যন্ত দুখলগা ধৰণে মানুহলৈ কত যে কষ্ট নকৰিছে, অথচ মানুহ কিমান যে জঘন্য হৈ পৰিছে....।

স্বাভাৱিকতে কিছু ভাল মানুহো আছে; কিন্তু তেওঁলোকক কিছু সংশোধন কৰিব লাগিব অথবা নতুন কৰি গঢ়ি তুলিব লাগিব।

মোৰ বাওঁপিনে জোপোহা গছৰ ওপৰেদি মানুহৰ ক'লা ক'লা মূৰ দেখিবলৈ পাইছোঁ। তুপিয়াই তুপিয়াই মূৰবোৰ আগবাঢ়িছে। সমুদ্ৰৰ ঢৌৰ মৃদু গৰ্জন আৰু নদীৰ কলতানৰ মাজত মানুহৰ কণ্ঠস্বৰ অস্পষ্টভাৱে শুনা গৈছে। এই কণ্ঠস্বৰ "দুৰ্ভিক্ষ-পীড়িত"সকলৰ। তেওঁলোকেই চুখুমত এটা ৰাস্তা বান্ধিছিল আৰু এতিয়া কামৰ আশাত ওকেমচিৰীৰ পথত আগবাঢ়িছে।

তেওঁলোকক মই জানো। ওবেলৰ। ময়ো তেওঁলোকৰ লগত একেলগে কাম কৰিছিলোঁ। যোৱাকালি আমাক সকলোকে কামৰপৰা অব্যাহতি দিয়া হৈছে। সমুদ্ৰতীৰত সূৰ্যোদয় চোৱাৰ আশাত মই ৰাতিতেই তেওঁলোকৰ আগতে যাত্ৰা কৰিছিলোঁ।

তেওঁলোক সংখ্যাত পাঁচ। চাৰিজন কৃষক আৰু এজনী হনু ওলোৱা কৃষক ৰমণী। ৰমণী গৰাকী গৰ্ভৱতী। তেওঁৰ পেটটো বিৰাট আকাৰ লৈ

বাহিৰ পিনে ওলাই অহা। নীলা ধূসৰ চকুত তেওঁৰ ভয়ার্ত দৃষ্টি। মই দেখিবলৈ পাইছোঁ তেওঁৰ হালধীয়া ৰঙৰ স্কাৰ্ফ ৰে ঢকা মূৰটো ৰতাহত ডুলি থকা সূৰ্যমুখী ফুলৰ দৰে ডুলি ডুলি আগবাঢ়িছে। চুখুমত তেওঁৰ গিৰিয়েকৰ মৃত্যু হৈছে। মই এওঁলোকৰ সৈতে একেটা জুপুৰীতে বাস কৰিছিলোঁ; চিৰাচৰিত ৰুচীয় কায়দাৰে তেওঁলোকে তেওঁলোকৰ দুৰ্ভাগ্যৰ কথা ইমান ডাঙৰকৈ আলোচনা কৰিছিল যে সেয়া তিনি মাইল দূৰৰ পৰাই নিশ্চয় শুনিব পৰা হৈছিল।

দুৰ্ভাগ্যৰ দ্বাৰা পিষ্ট হৈ এই মানুহবোৰ এতিয়া নিষ্প্ৰাণ হৈ গৈছে। দুৰ্ভাগ্যই তেওঁলোকক নিজৰ দেশৰ জীৰ্ণ উপবাসী মাটিৰ পৰা উচ্ছেদ কৰি শৰতৰ পাতৰ দৰে চোঁচৰাই চোঁচৰাই এই ঠাইলৈ লৈ আহিছে। ইয়াৰ এই অদ্ভুত আৰু সমৃদ্ধ ভূখণ্ডই তেওঁলোকক হতবিহ্বল আৰু বিভ্ৰান্ত কৰি তুলিছে। কঠোৰ পৰিশ্ৰমৰ ফলত তেওঁলোকৰ বোধশক্তি লুপ্ত। তেওঁলোকে তেওঁলোকৰ চাৰিওফালৰ প্ৰত্যেকটো বস্তুকে কৰুণ, ক্ষীণ, উদাস দৃষ্টিৰে ভেবাৰ দৰে চায় আৰু অসহায়ভাৱে ইজনে সিজনৰ ফালে চাই বিৰ্ বিৰ্ কৈ আলোচনা কৰে:

"আৰে, কি সুন্দৰ মাটি!"
"সাৰুৱা অর্থ কৰিছা বোধহয়?"
"অৱশ্যে কিছু শিল আছে।"
"যা—তা মাটি নহয়, মানিব লাগিব।"

আৰু তাৰপিছতে তেওঁলোকে তেওঁলোকৰ জন্মস্থান কোৰিলি লোজোক, চুখোই গোণ, মোক্ৰেনকোইৰ স্মৃতি ৰোমন্থন কৰে। তাৰ প্ৰতি মুঠা ধূলি-বালি তেওঁলোকৰ পূৰ্বপুৰুষৰ চিতাভস্ম, তাৰ প্ৰতিটো বস্তুৱে স্পষ্টভাৱে তেওঁলোকৰ মনত অংকিত আছে। সেই আটাইবোৰ বস্তু তেওঁলোকৰ অতি পৰিচিত, প্ৰিয় আৰু তেওঁলোকৰ ঘামৰ দ্বাৰা সিক্ত।

তেওঁলোকৰ লগত এজনী ছোৱালীও আছিল। তেওঁ ওখ,

ক্ষীণ আৰু হমু ওলোৱা। তেওঁৰ বুকুখন তক্তাৰ দৰে সমান আৰু চকু দুটা ভাবলেশহীন, কয়লাৰ দৰে ক'লা আৰু কেঁৰা।

সন্ধিয়া পৰত তেওঁ আৰু হালধীয়া স্কাৰ্ফ মূৰত লোৱা তিৰোতাজনী জুপুৰীটোৰ পিছপিনে গৈছিল। তাত শিলৰ দমৰ ওপৰত বহি সেই ছোৱালীজনী এখন হাতৰ ওপৰত থুতুৰিটো থৈ, মূৰটো অলপ হেলনীয়া কৰি ডাঙৰকৈ খঙাল মাতেৰে গাবলৈ আৰম্ভ কৰে:

গাওঁৰ গীৰ্জাটোৰ সিফালে,
সেউজীয়া জোপোহাৰ মাজত,
হালধীয়া বালিৰ ওপৰত মই মেলি দিম
মোৰ বগা আৰু পৰিষ্কাৰ চাদৰখন।
আৰু তাতেই মই অপেক্ষা কৰিম
মোৰ প্ৰিয় ৰঙিয়াল যুৱকলৈ
আৰু যেতিয়া তেওঁ আহিব
মই তেওঁক সম্ভাষণ জনাম
হৃদয়েৰে..........................

হালধীয়া ৰুমাল বন্ধা তিৰোতাজনীয়ে সাধাৰণতে নীৰৱে তলমূৰকৈ তেওঁৰ পেটটোৰ পিনে চাই থাকে। কিন্তু কেতিয়াবা তেৱেঁ। হঠাতে গান গাবলৈ আৰম্ভ কৰে। গভীৰ, অলস, পুৰুষৰ মাতেৰে তেওঁ সেই গানৰ হৃদয়বিদাৰক শব্দবোৰ গাই যায়:

হে মোৰ প্ৰিয়,
হে মোৰ প্ৰাণ,
মোৰ ভাগ্যত নাই
তোমাক আকৌ দেখিবলৈ....................

দক্ষিণৰ সন্ধিয়াপৰত এই ক'লা উশাহ বন্ধ হোৱা অন্ধকাৰৰ মাজত করুণ এই কণ্ঠস্বৰে মনত পেলাই দিয়ে উত্তৰৰ কোনো এক তুষাৰাবৃত নিৰ্জন বনভূমি, তুষাৰ খহি পৰা শব্দ আৰু দূৰত চিঞৰা কুকুৰ নেচীয়া বাঘৰ গৰ্জন............... ।

তাৰপিছত কৈৰী ছোৱালীজনীৰ জ্বৰ হয় আৰু কাপোৰৰ ষ্ট্ৰেচাৰ এখনত ভৰাই তেওঁক চহৰলৈ লৈযোৱা হয়। তেওঁ ষ্ট্ৰেচাৰৰ ভিতৰতে কেঁকাই-গেঁঠাই আছিল, ধাৰণা হয় যেন গীৰ্জা আৰু হালধীয়া বালিৰ গানটো তেনেকৈয়ে তেওঁ তেতিয়াও গাই গৈছিল।

ৰুমাল বন্ধা মূৰটো তল পৰি অদৃশ্য হৈ গ'ল।

মোৰ ৰাতিপুৱাৰ খানা-পিনা শেষ হ'ল। মৌ থোৱা পাত্ৰটো গছৰ পাতেৰে ঢাকি থলোঁ। টোপোলাটো বান্ধি মানুহ অহা-যোৱা কৰা পথেৰে ধীৰে ধীৰে খোজ পেলালোঁ। কৰ্ণেল গছৰ লাঠিডালেৰে টান মাটি ঠুকি ঠুকি আগবাঢ়িলোঁ।

ৰাস্তাটোৰ সৰু অংশটোৰে মই আগবাঢ়িছোঁ। মোৰ সোঁ পিনে গভীৰ নীলা সমুদ্ৰই গৰ্জন কৰিছে। এনে লাগে যেন হাজাৰ হাজাৰ কাঠমিস্ত্ৰীয়ে সাগৰৰ উপৰিভাগত হাজাৰ হাজাৰ ৰেন্দা চলাইছে আৰু ৰগা গুড়িবোৰ বতাহৰ কোব লাগি পাৰৰ পিনে দৌৰিছে। সেই বতাহ সেমেকা, গৰম আৰু সুগন্ধময়, ঠিক কোনো এক সুন্দৰী ৰমণীৰ নিশ্বাসৰ দৰে। এখন তুৰ্কী জাহাজ বন্দৰমুৱা হৈ চুথুমৰ পিনে গৈ আছে। জাহাজখনৰ পালখন চুথুমৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ব্যক্তি সেই দাম্ভিক ইঞ্জিনিয়াৰজনৰ ফুলা গালৰ দৰে ফুলি উঠিছে। কিবা কাৰণত সেই ইঞ্জিনিয়াৰজনে সদায় "চাট আপ"ৰ পৰিবৰ্তে "চাচ উপ" আৰু "মে বি"ৰ পৰিবৰ্তে "মইবী" বুলি কয়।

"চাচ উপ্‌! মইবী, তই নিজকে স্মাৰ্ট ভাবিছ, কিন্তু এই মুহূৰ্ততে কাণত ধৰি তোক মই থানালৈ লৈ যাম।"

সি মানুহক থানালৈ নি খুব ভাল পাইছিল; কিন্তু এতিয়া ভাবি সুখ পোৱা যায় যে কবৰৰ পোকে ইতিমধ্যে তেজ-মঙহ খাই তাৰ হাড়বোৰ পৰিষ্কাৰ কৰি ৰাখিছে।

মই খুব সহজভাৱে খোজ কাঢ়িছোঁ— যেন বতাহত ওপঙিছে গৈছোঁ। সুমধুৰ চিন্তা আৰু বিচিত্ৰ স্মৃতিৰাজিয়ে মোৰ মনৰ

ভিতৰত ধীৰে ধীৰে নৃত্যৰ পকাইছে। মনৰ মাজৰ নৃত্যৰত কায়াবোৰ সমুদ্ৰৰ ঢৌৰ দৰে— ওপৰটো বগা, কিন্তু অতল গভীৰত শান্ত। তাত যৌৱনৰ উজ্জ্বল আৰু ভাসমান আশা-বোৰ লুণীয়া পানীত ৰূপালী মাছৰ দৰে নীৰৱে সাতুৰি যায়।

ৰাস্তাটো সমুদ্ৰৰ তীৰলৈ আগুৱাই গৈছে। ক্ৰমে ক্ৰমে সি বালিচৰৰ কাষৰ যিখিনি ঠাইত ঢৌবোৰ আহি আচাৰ খাই পৰে তাতেই বিলীয়মান হৈছে। জোপোহা গছবোৰ ফিটাৰ দৰে ৰাস্তাৰ ওপৰত যেনেকৈ উবুৰি হৈ পৰিছে আৰু পাৰীৰ নীল অসীমৰ পিনে যেনেকৈ হালি গৈছে, ধাৰণা হয় সেইবোৰো যেন সমুদ্ৰ দৰ্শনৰ প্ৰতি অত্যন্ত আগ্ৰহী।

পাহাৰৰ পৰা বতাহ আহিছে, বৰষুণ হোৱাৰ লক্ষণ।

জোপোহাৰ ভিতৰৰ পৰা চেপা চেপা গেঙনিৰ শব্দ আহিছে —মানুহৰ গেঙনিৰ শব্দ, যি শব্দই মানুহৰ হৃদয়ৰ অনুভূতিৰ তন্ত্ৰীত স্পন্দনৰ সৃষ্টি কৰে।

জোপোহাটো ফাঁক কৰি মই দেখিলোঁ সেই হালধীয়া ৰুমাল বন্ধা তিৰোতাজনীয়ে এজোপা আখৰেটি গছৰ গুড়িত আউজি আছে। তেওঁৰ মূৰটো কান্ধৰ ওপৰত ওলমি আছে, মুখ বিকৃত, চকুহুটা ফুলা আৰু যন্ত্ৰণাক্লিষ্ট। হাতহুখন তেওঁৰ প্ৰকাণ্ড পেটটোৰ ওপৰত ৰাখি থোৱা আছে। আৰু এনেকুৱাকৈ ভয়ংকৰ অস্বাভাৱিক ধৰণে উশাহ-নিশাহ লৈছে যে তেওঁৰ পেটটো অদ্ভুত ধৰণে উঠা-নমা হৈ আছে। তেওঁ হাতহুখনেৰে পেটটো হেচা মাৰি ধৰি কেঁকাইছে আৰু তেতিয়া কুকুৰনেচীয়া বাঘৰ দাঁতৰ দৰে হালধীয়া দাঁতবোৰ বিকটভাৱে বাহিৰ ওলাই আহিছে।

"কি হ'ল কোনোবাই মাৰিলে নেকি?" তেওঁৰ পিনে হালি গৈ মই সুধিলো। তেওঁ লেতেৰা বালিৰ ওপৰত তেওঁৰ নাঙঠ ভৰিহুখন যধে মধে আছাৰি আছাৰি, গধুৰ মূৰটো ইফালে-সিফালে ঘূৰাই ফোঁপাই কোঁপাই কৈ উঠিল:

"আঁতৰি যোৱা……তোমাৰ লাজ নালাগে, আঁতৰি যোৱা…।"

তেতিয়া মই সকলো কথা বুজি পালোঁ। আগতেও এবাৰ মই এনেকুৱা ঘটনাৰ সম্মুখীন হৈছিলোঁ। মোৰ পিছে ভয় লাগিল আৰু পিছুৱাবলৈ আৰম্ভ কৰিলোঁ। কিন্তু তিৰোতাজনীয়ে টানি টানি কেঁকাবলৈ ধৰিলে, খুব কষ্ট কৰি উলিওৱা মাত; তেতিয়া যেন তেওঁৰ চকু দুটা ওলাই অহাৰ উপক্ৰম হৈছে। তাত পানীৰ দৌৰাত্ম্য বাঢ়িছে আৰু সেই পানী প্ৰবল গতিত তেওঁৰ উত্তেজিত ৰঙা গালেৰে বাগৰি আহিছে।

এইবাৰে মোক আকৌ তেওঁৰ ওচৰলৈ লৈ গ'ল। মই মোৰ টোপোলা, কেটলি আৰু চাহ খোৱা বাচনটো মাটিতে থৈ তেওঁক চিতকৈ শুৱাই দি তেওঁৰ আঁঠু দুটা ভাজ লগাই দিব খুজিছোঁ মাত্ৰ; ঠিক এনেতে তেওঁ মোৰ বুকু আৰু মুখত আঘাত কৰি আঁতৰাই দিলে। তাৰ পিছত তেওঁ ঘূৰি হামখুৰি দি চুছৰি চুছৰি জোপোহাৰ আৰু ভিতৰলৈ সোমাই গ'ল। যোৱাৰ আগমুহূৰ্তত তেওঁ মাতৃ-ভালুকৰ দৰে দাঁত কৰছি কৈ উঠিল:

"চয়তান! পশু!"

তেওঁৰ হাত দুখন অৱস গৈ গ'ল আৰু তেওঁ মুখ ঠেকেছা খাই পৰি গ'ল। আকৌ তেওঁ কেঁকাবলৈ ধৰিলে, ভৰি আছাৰিব ধৰিলে।

ভীষণ উত্তেজনাৰে মই এই ঘটনা সম্পৰ্কীয় যি জানো তৎক্ষণাৎ মনত পেলালোঁ। তেওঁক আকৌ চিত কৰি দি আঁঠু দুটা ওপৰমূৱাকৈ ভাজ লগাই দিলোঁ। পানী থকা পাতল পৰ্দাখন ইতিমধ্যে দৃশ্যমান হৈছে।

"চুপ-চাপ শুই থাকক, ওলাইছে।"

দৌৰ মাৰি মই সাগৰলৈ গলোঁ। ছোলাটো কোছাই হাতদুখন পৰিষ্কাৰকৈ ধুই নাৰ্চৰ কাম কৰিবলৈ উভতি আহিলোঁ।

জুইৰ মাজৰ বাৰ্চ গছৰ বাকলিৰ দৰে নাৰী গৰাকী ছট্‌ফটাই আছে। তেওঁ ওচৰ-পাজৰৰ মাটি খামুচিছে আৰু শুকান ঘাঁহ-বন

ছিন্ডি মুখত ভৰাবলৈ চেষ্টা কৰিছে। ফলত তেওঁৰ বিকৃত, ভয়ংকৰ ৰঙা চকু আৰু মুখত ছিটিকি আহি কিছু মাটি পৰিল। আৰু তেতিয়াই পাতল পর্দাখন ফাটি গ'ল আৰু কেচুৱাটোৰ মূৰটো ওলাই আহিল। মই তেওঁৰ ভৰিদুখনৰ জোঁকাবণি দমাই ৰাখি কেচুৱাটো ওলাই অহাত সহায় কৰিলোঁ। আৰু তেওঁ যাতে যন্ত্রণাক্লিষ্ট মুখেৰে ঘাঁহ-বন চুকি নাপায় তাৰ প্ৰতি লক্ষ্য ৰাখিলোঁ।

আমি ইটোৰে-সিটোক গালি পাৰিলোঁ,— তেওঁ পাৰিলে দাঁত কৰচি আৰু মই মনে মনে। তেওঁ পাৰিলে যন্ত্রণা আৰু সম্ভৱতঃ লাজত আৰু মই পাৰিলোঁ বিব্রতবোধৰ বাবে আৰু তেওঁৰ প্ৰতি থকা অন্তহীন সমবেদনাত।

"ভগৱান !" তেওঁ নীলা ফেন লাগি থকা ওঁঠ দুটা কামুৰি ধৰি কোঁপাবলৈ ধৰিলে। তেওঁৰ চকু দুটা হঠাতে যেন সূর্যৰ পোহৰত অসাৰ হৈ পৰিল। আৰু তাৰপৰা জিৰ্‌জিৰ্‌কৈ পৰিবলৈ ধৰিলে ভয়ংকৰভাৱে জর্জৰিত এগৰাকী মাতৃৰ চকুলো। তেওঁৰ গোটেইটো শৰীৰ এনেকৈ কোঁচমোচ খালে যেন ভাঙি-ছিঙি টুকুৰা-টুকুৰহে হৈছে।

"আঁতৰি যোৱা . তুমি... চয়তান !"

তেওঁ মোক তেওঁৰ জঠৰ হাতেৰে ঠেলি ঠেলি আঁতৰাই দিবলৈ চেষ্টা কৰিলে আৰু মই আন্তৰিকতাৰে তেওঁক কলোঁ:

"মূর্খামি এৰক। সোনকাল কৰক। কামটো শেষ হওক।"

তেওঁৰ বাবে মোৰ খুব বেয়া লাগিছে। ধাৰণা হৈছে যে তেওঁৰ চকু ফাটিহে পানী ওলাইছে। খুব খঙো উঠিছে, চিঞৰি দিবলৈ ইচ্ছা হৈছে। আচলতে চিঞৰি দিলোঁৱে:

"তৎক্ষণাৎ ! সোনকাল কৰক।"

আৰু লগে লগে মোৰ হাতত পৰিল এটা পুৰুষ শিশু—মানৱ জাতিৰ অকণমানি এটা ৰঙা অংশ। মোৰ চকু পানীৰে টলমলীয়া হলেও মই দেখিবলৈ পাইছোঁ যে কেচুৱাটো টিক্ টিক্ কৰে ৰঙা।

সি ইতিমধ্যে এই পৃথিৱীৰ প্ৰতি অসন্তুষ্ট হৈ উঠিছে। সি ছটফট কৰিছে, ভৰি জোকাৰিছে আৰু ব্যাকুলভাৱে চিঞৰি উঠিছে। অৱশ্যে এতিয়াও সি তাৰ মাকৰ নাড়িৰ লগতে সংযুক্ত। তাৰ চকু দুটা বন্ধা। সেঁতোৰ-মোতোৰ মুখৰ ওপৰত আছে এটা অদ্ভুত ধৰণৰ কণমানি কেঁচা নাক, আৰু তাৰ ওঁঠ দুটা মেল খাই গ'ল যেতিয়া চিঞৰি উঠিল :

"উহঁা....উহঁা .. উহঁা—।"

তাৰ গাটো ইমান পিচল যে মোৰ ভয় হ'ল সি যেন মোৰ হাতৰ পৰা পৰি যাব। মই আঁঠুকাঢ়ি বহি তাৰ পিনে চাঁহিছোঁ। তাক দেখি মোৰ অতিপাত ভাল লাগিছে। মই একেবাৰে পাহৰি গৈছিলোঁ। তাৰ পিছত কৰণীয় কাম কি।

"নাড়িডাল কাটি দিয়া ..." মাতৃয়ে ফিচ্ ফিচ্ কৈ কলে। তেওঁৰ চকু মুদা। মুখ নিষ্প্ৰাণ, মৰা শৰৰ দৰে শেঁতা। তেওঁৰ নীলা ওঁঠ দুটা সাধাৰণ ভাৱে লৰি উঠিল আকৌ যেতিয়া তেওঁ কলে :

"কাটা....তোমাৰ ছুৰিৰে কাটা।"

জুপুৰী ঘৰত থকা সময়তে মোৰ ছুৰিখন হেৰুৱাইছিলোঁ। গতিকে মোৰ দাঁতেৰেই কামুৰি নাড়িডাল-কাটি দিলোঁ। কেচুৱাটোৱে ওৰেল পখীৰ দৰে চিঞৰি উঠিল। মাতৃয়ে হাঁহিলে। তেওঁৰ ম্ৰিয়মান চকুৰ গভীৰত কিবা এক যাদু মন্ত্ৰত জীৱন্ত হৈ অহা মই দেখিবলৈ পালোঁ। এক নীলা পোহৰ। আৰু তেওঁ দুৰ্বল ক'লা হাতেৰে ধীৰে ধীৰে তেওঁৰ স্কাৰ্টৰ পকেট বিচাৰিছে। কামোৰত তেজ ওলোৱা ওঁঠৰ মাজেৰে উশাহ লৈ তেওঁ কলে :

"মোৰ ..শক্তি ...নাই। এডোখৰ ...মোৰ পকেটত ...জৰী আছে। নাড়িডাল ...বান্ধি দিয়া।"

জৰীডাল বিচাৰি উলিয়াই মই কেচুৱাটোৰ নাড়ীডাল বান্ধি দিলোঁ। মাতৃৰ হাঁহিটো আৰু উজ্বল হ'ল। হাঁহিটো ইমান প্ৰাণবন্ত যে মই হতবাক হৈ গলোঁ।

"আপুনি ঠিকঠাক কৰি লওক। মই ইয়াক পৰিষ্কাৰ কৰি আনো।"

তেওঁ উদ্বেগেৰে সেঁহাই সেঁহাই কলে :

"সাৱধানে। চাবা যাতে দুখ নাপায়।"

সেই ৰঙা কণমানি মানুহটোৰ ক্ষেত্ৰত সাৱধান হোৱাৰ কিন্তু প্ৰয়োজন নহ'ল। সি হাত দুখন মুঠি মাৰি চিঞৰিবলৈ ধৰিলে, যেন মোৰ সৈতে যুঁজিবলৈ সি মোক প্ৰত্যাহ্বান জনাইছে।

"চাব্বাচ বেটা! কোনোৱে যদি তোৰ ঘাৰ মকতিব নালাগে তেনেহলে তোৰ শক্তি তই প্ৰদৰ্শন কৰ।

যেতিয়া আমাৰ দুয়োৰে গাত টোৱে পানী ছটিয়াবলৈ ধৰিলে তেতিয়া কেচুৱাটোৱে আকুলভাৱে প্ৰচণ্ড জোৰত চিঞৰি উঠিল। তাৰ পিছত মই যেতিয়া তাৰ বুকু আৰু পিঠিত চপৰিয়াবলৈ ধৰিলোঁ সি চকু মুদিবলৈ ধৰিলে। এনেকৈ ইটোৰ পিছত সিটো টো আহি তাক ধুই দিয়ে আৰু সি চিঞৰি চিঞৰি ছটফটায়।

"কান্দ বুঢ়া। প্ৰাণভৰি কান্দ।"

আমি মাতৃৰ কাষলৈ উভতি আহি দেখোঁ যে তেওঁ চকু মুদি মাটিত শুই আছে, প্ৰসৱ বেদনাৰ আবেসত ওঁঠ দুটা কামুৰি ধৰিছে। কিন্তু কেঁকনি আৰু দীৰ্ঘশ্বাসৰ মাজতো তেওঁ কোৱা শুনিবলৈ পালোঁ

"তাক... মোৰ কাষত থোৱা!"

"এতিয়া থাকক।'

"তাক মোৰ কাষত থোৱা।"

দুৰ্বল কঁপা কঁপা হাতেৰে তেওঁ ছোলাৰ বুটাম খুলিবলৈ আৰম্ভ কৰিলে। মই তেওঁক স্তনযুগল উন্মুক্ত কৰাত সহায় কৰিলোঁ। প্ৰকৃতিৰ কি বিস্ময়কৰ দান যে এই স্তনেৰে কুৰিটা শিশুক খুৱাব পাৰি। মই এই দুৰ্দান্ত ওৰেলিয়টিক তেওঁৰ উত্তপ্ত শৰীৰৰ ওপৰত শুৱাই দিলোঁ। সি তৎক্ষণাৎ স্তন এটা সাৱটি ধৰি শান্ত হৈ পৰিল।

"পবিত্ৰ ভাৰ্জিন, ঈশ্বৰৰ মাতৃ," নাৰী গৰাকীয়ে টোপালাটোৰ

ওপৰত তেওঁৰ বিশৃঙ্খল মুখটো ইফালে সিফালে লৰাই দীঘলকৈ উশাহ টানি কলে।

হঠাতে মৃদুভাৱে চিঞৰ মাৰি তেওঁ আকৌ চকু মেলিলে। এইবাৰ মাতৃত্বৰ পবিত্ৰ, অবৰ্ণনীয় সুন্দৰ চকু। নীলা চকু নীলাআকাশৰ পিনে খোলা। এটা সুখী, কৃতজ্ঞৰ হাঁহি আৱিৰ্ভাৱ হৈ সেই চকুৰ ভিতৰত বিলীন হৈ গ'ল। গধূৰ হাত এখন লাহে লাহে দাঙি মাতৃয়ে নিজৰ আৰু সন্তানৰ ওপৰত ক্ৰুছ আঁকি দিলে।

"ঈশ্বৰৰ মাতৃ তোমাৰ জয় হওক....পবিত্ৰ ভাৰ্জিনৰ নাম লোৱা।"

তেওঁৰ চকু অৰ্ধ নিমীলিত। বহুপৰলৈ তেওঁ নীৰৱ হৈ ৰ'ল, যেন উশাহো লোৱা নাই। তাৰ পিছত হঠাতে দৃঢ় প্ৰত্যয়েৰে কৈ উঠিল:

"মোৰ টোপোলাটো খোলা।"

মই টোপোলাটো খুলিলোঁ। তেওঁ মিছিকৃকৈ হাঁহি মাৰি মোৰ ফালে ৰ লাগি চাই ৰ'ল আৰু মোৰ ধাৰণা হ'ল তেওঁ গাঁত হৈ যোৱা গাল আৰু আঠা যেন হোৱা কপালত এটা যেন ৰং বিৰিঙি উঠিছে।

"অকণমান আঁতৰি যোৱা।"

"সহজ হওক।"

"ঠিক আছে, তুমি যোৱা।"

মই জোপোহা গছৰ মাজলৈ সোমাই গলোঁ। মোৰ হৃদয় থৌকি বাথৌ আৰু মই ধাৰণা কৰিছোঁ মোৰ বুকুৰ ভিতৰত যেন উজ্জ্বল চৰাইবোৰে গান গাইছে। এই অনুভূতিৰ লগত সমুদ্ৰৰ গুঞ্জণ ইমানেই মোহনীয় যে মই ইয়াক বছৰ পূৰ্ণ কৰি শুনিব পাৰোঁ।

ওচৰতে ক'ৰবাত নিজৰাৰ কুলু কুলু ধ্বনি মই শুনিবলৈ পাইছোঁ। যেন কোনোবা গাভৰুৱে তেওঁৰ বান্ধৱীৰ লগত প্ৰিয়জনৰ কথা পাতিছে।

জোপোহাৰ ওপৰেৰে হালধীয়া ৰঙৰ কমাল বন্ধা মূৰ এটা

দেখা গ'ল। কমালখন এইবাৰ সঠিককৈ বন্ধা।

"আৰে, এয়া কি? খুব সোনকালে উঠিলে, নহয় নে?"

এটা জোপোহাৰ ঠানি কেইডালমানত ধৰি তেওঁ শেঁতা মুখেৰে বহি পৰিল, যেন তেওঁৰ জীৱনী শক্তি শেষ হৈ গৈছে। তেওঁৰ চকু দুটা নীলা পানীৰ দুটা সৰোবৰ যেন লগা হৈছে। মিছিকিয়াই হাঁহি কোমল আবেগেৰে তেওঁ কলে:

"চোৱা, কেনেকৈ সি শুই আছে।"

ঠিকেই, সুন্দৰকৈ শুই আছে, মোৰ ধাৰণাৰে সি আন কোনো শিশুৰ পৰাই ভিন্ন নহয়। যদি কিবা ভিন্নতা আছে, তেনেহলে সেয়া পৰিবেশৰ। এটা জোপোহাৰ তলত শৰতৰ উজ্জ্বল পাতৰ দম এটাত সি শুই আছে। এই ধৰণৰ গছ ওৰেলৰ গাওঁত নাই।

"আপুনি শোৱা উচিত, মা।"

"নহয়," দুৰ্বলভাৱে মূৰ জোকাৰি তেওঁ উত্তৰ দিলে। "মই নিজকে চাকা কৰিব লাগিব আৰু সেই ঠাইখনলৈ যাব লাগিব-কি নাম সেই ঠাইখনৰ?"

"ওকেমচিৰী।"

"হয় হয়। মোৰ লগৰ মানুহবোৰ ইমানপৰে নিশ্চয় বহুত দূৰ গ'ল।"

"আপুনি খোজ নাকাঢ়িব নিশ্চয়?"

"পবিত্ৰ ভাৰ্জিন সহায়। তেওঁ নিশ্চয় সহায় কৰিব।"

ঠিক আছে, ভাৰ্জিন যিহেতু তেওঁৰ সহায়, মই আৰু কি কম!

চকু নমাই তেওঁ কনমানি মুখখনৰ পিনে চালে। চকুৰে করুণাৰ পোহৰ বিচ্ছুৰিত হৈছে। ওঁঠত জিভা বুলাই তেওঁ লাহে লাহে নিজৰ বুকুখনত থপৰিয়াই দিলে।

মই জুই জ্বলাই কেটলি বহাব পৰাকৈ তাৰ চাৰিওফালে উধান পাতিলোঁ।

"অতি সোনকালে চাহ বনাইছোঁ, মা।"

"অঁ কৰা। মোৰ বুকুখন একেবাৰে শুকাই গৈছে।"

"আপোনাৰ সংগীবোৰে আপোনাক এৰি গ'ল কিয় ?"

"নাই নাই — এৰি যোৱা নাই। মইহে পিছত ৰৈ গৈছিলোঁ। তুমি জানা, তেওঁলোকৰ লগত এবিধ মদ আছে···সেয়া কিমান যে ভাল। সেয়া খাই তেওঁলোকৰ সৈতে ঘূৰি ফুৰিবলৈ মন গৈছে।"

তেওঁ মোৰ পিনে চাই কিলাকুটিৰে মুখখন ঢাকি ধৰিলে। তাৰপিছত ৰক্তিম লাজুক হাঁহিত মুখখন ভৰি পৰিল।

"এয়া আপোনাৰ প্ৰথম নেকি ?"

"প্ৰথম। তুমি কোন ?"

"এজন মানুহ, এক ধৰণৰ·······।"

"সেয়া জানিছোঁ। তুমি বিবাহিত নে ?"

"সেই সম্মান এতিয়াও লব পৰা নাই।"

"ঠাট্টা কৰিছা !"

"নাই কৰা।"

তেওঁ চকু তলমূৱা কৰি সুধিলে :

"তেনেহ'লে এই তিৰোতাৰ কামবোৰ কেনেকৈ জানিলা ?"

এইবাৰ মই ঠাট্টা কৰিব লগা হ'ল।

কলোঁ, "শিকিছোঁ। মই এজন ছাত্ৰ, ছাত্ৰ কি আপুনি জানে নে ?"

"জানো। আমাৰ পুৰোহিতৰ ডাঙৰ ল'ৰাটোও ছাত্ৰ। সি পুৰোহিত হবলৈ শিকি আছে।"

"হয়, ময়ো তেনেকুৱা এজন। বাৰু, মই পানী লৈ আহোঁ।"

তিৰোতাজনীয়ে তলমূৰ কৰি কেচুৱাটোৰ উশাহ-নিশাহ পৰীক্ষা কৰিলে। তাৰপিছত তেওঁ সাগৰৰ পিনে দৃষ্টি দিলে।

"দুই-মেলি মই অলপ পৰিষ্কাৰ হ'ব পাৰিলোঁহেঁতেন; কিন্তু পানী কেনেকুৱা মই নাজানো। তুমি জানা নে ? লুণীয়া নে তিতা ?"

"যাওক, পৰিষ্কাৰ হৈ আহক— খুব ভাল পানী।"

"এনেকৈ ?"

"হয়। সেই নদীৰ পানীতকৈয়ো ভাল। তাৰ পানী ববৰুৰ দৰে।"

"কৈছা যেতিয়া........"

এজন আৱখাজীয় মানুহ ঘোঁৰাৰ ওপৰত বহি ভৰি দুখন দুই-ফালে ওলোমাই দি খোজকঢ়া গতিত গৈ আছে, মূৰটো সন্মুখৰ ফালে হালি পৰা। তেওঁৰ শীৰ্ণকায় অকণমান ঘোঁৰাটোৱে কাণ জোকাৰি গোলাকাৰ চকু দুটিৰে আমাৰ ফালে চাই নাকেৰে ভোচ্‌ ভোচ্‌ শব্দ কৰিলে। আৰোহীজনে নোমাল টুপি পিন্ধা মূৰটো জোকাৰ মাৰি মুহূৰ্তৰ বাবে আমালৈ চা'লে আৰু তাৰপিছত আকৌ তলমূৰা হ'ল।

"এই অঞ্চলৰ মানুহবোৰ অদ্ভুত, দেখাত ভয়লগা," এবেলৰ তিৰোতাজনীয়ে শান্তভাৱে কলে।

মই পানী আনিবলৈ আগবাঢ়িলোঁ। পাৰাসদৃশ ফট্‌ফটিয়া পানীৰ ঢৌবোৰ শিলৰ ওপৰত জপিয়াই জপিয়াই উঠিছে। ইয়াৰ মাজতে শৰতৰ পাতবোৰ আনন্দত পাক্‌ঘূৰণি খাইছে। কি চমৎকাৰ! মই মুখ হাত ধুই কেটলিটোত পানী ভৰাই উভতিলোঁ। জংগলৰ ফাঁকেৰে দেখিলোঁ, তিৰোতাজনীয়ে হামাগুৰি দি আগবাঢ়িছে আৰু উদ্বেগেৰে বাৰে বাৰে পিছফালে উভতি চাইছে।

"কি হ'ল?"

তেওঁ চক খাই উঠিল আৰু মুখখন তেওঁৰ বিবৰ্ণ হ'ল। গাটোৰে কিবা এটা ঢাকিবলৈ তেওঁ চেষ্টা কৰিলে। বস্তুটো কি মোৰ বুজিবলৈ বাকী নৰ'ল।

"মোক দিয়ক, পুতি থম।"

"আহ! বাছা মোৰ! কিন্তু ইয়াক পুতিব লাগে গাধোৱা ঘৰৰ মজিয়াৰ তলত....... "

"কোনোবাই ইয়াত তৎক্ষণাৎ গাধোৱা ঘৰ সাজি দিব নে?"

"তুমি ধেমালি কৰিছা; কিন্তু মই ভাবিছোঁ! যদি কিবা

জন্তুৱে খাই পেলায় ? ইয়াক মাটিৰ তলত পুতিব লাগিব।"

'তেওঁ মুখখন ঘূৰাই মোৰ হাতত ভিজা গধূৰ টোপোলা এটা দি লাজ লাজকৈ বিনম্ৰভাৱে কলে :

"কামটো ঠিকমতে কৰিব লাগিব, খুব দকৈ পুতিব লাগিব, কৰিবাতো ? ঈশ্বৰৰ দোহাই ...আৰু মোৰ বাছাৰ দোহাই, ভালকৈ পুতিবা, ভালকৈ...."

মই উভতি আহি দেখোঁ তেওঁ সাগৰৰ ফালৰপৰা আহি আছে। হাতদুখন মেলি ঢলং-পলংকৈ তেওঁ আগবাঢ়িছে। কঁকাললৈ তেওঁৰ স্কাৰ্টটো ভিজা, মুখ টিক্ টিক্ কৰে ৰঙা যেন ভিতৰফালৰপৰা কিবা পোহৰ বিচ্ছুৰিত হৈছে। মই তেওঁক জুইৰ কাষলৈ লৈ আহিলোঁ। মনে মনে বিস্ময়েৰে ভাবিলোঁ : "কি আসুৰিক শক্তি !"

তাৰপিছত দুয়ো মৌৰে চাহ খালোঁ। তেওঁ শান্তভাৱে সুধিলে :

"তুমি পঢ়িবলৈ এৰিছা নেকি ?"

"হয়।"

"মদ খোৱা নিশ্চয় ?

"মদ খাই খাই শেষ হৈ গলোঁ, মা !"

"কি লাজৰ কথা. তোমাক জনোৱা দৰকাৰ, চুখুমত খোৱা বস্তুৰ বাবে যেতিয়া তুমি মেনেজাৰৰ সৈতে কাজিয়া কৰিছিলা মই চাই আছিলোঁ। মই তেতিয়া নিজকে কৈছিলোঁ : ল'ৰাটো নিশ্চয় মাতাল, সি কাকো ভয় নকৰে।"

তেওঁ তেওঁৰ ফুলি উঠা ওঁঠৰ পৰা মৌখিনি ছেলেকি খালে আৰু যিটো জোপোহাৰ কাষত সদ্যজাত ওৰিয়েলটি শুই আছে সেইফালে বাৰে বাৰে তেওঁৰ নীলা চকুযুৰি ঘূৰাবলৈ ধৰিলে।

"ভাবিছোঁ সি কেনেকৈ ডাঙৰ হব !" দীঘলকৈ উশাহ টানি তেওঁ মোৰপিনে প্ৰশ্নকৰা ভংগিত চাই ৰ'ল। "তুমি সহায় কৰিছা, তাৰ বাবে ধন্যবাদ, কিন্তু এইটো জানো তাৰ বাবে ভাল হ'ব, মই ভাবিছোঁ...."

খোৱা শেষ হোৱাৰ পিছত তেওঁ নিজৰ বুকুত ক্ৰছ চিহ্ন আঁকিলে আৰু মই মোৰ সামগ্ৰিখিনি ঠিক-ঠাক কৰিবলৈ ধৰিলোঁ। তেওঁ

মৃদুা এটাৰ দৰে শৰীৰটো থুপুৰি লগাই টোপনিয়াবলৈ ধৰিলে। দৃষ্টি আকৌ মাটিৰ পিনে, যেন আকৌ উদাস। তাৰপিছত তেওঁ থিয় হ'ল।

"আপুনি সঁচাকৈ যাব নে?"

"যাম।"

"আপুনি বল পাইছে বুলি নিশ্চিত নে?

"ভাৰ্জিন মেৰী মোৰ সহায়। কেচুৱাটো মোক আনি দিয়া।"

"তাক মই লম।"

কিছুপৰ তৰ্ক কৰি তেওঁ মান্তি হ'ল আৰু আমি কান্ধত কান্ধ মিলাই ওচৰা-ওচৰিকৈ যাত্ৰা আৰম্ভ কৰিলোঁ।

"আশাকৰোঁ মই উজুটি নাখাম," মিহিকৈ হাঁহি হাঁহি তেওঁ কলে। তেওঁৰ হাত মোৰ কান্ধৰ ওপৰত।

ৰুছিয়াৰ ভূখণ্ডৰ এই নতুন বাসিন্দাজন, অজান ভাগ্যৰ এই কণমানি মানুহজন এতিয়া মোৰ বাহু বন্ধনত। সি ডাঙৰৰ দৰেই নাকেৰে শব্দ কৰিছে। সমুদ্ৰই গাখীৰ-বগা ফেনেৰে অলংকৃত হৈ শব্দ কৰিছে, গুঞ্জন তুলিছে। জোপোহাবোৰে ইজোপাই-সিজোপাই ফাচ্-ফুচ্কৈ কথা পাতিছে সূৰ্যই নিজৰ মধ্যাহ্ন পথত পোহৰ ছটিয়াইছে।

আমি ধীৰে ধীৰে খোজ কাঢ়িছোঁ। মাতৃয়ে মাজে-সময়ে থিয়হৈ দম লয়; পিছপিনে ঘূৰি তেওঁৰ দৃষ্টি সাগৰ, বননি, পাহাৰ আৰু শেষত তেওঁৰ সন্তানৰ ওপৰত ৰাখে। যন্ত্ৰণাৰ অশ্ৰুৰে সিক্ত তেওঁৰ চকুহাল আকৌ আচৰিত ধৰণে উজ্জ্বল হৈ পৰিল, অসীম ভালপোৱাৰ নীলা আভাত উদ্ভাসিত হ'ল।

এবাৰ বৈ তেওঁ কলে:

"ভগৱান! হে ভগৱান, কিমান সুন্দৰ এই শিশু! কিমান সুন্দৰ! মই ইয়াৰ লগত, মোৰ এই কণমানি শিশুটিৰ লগত এনেকৈ পৃথিৱীৰ শেষ প্ৰান্ত পৰ্যন্ত যাব পাৰোঁ, সি, মোৰ প্ৰিয়তম কণমানি ল'ৰাটিয়ে, তাৰ মাকৰ বুকুৰ মাজত স্বাধীনভাৱে ডাঙৰ হ'ব আৰু ডাঙৰ হ'ব....।"

সাগৰৰ মৃদু গৰ্জন অবিৰতভাৱে উঠিয়েই আছিল....। ☐

মাতৃ সম্পৰ্কীয় কাহিনীৰ অন্ত নাই।

বহুদিন ধৰি শত্ৰু সৈন্যবোৰে অস্ত্ৰৰ ছিদ্ৰহীনা বেৰজালেৰে গোটেই নগৰখন অৱৰোধ কৰি ৰাখিছে। গভীৰ ৰাতি ঘোপমৰা অন্ধকাৰৰ মাজত জ্বলি উঠা অগণন অগ্নিশিখাই লক্ষ লক্ষ ৰঙা চকুৰ দৰে চহৰৰ দেৱালখনক পহৰা দিয়ে। হিংসাৰ দৰে জ্বলি থাকে সেই অগ্নি। ইয়াৰ গুম্-গুমনিত নগৰখনৰ অভ্যন্তৰত জাগি উঠে এক বৰ্ণনাতীত আতংক।

নগৰখনৰ প্ৰান্তৰৰ পৰা স্পষ্টকৈ দেখা যায় শত্ৰুৰ সুকঠিন বেষ্টনী; চকুত পৰে পোহৰৰ আশে পাশে ঘূৰি থকা ক'লা ক'লা ছায়ামূৰ্তি; কাণত বাজি উঠে বলিষ্ঠ ঘোঁৰাবোৰৰ চিঞৰ-বাখৰ, অস্ত্ৰৰ ঝন্ঝননি অন্তৰখোলা হাঁহিৰ ৰোল আৰু জয়লাভ সম্পৰ্কে সুনিশ্চিত শত্ৰু-সৈন্যৰ উল্লাসৰ গান। শত্ৰু সৈন্যৰ এই গান আৰু হাঁহিয়ে অন্তৰখন একেবাৰে শেলে বিন্ধা দিয়ে।

নগৰবাসীয়ে পানী ব্যৱহাৰ কৰিব পৰা আটাইকেইটা নদীতে শত্ৰুহঁতে মৰা শ পেলাইছে, নগৰখনৰ চাৰিওফালে থকা আঙুৰ খেতিৰ বাগিছাবোৰ পুৰি নিঃশেষ কৰিছে, খেতি পথাৰবোৰ নষ্ট কৰিছে, ফলৰ গছবোৰ কাটি-ছিঙি তহিলং কৰিছে; মুঠতে সকলো দিশৰ পৰাই নগৰখন এতিয়া শত্ৰুৰ সন্মুখত উন্মুক্ত। প্ৰায় প্ৰত্যেক দিনে শত্ৰুৰ কামান আৰু বন্দুকৰ পৰা চিচা আৰু লোহাৰ গোলা বৰ্ষিত হৈছে নগৰখনৰ ওপৰত।

নগৰৰ ঠেক ৰাস্তাৰে যুদ্ধক্লান্ত, অৰ্ধভুক্ত সৈন্যবোৰৰ একোটা বাহিনীয়ে পহৰা দি ফুৰিছে গোমোঠা মুখেৰে। ঘৰবোৰৰ খিৰিকীৰে

ভাহি আহিছে আহতবোৰৰ যন্ত্ৰণাক্লিষ্ট গেঙনি, বিকাৰগ্ৰস্তসকলৰ চিৎকাৰ, নাৰী কণ্ঠৰ আকুল প্ৰাৰ্থনা আৰু শিশুৰ হৃদয় বিদাৰক চিঞৰ-বাখৰ। মানুহবোৰে কথা কৈছে বিষণ্ণভাৱে ফুচফাচকৈ, কথাৰ মাজতে হঠাৎ থমকি ৰৈছে ভয়ত— শত্ৰুসৈন্য আগুৱাই আহিল নেকি ?

আটাইতকৈ অসহনীয় হ'ল ৰাতিবোৰ। গভীৰ নিশাৰ স্তব্ধতাৰ মাজত গেঙনি আৰু চিৎকাৰবোৰ স্পষ্টতৰ হৈ উঠে। দূৰৰ পাহাৰৰ গহ্বৰৰ পৰা অৰ্ধভগ্ন প্ৰাচীৰৰ পিনে চুপি চুপি আগুৱাই আহে ক'লা ক'লা ছায়ামূৰ্তি। পাহাৰৰ অন্ধকাৰ পিঠিৰ কুঁজত তৰোৱালৰ ঘা খোৱা এক পৰাভূত ঢালৰ দৰে দেখা দিয়ে জোনবাই !

আৰু সাহায্যৰ সম্ভাৱনাত হতাশ হৈ, দিনে দিনে কমি অহা মুক্তিৰ আশাত, ক্ষুধাত আৰু অশেষ পৰিশ্ৰমত ক্লান্ত হোৱা নগৰবাসীবোৰে আতংকত কাতৰভাৱে চাই থাকে সেই জোনবাইলৈ, চাই থাকে পাহাৰৰ দাঁত নিকটাই থকা স্তূপটোলৈ, চাই থাকে পাহাৰী গহ্বৰৰ অন্ধকাৰ অন্তৰস্থলিলৈ, চাই থাকে শত্ৰু-শিবিৰত চলি থকা হৈ-হাল্লাৰ পিনে। ইয়াৰ সকলোৰে পৰা ভাহি আহে মৃত্যুৰ বাতৰি। শান্তনা পাব পৰা কোনো এটা তৰাও আকাশত চকুত নপৰে।

ঘৰত চাকি জ্বলাবলৈ কাৰো সাহস নাই ; ৰাস্তা-ঘাটো ঘিটমিট্ কৰে এন্ধাৰ। আৰু এই অন্ধকাৰৰ মাজতেই সৰ্বশৰীৰ ক'লা পোছাকেৰে আবৃত এটি নাৰীমূৰ্তি নদীৰ গভীৰতাত গৈ থকা মাছৰ দৰে আগুৱাই গৈছে নিশব্দে।

এওঁকেই মানুহে দেখিলে ফাচ্ফুচকৈ আলোচনা কৰে :

: এইজনীয়ে সেইজনী নহয় নে ?

: এৰা, সেইজনীয়ে !

তাৰ পিছত তেওঁলোক নীৰৱে আঁতৰি যায়, নহলে তলমূৰ কৰি বেগাবেগীকৈ তেওঁক অতিক্ৰম কৰে। টহল দি থকা প্ৰহৰীহঁতে

তেওঁক কঠোৰভাৱে সাৱধান কৰি দিয়ে।

: আকৌ আহিছ, মোনা মাৰিয়ানা? সাৱধান! মৰি যাবি, কোনে মাৰিলে সেই লৈ কোনেও মূৰ নঘমাব...

মানুহজনীয়ে থিয় হৈ অপেক্ষা কৰে। কিন্তু প্ৰহৰীহঁতে হয়তো সাহস গোটাব নোৱাৰে, নহলে তেওঁৰ গাত হাত দিবলৈ সিহঁতৰ ঘৃণা লাগে। তেওঁক পিছ কৰি সিহঁত আগবাঢ়ে। সশস্ত্ৰ সৈনিক-হঁতেতো তেওঁক মৃত বুলিয়ে জ্ঞান কৰে। ঘোপমৰা অন্ধকাৰত পুনৰ তেওঁ অকলে অকলে আগবাঢ়ে, গৈ থাকে ইটো ৰাস্তাৰ পৰা সিটো ৰাস্তালৈ, নিশব্দে, এটা ছাঁৰ দৰে—যেন নগৰখনৰ দুৰ্দশাটোৱে এটা মূৰ্তিৰ আকাৰ লৈ আগবাঢ়িছে। তাক তাৰ চাৰিওপিনে যেন পিছে পিছে আঁগুৰাই আহিছে ৰাতিটোৰ সমস্ত ক্লেশৰ শব্দ; গেঙনি, কান্দোন, প্ৰাৰ্থনা আৰু হতাশাগ্ৰস্ত সৈনিকসকলৰ কক্ষ বিৰ্‌বিৰনি।

তেওঁ মানুহ, এগৰাকী মাতৃ। নিজৰ সন্তানক লৈ তেওঁৰ চিন্তা, নিজৰ জনমভূমিক লৈ তেওঁৰ চিন্তা, কাৰণ যিবোৰ মানুহ এই নগৰখন ধ্বংস কৰা কাৰ্যত ব্ৰতী হৈছে, তাৰ নেতৃত্বত আছে তেওঁৰেই সন্তান, তেওঁৰে হাঁহিমুখৰ সুপুৰুষ, হৃদয়হীন পুত্ৰ। অথচ কিছুদিন আগলৈকে এই সন্তানক লৈ তেওঁ গৰ্ব কৰিছিল; ভাবিছিল, দেশৰ বাবে এই সন্তান এক মূল্যবান সম্পদ; যি ঠাইত সি জন্মলাভ কৰিছে, যি ঠাইত সি ডাঙৰ-দীঘল হৈছে সেই ঠাইৰ জনগণৰ বাবে সি এক কল্যানময় শক্তি। তেওঁৰ হৃদয় অসংখ্য অদৃশ্য বন্ধনেৰে বান্ধ খাই আছে এই ঠাইৰ পাথৰবোৰৰ লগত, যি পাথৰৰ দ্বাৰাই তেওঁৰ পূৰ্ব-পুৰুষ সকলে সৌধ নিৰ্মাণ কৰিছিল, প্ৰাচীৰ গঢ়ি তুলিছিল; বান্ধখাই আছে ইয়াৰ মাটিৰ লগত, য'ত সমাধিস্থ হৈ আছে তেওঁৰ আত্মীয় সকলৰ অস্থি; বান্ধখাই আছে ইয়াৰ লোক কথা, গান আৰু আশা-আকাংক্ষাৰ লগত। আৰু এই হৃদয়েই আজি শোকা কুল হৈ পৰিছে তেওঁৰ আপোনজনক হেৰুওৱাৰ আশংকাত। মনৰ তুলাচনিত তেওঁ বহুতবাৰ ওজন কৰি পৰীক্ষা কৰিব বিচাৰিছিল—

কোনটো বেছি গধুৰ, পুত্ৰস্নেহ নে জন্মভূমি এই চহৰখনলৈ থকা তেওঁৰ ভালপোৱা? কোনটো বেছি তেওঁ কোনো প্ৰকাৰে সিদ্ধান্ত কৰিব নোৱাৰিলে।

আৰু এই চিন্তাতেই তেওঁ অন্ধকাৰ ৰাতি ঘূৰি ফুৰে বাটে-বাটে। চিনিব নোৱাৰি বহুতেই ভয়তে তেওঁৰ কাষৰ পৰা আঁতৰি পলায়, তেওঁৰ ক'লা মূৰ্তিটোক তেওঁলোকে মৃত্যুৰ দৈহিক ৰূপ বুলি চকি উঠে; কাৰণ, মৃত্যু সঁচাকৈয়ে তেওঁলোকৰ নিচেই ওচৰত। আৰু যদি কোনোবাই চিনি পায়, বেইমানৰ মাক বুলি ঘৃণাতে নাক-মুখ কোঁচাই দিয়ে।

কিন্তু এদিনৰ ঘটনা। নগৰৰ প্ৰান্তৰৰ কাষতে। তেওঁ দেখিবলৈ পালে এটা মৃতদেহৰ কাষত আঁঠুকাঢ়ি বহি আছে এগৰাকী নাৰী। নাৰী গৰাকী ইমান নিৰ্বাক-নিস্পন্দ যে দেখিলেই তেওঁক মাটিৰ চপৰা এটা যেন লাগে। আকাশলৈ বেদনাভৰা মুখখন তুলি তেওঁ প্ৰাৰ্থনা কৰিছে। আৰু ওচৰতে প্ৰহৰীহঁতে সৰু সৰুকৈ কথা পাতিছে; পাথৰৰ ওপৰত সিহঁতৰ অস্ত্ৰৰ শব্দ।

বেইমানৰ মাকে সুধিলে: তোমাৰ স্বামী!

: নহয়।

: ভাই?

: নহয়, মোৰ পুত্ৰ। স্বামী তেৰ দিন আগতে মৰিল আৰু আজি এয়া পুত্ৰ।

তাৰ পিছত থিয় হৈ মৃতকৰ মাতৃয়ে বিনীতভাৱে কলে: সকলোৱে জানে, তাৰ ওচৰত মই কৃতজ্ঞ।

: কিয়?

প্ৰথম গৰাকী নাৰীয়ে সুধিলে।

দ্বিতীয় গৰাকীয়ে ক'লে: যিহেতু সি দেশৰ হকে যুঁজ কৰি সসন্মানে মৃত্যু বৰণ কৰিলে এতিয়া মই কব পাৰোঁ। তাৰ বাবে মোৰ খুব ভয় আছিল। সি বৰ উদ্ধত স্বভাৱৰ আছিল, সি ভাল পাইছিল

স্ফূৰ্তিৰ জীৱন ; মোৰ সন্দেহ হৈছিল সি হয়তো দেশৰ প্ৰতি বেইমানী কৰিব, যেনেকৈ কৰিছে মাৰিয়ানাৰ সেই পুতেকটোৱে, সি ঈশ্বৰৰ শত্ৰু, সি আমাৰ শত্ৰুপক্ষৰ নেতা, সি ধ্বংস হওক আৰু ধ্বংস হওক তেও যাৰ গৰ্ভত সি জন্ম লৈছিল............

মুখ ঢাকি মাৰিয়ানা আঁতৰি গৈছিল। পিছদিনা নগৰৰক্ষীইঁতৰ কাষলৈ গৈ তেওঁ ক'লে: মোৰ পুত্ৰ তোমালোকৰ শত্ৰু। হয় তোমালোকে মোক মাৰি পেলোৱা ; নহয় গেট খুলি দিয়া, মই পুত্ৰৰ কাষলৈ গুচি যাওঁ

তেওঁলোকে ক'লে : তুমি মানুহ, তোমাৰ বাবেও দেশখন মহৎ। তোমাৰ পুত্ৰ যেনেকৈ আমাৰ শত্ৰু তেনেকৈ তোমাৰো শত্ৰু।

: মই তাৰ মাক। মই তাক ভাল পাওঁ। সি যি কৰিছে তাৰ বাবে ময়ো দোষী বুলি ধাৰণা কৰোঁ।

পৰস্পৰে আলোচনা কৰি সিদ্ধান্ত কৰিলে—

: তোমাৰ পুত্ৰৰ অপৰাধৰ বাবে তোমাক হত্যা কৰা অনুচিত। আমি জানো, এই ভয়ংকৰ অপৰাধৰ বাবে তুমি তোমাৰ পুত্ৰক প্ৰৰোচিত কৰা নাই, তথাপিও আমি তোমাৰ যন্ত্ৰণা বুজি পাইছোঁ। কিন্তু জামিন হিচাপে তোমাক বন্দী কৰি ৰখাৰো কোনো ফয়দা নহ'ব, কাৰণ তোমাৰ পুত্ৰ তোমাৰ বাবে মুঠেও চিন্তিত নহয়। সি এটা চয়তান, তোমাৰ কথা সি একেবাৰে পাহৰি গৈছে বুলি আমাৰ ধাৰণা। তুমি শাস্তি পোৱা উচিত বুলি যদি তোমাৰ ধাৰণা হৈ থাকে তেন্তে এইটোৱে ডাঙৰ শাস্তি ; ই মৃত্যুতকৈও বেছি ভয়ংকৰ বুলি আমাৰ বিশ্বাস।

: হয়, মৃত্যুতকৈয়ো ই ভয়ংকৰ।

গতিকে মূল দুৱাৰ খুলি তেওঁলোকে মাৰিয়ানাক নগৰখন এৰি যাবলৈ সুবিধা কৰি দিলে। তেওঁৰ পুত্ৰই যি ৰক্তস্ৰোত বোৱাইছে তাৰ দাবাই ৰক্তাক্ত আজি তেওঁৰ জন্মস্থান এই নগৰখন। এই নগৰখনকে আজি তেওঁ এৰি যাবলৈ ওলাইছে, দেৱালৰ ওপৰৰ পৰা

নগৰখনলৈ তেওঁ উভতি চলে। ধীৰ-স্থিৰভাৱে তেওঁ খোজ পেলালে। কিন্তু জনমভূমি এৰি যাবলৈ তেওঁৰ ভৰি দুখন অপ্ৰস্তুত। নগৰখন ৰক্ষা কৰিবলৈ গৈ যিসকলে প্ৰাণ বিসৰ্জন দিছে তেওঁলোকৰ মৃতদেহ-বোৰলৈ তেওঁ মূৰ দোৱালে। ভগ্না কিবা এপাট অস্ত্ৰ তেওঁ লাঠি মাৰি পেলাই দিলে; কাৰণ যাৰ দ্বাৰা জীৱন ৰক্ষা কৰিব পাৰি তাৰ বাহিৰে আন সকলো অস্ত্ৰই মাতৃৰ ওচৰত ঘৃণনীয়।

মাৰিয়ানাই ইমান সতৰ্ক হৈ খোজ কাঢ়িলে যেন কাপোৰৰ তলত এবাটি পৱিত্ৰ পানীহে লৈ গৈছে। নগৰৰ প্ৰাচৰীৰ পৰা যিবোৰে তেওঁক লক্ষ্য কৰিছিল তেওঁলোকৰ দৃষ্টিত তেওঁৰ মূৰ্তিটো ক্ৰমে সৰু হৈ আহিল। তেওঁলোকৰ ধাৰণা হ'ল, এই তিৰোতাজনীৰ লগে লগে যেন তেওঁলোকৰ হতাশা আৰু নৈৰাশ্যখিনিও ক্ৰমে ক্ৰমে আঁতৰি গ'ল।

তেওঁলোকে দেখিলে, তিৰোতাজনী কিছু দূৰ গৈ থিয় হ'ল, তাৰপিছত পিছমুৱা হৈ মূৰৰ ওৰণি গুছাই বহুত সময়লৈ নগৰখনৰ পিনে চাই ৰ'ল। আৰু আনফালে, শত্ৰু শিবিৰৰ সৈনিকহঁতে তেওঁক দেখিলে বিৰাট পথাৰখনৰ মাজত অকলশৰে। তেওঁৰ দৰেই ক'লা ক'লা কেইবাটাও মূৰ্তি তেওঁৰ পিনে আগুৱাই আহিল।

আগুৱাই আহি, তেওঁ কোন, ক'ৰপৰা আহিছে সুধিলে।

: তোমালোকৰ অধিনায়ক মোৰ পুত্ৰ। তেওঁ কলে, আৰু এজন সৈনিকেও সেই কথা অবিশ্বাস নকৰিলে। সিহঁতে তেওঁৰ সন্মুখত পুতেকৰ প্ৰশংসা কৰিবলৈ ধৰিলে, ক'লে, কিমান বুদ্ধিমান, কিমান সাহসী। অলপো বিচলিত নহৈ সগৰ্বে তেওঁ সকলো কথা শুনি গ'ল, কাৰণ তেওঁৰ পুত্ৰ ইয়াৰ অন্যথা নহয় বুলি তেওঁৰ জনা আছে।

তাৰপিছত অৱশেষত গৈ তেওঁ তাৰ সন্মুখত হাজিৰ হ'ল যাক জন্মৰ ন মাহ আগৰে পৰা তেওঁ ভালকৈ চিনি পায়, যাক নিজৰ হৃদয়ৰ পৰা কোনো দিনে পৃথককৈ চাব পৰা নাই। ৰেচম আৰু মখমলৰ পোছাকেৰে সি ভূষিত, মূল্যবান মণি-মুকুতাৰে তাৰ অস্ত্ৰ-শস্ত্ৰ

সুশোভিত। তেওঁ যি কল্পনা কৰিছিল সব কিছু ঠিক তেনেকৈয়ে আছে, ঠিক এই ৰূপতে তেওঁ তেওঁৰ পুতেকক বহুবাৰ সপোনত দেখিছিল,—ঐশ্বৰ্যশালী, খ্যাতনামা, জনপ্ৰিয় !

মাকৰ হাতত চুমা খাই পুতেকে ক'লে ; মা, তুমি মোৰ কাৰণে আহি গৈছা, তাৰ মানে মোক তুমি বুজিব পাৰিছা, এতিয়া আৰু চিন্তা নাই, কাইলৈয়ে এই অভিশপ্ত নগৰখন মই আক্ৰমণ কৰিম।

: যিখন নগৰত তোৰ জন্ম—

মাকে পুতেকক মনত পেলাই দিলে।

ক্ষমতাত মাতাল আৰু গৌৰৱৰ আশাত উন্মাদ তেওঁৰ পুত্ৰই যৌৱনৰ উদ্ধত-স্পৰ্ধাৰে উত্তৰ দিলে :

: মই জন্মিছোঁ এই পৃথিৱীত, পৃথিৱীৰ বাবে, মই চাওঁ মোক দেখি গোটেই বিশ্ব বিস্ময়ত কঁপি উঠক। এই নগৰখন মই অতদিনে তোমাৰ বাবেই একো নকৰাকৈ ৰাখিলোঁ, ই মোক কাঁইটৰ দৰে বিন্ধি আছে ইয়াৰ বাবেই মত গৌৰৱ অসম্পূৰ্ণ হৈ আছে। সেইবাবে কাইলৈয়ে ইয়াক মই চূৰ্ণ কৰিম ।

"য'ৰ প্ৰত্যেকটো পাথৰে তোক বাল্যকালৰে পৰা জানে, বাল্য-কালৰে পৰা তোক মনত ৰাখিছে, "—মাকে ক'লে।

"মানুহে যদি পাথৰক কথা কবলৈ বাধ্য নকৰে, তেনেহলে পাথৰতো বোবা ! মোৰ ইচ্ছা, মোৰ কথা পৰ্বত-পাহাৰেও কওঁক !"

"মাত্ৰ পৰ্বত-পাহাৰে ! আৰু মানুহে ?"

মাকে সুধিলে ।

"মানুহৰ কথাও মই পাহৰা নাই মা ! সিহঁতকো লাগে, কাৰণ মানুহৰ স্মৃতিৰ মাজতেই বীৰপুৰুষসকল অমৰ হৈ থাকে।"

মাকে ক'লে :

"এৰা, সেই বীৰসকল, যিয়ে জীৱন সৃষ্টি কৰে মৃত্যুৰ পৰিবৰ্তে যিয়ে জয় কৰে মৃত্যুক...."

পুতেকে আপত্তি কৰি ক'লে : নহয়। নগৰ যিয়ে ধ্বংস কৰে

সিও নগৰ স্ৰষ্টাৰ দৰেই বিখ্যাত হয়। চোৱা, আয়োনিয়াচ নে ৰোমু-লাচে ৰোম নগৰ গঢ়ি তুলিছিল সেয়া আমি নাজানো; কিন্তু যিয়ে ইয়াক ধ্বংস কৰিছিল সেই আলাৰিহ আৰু অন্যান্য বীৰসকলৰ নাম আমি ভালকৈয়ে জানো।...

"সকলো নামৰ ভিতৰত আটাইতকৈ স্থায়ী হ'ব ৰোমৰ নাম" মাকে পুতেকক সোঁৱৰাই দিলে।

সন্ধিয়ালৈ এই ধৰণেই কথা বতৰা চলিল; পুত্ৰৰ উদ্ধত কথাৰ প্ৰতিবাদ কৰা স্পৃহা মাতৃৰ দুৰ্বল হৈ আহিল, ক্ৰমে ক্ৰমে তেওঁৰ গৰ্বিত শিৰ নত হৈ আহিল।

মাতৃৰ কৰ্তব্য সৃষ্টি কৰা, ৰক্ষা কৰা। তেওঁৰ সন্মুখত ধ্বংসৰ কথা কোৱাৰ অৰ্থ মাতৃৰ বিৰুদ্ধেই কোৱা। কিন্তু পুত্ৰই সেই কথা বুজা নাই, বুজা নাই যে সি মাতৃৰ অস্তিত্বৰ যুক্তিটোক উলাই কৰিব বিচাৰিছে।

মাতৃ চিৰদিন মৃত্যুৰ বিৰুদ্ধে, যি হাতে সংসাৰলৈ মৃত্যুৰ বিভীষিকা টানি আনে সেই হাত মাতৃৰ বাবে চিৰদিন ঘৃণনীয় বৰ্জনীয়। কিন্তু পুত্ৰই, সেই কথা নুবুজিলে, কাৰণ সি এক মিছা গৌৰৱত গৌৰৱান্বিত হৈছে, যিয়ে মানুহক নিস্প্ৰাণ কৰে।

এই কথাও তাৰ অজ্ঞাত যে মাতৃয়ে সৃষ্টি কৰা জীৱনক কেন্দ্ৰ কৰি যেতিয়া সমস্যাৰ উদ্ভৱ হয় তেতিয়া যিমান নিৰ্ভীক ঠিক সেই পৰিমানে মাতৃয়ে চতুৰ আৰু নিৰ্মম হৈয়ো উঠিব পাৰে।

মাক তলমূৰকৈ বহি ৰ'ল। অধিনায়কৰ সুসজ্জিত শিবিৰৰ ফালেৰে তেওঁ জুমি চালে সেই নগৰখনলৈ য'ত তেওঁ পোন-প্ৰথমবাৰৰ বাবে নিজৰ উদৰত অনুভৱ কৰিছিল আন এটা জীৱনৰ মধুৰ স্পন্দন, অনুভৱ কৰিছিল প্ৰসৱ বেদনাৰ এক ৰহস্যময় যন্ত্ৰণা। আৰু সেই সন্তানেই আজি ধ্বংসৰ নিচাত মতলীয়া।

সূৰ্যৰ ৰক্তিম আভাত নগৰখনৰ প্ৰাচীৰ আৰু মিনাৰবোৰ তেজৰ দৰে ৰঙা হৈ উঠিল, খিৰিকীৰ আইনাবোৰ আক্ৰোশত জ্বলি উঠিল। গোটেই নগৰখনেই যেন ক্ষত-বিক্ষত হৈ পৰিছে আৰু প্ৰত্যেকটো

ক্ষতৰ পৰা যেন নিগৃত হৈছে বগা বগা বস। কিছুপৰ পিছতে গোটেই নগৰখন এটা মৰাশৰ দৰে ক'লা হৈ পৰিল আৰু শ্মশানত জ্বলা চাকিৰ দৰে মূৰৰ ওপৰত জ্বলি থাকিল অগণন তৰাৰ শাৰী।

তেওঁ দেখিলে সেই অন্ধকাৰ ঘৰবোৰ, য'ত শত্ৰুৰ কবলত পৰাৰ ভয়তে মানুহে চাকি নজ্বলায়; দেখিলে ৰাস্তাবোৰ, এন্ধাৰ, মৰাশৰ পুতি গন্ধেৰে ভৰা, কাণত বাজিল মৃত্যুৰ ভুৱাৰদলিত থকা মানুহবোৰৰ শংকিত ফুচ-ফাচ্ কথা;—তেওঁৰ অতি আপোন আৰু মৰমৰ এই আটাইবোৰে যেন নীৰৱে অপেক্ষা কৰিছে তেওঁৰ সিদ্ধান্তলৈ। তেওঁৰ ধাৰণা হ'ল, তেওঁ এই নগৰখনৰ সকলোৰে মাতৃ।

অন্ধকাৰ পাহাৰৰ শিখৰৰ পৰা উপত্যকালৈ নামি আহিছ মেঘ, মৃত্যু দণ্ডেৰে দণ্ডায়িত নগৰখনৰ ওপৰত সেই মেঘ এজাক পক্ষীৰাজ ঘোঁৰাৰ দৰে জপিয়াই পৰিল।

পুতেকে ক'লে: ৰাতিটো যদি খুব এন্ধাৰ হয়, তেনেহলে আজি ৰাতিতেই আক্ৰমণ কৰা হ'ব। ৰ'দৰ পোহৰত হত্যাকাণ্ড চলোৱাটো কিছু জঞ্জালপূৰ্ণ। অস্ত্ৰৰ চিক্‌মিকনি চকুত পৰিলে কিছুলোক মৃত্যুৰ পৰা সাৰি যাব পাৰে।

পুতেকে অস্ত্ৰপাট লাৰি-চাৰি পৰীক্ষা কৰিলে।

মাকে ক'লে:

"আহ সোণ, মোৰ বুকুত মূৰ গুজি অকণ তই টোপনি যা। তই ভাবি চা, বাল্যকালত তই কেনেকুৱা ফুৰ্তিবাজ আছিলি, কেনেকুৱা আছিল তোৰ দয়া-মৰম। সকলোৱে যে তোক কিমান ভাল পাইছিল ..."

ল'ৰাই মাকৰ কথামতে মাকৰ কোলাত মূৰ থৈ চকু মুদি ক'লে: মই মাত্ৰ ভালপাওঁ গৌৰৱ, আৰু তোমাকো ভাল পাওঁ, কাৰণ, মই যিখিনি হব পাৰিছোঁ সেয়া তোমাৰ বাবেই হৈছোঁ।"

"আৰু তই ছোৱালী ভাল নাপাৱ?"

পুতেকৰ ওচৰত হালি পৰি মাকে সুধিলে।

"ছোৱালীৰ সংখ্যা বহুত, বিৰক্তি লাগে, যেনেকৈ অতি সুমধুৰ বস্তুৰ প্ৰতিও বিৰক্তি আহি যায়।"

"তোক পুত্ৰ নালাগে ?"

অৱশেষত মাকে সুধি পেলালে।

"কি হ'ব পুত্ৰ হলে ? শেষত নিহত হবৰ বাবে ? মোৰদৰে কাৰোবাৰ হাতত তাৰ মৃত্যু হ'ব নিশ্চয়, তেতিয়া মোৰ দুখ লাগিব ; অথচ বৃদ্ধকালত দুৰ্বল দেহাৰে তাৰ কোনো প্ৰতিশোধো লব নোৱাৰিম।

দীঘলকৈ হুমুনিয়াহ টানি মাকে ক'লে : তই সুপুৰুষ ; কিন্তু বিজুলীৰ পোহৰৰ দৰে তোৰ জীৱন নিস্ফল।

"ঠিক কথা মা, মই বিজুলীৰ পোহৰৰ দৰে...." পুতেকে হাঁহি মাৰি উত্তৰ দিলে।

তাৰপিছত এটা শিশুৰদৰে সি মাকৰ কোলাত টোপনি আহিল।

আৰু তেতিয়াই নিজৰ গাৰ ক'লা পোছাকটোৰে পুতেকক ঢাকি লৈ মাকে পুতেকৰ বুকুত ছুৰিখন সোমাই দিলে। কঁপি কঁপি তেওঁৰ পুত্ৰৰ মৃত্যু হ'ল। পুত্ৰৰ বুকুখনৰ কোনখিনিত ধপ্-ধপনি উঠিছিল সেয়া মাতৃতকৈ কোনে ভালকৈ জানে! তাৰপিছত বিমূঢ় প্ৰহৰী কেইটাৰ ভৰিৰ কাষত পুতেকৰ মৰাশৰটো পেলাই থৈ তেওঁ নগৰখনৰ পিনে চাই ক'লে :

"মানুহ হিচাপে জন্মভূমিৰ প্ৰতি মোৰ পালনীয় কৰ্তব্য সমাধা কৰিলোঁ ; মাতৃ হিচাপে মোৰ স্থান পুত্ৰৰ কাষত। কিন্তু, আৰু এটা সন্তান জন্ম দিবলৈ এতিয়া মোৰ বয়স নাই, মোৰ জীৱনত এতিয়া আৰু কোনো কাম নহ'ব।"

পুত্ৰৰ তেজেৰে, প্ৰকৃততে তেওঁৰেই তেজেৰে, ছুৰিখন তেতিয়াও তপত হৈ আছে। সেই ছুৰিখনকে তেওঁ এইবাৰ দৃঢ়ভাৱে সোমাই দিলে তেওঁৰ নিজৰ বুকুত, এইবাৰো তেওঁৰ লক্ষ্যভ্ৰষ্ট নহ'ল, কাৰণ ব্যাথিত হৃদয় বিচাৰি পোৱাটো অতি সহজ। □

* * *